# অনির্বাণ




## Souvenir of the DHSK College Alumni Association

Editor : **Munindra Nath Sarmah**

স্মৰণিকা

# অনির্বাণ

**The DHSK College Alumni Association**

সম্পাদক ঃ

মুনীন্দ্র নাথ শৰ্ম্মা

# ANIRBAAN

*Souvenir of the DHSK College Alumni Association, published on the occasion of the 'Alumni Meet - 2013' held on 21st and 22nd December, 2013 at the DHSK College premises, Dibrugarh.*


**EDITORIAL BOARD:**

Convenor : Shri Pratik Chowdhury
Editor : Shri Munindra Nath Sarmah

**Members** : 1. Shri Tarun Gogoi
2. Shri. Mridul Sarmah
3. Shri Ananta Teron
4. Shri Vedanta Vikash Baruah
5. Shri Nabajyoti Borkakoty
6. Md. Hassan Iqbal
7. Shri Raju Kumar Chetry
8. Shri Padma Dulakakharia
9. Shri Nilav Nayan Bordoloi



**Copyright :** DHSK College, Dibrugarh


**Cover:**

Design : Editorial Board
Photo : Shri Nabajyoti Borkakoty
Theme : *The 'melting watch' of Salvador Dali's 'Persistence of Memory' is taken as blunting of the human memory while passing through TIME and 'Guernica' by Picasso is incorporated as an embodiment of peace in the conflict-ridden present day world. The vastness of the DHSK College building towering high above represents the infinite pursuit of knowledge that can unveil a new horizon.*


**Printed at :** Kamakhya Offset, Dibrugarh

# শ্ৰদ্ধাৰ্ঘ্য

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ কলেজৰ
প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহৰ প্ৰাক মূহুৰ্ত্তত
সমস্ত ন-পুৰণি
ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা
সকলো বৰ্গৰ কৰ্মচাৰীয়ে
সশ্ৰদ্ধ প্ৰণিপাত জনাইছে
সেই সকল কানৈয়ান শিক্ষাগুৰু আৰু সতীৰ্থক
যি সকল আজি আৰু আমাৰ মাজত নাই
তেওঁলোকৰ শুভকামনা বৰ্ষিত হওক
আমাৰ শিৰত
আমি যেন হৈ ৰওঁ,
তেওঁলোকৰ ডেউকাৰ তলৰ বতাহ

।। স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি ।।

# PRINCIPALS OF D.H.S.K.COLLEGE
# DIBRUGARH
# FROM - 1945

| Sl. No. | Principals' Name | Tenure of Office |
|---|---|---|
| 1 | Dr. Jogiraj Basu, M.A. (Triple) | 15-06-1945 - 04-12-1963 |
| 2 | Dr. Lakshmi Prasad Dutta, M.A., B.L. | 05-12-1963 - 28-06-1965 |
| 3 | Dr. Jogiraj Basu, M.A. (Triple) | 29-06-1965 - 07-07-1967 |
| 4 | Sri Sushil Ch. Dutta, M.A. | 08-07-1967 - 23-01-1978 |
| 5 | Mrs. Lakshmida Dutta, M.A. | 24-01-1978 - 12-12-1980 |
| 6 | Shri Kalyan Kumar Baruah,M.A. | 13-12-1980 - 21-08-1989 |
| 7 | Shri Narendra Kr. Verma, M.A. (I/C) | 22-08-1989 - 03-12-1990 |
| 8 | Shri Dimbeswar Chaliha, M.Sc. | 04-12-1990 - 31-05-1997 |
| 9 | Dr. Siba Kanta Dutta, M.A. | 01-06-1997 - 31-07-2004<br>12-10-2004 - 13 -12-2004<br>17-02-2006 - 31-12-2006 |
| 10 | Mrs. Aloka Baruah, M.A. (I/C) | 02-08-2004 - 11-10-2004<br>14-12-2004 - 28-02-2005 |
| 11 | Shri Bhaben Baruah, M.A. (I/C) | 01-03-2005 - 31-01-2006 |
| 12 | Dr. Joy Krishna Mahanta, M.A. (I/C) | 01-02-2006 - 16-02-2006<br>01-01-2007 - 28-02-2011 |
| 13 | Dr. Rajee Konwar,, M.A., (I/C) | 01-03-2011 - |



**Late Ashwini Charan Choudhury**
The Visionary & Architect
of The DHSK College
**[Centenary due in - 2014]**



Prime Minister Pandit Nehru taking Salute from NCC. Company DHSK College led by Maj.K. Barua; U/o Resam Singh Jadu, at NCC. Camp held at Digaru (Near Guwahati) on Jan. 10th 1960. Maj General Paintal, Director General NCC. on the right of Nehru.



In conversation with Shri Indreswar Khaund, an eminent senior citizen of Dibrugarh who recently turned 96 this year.

## FROM THE ARCHIVES



A SECTION OF OLD STUDENTS WITH THE TEACHING STAFF

## FROM THE ARCHIVES



A SECTION OF OLD STUDENTS WITH THE TEACHING STAFF

## DIBRUGARH H.S.K. COLLEGE TEACHING STAFF.

SESSION : 1953-54



From Left to Right : (Sitting) - S. Dutta, N.K. Basu, Principal J.R. Basu. Vice-Principal L. P. Dutta, Mrs. L. Dutta.

(Standing First Row) - B. Gogoi, B.P. Chakravarty, H. Goswami, U. Goswami, S. Barua, A.K. Chakravarty, S. P. Chaliha, P.C. Jain, S. Basu, S.K. Roy

(Standing Middle Row) - R. Dutta, S. Bharali, T.K.K. Aiyar, J. Chakravarty, B.K. Menon, B. Chaudhury, B. Das.

(Standing Lst Row) - K. Barua, N. Gohain, M. Bora, M. Hassan, N. Dutta. P. Rajkhowa, (Libraian)

Vice Principal L.P. Dutta & Prof. T. Ali with the team of *'Nepati Kenekoi Thako'* which won the Best Drama Team award in the Inter University Drama Festival at Delhi, 1958



**PHOTOGRAPH TAKEN ON 10 JANUARY 1994 ON THE OCCASION OF OFFERING FELICITATION TO A SECTION OF THE FOUNDERS OF THE COLLEGE**



**Sitting from L to R** : R. Konwarh, K. Sengupta Baruah, C. Goswami, A. Ganguly, S. Bhattacharjee, S. Das,

**2nd row** : S. Safauddin, K. Baruah, P. C. Jain, D. Dutta, A. C. Choudhury, N. Basu, B. P. Chakraborty, B. C. Bhattacharjee, N. Dutta, B. G. Parampanthi,

**3rd row (standing) L - R** : J. Duwara, S. Baruah, B. Chaliha, S. Borthakur, N. Choudhury, P. C. Chakraborty, B. Choudhury, A. Devi, C. Jain, J. Bhuyan, D. D. Sarmah,

**4th row** : V. K. Verma, A. Dutta, K. R. Baruah, P. Bhattarcharyya, G. B. L. Das, N. Hussain, P. Knowar, D. Chaliha, B. K. Konwar,

**Last row** : S. Borah, A. K. Ganguly, M. Hazarika, G.Deka, M. M. Goswami, P. Ganguly, T. Gogoi, A. Ahmed, F. Sharfuddin, J. Hazarika,

# আমাৰ ভি এন এচ ৰ লগত এটি অন্তৰঙ্গ আলাপ



**Prof. A.K. Buragohain, Ph.D. (London), DIC**
***Vice-Chancellor***

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
e.Mail: alakkrburagohain@gmail.com

Ref. No.DU/VC/M/073/13/157

Date: 12.12.2013

## Message



To,

Mr. Pratik Chowdhury,
Convener
Souvenir Committee
DHSK College Alumni Association
Dibrugarh

Dear Mr. Chowdhury,

With immense pleasure I note the progression of the **DHSK College Alumni Association** towards the '***Mega Alumni Meet***' and the '***Marathon***' set for the event. I am also delighted at the publication of a '***Souvenir***' being published to observe the occasion.

Over the seven long decades, the college has provided some of the prominent personalities, leaders, professionals to the nation and across the nation, and particularly to the North-East Region. It is inspiring to see how they have evolved both personally and professionally over the years. Organizing a *health benefiting exercise* like ***Marathon*** to commence the ***Alumni Meet*** is a great way to get connected with the most valued diverse group of *Alma Mater* from various fields; providing them an opportunity to interact with each other, to revive old memories and relive a part of the past.

I am confident that the *Alumni Network* will enable the college to strengthen and expand communication both in the region and across the nation, and assist the future generation in fostering a meaningful sense of purpose in their lives.

I heartily convey my best wishes for the grand success of the ***Mega Alumni Meet*** and congratulate the organizing Committee on the successful publication of the '***Souvenir***'.

With best regards.

**A.K. Buragohain**

Dr Amaresh Datta
Professor Emeritus
D.Litt (Hon) Asaam University, Silchar
D.Lit (Hon) Dibrugarh University, Dibrugarh
Retd Professor & Head of Department of English
Gauhati & Dibrugarh Universities
Former Chief Editor, Encyclopaedia of Indian Literature
Sahitya Akademi,New Delhi etc

Vivekananda Pal li, Naliapool
Dibrugarh, Assam
India
PIN : 786001
Tel: (0373) 2301434
Cell : 9954251926

It is a welcome decision, the one taken by the Alumni Association of DHSK College, Dibrugarh to organize a get together with its old students in its own premises and bring out a Souvenir to mark the occasion. The college is now more than sixty year old. It had been christened in 1950 and over the years its campus grew into an impressive hub of academic activities. It has all along tried, with earnest endeavour, to meet the educational needs of its students. All this was made possible by the extra-ordinary magnanimity of the late Hanumanbax Surajmall Kanoi with the idealism and dedication of its founding teachers. The college now is a premier institution of higher learning in this region of Upper Assam and some of its students have gone places and earned accolades for their work.

The participants of this rendezvous who come with a feeling of nostalgia may miss the simple and old world ambience and may not sense the first flush enthusiasm they had had but they will certainly be impressed by the progress made by the college in different directions and its efforts to keep pace with the new trends and innovation of the world of education. Ideally an encounter with the new generation of students could be fruitful when the old boys can talk of their experiences and of the value of education and make the new generation conscious of their moving toward what is now called a knowledge society. But even if such a meeting does not come off, I am sure, there will be enough indication of everyone's feeling of concern for their Alma Mater in the midst of their pleasant camaraderie.

I wish the enterprise all well.

*Prof. Kumud Ch. Borah*
Professor,
Department of Economics
Dibrugarh University
Dibrugarh - 786 004.

Phone: 0373 - 2370259 ( O )
9435391661 (M)
Fax : 0373 - 2370323
E-mail: kcbecodu@rediffmail.com

Date: 09.12.2013

## MESSAGE

I am pleased to learn that the DHSK College Alumni Association wishes to publish a Souvenir to commemorate the auspicious occasion of Mega Alumni Meet on 21st and 22nd December, 2013.

In every Educational Institution apart of students , teachers and guardians, the alumni is equally considered important shareholder for its development. From June 15th 1945 DHSK College has emerged into a multi-faceted institution of higher learning in North Eastern Region in general and Assam in particular. Many alumni of this premier institute established themselves in different places spanning almost seven decades.

I hope this Alumni Association Meet shall be a successful mission for converging ideas and lead a direction for keeping pace with the present paradigm of higher education.

K.C.Borah

President
Governing Body
DHSK College

*Dr. P. K. Borua*
*Professor,*
**Member, Governing Body, DHSK College**

**DEPARTMENT OF LIFE SCIENCES**
**DIBRUGARH UNIVERSITY**
**DIBRUGARH – 786 004 (ASSAM)**

**Date 8th December, 2013**

To

Shri Pratik Chowdhury
Convener,
Souvenir Committee
DHSK College Alumni Association
Dibrugarh (Assam)



Dear Shri Choudhury,

It gives me immense pleasure to know that you are going to publish a Souvenir on occasion of 'Mega Alumni Meet' organized by DHSK College Alumni Association on 18th, 21st and 22nd December, 2013. The Alumni Association plays a pivotal role in all round development of the institute. I hope. Souvenir Committee under your able leadership will be able to commemorate the auspicious occasion of Mega Alumni Meet by publishing an effective and excellent Souvenir in all aspects.

I wish all success of the proposed 'Meet' of the reputed and oldest College of this region.

*(P. K. Borua)*

**Tel**: 0373-2370250/2371040 (O) **FAX**: 0373-2370768/2370323 **Email**: *boruapk032@rediffmail.com*
**Res**: TW/27, University Campus, Near SBI, DU Branch. **Tel**: 0373-2370027 (R) ***Mobile*** 9435033279

Chairman, Jyoti Lalita Kanoi Foundation
Founder Trustee, Dibrugarh Gymkhana Club
Trustee, Dhanwantary Sewa Foundation Kolkata
Governing Body Member:
Dibrugarh Hanumanbux Surajmal Kanoi College
Dibrugarh Hanumanbux Surajmal Kanoi Law College
Manohari Devi Kanoi Girls' College
President:
Shree Viswanath Marwari Ausdhalaya &
Arogya Bhawan Hospital, Jyotinagar Dibrugarh
Past President:
Rotary Club of Calcutta New Alipore



JYOTI P KANOI
CHARTERED ACCOUNTANT

"KANOI HOUSE"
CENTRAL CHOWKIDINGHEE
DIBRUGARH 786 001, ASSAM
Phone 2328951 & 2324408
Fax 91-0373-2320531
2D SINGHI PARK
48/3 GARIAHAT ROAD
KOLKATA - 700019, WB
Phone 24617305
Fax 91-033-24617306
jyoti.kanoi@gmail.com

# *Message*

It gives me great pleasure in sending this message of greetings and good wishes to the organizers of ALUMNI MEET. I am happy to know that a Souvenir is being published to commemorate the occasion.

The College was founded by my late grandfathers and with their encouragement and blessings it has grown over the years as the premier Educational Institute of Dibrugarh. The academic ranking of the college is among the best in Assam, with its students always achieving merit.

The turn-out and discipline of the students from this college is an example to other Institutions. The devoted staffs of selfless teachers have made it possible for this high standard to be maintained. Our family has always looked forward to the progress and development of this college with enthusiasm and involvement. We are confident that in the coming years it will continue to achive further laurels in all fields.

**JYOTI P KANOI**
Member – Governing Body
D.H.S.K. College
Dibrugarh

To,
The Convener
Souvenir Committee
D.H.S.K. College Alumni Association
D.H.S.K. College
Dibrugarh

**Binanda Kr. Gogoi**
Alumnus & Former Ambassador to Myanmar

Guwahati
16/11/2013

Dear Principal
Dr. Rajiv Konwar

Thank you for your letter dt 14.11.2013 for DUSK College Alumni Association Membership. As desired, I am enclosing herewith an amt of Rs 1500/- by Cheque.

It is a good move. I dint say it came late, but, had it been there 40 yrs ago, it wld have been very useful. You would have then got brilliant old-timers like Lt Justice Hansaria, Tapan Lal Barua, Kula Bora and some others I may not know!! However, it is not too late to mend. I congratulate all of you for the efforts and wish you all success in your endeavour.

I shall be grateful to attend. Kindly send the programme.

Yours Sincerely
[signature]



শ্ৰীশোভনা দেৱী

প্ৰাক্তন ছাত্ৰী

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ

বালিগাঁও

৬/১১/২০১৩

## শুভেচ্ছা বাণী

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজে ছাত্ৰ ছাত্ৰী সমাৰোহ আৰু এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱাত অতিশয় সুখী হৈছোঁ। ১৯৫৩-৫৪ চনত মই এই কলেজৰে ছাত্ৰী আছিলোঁ; সেই সময়ৰ অবিস্মৰ স্বনামধন্য সংস্কৃত পণ্ডিত প্ৰয়াত মোণীৰাম বৰুৱা দেৱ আৰু প্ৰয়াত লক্ষ্মী প্ৰসাদ দত্ত দেৱ মোৰ চিৰনমস্য ব্যক্তি। বৰ্তমান এই কলেজে প্ৰায় ৬০ বছৰ অতিক্ৰম কৰি এক গৌৰৱোজ্জ্বল অধ্যায় অতিক্ৰম কৰিছে। আমাৰ আশা এই কলেজে অসমৰ ভিতৰতে এখন অন্যতম সৰ্বাংগসুন্দৰ কলেজ ৰূপে আত্মপ্ৰকাশ কৰক, ভগৱানৰ ওচৰত আমাৰ এয়েই প্ৰাৰ্থনা। এই কলেজৰ উত্তৰোত্তৰ উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰি নতুন প্ৰজন্মলৈ আমাৰ সৰেঙা শুভইচ্ছা আৰু আশীৰ্বাদ জ্ঞাপন কৰিলোঁ।


শ্ৰীশোভনা দেৱী

অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী,

বালিগাঁও জয়ন্তী বালিকা উচ্চ ইংৰাজী বিদ্যালয়।

পো: আ: কোৰোকাতলী; বালিগাঁও যোৰহাট

ফোন নম্বৰ ৯৪০১১২৮৩৬৩

# অধ্যক্ষৰ কলম



ডিব্ৰুগড় চহৰত প্ৰথমখন উচ্চ শিক্ষাৰ অনুষ্ঠান 'ডিব্ৰুগড় কলেজ'ৰ প্ৰতিষ্ঠাতা-সম্পাদক অশ্বিনীচৰণ চৌধুৰী আৰু প্ৰথম গৰাকী অধ্যক্ষ যোগীৰাজ বসুৰে দানপাত্ৰত আগবঢ়োৱা প্ৰথম বৰঙণি 'দুটি আধলি'ৰ পুঁজিৰে আৰম্ভ হোৱা 'ডিব্ৰুগড় কলেজে' পৰৱৰ্ত্তী কালত 'ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ কলেজ' নাম পৰিগ্ৰহণ কৰি ইতিমধ্যেই ইয়াৰ অস্তিত্বৰ আঠষষ্ঠিতম বছৰত ভৰি থলেহি। কলেজৰ প্ৰথম অধ্যক্ষৰূপে ড° যোগীৰাজ বসুৰ দৰে এগৰাকী বিদগ্ধ পণ্ডিতৰ পৰা সেৱা লাভ কৰিব পৰাটো সমস্ত ডিব্ৰুগড়বাসী ৰাইজৰ বাবেই আছিল এক অত্যন্ত গৌৰৱৰ বিষয়। তদুপৰি আন যি কেইগৰাকী সদাশয় সু-পণ্ডিতে এই নতুন কলেজখনত স্বেচ্ছাই বিনামূলীয়াকৈ শিক্ষাদান কৰিবলৈ আগবাঢ়ি আহিছিল, তেখেতসকলো এই চহৰখনিৰ বাবে চিৰনমস্য। তেওঁলোকৰ কোনেও সম্পূৰ্ণ এটা বছৰৰ বাবে দা-দৰমহা লোৱা নাছিল। পৰৱৰ্ত্তী কালত কেনেকৈ এই 'ডিব্ৰুগড় কলেজে' নাম সলাই 'ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ কলেজ' লৈ পৰিবৰ্ত্তিত হ'ল সেই ইতিহাস এই পৰিপূৰিকাৰে অন্যত্ৰ বিবৃত হৈছে।

পৰিবৰ্ত্তনৰ দুৰন্ত গতিৰ লগত কানৈ কলেজেও সমান্তৰাল ভাবে ইয়াৰ বিদ্যায়তনিক তথা অন্যান্য দিশত সন্মুখলৈ ধাৱমান হব লাগিছে। আজিৰ তাৰিখত এই মহাবিদ্যালয়ত শিক্ষাদান কৰা বিষয়ৰ সংখ্যা ১৮ (ওঠৰ) টালৈ বৃদ্ধি পাইছে। সেই অনুপাতে শিক্ষক-শিক্ষয়ত্ৰীৰ সংখ্যা হৈছেগৈ ৮১ (একাশী) গৰাকী। স্নাতক মহলাৰ কলা আৰু বিজ্ঞান উভয় শাখাৰ প্ৰায় সৰহ সংখ্যক বিষয়তে Major Course অধ্যয়নৰ সুবিধা আছে। আজিৰ তাৰিখত ইয়াৰ সৰ্বমুঠ শিক্ষাৰ্থীৰ সংখ্যা হৈছেগৈ ১৬৮৪ গৰাকী; ইয়াৰে মাজৰ ১২৫০ গৰাকী স্নাতক আৰু ৪৩৪ গৰাকী উচ্চতৰ মাধ্যমিক পৰ্য্যায়ৰ। বিদ্যায়তনিক দিশত কানৈ কলেজ চৌহদে আগবঢ়োৱা আন কেইটিমান সা-সুবিধা হৈছে ইয়াত উপলব্ধ Bio Technology Hub, Computer Lab তথা Wi-fi Technology যুক্ত Internet ব্যৱস্থা ইত্যাদি। তদুপৰি ইয়াত উপলব্ধ Krishna Kanta Handique open University তথা তেজপুৰ বিশ্বদ্যিালয়ৰ অধীন এটি Distance Education কেন্দ্ৰৰ জৰিয়তে উচ্চ শিক্ষা গ্ৰহনৰ সা-সুবিধা। The cell for Woman's Studies নামৰ নাৰী সাবলীকৰণ কেন্দ্ৰ আৰু Information and Career Guidance Cell নামৰ সেৱা কেন্দ্ৰ দুটিও কানৈ কলেজৰ অপৰিহাৰ্য্য অঙ্গ।

কানৈ কলেজৰ স্নাতক মহলাৰ ফলাফল সমূহে ইয়াৰ উচ্চ মানদণ্ডৰ শিক্ষা প্ৰদানৰ উজ্জ্বল স্বাক্ষৰ বহন কৰিছে। উদাহৰণ স্বৰূপে চলিত বৰ্ষৰ (২০১২-২০১৩) স্নাতক পৰীক্ষাৰ ফলাফল অনুসৰি কলা আৰু বিজ্ঞান এই দুয়োটি বিভাগতে শ্ৰেষ্ঠ স্নাতকৰ (Best Graduate) স্থান লাভ কৰা দুয়োগৰাকী পৰীক্ষাৰ্থীয়েই কানৈয়ান! কলা বিভাগৰ গৰাকী হৈছে শ্ৰীমতী বিকিমনি গগৈ আৰু বিজ্ঞানৰ গৰাকী শ্ৰীচৰণ সাহ।

শেষতীয়াকৈ এচাম প্ৰাক্তন কানৈয়ানৰ উৎসাহ, উদ্যোগ আৰু প্ৰেৰণাত আমাৰ গৰিমামণ্ডিত কলেজখনে DHSK College Alumni Association নামৰ অনুষ্ঠানটিক অৰ্থপূৰ্ণ ভাৱে সক্ৰিয় কৰি তোলাৰ বাবে মাৰ বান্ধি থিয় দিছে আৰু সেই উদ্দেশ্যে অধ্যক্ষ ড° ৰাজী কোঁৱৰক সভাপতি, প্ৰাক্তন ছাত্ৰ কুমুদৰঞ্জন দাসক কাৰ্য্যকৰী সভাপতি তথা প্ৰাক্তন ছাত্ৰী মিনু বুঢ়াগোঁহাইক সম্পাদিকা হিচাপে লৈ এখন প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ উদ্‌যাপন সমিতি গঠন কৰা হৈছে। আগন্তুক ১৮, ২১ আৰু ২২ তাৰিখে উদ্‌যাপিত হবলগীয়া প্ৰাক্তন কানৈয়ানৰ সমাৰোহ খনিৰ বাবে জোৰ প্ৰস্তুতি চলোৱা হৈছে। ১৮ ডিচেম্বৰ তাৰিখে ৰাতিপুৱা ৫ বজাত 'ফ্লেগ অফ' কৰিবলগীয়া মাৰাথন দৌৰ প্ৰতিযোগিতাৰেই আৰম্ভ হব এই সমাৰোহৰ শুভ-আৰম্ভণি। সমাৰোহৰ প্ৰস্তুতিত আজি দুমাহ মানৰে পৰা কানৈ কলেজৰ চৌহদ উদুলি-মুদুলি। উদ্‌যাপনৰ সৈতে সংগতি ৰাখি Alumni Association এ এখনি স্মৰণিকা প্ৰকাশৰো দিহা কৰিছে। ভৱিষ্যতৰ বহুতো সপোন বুকুত বান্ধি এই স্মৰনিকা খনিৰ নাম দিয়া হৈছে — "অনিৰ্বাণ"। সকলোৰে আশা, কানৈ কলেজৰ প্ৰাক্তন শিক্ষাৰ্থী তথা বৃহত্তৰ কানৈ কলেজ পৰিয়ালৰ অতি আদৰৰ এই অনুষ্ঠানটি ভৱিষ্যতে বৈ ৰব প্ৰগতিশীল চিন্তা আৰু কৰ্মাৱলীৰ চিৰ প্ৰবাহমান সুঁতি হৈ।

জয়তু কানৈ কলেজ,
জয়তু কানৈ কলেজ প্ৰাক্তন শিক্ষাৰ্থী সংস্থা
ৰাজী কোঁৱৰ, অধ্যক্ষ, ডি. হ.সু. কানৈ কলেজ ডিব্ৰুগড়

## সম্পাদকৰ কাপৰ পৰা

কানৈ কলেজৰ দৰে ৬৮ বছৰৰ বয়স গৰকা এখন বিশাল শিক্ষানুষ্ঠানৰ পক্ষে খৰখেদাকৈ প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ এখনৰ আয়োজন কৰা নিতান্তই সহজ কাম নহয়। প্ৰস্তাৱিত এই সমাৰোহটিৰ আঁচনি সমূহ আছিল গগণ চুম্বী.... কিন্তু তাৰ বিপৰীতে নাছিল ফুটাকড়িটো পৰ্য্যন্ত পুঁজি। প্ৰকৃতপক্ষে শূন্যৰ পৰাই আৰম্ভ হ'য়াৰ প্ৰাৰম্ভিক কাম-কাজবোৰ। পিছে মনবোৰ ডাঙৰ হ'লে মাথো ধনৰ সমস্যাই মানুহক কন্দুৱাই ৰং চাব নোৱাৰে। ধনৰ জোৰা মাৰিবৰ বাবে বিজ্ঞাপন বিচাৰি এতিয়ালৈকে যিসকলৰ ওচৰ চপা হৈছে সেইসকলৰ কোনেও আমাক বিমুখ কৰা নাই।

যি কি নহওক, এই স্মৃতিগ্ৰন্থ খনিৰ প্ৰস্তাৱ উঠোতেই ৰাইজে এনে মত পোষণ কৰিছিল যে মানদণ্ডৰ ক্ষেত্ৰত যাতে কোনো আপোচ কৰা নহয়। সেই উদ্দেশ্যকে সাৰোগত কৰি কাৰ্য্যকৰী সমিতিয়ে প্ৰাক্তন কানৈয়ান তথা বিশিষ্ট লেখক শ্ৰীপ্ৰসেনজিৎ চৌধুৰীক স্মৃতিগ্ৰন্থখনি সম্পাদনাৰ ভাৰ দিবলৈ প্ৰস্তাৱ লৈছিল। পিছে নানা প্ৰকাৰৰ অসুবিধাৰ বাবে তেওঁ সেই দায়িত্ব লবলৈ অপাৰগতা প্ৰকাশ কৰে আৰু আমি সবে সেই দায়িত্ব বহন কৰিবলগীয়া হয়। পুথিখনিত বৈচিত্ৰৰ সমাহাৰ আনিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছে। কিন্তু প্ৰস্তাৱিত স্মৃতিগ্ৰন্থখনিৰ মূল বিষয়টোৱেই যেতিয়া 'প্ৰাক্তন কানৈয়ানৰ সমাৰোহ'ৰ দৰে হ'ল, তেনেক্ষেত্ৰত অধিকাংশ প্ৰাক্তন কানৈয়ান লিখক-লিখিকাই গুৰুত্ব প্ৰদান কৰা দেখা গ'ল স্মৃতি-ৰোমন্থন সম্পৰ্কীয় বিষয় বস্তুৰ ওপৰতহে। মূলতঃ Communication gap ৰ দৰে অবাঞ্চিত পৰিস্থিতি এটাৰ বাবেই এই সমস্যাটোৰ সৃষ্টি হৈছিল। কিয়নো লিখক-লিখিকা সকলে ঠিক অনুমান কৰিব পৰা নাছিল স্মৃতিগ্ৰন্থখনিৰ বিষয়-বস্তুৰ পৰিসৰ তথা বৈচিত্ৰ্য সম্পৰ্কে আৰু সম্পাদনা সমিতিয়েও তেখেতসকলৰ সহাঁৰি কেনেধৰণৰ হব পাৰে সেই অনুমান কৰিব পৰা নাছিল। ভৱিষ্যতে হয়তো এনেবোৰ খেলিমেলিয়ে সম্পাদনা সমিতিবোৰৰ সন্মুখত এই প্ৰকাৰৰ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰাৰ সুবিধা নেপাব।

এই ক্ষেত্ৰত আন এটি অসুবিধাৰ কথা উল্লেখ কৰাটো উচিত বুলি বিবেচনা কৰিছোঁ। কেতবোৰ ৰচনা ইমান পলমকৈ আমাৰ হাতত পৰিল যে সেইবোৰ আমি আন দুটি প্ৰেছত ছপা কৰাৰ ব্যৱস্থা কৰিবলগীয়া হ'ল। সমস্যাৰ কথা যে এইবোৰ কামত নিৰ্ভৰযোগ্য লোক বিচাৰিলেই সদায় পোৱা নেযায়। ভৱিষ্যতৰ কৰ্মকৰ্ত্তা সকলে এইবোৰ বিষয়ত আগতীয়াকৈ কিছু চিন্তা-ভাৱনা কৰি থোৱাটো ভাল হ'ব যেন আমাৰ ধাৰণা।....... সি যি কি নহওক, আজিৰ এনে আনন্দ-উছাহৰ সুন্দৰ ক্ষণত নেতিবাচক আলোচনাবোৰৰ ইমানতে মোখনি মাৰিলো।

বিজ্ঞাপনদাতা সকলৰ আন্তৰিক সহায় সাৰথি নোপোৱা হ'লে স্মৃতিগ্ৰন্থখনিয়ে দিনৰ পোহৰৰ মুখ দেখিবলৈ বিচিত্ৰ পৰিস্থিতিৰ সন্মুখীন হবলগীয়া হ'লহেঁতেন! এই সুযোগতে আমি তেখেতসকলৰ ওচৰত আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কানৈ কলেজৰ অধ্যক্ষা প্ৰমুখ্যে এই শিক্ষানুষ্ঠানৰ সকলোকে তথা সমাৰোহ উদ্‌যাপন সমিতিৰ প্ৰত্যেককে জনাইছোঁ আমাৰ আন্তৰিক শুভেচ্ছা ও অভিনন্দন। হিয়া ভৰা মৰম আৰু অভিনন্দন জ্ঞাপন কৰিলো সম্পাদনা সমিতিৰ কেউগৰাকী সহকৰ্মীলৈ। কৃতজ্ঞতা জনাই তেওঁলোকক হেয় নকৰো। স্মৃতিগ্ৰন্থ 'অনিৰ্বাণ' তথা জনমভূমিৰ বুধবৰীয়া পৰিপূৰিকা 'প্ৰান্তৰ'ত প্ৰকাশিতব্য লেখা-মেলা সমূহ যুগুতাই দিয়াৰে পৰা আৰম্ভ কৰি প্ৰকাশন-প্ৰক্ৰিয়াৰ প্ৰতিটো খোজতে ছাঁটোৰ দৰে লাগি থাকি যিকেইজনে আমাৰ সম্পাদনা সমিতিৰ মান ৰক্ষা কৰাত সুবিধা কৰি দিলে, তেওঁলোকৰ ভিতৰত চাৰিগৰাকী প্ৰাক্তন কানৈয়ানৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁলোক

হৈছেগৈ নবাব মিন্টু মনোৱাৰ হুচেইন, নীলাভ নয়ন বৰদলৈ, খুৰছীদ আহমেদ, ৰূপম কুমাৰ দিহিঙ্গীয়া আৰু হাচান ইকবাল। এওঁলোকৰ সদৌটিলৈকে জনালোঁ আমাৰ হাৰ্ডিক মৰম-চেনেহ আৰু অভিনন্দন।

সমাৰোহ উদ্‌যাপন সমিতিৰ আহ্বানৰ সঁহাৰিত ইতিমধ্যেই আমাৰ হাতত পৰিছিল প্ৰায় চাৰি কুৰি গল্প-কবিতা প্ৰবন্ধ ইত্যাদি। বিভিন্ন প্ৰকাৰৰ সীমাবদ্ধতাৰ হেতু আমি সেই সকলোৰে বাবে আমাৰ এই স্মৰনিকাখনিত স্থান উলিয়াই দিব পৰা নাই — সেইবাবে আমি দুঃখিত। আনহাতে ড° হীৰেন গোঁহাই, ড° নগেন শইকীয়া ইত্যাদিৰ দৰে বৰেণ্য তথা বিদগ্ধ পণ্ডিত সকলৰ মৰম সনা সঁহাৰিত আমি অভিভূত। এই সকলোৰে প্ৰতি সমাৰোহ উদ্‌যাপন সমিতিয়ে কৃতজ্ঞতা জ্ঞাপন কৰিছে।

পৰিশেষত আমাৰ হিয়াভৰা কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ 'কামাখ্যা অফছেট' ৰ কৰ্তৃপক্ষ আৰু কৰ্মচাৰীবৃন্দক। তেওঁলোকৰ প্ৰত্যেকৰে স্মিতহাস্য মুখ, কৰ্মনিষ্ঠা আৰু আন্তৰিকতাভৰা আচৰণত সম্পাদনা সমিতি মুগ্ধ আৰু বিস্মিত।

* বিশেষ দ্ৰষ্টব্য এই যে 'অনিৰ্বান'ৰ প্ৰস্তুতি পৰ্বৰে পৰা এই মূহুৰ্ত্তলৈকে স্মৰনিকা কমিটিৰ সহযোগীসকলৰ লগত যোৱা দুটামাহ কাম ধাৰণা হৈছে যে আমাৰ সমাজখন নিতান্তই গেলি পচি শেষ হৈ যোৱা নাই। ডি. এইচ. এচ. কে. কলেজৰ 'Alumni Society'ৰ দৰে আন দুই চাৰিটা এনে অনুষ্ঠান গঢ় লৈ উঠাটো সময়ৰ আহ্বান। আমি এয়া মাথো প্ৰস্তাবহে কৰিলো, আপোনালোকে কৰিব পাৰে অনুধাৱন!

কানৈ কলেজ প্ৰাক্তন শিক্ষাৰ্থী সমাজৰ সমাৰোহৰ সৰ্বাংগীন সফলতা কামনাৰে —

**মুনীন্দ্ৰনাথ শৰ্মা**
ডিঃ হঃ সূঃ কানৈ কলেজৰ
প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ
উদ্‌যাপন উপলক্ষে প্ৰকাশিত
স্মৰনিকা 'অনিৰ্বাণ' ৰ মুখ্য সম্পাদক

# অনুক্ৰমণিকা


| | | পৃষ্ঠা |
|---|---|---|
| কল্পনাৰ সোণালী সপোন ঃ ডিব্ৰুগড় কলেজ | *অশ্বিনী চৰণ চৌধুৰী* | ১ |
| ড° যোগীৰাজ বসু আৰু কানৈ মহাবিদ্যালয় ঃ এটি স্মৃতিচাৰণ | *স্বামী বাণগোবিন্দ পৰমপন্থী* | ৬ |
| উজনি অসমৰ শিক্ষা বিস্তাৰত কানৈ কলেজৰ অৱদান | *লক্ষ্মীপ্ৰসাদ দত্ত* | ৯ |
| কানৈ কলেজৰ সোণালী অতীত | *ডিম্বেশ্বৰ চলিহা* | ১১ |
| প্ৰাক্তন বিদ্যাৰ্থী সমাৰোহৰ শুভক্ষণত | *ড° নগেন শইকীয়া* | ১৯ |
| শিক্ষাৰ সংকট | *ড° হীৰেন গোহাঁই* | ২১ |
| **Stray Poems** | *Abul Hasan Rafique Ahmed* | ২৫ |
| 'अर्जी नई पीढ़ी से' | *কল্পনা সেনগুপ্তা বৰুআ* | ২৬ |
| কবি | *ডাঃ মেঘালী দত্ত চলিহা* | ২৭ |
| ঃ এই উপকূলৰ ৰং ঃ | *নাহেন্দ্ৰ পাদুন* | ২৯ |
| নাৰী | *ৰঞ্জনা শৰ্মা বৰদলৈ* | ৩০ |
| কানৈ কলেজত লগ পোৱা কেইজনমান ব্যক্তি | *সুনীল কুমাৰ বৰঠাকুৰ* | ৩১ |
| মোৰ স্মৃতিত কানৈ মহাবিদ্যালয় | *প্ৰফুল্ল কুমাৰ দেবনাথ* | ৩৫ |
| ডিব্ৰুগড়ৰ প্ৰথমখন কলেজ আৰু অশ্বিনীচৰণ চৌধুৰী | *মদন চন্দ্ৰ ডেকা* | ৩৮ |
| সময়ৰ গতি আৰু কানৈ কলেজ | *ড° আতিকুদ্দিন আহমেদ* | ৪০ |
| সাক্ষাৎ প্ৰসঙ্গ | *গীতিকাৰ, সুৰকাৰ, অনাতাঁৰ শিল্পী প্ৰাক্তন অধ্যাপক তফজ্জুল আলি ছাৰৰ স'তে* | ৪৩ |
| মোৰ চাকৰি জীৱন আৰু অৱসৰৰ কিছু কথা | *কল্যাণ কুমাৰ বৰুৱা* | ৪৯ |
| ডিবুৰুৰ এগৰাকী অন্যতম জ্যেষ্ঠ নাগৰিক শ্ৰীযুত ইন্দ্ৰেশ্বৰ খাউণ্ডৰ সৈতে এটি সাক্ষাৎকাৰ | *সাক্ষাৎ গ্ৰহণ ঃ মুনীন শৰ্মা, হাচান ইকবাল* | ৫১ |
| প্ৰাক্তন শিক্ষক পংকজ কোঁৱৰৰ সৈতে এখন্তেক | *সাক্ষাৎ গ্ৰহণ ঃ মুনীন শৰ্মা, হাচান ইকবাল* | ৫৪ |
| কানৈ মহাবিদ্যালয়ত মোৰ ছাত্ৰ জীৱনৰ দিনবোৰ | *বাণীকান্ত গগৈ* | ৫৭ |
| কানৈৰ নষ্টালজিয়াত দেৱদাৰু, দেৱগুৰু আদি... | *হাচান ছৰিফ আহমদ* | ৫৮ |
| **THE DIBRUGARH HANUMANBAX SURAJMALL KANOI COLLEGE (DHSK COLLEGE)** | *Pratik Chowdhury* | ৬১ |
| **How I Got Into Kanoi College in Dibrugarh** | *L.R. Mithran IRS* | ৬৪ |
| **The Growing Need for Measuring Teacher Effectiveness** | *Kiron Chandra Kakoty* | ৬৭ |

| | |
|---|---|
| WHERE FROM WE CAME - WHERE DO WE GO | *Sambhunath Singh* |
| Society vis-a-vis Change and Philosophy | *Nabajyoti Borkakoty* |
| Of Cooking and Poetry | *Nazmoon Nisha Borgohain* |
| Mark in time | *Punyadhar Rajkhowa* |
| অন্য এক প্ৰেমৰ গল্প | গৌৰিকা বৰুৱা আহমেদ |
| আলহী | ড° সুনীল বৰগোহাঞি |
| এৰি অহা দিনবোৰ আৰু নিঃসংগতা | খগেন্দ্ৰ নাথ মহন |
| চিৰ প্ৰৱাহিত হওক-কলিজাৰ জীয়াসুঁতি | অঞ্জন আগমাচাৰ্য্য |
| বিগত দিনৰ স্মৃতি | ইন্দু দত্ত উজীৰ |
| নৈবেদ্য | ড° মীনা দেৱী বৰুৱা |
| বৰষুণ | দেৱৰাজ চক্ৰৱৰ্ত্তী |
| কথোপকথন | ৰাজীৱ কোঁৱৰ |
| অন্তহীন বাৰ্তালাপ | |
| ড° ভূপেন হাজৰিকাৰ ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ প্ৰতি অনুৰাগ | ড° দিলীপ ৰঞ্জন বৰঠাকুৰ |
| কানৈ মহাবিদ্যালয়ত আৰম্ভনিৰে ঃ সঙ্গীতৰ এটি যাত্ৰা | প্ৰশান্ত কুমাৰ বৰদলৈ |
| সঙ্গীত জগতত ডিবুৰুৰ শিল্পীসকল | বিমলানন্দ বৰুৱা |
| ডিবুৰুৰ কানৈ মহাবিদ্যালয়ে আজিও ৰিঙিয়াই মাতে | ভাস্কৰ দত্ত |
| সত্তৰৰ সেই সোনোৱালী দিনবোৰ | ঝৰ্ণা শইকীয়া |
| ইক' ফেমিনিজিম | পলী চমুৱা শইকীয়া |
| চিনাকী বাটৰ স্মৃতি বিচাৰি | দীপাৱলী কুৰ্মি |
| শিপা | অঞ্জুমণি ফুকন |
| অসমৰ জনজাতি ঃ সংজ্ঞা আৰু উন্নয়নৰ সমস্যাৰ চমু আভাস | ড° কল্যাণ বৰুৱা |
| অসমত আলুৰ ইতিহাস | ইন্দিবৰ দেউৰী |
| আত্মবিশ্বাস ঈশ্বৰবিশ্বাসে নবঢ়ায় | দেৱকান্ত সন্দিকৈ |
| ম'মেণ্টচ্ | কুমুদ ৰঞ্জন দাস |
| বিজ্ঞানমনস্কতা আৰু সংবাদপত্ৰ | প্ৰসেনজিৎ চৌধুৰী |
| তুমি অপৰাজেয় | ফণীন্দ্ৰ সেনাপতি |
| ডিব্ৰুগড় কলেজৰ বছৰেকীয়া সঙ্গীত সন্মিলনৰ সভাপতিৰ অভিভাষণ | জ্যোতি প্ৰসাদ আগৰৱালা |

# কল্পনাৰ সোণালী সপোন : ডিব্ৰুগড় কলেজ

*অশ্বিনী চৰণ চৌধুৰী*
*ডিব্ৰুগড়*

We are informed that Sjt Aswini Charan Chowdhury, Sceretary, Assam Jatiya Mahashabha, has taken the initiative in the matter of starting an I.A. College at Dibrugarh. It is reported that he has secured the permisision of the George Institution authorities to make use of its premises for the purpose of holding the College classes. We wish Sjt Choudhury all successs'. (19th May, 1945, TImes of Assam)

Times of Assam কাগজৰ সম্পাদকীয়ত এইখিনি কথা প্ৰচাৰ হোৱাত ডিব্ৰুগড়ত কিছুমান লোকৰ মাজত আলোচনা-সমালোচনা হ'বলৈ ধৰিছিল। কোনো সভা-সমিতি নোহোৱাকৈ, ৰাইজৰ অগোচৰতে কেনেকৈ কলেজ হ'ব পাৰে বুলি বু-বু বা-বা আৰম্ভ হৈছিল। প্ৰগাঢ় আগ্ৰহ নজন্মিলে, আন্তৰিক অনুপ্ৰেৰণা নাজাগিলে, নিষ্ঠা নাথাকিলে কোনো কামৰে সফলতা কামনা কৰা সম্ভৱ নহয়। অনুপ্ৰেৰণাৰো কিবা এটা উৎস থাকিব লাগিব। ৰাইজৰ আলোচনাই, ৰাইজৰ আশীৰ্বাদেই অন্তৰত কিবা এটা শক্তিৰ উদয় কৰে, কামৰ কাৰণে আগ্ৰহ জন্মায়, ক'ব নোৱাৰাকৈয়ে। এই আগ্ৰহেই হৈছে জেদ। জেদৰ আগত বাধাই একো কৰিব নোৱাৰে। এই বাধাবোৰ জেদৰ অন্তৰায় হৈ, শুভকামৰ কাৰণে শক্তি যোগায়, কামৰ বাট মুকলি কৰি দিয়ে।

সৰ্বশক্তিমান ভগৱানে কাৰ হতুৱাই কি কাম কৰায়, কাৰ মনত কি শক্তি যোগায় এই কথা কোনেও নাজানে। সাধাৰণ মানুহৰ হতুৱাই সেই শক্তি নিহিত কৰি বহু অসাধ্য কামো সাধ্য কৰি তোলে। ডিব্ৰুগড়ত এখন উচ্চশিক্ষাৰ অনুষ্ঠান গঢ় দিয়াটো দুঃসাধ্য বুলিয়ে ক'ব পাৰি।

১৯৪৫ চনৰ কোনোবা এটা মুহূৰ্তত চকুত পৰিল নলবাৰীৰ নিচিনা চহৰ এখনত কলেজ খোলাৰ যো-জা কৰাৰ কথা। ডিব্ৰুগড়ৰ নিচিনা চহকী ঠাই এখনৰ তুলনাত নলবাৰীৰ নিচিনা আৰ্থিক দিশত পিছপৰা ঠাই এখনৰ তুলনা নহয়। মনত আঘাত লগাটো স্বাভাৱিক কথা। সভা-সমিতি পাতি উচ্চ-শিক্ষাৰ বাবে আলোচনা সমালোচনা একো হোৱা নাছিল। জৰ্জ স্কুলৰ এখন সভাত কলেজ খোলাৰ কথা এদিন আলোচনা হৈছিল। কিন্তু কেইবাজনো বক্তাই কলেজ খোলাৰ কথা ভাল নাপালে। তেওঁলোকে কৈছিল যে কলেজ এখন খুলি কিছুমান কেৰাণী কাম কৰা মানুহ তৈয়াৰ কৰাহে হ'ব। তাৰ পৰিবৰ্তে টেক্‌নিকেল কলেজ, ইঞ্জিনিয়াৰিং কলেজ আদি খোলাহে ঠিক হ'ব। কথাটো সেইখিনিতে তল পৰি গ'ল। কিন্তু মনত ধাউতি থাকিলে আৰু নিষ্ঠা থাকিলে তাক কোনেও দমাব নোৱাৰে। কলেজ খোলাৰ কথা মনত দ-কৈ বহি গৈছিল। ইতিমধ্যে এইটো দেখা গ'ল যে, ডিব্ৰুগড়ত শিক্ষিত লোকৰ অভাৱ নাই। শিক্ষা, ধন ডিব্ৰুগড়ত যথেষ্ট আছে। কিন্তু কেনেকৈ কামত আগবঢ়া যায় এই কথাকে ভৰা হ'ল। কেইজনমান শিক্ষিত লোকৰ ঘৰে ঘৰে ফুৰা হৈছিল। স্বৰ্গীয় বেণুধৰ ৰাজখোৱা দেৱে কৈছিল, "কোনোবাই কলেজ খুলিলে মোৰ ছোৱালী জনীকে প্ৰথমে ভৰ্ত্তি কৰি দিম যোৱা।" ঁগোবিন্দ শৰ্মা দেৱে কৈছিল, 'কোনোবাই কলেজ খুলিলে মোৰ ঘৰতে বহি থকা ল'ৰাক ভৰ্ত্তি কৰা হ'ব। কিন্তু প্ৰত্যেককে কেনেকৈনো কলেজ হ'ব, কোনে আগভাগ ল'ব এই কথাটো কোৱা হোৱা নাছিল। 'কলেজ পাতিবলৈ অজস্ৰ টকা লাগিব, ৰাজহুৱা সভা ন'হলে এই কথাটো বিবেচনা কৰা সম্ভৱ নহ'ব — ইত্যাদি নানা মতামতেৰে ৰাইজৰ মতামতবোৰ গোটোৱা হৈছিল। কোনোবা

দুজন-এজনে কৈছিল, উচ্চশিক্ষা লাভ কৰিব খুজিলে আমি কলিকতা, গুৱাহাটী আদি ঠাইলৈ পঠাব পাৰোঁ। ইয়াত কলেজ খোলাৰ আৱশ্যক নাই।' কলেজ খোলাৰ অন্তৰালত কোনো আৰ্থিক লাভালাভৰ বা স্বাৰ্থ পূৰণৰ আকাঙ্খা নিহিত নাছিল। তাত আছিল ডিব্ৰুগড় অঞ্চলত লাখ লাখ যুৱকৰ শিক্ষা লাভৰ স্বাৰ্থ। অন্তৰৰ আন্তৰিক অনুপ্ৰেৰণা আগবাঢ়ি যাব ধৰিলে। বাধাই যেন একো কৰিব নোৱাৰিলে। কোনো কথালৈ ভ্ৰূক্ষেপ নাই। কলেজ খোলাৰ প্ৰেৰণা যেন ভগৱান প্ৰদত্ত।

আনহাতে, ডিব্ৰুগড় চহৰত শিক্ষিত লোকৰ হিচাপ-নিকাচ কৰাৰো সময় হৈছিল। কলেজত অধ্যাপনা কৰিবৰ বাবে উপযুক্ত লোকৰ খবৰ বাতৰি লোৱা হৈছিল। পোন প্ৰথমতে, সকলোৰে আদৰণীয় সকলোৰে ভাল পোৱা, উপযুক্ত শিক্ষিতলোক ঁযোগীৰাজ বসুদেৱৰ খবৰ লোৱা হৈছিল। বিৰাজ আশ্ৰমৰ ভিতৰৰ পৰা বাহিৰলৈ নহা বসুৰ তালৈ যাবলৈ আৰম্ভ কৰা হৈছিল। প্ৰথম দিনা গৈ কোনো সমিধান পোৱা নগ'ল। তেখেতে কথা-বতৰা কৈয়ে 'কি কলেজ হ'ব' — এই বুলি কৈ, কথাৰ ওৰ মাৰিলে। তাৰ পৰা উলটি অহা হ'ল যদিও সেই কথাই হতাশ কৰিব নোৱাৰিলে। অদম্য হেপাহ দমাব নোৱাৰি কামত আগবঢ়া হৈছিল। কি কি বিষয় থাকিব, এইটো ঠিক কৰি প্ৰত্যেক বিষয়ৰে এজনকৈ অধ্যাপক বিচৰা হৈছিল। বুৰঞ্জী বিভাগত ঁলক্ষীপ্ৰসাদ দত্তৰ তালৈ যোৱা হৈছিল। সেই সময়ত তেওঁ ঘৰত নাছিল। তেখেতে তেতিয়া দ্বিতীয় মহাযুদ্ধৰ সময়ত, চাবুৱাত থকা চীনা কেম্পত কাম কৰিছিল। তেওঁৰ দেউতাক মহেন্দ্ৰ দত্তই কথা দিছিল যে কলেজ হলে তেওঁ তাত কাম কৰিব। তাৰ পিছত শ্ৰীযুত নিৰ্মল বসুদেৱক লগ ধৰা হৈছিল। তেওঁ তেতিয়া ৰেলৱেত কাম কৰিছিল। তেখেতৰ পৰা সন্মতি পোৱা হৈছিল আৰু মনত আশা বান্ধি আন এগৰাকী ব্যক্তিৰ ওচৰ চপা হৈছিল। তেখেত হ'ল চাপাই বিভাগত কাম কৰা সুশীল দত্ত দেৱে। তেৰোঁ সন্মতি জনালে। এনেকৈয়ে ৰসনলাল আগৰৱালা, মুজিবুৰ ৰহমান, ঁউমাপদ দে, শ্ৰী দেৱ কুমাৰ দত্ত, পৰশুৰাম সোণোৱাল, শ্ৰী বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য, ৰাজেন্দ্ৰ লাল নাথ, দীপালী চৌধুৰী আদিৰো অনুমতি লোৱা হৈছিল। কিন্তু আচল কথা ধন সংগ্ৰহৰ কোনো আয়োজন কৰা নহ'ল। কলেজ খোৱাৰ বাবে যে বহু ধনৰ আৱশ্যক এই কথাটোলৈ কিন্তু মন-কানেই কৰা নহৈছিল। কোনো ৰাজহুৱা সভা-সমিতি নোহোৱাকৈ গাইগুটীয়া ভাৱে কামবোৰ চলাই যোৱা হৈছিল।

ইতিমধ্যে Times of Assam ৰ ১৯ মে'ৰ সংখ্যাত সম্পাদকীয় ফালৰ পৰা কলেজ খোলাৰ আয়োজনৰ কথা প্ৰকাশ হৈছিল। এই খবৰ পাই বহুতৰ ভিতৰত কলেজ হোৱাৰ সপক্ষে আৰু বিপক্ষে আলোচনা-সমালোচনা হৈছিল। কিন্তু এইটো ঠিক যে, অনুপ্ৰেৰণাৰ আগত সকলো বাধা-বিঘিনি উফৰি গৈছিল।

এজন বুঢ়া ভদ্ৰলোকে এদিন বাটতে লগ ধৰি কৈছিল, — "কি কথা, কলেজ খোলা বোলে? কলেজ খোলাৰ বেলেগ কমিটি আছে নহয়।" তাৰ উত্তৰত একো নাজানো বুলি কোৱা হৈছিল। তেখেতে ধমক দি কৈছিল — 'বাতৰি কাকতত দি দিয়া মিছা কথা বুলি।' অৱশ্যে এইটো কথা ঠিক যে সেই সময়ত কলেজ খোলাৰ কাৰণে আন এটা কমিটি আছিল। তাৰ সম্পাদক আছিল জীৱন ফুকনদেৱ আৰু সভাপতি আছিল ৰায়চাহাব ডাঃ ফণী ঘোষ। কিন্তু কেবাবছৰ হৈ যোৱাৰ পিছতো সেই কমিটিয়ে কোনো কামত আগবঢ়া নাছিল। আন এদিনাখন এজন যুৱ বন্ধুৱে বাটতে লগ ধৰি কৈছিল — "বেলেগৰ পৰা অহা মানুহ এজনে ডিব্ৰুগড়ত কি কলেজ খুলিব। কলেজ খুলিলে ৰাজহুৱা সভা-সমিতি হ'ব লাগিব। আপোনাৰ কি স্বত্ব আছে ইয়াত কাৰো অনুমতি নোহোৱাকৈ কলেজ খুলিব?" এই বুলি প্ৰশ্ন কৰিছিল। তাৰ উত্তৰত কোৱা হৈছিল। ডিব্ৰুগড়ত যদি কলেজ নালাগে, তেন্তে প্ৰফেচাৰ সকলে ডেস্ক আৰু বেঞ্চকে শিকাই আহিব।

কলেজ খোলাৰ আয়োজনৰ কথা বহুতে জানিবলৈ ইচ্ছা কৰিছিল, কিন্তু বাটত বিঘিনি ঘটিব বুলি কাৰো আগত জনোৱা হোৱা নাছিল।

সেই সময়ত গুৱাহাটীৰ আৰ্লল' কলেজৰ অধ্যক্ষ মান্যবৰ শ্ৰীযুত শৰৎ চন্দ্ৰ দত্তদেৱে (ন্যায়াধীশ) মতাইনি কলেজ খোলাৰ কথা সুধিছিল। একো কোৱা নহ'ল কিন্তু তথাপি তেখেতে উৎসাহ দিছিল।

খচৰ্-পাতি চলাবৰ কাৰণে ধন সংগ্ৰহৰ কথা মনতে নাছিল। কাগজ কলমৰ কথাও ভৰা হোৱা নাছিল। সাৰদাশঙ্কৰ প্ৰসাদ দত্তই এযোৰ দোৱাত কলম দি সহায় কৰিছিল। আন এজন বন্ধু শ্ৰী ভড়ালীয়ে চাইনবোৰ্ড দিছিল। নবীন চন্দ্ৰ বৰদলৈ, ৰুদ্ৰ বড়া, শ্ৰী সত্যেন্দৰ নাৰায়ণ চৌধুৰী আদিয়ে বিশেষভাৱে সহায় কৰি কলেজ খোলাত অৰিহণা যোগাইছিল। ডেপুটি ইন্সপেক্টৰ অফিচৰ পৰা ফৰ্ম আদি সংগ্ৰহ কৰা হৈছিল। শুৱালকুছিৰ দোকানৰ পৰা Admission Register ৰ ক'ভাৰ কৰিবৰ কাৰণে মূগাৰ কাপোৰ বিনাপইচাৰে লোৱা হৈছিল। বৰা এণ্ড্ কোম্পানীৰ ৰুদ্ৰ বৰাৰ পৰা এটা ট্ৰাঙ্ক আৰু কেছ বক্স লোৱা হৈছিল। এই দৰে কলেজৰ কাম আগবাঢ়িছিল।

ৰাইজৰ মাজত কথাবোৰ আলোচনা হলত কেইজনমান ডেকা বন্ধুৱে ইয়াৰ বিপক্ষে, বাধা দিয়াৰ প্ৰয়াসেৰে ৰাজহুৱা সভা পাতিছিল। তালৈ নিমন্ত্ৰণ পোৱা হৈছিল যদিও যোৱা নহৈছিল। সেই সভালৈ শ্ৰীযুত যোগেন হাজৰিকা আৰু শ্ৰী সত্যেন্দ্ৰ নাৰায়ণ চৌধুৰী (কলেজীয়া ছাত্ৰ) আদি কেবাজনকো যাব দিয়া হৈছিল। ৰায় চাহেব বেণুধৰ ৰাজখোৱা দেৱে সভাত সভাপতিত্ব কৰিছিল। জৰ্জস্কুলত অনুষ্ঠিত হোৱা সেই সভাতে কলেজ খোলাৰ আয়োজন বন্ধ কৰিবৰ বাবে বাক্ বিতণ্ডা চলিছিল। কিন্তু শ্ৰীযুত যোগেন হাজৰিকাৰ দুৰে কেবাজনো কলেজীয়া ছাত্ৰৰ আগত সেইবোৰ বাধা উফৰি গৈছিল। 'ডিব্ৰুগড়ৰ ওচৰে-পাজৰে থকা দুখীয়া শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ বাবে এখন কলেজ লাগিবই। যেয়ে নোখোলক, ডিব্ৰুগড়ত কলেজ লাগিবই।' এনেবোৰ কথাৰ আগত ৰাজখোৱা দেৱেও তাতেই জোৰ দিলে আৰু এই ধৰণে প্ৰস্তাৱ ললে — "This meeting of the students of Dibrugarh is fully sympathetic to the present move taken by some gentlemen of the town to start an Arts College at Dibrugarh from next session, and urges on the movers to hold a public meeting immediately for the purpose." (Times of Assam, 26th may, 1945)

কলিকতা University ৰ পৰা এখন Calendar আনি বিষয়বোৰ ঠিক কৰি লোৱা হৈছিল আৰু ছাত্ৰ সকলে শোধাব লগা ধনৰ পৰিমাণ ঠিক কৰা হৈছিল।

কলেজ খোলাৰ নিমন্ত্ৰণী চিঠি ছপা কৰা হোৱা নাছিল। টাইপ কৰিয়ে চিঠি বিলোৱা হৈছিল আৰু তাৰ উত্তৰো কেইজনমানৰ পৰা পোৱা হৈছিল। তলত তাৰ নকল এটি দিয়া হ'ল।

Dear Choudhury,

I have received today with great delight your kind invitation to the opening ceremony of our Dibrugarh College. I cannot express how very happy I am feeling today at the thought that at last my ambition to see a college at Dibrugarh has come to blossom. I know that the major portion of our thankfulness for the birth of the institution should go to you .......

Sd/ B. K. Borgohain

Sibsagar, 15th June, 1945

শিক্ষা বিভাগৰ মন্ত্ৰী খান বাহাদুৰ চৈয়দুৰ ৰহমানে চিঠিৰ উত্তৰ দি জনালে —

Dear Choudhury,

I am very happy that a college a long felt one of Dibrugarh is going to be fulfilled at the opening of the institution for Higher education. It requires a lot of fund. I don't understand how it is possible to collect such a huge fund. I offer my hearty thanks for your endevour. I shall be very happy if I can contribute to help you in some way. .....

Sd/ S. Rahman, Shillong

18th May, 1945

যোগীৰাজ বসুদেৱক অধ্যক্ষ, মৌঃ মজিবুৰ ৰহমানক উপাধ্যক্ষ হিচাপে লৈ বাকী Staff কেইজনো ঠিক কৰা হৈছিল।

আৰম্ভণিৰ দিন লাহে লাহে ওচৰ চাপি আহিল। কোনে আৰম্ভ কৰিব এই বিষয়ে একো ঠিক কৰা হোৱা নাছিল। হঠাতে মনত পৰিল ঁমৌঃ ফৈজনুৰ আলিদেৱলৈ। কাৰণ তেখেতে এদিন ডিব্ৰুগড়ত কলেজ খোলাৰ বিপক্ষে এখন সভাত কৈছিল। আগতে কোনো নিমন্ত্ৰণী পত্ৰ নিদিয়াকৈ সেইদিনা ৰাতিপুৱাতে তেখেতক অনুৰোধ কৰা হৈছিল যাতে আৰম্ভণিৰ কামখিনি সমাধান কৰি দিয়ে। কলেজ আৰম্ভণিৰ খবৰটো চহৰত শুনাই দিয়া হৈছিল। ছোৱালীকে প্ৰথমে ভৰ্ত্তি কৰা হ'ব বুলি এজনী ছোৱালীক ঠিক কৰি থোৱা হৈছিল। ইমান আয়োজনৰ ভিতৰতো ক'ত কলেজ খোলা হ'ব এই ঠাই কিন্তু ঠিক হোৱা নাছিল।

জৰ্জস্কুলখন (এতিয়া বাগ্মীবৰ নীলমণি ফুকন) তেতিয়া সকলো অনুষ্ঠানৰে প্ৰথম কেন্দ্ৰস্বৰূপ আছিল। ঁগেবিন্দ শৰ্মা দেৱৰ কথামতে এই স্কুলখনৰ পৰা অনুমতি বিচাৰি এখন দৰ্খাস্ত দিয়া হৈছিল, কিন্তু অনুমতি পোৱা নাছিল। মেনেজিং কমিটিৰ পিছদিনা ঁশৰ্মাদেৱক দেখা কৰা হ'লত তেখেতে খঙেৰে কৈছিল — "নালাগে অনুমতি, মই অনুমতি দিছোঁ। আপুনি কলেজ পাতক।" গতিকে জৰ্জ স্কুলৰ লিখিত অনুমতি কলেজ খোলাৰ আগেয়ে পোৱা নাছিল।

কোৱা বাহুল্য যে, শিক্ষক সকলৰ প্ৰতি আমি বিশেষভাৱে কৃতজ্ঞ। কাৰণ শিক্ষক সকল নহ'লে কলেজৰ কথা ভাৱিবই পৰা নগ'লহেঁতেন। এজন এজনকৈ প্ৰত্যে কজন শিক্ষকে বিনা পইচাৰে কাম কৰিবলৈ আগবাঢ়ি আহিছিল। তেখেত সকলৰ এনে আগ্ৰহক নশলাগি নোৱাৰি। যিদিনাই গোটেই কেইজন শিক্ষকক একেলগ কৰি আলোচনাত বহুৱাব পৰা গৈছিল সেইদিনাহে ভবা হৈছিল কল্পনাৰ সপোন বোধহয় বাস্তৱত পৰিণত হ'ব।

কলেজ খোলাৰ আগমূহুৰ্ত্তলৈ ধন তোলাৰ কোনো আয়োজন কৰা নহৈছিল। ক'ৰবাত কিবা হ'লে বা ক'ৰবাত লাগিলে নিজৰ জেপৰ পৰাই উলিয়াই দিয়া হৈছিল। আনোৱাৰ আলি নামৰ এজন ছাত্ৰই ২০০ টক খৰচৰ কাৰণে দিছিল। কলেজ আৰম্ভ কৰিবৰ দিনা নি জেপৰ পৰাই আঠ অনা আৰু বসুদেৱে আঠ অনা কলেজ Fundৰ আৰম্ভণি কৰা হৈছিল।

কোনো সভা-সমিতি ৰাজহুৱা ভাৱে ক নহৈছিল। কাৰণ আন এটা পক্ষই খুঁত উলিয়াই ৰাইজ চকুত তাক উদঙাই দেখুৱাবলৈ চেষ্টা কৰি আছি কেইজনমান ডেকা বন্ধুৱে গুপ্তচৰৰ দৰে থাকি সক কথা সঁকিয়াই দি আছিল। ভগৱানৰ কৃপাত কামবে সুচাৰু ৰূপে হৈ গৈছিল। পইচাৰ অভাৱত আৰম্ভ সভাৰ দিনা ৰাইজক চাহ-পানী খুৱাবৰ শক্তি নাছি বজাৰৰ মনমোহন মিষ্টান্ন ভাণ্ডাৰে উপযাচি আহি অ থিক আপ্যায়ন কৰিছিল।

আজিৰ যি আনন্দ সেই আনন্দ সেই সময় নাছিল। স্বৰ্গীয়া গৌৰী চলিহা বাইদেৱে উপদেশ কৈছিল, 'তুমি আৰু দুজন মানৰ সহায় লোৱা, তোম বৰ কষ্ট হৈছে।' যাবতীয় খৰচ-পাতিৰ অভাৱত ক পইচাৰে বৰুৱা প্ৰেছৰ পৰা ছপা কৰা হৈছিল। বৰ প্ৰেছত বোধ হয় ১৪০ টকা বাকী থাকি গ'ল। তেতিয় Assam Tribuneৰ সম্পাদক লক্ষ্মীনাথ ফুকনদে কৈছিল, 'টকা-পইচা নোহোৱাকৈ এইখন কি কলে খুলিব ? ডাঙৰ ডাঙৰ ধনী ধনীমানুহ লওঁক।' কথাবে কানতহে পৰিছিল কিন্তু বেছি মূল্য দিয়া হোৱা নাছি

আৰম্ভণিৰ দিনটো ঠিক কৰা হ'ল। ১৯৪ চনৰ ১৫ জুন, বৃহস্পতিবাৰ। সময় পুৱা ৮ বজাত। দিনটোত ভাৰতৰ ভাগ্যনিয়ন্তা মহাত্মা গান্ধীৰ প্ৰ শিষ্য পণ্ডিত জৱাহৰলাল নেহৰুকে আদি কৰি স্বদে আন্দোলনৰ কৰ্মীসকলক কাৰাবাসৰ পৰা মুক্তি দিছি মুক্তি প্ৰয়াসী হিচাপে আমিও সেই দিনটোকে ঠি কৰিছিলোঁ। জৰ্জস্কুলৰ শিক্ষক বশীধৰ দাসক অফি সহায়ক হিচাপে ঠিক কৰা হৈছিল, মৌঃ ফৈজ আলীদেৱৰ হতুৱাই আৰম্ভণি কৰা হৈছিল। বিশিষ্ট অতি হিচাপে ঁজীৱন ফুকন, শ্ৰী নৱ কুমাৰ দত্ত আদি বহু গণ্য-মান্যলোক উপস্থিত আছিল। সভাত সভাপতি

কৰিছিল ঁৰাজখোৱাদেৱে। সভা মুকলি কৰিছিল মৌ ফৈজনুৰ আলী দেৱে।

অধ্যক্ষ বসু ডাঙৰীয়াক সজোৱা হৈছিল লিখকৰ নিজৰ হাতঘড়ী, গাত লোৱা মুগাৰ চাদৰ আদিৰে। বেংকৰ চেকবহী দেখি বসুদেৱে কৈছিল, 'মই আজিহে চেক্ দেখিছোঁ।' শেষত কলেজ খোলাৰ প্ৰস্তাৱ গৃহীত হৈছিল। ঁৰাজখোৱাদেৱক কলেজ কমিটিৰ সভাপতি হিচাপে লৈ।

সেই সময়ত ৰায় বাহাদুৰ সদানন্দ দুৱাৰদেৱ finance committeeৰ সদস্য আছিল। কামৰ পৰা অৱসৰ লোৱাৰ পিছত ডিব্ৰুগড় কলেজ কমিটিৰ সভাপতি হিচাপে লোৱা হৈছিল।

এইদৰে এটি পইচা জমা নোহোৱাকৈয়ে ৰাইজৰ অনুগ্ৰহত, ৰাইজৰ সদ্ ইচ্ছাত, ৰাইজৰ অভাৱ পূৰণৰ অৰ্থে ডিব্ৰুগড় কলেজৰ আৰম্ভণি কৰা হৈছিল। বহু বাধা-বিঘিনিৰ মাজত জন্ম পোৱা ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ 'ডিব্ৰুগড় কলেজ' ৰূপান্তৰিত হ'ল ডিব্ৰুগড় হনুমান বক্স সূৰজমল কানৈ মহাবিদ্যালয়লৈ, ১৯৫০ চনত।

বৰ্ত্তমান কলেজ থকা মাটিখিনি আগেয়ে চৰকাৰী মাটি আছিল। ইয়াৰ এডোখৰ হাবি-বননিৰে ভৰা চীনা কবৰখানা, এডোখৰ মিছনেৰীসকলৰ হোষ্টেল আৰু আনডোখৰ আছিল ফৰেষ্ট অফিচ। পিছত ডেপুটি কমিচনাৰৰ পৰা এই মাটিৰ ১৬ বিঘা কলেজৰ কাৰণে লৈ বাকী ৮ বিঘা মিশ্যনেৰী সকলক স্কুলৰ কাৰণে দিয়া হৈছিল।

অৱশ্যে এইটো ঠিক যে, পিছতো ডিব্ৰুগড়ত কলেজ স্থাপিত হ'লহেঁতেন। কিন্তু সময়ৰ সুযোগ হয়তো ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিব নোৱাৰিলেহেতেঁন। পুঁজি সংগ্ৰহ নোহোৱাকৈ এনে এখন কলেজ স্থাপিত হোৱাৰ সুযোগ হেৰালহেঁতেন। A College without a coffer' সম্ভৱ নহ'লহেঁতেন। লক্ষ্মীপ্ৰসাদ দত্তদেৱৰ নিচিনা দেহেকেহে লগা মানুহ এজনক আৰু অবৈতনিক ভাৱে কাম কৰা সুযোগ্য শিক্ষক সকলে শিক্ষাদান কৰাৰ সমৰ্থ হেৰালহেঁতেন।

যদি কেতিয়াবা কাম কৰাৰ ভিতৰত ৰাইজৰ মতামত উপেক্ষা কৰি, ইচ্ছামতে কামত আগবঢ়া হৈছিল নাইবা কথাৰ সত্যতা গোপনে ৰখা হৈছিল, কাৰ্যৰ সফলতাৰ অনুকুলেহে ৰাইজৰ মঙ্গলৰ হকে। কাৰণ উদাহৰণৰ পৰা দেখা যয় যে, কেতিয়াবা বহুমতে কামৰ অগ্ৰসৰত অন্তৰায় জন্মায়।

কলেজ প্ৰতিষ্ঠা হোৱাৰ দিনৰে পৰা শিক্ষক দত্তদেৱকে আদি কৰি কেইবাজনেও অশেষ কষ্টেৰে অনুষ্ঠানটিক নদন-বদন কৰি তোলাত আহোপুৰুষাৰ্থ ভাৱে চেষ্টা কৰি আহিছিল। শিক্ষাৰ অনুষ্ঠান এটা গঢ় দিয়াত শিক্ষকৰ নিষ্ঠা, সমাজসেৱা, ত্যাগ, নিঃস্বাৰ্থপৰতা, মৰম আৰু ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষাৰ প্ৰতি ধাউতি, শিক্ষকৰ প্ৰতি সন্মান, বন্ধুত্ব আৰু অভিভাৱকৰ সহযোগ আদিয়ে বিশেষভাৱে বৰঙণি হৈছিল।

প্ৰথম অৱস্থাত কলেজৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ সহযোগ, শিক্ষক সকলৰ কৰ্ত্তব্যনিষ্ঠা আৰু অনুষ্ঠানটিৰ প্ৰতি জন্মা ৰাইজৰ সদিচ্ছা বিশেষভাৱে উল্লেখনীয়।

আদৰ্শবাদী সকলৰ এনে অনুকৰণে অনুষ্ঠানটিক সজীৱ কৰি ৰাখিছে আৰু ৰাখিবও। আদৰ্শ কেতিয়াও লুপ্ত হ'ব নোৱাৰে। আদৰ্শৰ জয়-জয় ময়-ময় সদায়ে আছে।

ডিব্ৰুগড়ত কলেজ স্থাপিত হোৱাৰ গইনা লৈয়ে ১৯৬৫ চনত ঁদত্তদেৱৰ বহুচেষ্টাৰ ফলত, বহুকষ্টৰ ফলত ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপিত হৈছিল। (পুনৰ মুদ্ৰিত)

□□□□□

# ড° যোগীৰাজ বসু আৰু কানৈ মহাবিদ্যালয় : এটি স্মৃতিচাৰণ

*স্বামী বাণগোবিন্দ পৰমপ*

ড° বসুৱে ইংৰাজীত এম. এ. পৰীক্ষা দি ১৯৩৯ খ্ৰীষ্টাব্দৰ শেষভাগত ডিব্ৰুগড়লৈ ঘূৰি আহে আৰু ইয়াত তেতিয়াৰ পৰা ১৯৪৫ খ্ৰীষ্টাব্দলৈকে 'বিৰাজ'ৰ ছাত্ৰাবাস টোলৰ অধ্যক্ষ হৈ থাকে। তেখেতক আমাৰ গুৰুদেৱ ওঁ বাবাই তাৰ আচাৰ্য কৰি গৈছিল। অধ্যাপনাৰ লগতে তেওঁৰ অধ্যয়ন আৰু গৱেষণাও চলিছিল। এজন ছাত্ৰৰ নিচিনাকৈ তেওঁ নিয়মিত ভাৱে এই অধ্যয়ন সাধনাত ব্ৰতী আছিল। ইয়াত এটা কথা প্ৰাসংগিক হব বুলি ভাবো যে আমাৰ ছাত্ৰাবাস টোল উজনিত বিশেষকৈ ডিব্ৰুগড় আঞ্চলত একমাত্ৰ সংস্কৃত শিক্ষাৰ কেন্দ্ৰ আছিল। বিহাৰৰপৰা অহা দুজন পণ্ডিতক দৰমহা দি ৰখা হৈছিল। ইয়াত সকলো সম্প্ৰদায়ৰ ছাত্ৰই সংস্কৃতত শিক্ষা লাভ কৰি পাণ্ডিত্য অৰ্জন কৰি নিজৰ কৰ্ম্ম স্থলত যোগ্যতাৰ পৰিচয় দিছে। ইয়াৰ পাছত ড° প্ৰিয়াংশু প্ৰবল উপাধ্যায়ে ১৯৫৬-৫৭ চনলৈকে এই টোল নিয়াৰিকৈ চলাইছিল, কিন্তু ইয়াৰ পাছত ছাত্ৰ নোহোৱাৰ কাৰণে টোলখন থাকিলেও এই দিশত আগবঢ়াব পৰা নাই। ড° বসুৱে নিজে সংস্কৃতৰ প্ৰায় সকলো বিভাগত অধ্যাপনা কৰিছিল। ১৯৩৪ খৃঃত যেতিয়া তেওঁ সংস্কৃতৰ বেদৰ বিভাগত প্ৰথম হৈ উত্তীৰ্ণ হৈছিল তেতিয়া কটন মহাবিদ্যালয়ৰ অধ্যাপক লক্ষ্মীনাৰায়ন চট্টোপাধ্যায়দেৱে ছুটি লোৱাত তাহানিৰ চৰকাৰে ড° বসুক কটন মহাবিদ্যালয়ৰ সংস্কৃতৰ অস্থায়ী অধ্যাপকৰূপে নিযুক্তি দিছিল- গতিকে তেওঁৰ অধ্যাপনাৰ কাম আগৰে পৰাই আৰম্ভ হৈছিল। টোলৰ বাহিৰত আমি যি বিলাক সৰু আছিলো- তেওঁলোককো তেৰেঁই শিক্ষাদান কৰিছিল। ওঁ বাবাই এবাৰ ফৈজনুৰ আলি চাহাব আৰু সদানন্দ দুৱৰাক কৈছিল, 'ডিব্ৰুগড়ত মহাবিদ্যালয় প্ৰতিষ্ঠা হলে তেওঁক অধ্যাপক পাতিব পাৰিব।'

১৯৪৫ চনত শ্ৰীযুত অশ্বিনীচৰণ চৌধুৰীদে
ডিব্ৰুগড়ত মহাবিদ্যালয় প্ৰতিষ্ঠাৰ কাৰণে আগভা
লৈছিল আৰু কবলৈ গলে তেৱেঁই এই মহাবিদ্যাল
খনিকৰ আছিল। আজিৰ পৰা পঞ্চাছ বছৰৰ আগে
শিক্ষাৰ বিস্তাৰৰ কাৰণে যি বীজ তেওঁলোকে সিঁচিছি
আজি এই মহাবিদ্যালয়খন মহীৰুহৰূপে তাৰেই সাক্ষ
হৈ আছে।

সেই সময়ত সদানন্দ দুৱৰা, অশ্বিনী চৌধু
সদায়ে 'বিৰাজলৈ' আহি ড° বসুৰ লগত মহাবিদ্যালয়খন
কাৰণে আলোচনা কৰি থকা দেখা পাইছো। দুৱৰাৰ ড
বসুৰ ওপৰত ইমান আস্থা আছিল যে মহাবিদ্যাল
শিক্ষক নিৰ্বাচনৰ বাবে তেওঁক পূৰ্ণ স্বাধীনতা দিছি
তাৰ বাবেই আমি মহাবিদ্যালয়খনত বহু বিদগ্ধ পণ্ডিত
সমাগম লক্ষ্য কৰিছিলোঁ। ১৯৪৫ খ্ৰীষ্টাব্দত ডঃ বসু
অধ্যক্ষ নিৰ্বাচন কৰি মহাবিদ্যালয়খন মুকলি কৰা হ'
তাহানিৰ জৰ্জ বিদ্যালয় য'ত বসুৱে প্ৰৱেশিকা লৈ
পঢ়িছিল, তাৰেই এটা সৰু কোঠাত মহাবিদ্যালয়
আৰম্ভ হ'ল। পুৱাতেই মহাবিদ্যালয়ৰ ক্লাচবিলাক হৈছি
কিয়নো বিদ্যালয়খনৰ ক্লাচ সমূহ ১০ বজাৰ পৰা আ
হৈছিল। প্ৰতিষ্ঠাৰ দিনা চহৰত আৰু আমাৰ মাজত
উৎসাহ উদ্দীপনা জাগিছিল সি আজিও যেন চ
আগত ভাহি আছে। এবছৰমান পাছত মহাবিদ্যালয়
হনুমানগড়ীৰ সন্মুখত প্ৰাইমাৰী বিদ্যালয়লৈ উঠি আ
তাৰেই এটা ডাঙৰ চাং বাংলোৰ নিচিনা হলঘৰ আ
য'ত ক্লাচবোৰ লোৱা হৈছিল। এই সময়ছোৱাত
লক্ষ্মীপ্ৰসাদ দত্ত, ড° নিৰ্মল কুমাৰ বসু আদিয়ে অধ্যাপ
ৰূপে যোগ দিয়ে। এই তিনিজন যেন মহাবিদ্যালয়খ
ত্ৰিমূৰ্ত্তি আছিল। ড° বসুৰ পাণ্ডিত্য, দত্তৰ কাৰ্য্যকুশল

আৰু ড° নিৰ্মলকুমাৰ বসুৰ অভিজ্ঞতা পূৰ্ণ দিহাপৰামৰ্শ, আৰু দুৰৰাৰ নিচিনা এজন সৰ্বজন শ্ৰদ্ধেয় কৰ্ম্মবীৰে মহাবিদ্যালয়খনক এখনি বিৰাট শিক্ষা প্ৰতিষ্ঠানত পৰিণত কৰিলে।

মহাবিদ্যালয়খন হ'ল, কিন্তু পৰীক্ষা ইত্যাদিৰ বাবে কলিকতা বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাগিব। শ্ৰী অশ্বিনীচৰণ চৌধুৰী আৰু ড° বসু দুয়োজন কলিকতালৈ গ'ল আৰু কৰ্ত্তৃপক্ষৰ লগত যোগাযোগ কৰিলে। তেওঁলোকে মহাবিদ্যালয়ৰ পৰিদৰ্শক হিচাপে স্বনামধন্য অধ্যাপক প্ৰশান্ত কুমাৰ বসু আৰু কোষাধ্যক্ষ অধ্যাপক সতীশচন্দ্ৰ ঘোষক পঠালে। বসু আৰু ঘোষ দুয়োজনেই বিদগ্ধ শিক্ষক আৰু ড° শ্যামাপ্ৰসাদ মুখাৰ্জ্জিৰ ঘনিষ্ঠ সহকৰ্মীও আছিল। তেতিয়া মহাবিদ্যালয়খনৰ বয়স ছমাহমান হৈছে। তেওঁলোকে পৰিদৰ্শন কৰি ইয়াৰ শিক্ষাৰ মান লক্ষ্য কৰি উভটি গৈ লগে লগে স্বীকৃতি দিলে। অধ্যাপক ঘোষ আমাৰ আশ্ৰমত আলহী আছিল। তেওঁৰ পাণ্ডিত্য আৰু বৈদগ্ধ দেখি আমি আচৰিত হৈছিলোঁ। প্ৰথমৰে পৰাই বিদ্যালয়ৰ জয় যাত্ৰা আৰম্ভ হ'ল। ১৯৪৫ৰ পৰা ১৯৫৮— সুদীৰ্ঘ তেৰ বছৰমান মহাবিদ্যালয়খন প্ৰাথমিক বিদ্যালয়তেই আছিল। তাত আমি বহু অনুষ্ঠানত যোগ দিছোঁ। বিভিন্ন ঠাইৰ পৰা অহা অধ্যাপক সকলৰ বক্তৃতা শুনাৰ সৌভাগ্যও হৈছিল। তেতিয়া বিদ্যায়তনিক যি সুন্দৰ পৰিবেশ আছিল, আজিকালি তেনেধৰণৰ পৰিবেশ নোহোৱা হৈছে যেন লাগে। তেতিয়াৰ পৰিবেশে যেন মহাকবি কালিদাসৰ কথাখিনি মনত পেলায়- 'গুৰু শুশ্ৰুষয়া বিদ্যা, বিদ্যয়া বিদ্যা' হিচাপে আছিল। 'গুৰু কুলেন ধনেন বা' অৰ্থাৎ আজি আঢ্যৱন্ত সমাজৰ অনুকৰণ কৰি যেনেধৰণৰ বিদ্যালয়লৈ ল'ৰা-ছোৱালী পঠোৱা হয়- তেনেধৰণৰ নাছিল। ড° বসুয়ে অশেষ পৰিশ্ৰম কৰি শিক্ষাদান কৰিছিল। এটা সংস্কৃত নাইবা ইংৰাজী কবিতা পঢ়াবলৈ গৈ তেওঁ অকল অৰ্থটোকে ব্যাখ্যা কৰা নাছিল- তাৰ মাজত কবিৰ যি ভাৱ সুপ্তহৈ আছে তাৰ পটভূমিকাও ফঁহিয়াই কৈছিল। এনেধৰণৰ অধ্যাপনাই স্বাভাৱিকতে ছাত্ৰবিলাকৰ মনত সাঁচ বহুৱাব পাৰিছিল।

মই আগতেই কৈ আহিছোঁ যে অধ্যাপক নিৰ্বাচনৰ ক্ষেত্ৰত বসুৰ বিৰাট অবদান আছিল। যতীন দুৱৰাৰ নিচিনা কবি, ড° মহেন্দ্ৰ বৰাৰ নিচিনা ইংৰাজী সাহিত্যৰ বিদগ্ধ পণ্ডিত, সংস্কৃত বাঙ্ময়ৰ মূৰ্ত্ত প্ৰতীক ড° আশুতোষ বিশ্বাস, উমাপ্ৰসন্ন দে'ৰ নিচিনা অভিজ্ঞ আৰু মাৰ্জিত শিক্ষক, নিৰ্মল বসুৰ নিচিনা নীৰৱ শিক্ষক, শ্ৰী বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্যৰ নিচিনা সাহিত্যমোদী শিক্ষক আৰু দৰ্শনৰ অধ্যাপক সুশীল দত্তৰ নিচিনা বিচক্ষণ শিক্ষক একেলগে গোট খাইছিল। সেই সকলোৰে নাম ল'লে তালিকাখন দীঘল হ'ব। ড° লক্ষ্মীপ্ৰসাদ দত্ত অকল ইতিহাসৰ অধ্যাপকেই নাছিল - তেওঁ কলেজখনৰ এজন সংগঠক কৰ্মীও আছিল। তেওঁৰ সাংগঠনিক প্ৰতিভাৰ বাবেই কানৈ মহাবিদ্যালয়ত কলা, বাণিজ্য আৰু বিজ্ঞান এই তিনিওটা বিভাগৰ প্ৰতিষ্ঠা হৈছিল আৰু পৰৱৰ্তীকালত বিশ্ববিদ্যালয়ৰ খনিকৰ হিচাপে তেওঁ সুপ্ৰতিষ্ঠিত হৈছিল। ড° দত্ত, ড° বসুৰ সোঁহাত আছিল। পুৱা বিয়লি তেওঁ আমাৰ আশ্ৰমলৈ আহি বসুৰ লগত মহাবিদ্যালয়খনৰ উন্নতিৰ হকে বিভিন্ন বিষয় লৈ আলাপ- আলোচনা কৰিছিল।

লক্ষ্মীপ্ৰসাদ দত্তৰ অশেষ চেষ্টাত যেতিয়া অসমৰ আগশাৰীৰ চাহখেতিয়ক হনুমানবক্স কানৈজীয়ে নতুন ভৱনৰ বাবে দান-বৰঙনি আগবঢ়ালে তেতিয়া মহাবিদ্যালয়খনৰ নাম লৈ কিছু তৰ্ক বিতৰ্ক চলিছিল আৰু আন্দোলনো হৈছিল। কিন্তু বসুদেৱৰ যি অসাধাৰণ ব্যক্তিত্ব আছিল তাৰ বাবে এই আন্দোলন বেছি আগবাঢ়িব নোৱাৰিলে। এদিনাখন তেওঁ কোৱা শুনিছিলো, মহাবিদ্যালয়খন যদি দাতাৰ নামত নহয়েই, তেন্তে এই টকাৰে এটা পুঁথিভৰাল স্থাপন কৰিম।

ড° বসুৰ ব্যক্তিত্ব, অগাধ পাণ্ডিত্য আৰু অধ্যাপনাৰ শৈলী এনে চিত্তাকৰ্ষক আছিল যে ছাত্ৰ - ছাত্ৰীবিলাকে তেওঁলোকৰ পঢ়া বিষয় সমূহ সংস্কৃতেই হক বা ইংৰাজীয়েই হক, বিশেষভাৱে অনুধাবন কৰিব পাৰিছিল। অধ্যাপকৰ কেনে ব্যক্তিত্ব থকা উচিত ড° বসুৰ জীৱনত তাৰ স্পষ্ট পৰিচয় আমি পাইছিলো। ওঁ বাবাই

শিক্ষকৰ আদৰ্শ সম্বন্ধে যি বাণী তেওঁক দিছিল সেই বাণী ধ্ৰুৱতৰাৰ নিচিনাকৈ তেওঁৰ জীৱনত প্ৰতিফলিত হৈছিল। বাণীটো হ'ল ঃ "to be a teacher you should possess the wisdom of a Scholar, Personality of a teacher and affectionate heart of a father" যি বিলাক ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ পৰা শিক্ষা পাইছে তেওঁলোকে নিশ্চয় উপলব্ধি কৰিব পাৰিছে এই বাণীটো ড° বসুৰ জীৱনত কেনেধৰণে প্ৰতিফলিত হৈছিল। মই ভাবোঁ শিক্ষকৰ সংজ্ঞা ইয়াতকৈ ভাল একো হ'ব নোৱাৰে।

অসমৰ শিক্ষা জগতলৈ কানৈ কলেজৰ যি অৰিহণা তাৰ মূল উৎস আছিল ড° যোগীৰাজ বসু আৰু তেওঁৰ সহযোগীবৃন্দ। মই জনামতে ড° বসুৰ ব্যক্তিত্ব, পাণ্ডিত্য আৰু আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ তেতিয়া বহুজন অধ্যাপকেই এই মহাবিদ্যালয়ত অধ্যাপনাৰ কাৰণে আহিছিল। যি সৰল সহজ অনাড়ম্বৰ জীৱন তেওঁলোকে কটালে আজিৰ বহুতে ভাবিৱেই নোৱাৰে। তেওঁলোকৰ মাহিলী মাননী ১০০ বা ৫০ টকা আছিল। এজন অধ্যক্ষৰ মাননী এশ টকা। আজিৰ দিনত কোনোবাই চিন্তা কৰিব পাৰেনে? তেওঁলোকৰ লক্ষ্য আছিল শিক্ষাৰ পোহৰ উজলাই দিয়া, গতিকে মাননীটো তেওঁলোকৰ কাৰণে গৌণ আছিল। কালিদাসে কৈছিল ঃ- "যথাগমঃ কেৱল জীৱিকায়ৈঃ তং জ্ঞান শূণ্যং বনিজং বদন্তি" - অৰ্থ যি বিলাকৰ শিক্ষা আৰু অৰ্হতা টকা পইচাৰ কাৰ তেওঁলোক জ্ঞানৰ বেপাৰীহে মাথোন।

ড° বসুৱে জ্ঞানৰ পোহৰ বিলাই ছাত্ৰ-ছাত্ৰী মাজত এক নতুন চেতনা আৰু দিগন্তৰ উন্মোচন ক দিছিল। সেই পোহৰ অসমৰ চাৰিওফালে বিয় পৰিছিল। বহুতে ড° বসুৰ বিৰল আদৰ্শত উদ্বুদ্ধ হৈ উত্ত পূৰ্বাঞ্চলত শিক্ষকতা কৰি আছে। গুৱাহাটী বিশ্ববিদ্যাল উদ্বোধনী অনুষ্ঠানত গোৱা ভূপেন হাজৰিকাদেৱৰ গীতটো ইয়াতো প্ৰাসঙ্গিক হ'ব ঃ

'আন্ধাৰৰ ভেটা ভাঙি
প্ৰাগজ্যোতিষত বয়
জেউতি নিজৰাৰে ধাৰ
শত শত বন্তিৰ জ্ঞানৰ দীপালীয়ে
জিলিকাব লুইতৰে পাৰ।'

লুইতৰ পাৰ এই শিক্ষানুষ্ঠানে নিশ্চয় জিলিকাই আৰু যিসকলে ইয়াৰ কাৰণে অহোপুৰুষাৰ্থ কৰি গ তেওঁলোকৰ মাজত ড° বসু নিশ্চয়েই এজন আগৰণ হিচাপে গণ্য হ'ব।

কানৈ মহাবিদ্যালয় সোণালী জয়ন্তীয়ে আম এইখিনি কথাকে সোঁৱৰাইছে।

□□□□□

*"A human being is a part of a whole, called by us _universe_, a part limited in time and space. He experiences himself, his thoughts and feelings as something separated from the rest... a kind of optical delusion of his consciousness. This delusion is a kind of prison for us, restricting us to our personal desires and to affection for a few persons nearest to us. Our task must be to free ourselves from this prison by widening our circle of compassion to embrace all living creatures and the whole of nature in its beauty."* -

*Albert Einstein*

# উজনি অসমৰ শিক্ষা বিস্তাৰত কানৈ কলেজৰ অৱদান

*লক্ষ্মীপ্ৰসাদ দত্ত*
*প্ৰাক্তন অধ্যক্ষ*

উজনি অসমত উচচশিক্ষা প্ৰদানৰ মহান অভিপ্ৰায়েৰে ১৯৪৫ চনত ডিব্ৰুগড় কলেজ স্থাপন কৰা হৈছিল। এচাম স্বাৰ্থত্যাগী, শিক্ষাব্ৰতী তৰুণ যুৱকৰ সহযোগিতাত শ্ৰী অশ্বিনী চৌধুৰীয়ে অশেষ প্ৰচেষ্টাৰে এই কাম সম্ভৱপৰ কৰিছিল। ৰায় বাহাদুৰ সদানন্দ দুৱৰা আৰু ৰায় বাহাদুৰ ডাঃ পি. এন. ঘোষে এই আঁচনি ফলৱতী কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ বহুমূলীয়া দিহা-পৰামৰ্শ যোগাইছিল। পূঁজিৰ নামত এটা ফুটা কৰিও নোহোৱাকৈয়ে পোনতে স্থানীয় জৰ্জ্জ হাইস্কুলত কলেজীয়া শিক্ষাৰ পাতনি মেলা হৈছিল। যথাসময়ত কলা আৰু বাণিজ্য বিষয়ত কলেজখনে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্বীকৃতি লাভ কৰিছিল।

ৰায় বাহাদুৰ দুৱৰাৰ চেষ্টা আৰু অনুপ্ৰেৰণাত এই চালুকীয়া শিক্ষানুষ্ঠানখনিয়ে কিছুদিনৰ পিছত ৰায়চাহাব কানৈৰ পৃষ্ঠপোষকতা লাভ কৰে। তেখেতে প্ৰথমতে কলেজৰ পুথিভঁৰাললৈ দহ হেজাৰ টকা আগ বঢ়ায়। তাৰ পিছত যেতিয়া বিজ্ঞান বিষয়ত শিক্ষাদানৰ আঁচনি কৰা হয়, তেতিয়া তেখেতে আকৌ এক লাখ টকাৰ বৰঙণি দিয়ে। কদমনীৰ গাভৰু পথাৰত কলেজৰ নতুন ভৱন নিৰ্মাণ কৰিবলৈ তেখেতক অনুৰোধ কৰা হয় আৰু তেখেতৰ বদান্যতাৰ ফলতেই আজিৰ এই মনোমোহা কলেজ ভৱন গঢ়ি উঠে। তেখেতৰ এই উদাৰতাক স্বীকৃতি দি ডিব্ৰুগড়ৰ ৰাইজে ডিব্ৰুগড় কলেজক তেখেতৰ নামানুসৰি 'ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ কলেজ' বুলি নামকৰণ কৰে। লাহে লাহে কলা, বিজ্ঞান বাণিজ্য সকলো বিষয়তে কলেজখনে স্বীকৃতি লাভ কৰে আৰু উক্ত তিনিওটা শাখাতে বিভিন্ন বিষয়ত অনাৰ্চ খোলা হয়। অকল উজনি অসমতে নহয়, সমগ্ৰ অসমৰ ভিতৰতে এটি অন্যতম শিক্ষানুষ্ঠানৰূপে কানৈ কলেজে খ্যাতি লাভ কৰে। কলেজৰ কৰ্ম্মকৰ্ত্তাসকলে স্নাতকোত্তৰ শ্ৰেণী খুলিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অনুমতি লাভ কৰিছিল আৰু সংস্কৃত, অৰ্থনীতি আৰু বুৰঞ্জী — এই তিনিটা বিষয়ত স্নাতকোত্তৰ মহলাৰ শিক্ষাদান কৰা হৈছিল। কলেজৰ বাণিজ্য শাখাই বিশেষভাৱে উন্নতি আৰু প্ৰসাৰতা লাভ কৰাত বাণিজ্য শাখাক এখন পূৰ্ণাঙ্গ বাণিজ্য কলেজলৈ ৰূপান্তৰিত কৰিবলৈ সিদ্ধান্ত লোৱা হয়। সেই অনুসৰি ১৯৬০ চনত কানৈ কলেজৰ তত্ত্বাবধানত ডিব্ৰুগড় হনুমান বক্স সুৰযমল বাণিজ্য কলেজ স্থাপন কৰা হয় আৰু এই শিক্ষানুষ্ঠানখনিক গুৱাহাটী বিশ্ববিদ্যালয়ে স্বীকৃতি দিছিল। অসমৰ ভিতৰতে আজিলৈকে এইখনেই একমাত্ৰ পূৰ্ণাঙ্গ বাণিজ্য কলেজ।

কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বছৰে বছৰে বৃদ্ধি হৈ অহাত এখন সুকীয়া মহিলা কলেজ স্থাপন কৰাৰো সিদ্ধান্ত লোৱা হয় আৰু তাৰেই পূৰ্ণাঙ্গ ৰূপ বৰ্ত্তমানৰ 'মনোহাৰী দেৱী কানৈ মহিলা কলেজ'।

এনেকৈয়ে কানৈ কলেজ প্ৰাঙ্গণত এখন এখনকৈ কেইবাখনো কলেজ গঢ়ি উঠাত অসমত দ্বিতীয় এখন বিশ্ববিদ্যালয়ৰ বিশেষ প্ৰয়োজন অনুভৱ কৰা হয় আৰু এই উপলক্ষত অগ্ৰগামী হৈ পৰে কানৈ কলেজ সমূহেই। সেই মহৎ আঁচনি ফলৱতী কৰিবলৈ ৰায়চাহাব কানৈয়ে এটি শকত বৰঙণি আগবঢ়াবলৈ প্ৰতিশ্ৰুতি দিয়ে। সুদীৰ্ঘ পাঁচ বছৰ জোৱা অক্লান্ত চেষ্টাৰ মূৰত ১৯৬৫ চনত ডিব্ৰুগড়ত অসমৰ দ্বিতীয়খন বিশ্ববিদ্যালয় গঢ়ি উঠে। উল্লেখযোগ্য যে সেই একে বছৰতে কানৈ আইন

কলেজৰো প্ৰতিষ্ঠা কৰা হয়। এয়া বৰ গৌৰৱৰ বিষয় যে ১৯৪৫ চনৰ পৰা আৰম্ভ কৰি আজিলৈকে প্ৰায় ২৬ বছৰৰ ভিতৰত উজনি অসমৰ উচ্চশিক্ষাই অতি ক্ষিপ্ৰগতিৰে আগবাঢ়িছে আৰু তাৰেই সাক্ষী ডিব্ৰুগড়ত অসমৰ দ্বিতীয়খন বিশ্ববিদ্যালয় আৰু যোৰহাটত স্থাপিত হোৱা অসমৰ কৃষি বিশ্ববিদ্যালয়।

উজনি অসমত উচ্চশিক্ষা বিস্তাৰৰ পথত ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ কলেজৰ অৰদান উল্লেখযোগ্য। যি সকলৰ শিক্ষকে এইখন কলেজ গঢ়ি তুলিছিল, সেই সকল শিক্ষকেই ইয়াৰ উন্নতি সাধন আৰু আনকেইখন কলেজ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ো গঢ়ি তুলিবলৈ তেওঁলোকৰ শ্ৰম আৰু সহযোগিতা আগবঢ়াই আহিছে। তদুপৰি যোৱা ২৬ বছৰত এই অঞ্চলৰ অনেক ঠাইত নতুন নতুন কেইবাখনো কলেজ স্থাপন কৰা হৈছে। আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তত্ত্বাৱধানত অসমৰ তিনিখন জিলাৰ ডিব্ৰুগড়, লক্ষীমপুৰ আৰু শিৱসাগৰত মুঠ ৪৫ খন কলেজ আছে। কানৈ কলেজৰ বাবে এয়া বিশেষ গৌৰৱৰ বিষয় যে এই নতুন কলেজসমূহৰ সৰহ সংখ্যক অধ্যাপকক কানৈ কলেজেই গঢ় দিছিল।

বাণিজ্য কেন্দ্ৰ বুলি খ্যাতি থকা ডিব্ৰুগড় আজি উজনি অসমত শিক্ষা আৰু সংস্কৃতিৰ মূলকেন্দ্ৰ হৈ পৰিছে আৰু এই উন্নতিৰ মূলতে আছে হনুমান বক্স সুৰযমল কানৈ কলেজৰ সক্ৰিয় অৰদান। ছাত্ৰ ছাত্ৰী, শিক্ষক, শিক্ষাবিদ আৰু ডিব্ৰুগড়ৰ ৰাইজে কানৈ কলেজৰ ৰূপালী জয়ন্তী পতাৰ গৌৰৱ লাভ কৰিবলৈ পাই আনন্দমুখৰ হৈ পৰিছে। এই শুভক্ষণত শিক্ষাপ্ৰেমী সকলো ৰাইজ আনন্দিত হৈছে। আজিৰ এই স্মৰণী দিনত এই অনুষ্ঠানখনৰ লগত সংশ্লিষ্ট প্ৰতিজনেই অতীত গৌৰৱত সন্তুষ্ট নাথাকি নতুন উদ্যমেৰে নতুন গৌৰৱ সৃষ্টি কৰিবলৈ কৰ্ম্মক্ষেত্ৰত আগবাঢ়ি যোৱাৰ সঙ্কল্প লওক। এই পবিত্ৰ অনুষ্ঠানখনি উন্নতিৰ পথত আগবাঢ়ি যাওক, ইয়াৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক, অধ্যাপিকা, কৰ্ম্মকৰ্ত্তা, পৰামৰ্শদাতা সকলোৰে ওপৰত ভগৱানে আশীৰ্ব্বাদ বৰিষণ কৰক।

□□□□□

*"The scientist does not study nature because it is useful; he studies it because he delights in it, and he delights in it because it is beautiful. If nature were not beautiful, it would not be worth knowing, and if nature were not worth knowing, life would not be worth living." -*

*Henri Poincare*

# কানৈ কলেজৰ সোণালী অতীত

*ডিম্বেশ্বৰ চলিহা*
*প্ৰাক্তন অধ্যক্ষ*

বয়সৰ লেখেৰে ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ কলেজে পঞ্চাশ বছৰত ভৰি দিলে। অনুষ্ঠান একোটাৰ জীৱনত পঞ্চাশটাকৈ বছৰ তেনেই কম সময় নহয়। এই পঞ্চাশটা বছৰৰ ভিতৰত কলেজখনৰ ওপৰেদি বহু হৰ্ষ বিষাদৰ ঢৌ পাৰ হৈ গ'ল , বহুসময়ত বিপদে ছানি ধৰিলে আৰু বহু সময়ত আনন্দ উল্লাসৰ জোৱাৰ উঠিল। যিসকল লোকৰ আশাশুধীয়া চেষ্টাৰ ফলত এই অনুষ্ঠানটোৰ জন্ম হৈছিল, সেইসকলৰ বেচিভাগেই হয়তো সিপুৰীলৈ গতি কৰিলে। আৰু যিসকল এতিয়াও জীৱিত অৱস্থাত আছে, সেই সকলো বাৰ্দ্ধক্যৰ কৰাল গ্ৰাসত। বহুজন অধ্যক্ষ, শিক্ষক, কৰ্মচাৰীয়ে ইতিমধ্যে অৱসৰ ল'লে। দুই চাৰিজনে অন্যঠাইত ভাল চাকৰি পাই কলেজ ত্যাগ কৰিলে। তাৰ মাজতে হয়তো দুই এজনে ইহ সংসাৰৰ পৰাই মেলানি মাগিলে।

ছাত্ৰ-ছাত্ৰীৰ এক নিৰৱচ্ছিন্ন সোঁত কলেজ স্থাপনৰ দিন ধৰি বৈ আছে, বৈ থাকিব। এই অনুষ্ঠানতে কোনোবাই লাভ কৰিছে সফলতা আৰু কোনোবাই বিফলতাৰ গনি লৈ ঘৰৰ ল'ৰা ঘৰলৈ উলটিছে। কোনোবাই শৈক্ষিক যুদ্ধত জয়ী হৈছে আৰু কোনোবা হৈ পৰিছে ধৰাশায়ী। কোনোবাই জীৱন সংগ্ৰামৰ কাৰণে এই অনুষ্ঠানতে বুটলি লৈছে যুঁজৰ আহিলা আৰু কোনোবাই হয়তো ৰং-ধেমালিতে পাৰ কৰি দিছে সোণালী সময়। কোনোবাই ইয়াতে বিচাৰি পাইছে জীৱনৰ অৰ্থ আৰু কোনোবাজন হৈ পৰিছে পথভ্ৰষ্ট। এনে এক ভঙাগঢ়াৰ খেল শিক্ষানুষ্ঠান সমূহত চলি থাকে, চলি থাকিব। কানৈ কলেজো ইয়াৰ ব্যাতিক্ৰম নহয়, হ'ব নোৱাৰে।

অসমৰ উচ্চশিক্ষাৰ বুৰঞ্জী বৰ দীঘলীয়া নহয়। বৃটিছ আমোলত অসমৰ চীফ কমিচনাৰ চাৰ হেন্ৰি কটনৰ আশাশুধীয়া চেষ্টাৰ বলতহে ১৯০১ চনত গুৱাহাটীত কটন কলেজ স্থাপিত হৈছিল। তাৰ উনত্ৰিশ বছৰৰ পাছত ১৯৩০ চনত যোৰহাটত জগন্নাথ বৰুৱা কলেজ স্থাপন কৰা হয়। এই দুয়োখন শিক্ষানুষ্ঠানেই বহুতদিন ধৰি অসমৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ হৈ আছিল। ১৯০১ চনৰ আগলৈকে যি এমুঠিমান অসমীয়া ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ হাবিয়াস কৰিছিল, তেওঁলোকে মেট্ৰিকৰ দেওনা পাৰ হৈয়েই কলিকতা, ঢাকা, বেনাৰস আদি ঠাইলৈ যাব লগা হৈছিল। কিন্তু গুৱাহাটী আৰু যোৰহাটত কলেজ স্থাপন হোৱাৰ পিছত আগৰ সেই অসুবিধা কিছু পৰিমানে হ'লেও নাইকিয়া হ'ল।

অসমীয়া মানুহৰ আৰ্থিক দুৰৱস্থা আৰু যানবাহনৰ অভাৱ আদি কিছুমান কাৰণত গুৱাহাটী আৰু যোৰহাটৰ কলেজেও কিন্তু সমগ্ৰ অসমৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চশিক্ষাৰ হাবিয়াস পূৰণ কৰিব পৰা নাছিল। এই কথালৈ লক্ষ্য ৰাখিয়েই সম্ভৱ স্বাধীনতাৰ আগে পাছে এই সময়ছোৱাত অসমৰ কেইবাখনো ঠাইত কিছুসংখ্যক গুণী, জ্ঞানী আৰু সমাজ সচেতন লোকৰ চেষ্টাত কেইখনমান বেচৰকাৰী কলেজ স্থাপিত হ'ল। এনেকৈ স্থাপিত হোৱা কলেজৰে অন্যতম হ'ল ডিব্ৰুগড় কলেজ, যাৰ বৰ্তমান নাম ডিব্ৰুগড় হনুমান বক্স সূৰজমল কানৈ কলেজ। সংক্ষেপে ডি এইচ এচ কে কলেজ।

বৃটিছৰ দিনতে লক্ষীমপুৰ জিলাত চাহ, তেল, কয়লা, কাঠ আদি উদ্যোগে গঢ় লৈ উঠিছিল, চৰকাৰী ৰাজহ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত লক্ষীমপুৰ জিলাই ভাৰতৰ ভিতৰতে দ্বিতীয় স্থান পাইছিল, উত্তৰ পূৰ্বাঞ্চলৰ

একমাত্র চিকিৎসা প্রতিষ্ঠান বেৰী হোৱাইট মেডিকেল স্কুল ডিব্রুগড়তে আছিল, অসমৰ প্ৰথম ৰেল লাইন ডিব্রু শদিয়া এই জিলাতে আছিল, সাহিত্য সংস্কযতিৰ ক্ষেত্ৰতো ডিব্রুগড়ৰ এক সুনাম আছিল। পিছে এইখন চহত এখন কলেজ প্ৰতিষ্ঠাৰ কথা ইয়াৰ সম্ভ্ৰান্ত পৰিয়ালবোৰেও চিন্তা কৰা নাছিল। কেৱল চিন্তা কৰিছিল এজন মানুহে। ডিব্রুগড়ত কলেজ স্থাপনৰ সপোন দেখা সেই মানুহজন আছিল শ্ৰী অশ্বিনী চৰণ চৌধুৰী। শ্ৰী চৌধুৰী নিজে আছিল জৰ্জ ইনষ্টিটিউচনৰ (বৰ্ত্তমানৰ বাগ্মীবৰ নীমণি ফুকন উচ্চতৰ মাধ্যমিক) শিক্ষক।

এগৰাকী স্কুল শিক্ষকেনো কি সাহসেৰে কলেজ এখন স্থাপন কৰাৰ কথা ভাবিছিল আৰু সেই ভাব কাৰ্যত পৰিণত কৰিবৰ কাৰণে কিমান দুখ কষ্ট মূৰ পাতি ল'ব লগা হৈছিল — সেই কথা ভাবিলে আজিও তেখেতৰ ওচৰত মূৰ দোঁ খাই যায়। বাৰ্দ্ধক্যৰ তাড়নাত পৰি তেখেত আজি শয্যাগত। হয়তো তেখেতৰ সপোনৰ কলেজখনৰ সোণালী জয়ন্তী উৎসৱৰ সোণালী স্মৃতি সমূহ ৰোমন্থন কৰিবলৈও তেখেত অসমৰ্থ। তথাপি আমি আশা ৰাখিছো — তেখেতে দূৰৈৰ পৰা হ'লেও অনুষ্ঠানটোলৈ এপাহি আশীষ নিৰ্মালি যেন যাচে আৰু সেই আশীৰ্বাদেই যেন আমাক ধন্য কৰে।

১৯৪৫ চনৰ ২৮ মে'। এই তাৰিখটো ডিব্রুগড় তথা তেতিয়াৰ লক্ষীমপুৰ জিলাৰ উচ্চশিক্ষাৰ ইতিহাসত এক স্মৰণীয় দিন। কাৰণ, সেই তাৰিখতে ডিব্রুগড়ৰ জৰ্জ ইনষ্টিটিউচনত যিখন সভা অনুষ্ঠিত হৈছিল, তাতেই ডিব্রুগড়ত ইন্টাৰমিডিয়েট পৰ্য্যায়ৰ কলেজ এখন খোলাৰ সিদ্ধান্তটো লোৱা হৈছিল। সেই সভাৰ সভাপতি আছিল ৰায় চাহাব বেণুধৰ ৰাজখোৱা। সেই সভাতেই তলত নাম দিয়া সদস্যসকলকলৈ কলেজৰ পৰিচালনা সমিতি এখনো গঠন কৰি দিয়া হৈছিল।

১। আই মজিদ - উপায়ুক্ত, সভাপতি, ২। ৰায় বাহাদুৰ সদানন্দ দুৱৰা ৩। ৰায় বাহাদুৰ ডাঃ ফনীন্দ্ৰ নাথ ঘোষ ৪। নৰকুমাৰ দত্ত ৫। ৰায় চাহাব বেণুধৰ ৰাজখোৱা ৬। ৰায় বাহাদুৰ ৰামেশ্বৰ লাল চহৰীয়া ৭। ফৈজনুৰ আলি ৮। জালালুদ্দিন আহমেদ ৯। যোগীৰাজ বসু ১০। ডি দাস ১১। গণেশ ৰাম ফুকন ১২। নন্দেশ্বৰ চক্ৰৱৰ্ত্তী ১ প্ৰসন্ন কুমাৰ বৰুৱা ১৪। গোবিন্দ চন্দ্ৰ শৰ্মা ১৫। মুৰুলী জালান ১৬। অশ্বিনী চৰণ চৌধুৰী, সম্পাদক অৱশ্যে অ মজিদে সভাপতিৰ ভাৰ গ্ৰহণ কৰিবলৈ অমান্তি হোৱা তেখেতৰ ঠাইত সদানন্দ দুৱৰাক সভাপতি পতা হ ১৯৫৬ চনলৈকে তেখেতেই সভাপতি হৈ থাকে। ১৯ চনৰ ১৫ জুনত কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণী আৰম্ভ হ

প্ৰথম অৱস্থাত কলেজৰ শ্ৰেণীসমূহ প আলিত থকা ছোৱালী হাইস্কুলত পুৱাৰ খেপত অনুষ্ঠি হৈছিল। পিছত ছোৱালী হাইস্কুলখন সেই ঠাইৰ পৰা উ যোৱাত তাতে দিনৰ ভাগতো শ্ৰেণীসমূহ বহুৱাব প হৈছিল। ১৯৫৯ চন পৰ্যন্ত কলা আৰু বাণিজ্য শাখ সকলোবোৰ শ্ৰেণী তাতে বহিছিল। ডিব্রুগড় কলেজ কলাশাখাত পোন প্ৰথম নাম লগোৱা ছাত্ৰীগৰাকীৰ না আছিল সৰলা চৌধুৰী আৰু প্ৰথম কেৰাণীজনৰ না আছিল বংশী দাস। জুবিলী উৎসৱৰ এই ক্ষণত আ তেখেতসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো।

সেই কালত কলা শাখাৰ কলেজ সমূহ পুথিভঁৰাল উন্নত নহ'লে বিশ্ববিদ্যালয়ে স্বীকৃতি নিদিছি সেই কথা ডিব্রুগড় কলেজৰ গৱৰ্ণিংবডিয়েও জানিছি আৰু সেই কাৰণেই ৰায় চাহাব হনুমান বক্স কানৈ কিছু পুঁজিৰ যোগান ধৰিবলৈ অনুৰোধ জনাইছিল। সে অনুৰোধ মৰ্মেই কানৈয়ে কলেজৰ পুথিভঁৰালটোৰ কাৰ দহ হেজাৰ টকা দান দিছিল। সেই সময়ত কলেজ কাৰণে আটাইতকৈ সুখবৰটো আছিল যে গৱৰ্ণিংবডি অনুৰোধ ক্ৰমে ডিব্রুগড় মিউনিচিপেলিটিয়ে ১৯৪ চনৰে চেপ্তেম্বৰ মাহত গাভৰু পথাৰত থকা ট্ৰেনচি গ্ৰাউণ্ডৰ (বৰ্ত্তমানৰ কলেজ থকা ঠাই) গোটেইখিনি মা কলেজক দান কৰে। ১৯৪৬ চনত সেই মাটিতে এ চকীদাৰৰ ঘৰ সজা হয়।

কলেজৰ কাৰণে সৌভাগ্যজনক আন এটা ক হ'ল যে ডঃ যোগীৰাজ বসুৰ দৰে ট্ৰিপোল এম এ, পণ্ডি তথা প্ৰাচ্যতত্ববিদ এগৰাকীক অধ্যক্ষৰ আসনত বহুৱাব

পোৰাটো। প্ৰথম বছৰ যিসকল শিক্ষকে স্বেচ্ছাই শিক্ষাদান কৰিবলৈ আগবাঢ়ি আহিছিল, তেখেতসকলে সেইটো বছৰত কোনো দা-দৰমহা লোৱা নাছিল। অৱশ্যে দ্বিতীয় বছৰত সেইসকল শিক্ষকক স্থায়ীভাৱে নিযুক্তি দিয়া হৈছিল। এনেকৈ নিয়োগ কৰা শিক্ষকসকল আছিল ১। যোগীৰাজ বসু, এম্ এ (ট্ৰিপোল) অধ্যক্ষ, ২। উমাপ্ৰসন্ন দে — ইংৰাজী ৩। লক্ষীপ্ৰসাদ দত্ত — বুৰঞ্জী ৪। এম্ কে চক্ৰৱৰ্তী — লজিক, ৫। বেণুধৰ ৰাজখোৱা — অসমীয়া, ৬। কে এ ৰামকৃষ্ণন — গণিত, ৭। নিৰ্মল কুমাৰ বসু — চিভিক্স, ৮। নবাব নেকিবুৰ ৰহমান — পাৰ্চী। অধ্যক্ষ বসুৱে সংস্কৃত আৰু ইংৰাজী দুয়োটা বিষয়েই পঢ়ুৱাইছিল। অধ্যক্ষৰ মাহিলী দৰমহা আছিল ডেৰশ টকা আৰু বাকী শিক্ষকসকলৰ এশ টকা। কেৰাণীৰ দৰমহা আছিল চল্লিশ আৰু চকীদাৰৰ দহ টকা।

গুৱাহাটী বিশ্ববিদ্যালয় ১৯৪৮ চনতহে স্থাপিত হৈছিল। গতিকে তাৰ আগতে স্থাপন হোৱা অসমৰ কলেজসমূহে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্বীকৃতি ল'ব লগা হৈছিল। কিন্তু ডিব্ৰুগড় কলেজৰ কি দূৰ্ভাগ্য যে কলিকতা বিশ্ববিদ্যালয়ে স্বীকৃতি দিওঁতে বহুত দেৰি কৰিলে। তেওঁলোকে তৃতীয় বছৰৰ মূৰতহে ইণ্টাৰমিডিয়েট পৰীক্ষা দিব পৰা হ'ল।

প্ৰথম দুবছৰ কলেজত কোনো উপাধ্যক্ষ নাছিল। ১৯৪৭ চনৰ ২৭ চেপ্তেম্বৰতহে লক্ষী প্ৰসাদ দত্তক উপাধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। দত্তৰ এই নিযুক্তিয়েই কলেজখনৰ গতিশীলতাত বহু পৰিমাণে ইন্ধন যোগালে। তেখেতৰ কৰ্মক্ষমতা আৰুসাংগঠনিক শক্তিৰ তুলনা নাই। প্ৰকৃততে তেখেতৰ চেষ্টাতহে কানৈ কলেজে বৰ্ত্তমানৰ ৰূপ পাবলৈ সমৰ্থ হ'ল। কানৈ কমাৰ্চ কলেজ, মনোহাৰী দেৱী ছোৱালী কলেজ, কানৈ আইন কলেজ আনকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্থাপনো তেখেতৰ একক প্ৰচেষ্টাৰ ফল। সি যি নহওক, তেখেতৰ চেষ্টাতেই, উপাধ্যক্ষ হোৱাৰ এবছৰৰ ভিতৰতে বি-এ শ্ৰেণী আৰু বাণিজ্য শাখা কলেজৰ অন্তৰ্ভূক্ত হ'ল।

সেইখিনি সময়তে বৰবাৰীত অসম মেডিকেল কলেজৰ ঘৰ দুৱাৰ সম্পূৰ্ণ হৈ উঠাত আগৰ বেৰি হোৱাইট মেডিকেল স্কুলৰ ঘৰ দুৱাৰবোৰ এনেয়ে পৰি আছিল। গতিকে কলেজ কৰ্ত্তৃপক্ষই অসম চৰকাৰক অনুৰোধ কৰি সেইবোৰ ঘৰতে বিজ্ঞান শাখা খুলিবলৈ সিদ্ধান্ত লয়। অসম চৰকাৰৰ অনুমতি লৈ ১৯৫০-৫১ শিক্ষাবৰ্ষৰ পৰা বেৰি হোৱাইট মেডিকেল স্কুলত ইণ্টাৰমিডিয়েট পৰ্যায়ত বিজ্ঞান শাখা খোলা হয়। আনহাতে কলা আৰু বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই অহাত ছোৱালী হাইস্কুলৰ সৰু সৰু কোঠাবোৰত ছাত্ৰ-ছাত্ৰীৰ আসনৰ সমস্যাই দেখা দিলে। গতিকে গাভৰু পথাৰৰ নিজ মাটিত কলেজৰ ঘৰ দুৱাৰ সজাৰ কথা কৰ্ত্তৃপক্ষই ভাবিবলৈ বাধ্য হ'ল। কিন্তু ৰাইজৰ পৰা সংগ্ৰহ কৰা ধনেৰে কলেজৰ উপযোগীকৈ এটা ভৱন নিৰ্মাণ কৰা সহজ নহয়। গতিকে কলেজ গৱৰ্ণিংবডিৰ হনুমান বক্স কানৈৰ কাষ চাপিল। গৱৰ্ণিংবডিৰ অনুৰোধ মৰ্মে হনুমান বক্স কানৈ আৰু তেওঁৰ ভাতৃ সুৰজমল কানৈ দুয়ো লগলাগি এক লাখ টকাৰ দান কলেজলৈ আগবঢ়ালে। অৱশ্যে চৰ্ত্ত থাকিল যে কলেজখন দুয়োজন ককাইভাইৰ নামত হ'ব লাগিব। সেইমতেই কলেজৰ নাম ১৯৫০ চনৰ ২৫ জুলাই তাৰিখৰ পৰা ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ কলেজ হ'ল।

কলেজ কৰ্ত্তৃপক্ষই ট্ৰেনচিং গ্ৰাউণ্ডৰ কাষতে থকা আন কিছু মাটিও দুই এজনৰ পৰা কিনি ল'লে। এই গোটেইখিনি মাটি দ' হোৱাৰ কাৰণে মাটি পেলাওঁতেও কিছু সময় লাগিল। তদুপৰি ইমান এটা ডাঙৰ ভৱন কম সময়ৰ ভিতৰত সজাটোও সম্ভৱ নহয়। গতিকে ১৯৫৯ চনতহে ভৱনটো কলেজৰ ব্যৱহাৰৰ কাৰণে উপযুক্ত হৈ পৰিল। উল্লেখযোগ্য কথা এয়ে যে কানৈয়ে কেৱল একলাখ টকা দিয়েই ক্ষান্ত থকা নাছিল, ওপৰঞ্চিকৈও তেখেতে বহুত টকা ভৰিছিল। তদুপৰি দিজাইন অঁকাৰ পৰা ঘৰ সজাৰ তদাৰক কৰালৈকে সকলোখিনি কাম হনুমান বক্স কানৈয়ে কৰিছিল। আজি আমি কলেজৰ সম্মুখত যিবিলাক আটক ধুনীয়া গছ দেখা পাইছো, সেইবিলাকৰ ভিতৰত থকা পুখুৰীটোৰ পাৰত যিটো সৰু

পকীঘৰৰ ভিতৰত সৰস্বতীৰ মূৰ্ত্তি আছে, সিও ৰায়চাহব কানৈৰে অৱদান। কলেজৰ এই আটকধুনীয়া ভৱনটোৰ আধাৰশিলা স্থাপন কৰিছিল তেতিয়াৰ অসমৰ বিত্তমন্ত্ৰী মতিৰাম বৰাই, ১৯৫৫ চনৰ ৯ ফেব্ৰুৱাৰীত। ডিব্ৰুগড় বাসীৰ কাৰণে আটাইতকৈ আনন্দৰ দিনটো আছিল ১৯৫৮ চনৰ ২৯ ডিচেম্বৰ। কাৰণ, সেই দিনটোত ভাৰতৰ উপৰাষ্ট্ৰপতি দাৰ্শনিক পণ্ডিত সৰ্বপল্লী ৰাধাকৃষ্ণনে নতুন ভৱনটোৰ দুৱাৰ মুকলি কৰিছিল।

১৯৪৮-৪৯ শিক্ষাবৰ্ষৰ পৰাই দূৰ দূৰণিৰ ছাত্ৰ থাকিব পৰাকৈ ভাৰাঘৰতে হোষ্টেলৰ ব্যৱস্থা কৰা হয়। সেইবছৰতে যতীন্দ্ৰ নাথ দুৱৰাই অসমীয়াৰ অধ্যাপক হিচাপে যোগদান কৰিছিল। গতিকে তেখেতকে ছাত্ৰাবাসৰ অধীক্ষক হিচাবে নিযুক্তি দিয়া হয়। কলেজৰ প্ৰথম পুথিভঁৰালী হিচাবে নিযুক্তি দিয়া হয় অশ্বিণীচৰণ চৌধুৰীক।

মুঠ ৪৬ টা অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিৰ পৰা সংগৃহীত মুঠ দুইলাখ দুহেজাৰ চাৰিশ বিশ টকাৰে বৰ্ত্তমানৰ ছাত্ৰীনিবাসটোৰ নিৰ্মাণ ১৯৫৮ চনৰ ৩ এপ্ৰিল তাৰিখে সম্পূৰ্ণ হৈ উঠে। উপাধ্যক্ষ লক্ষীপ্ৰসাদ দত্ত ইয়াৰ প্ৰথম অধীক্ষক হয় যদিও অলপ দিনৰ পিছতে অধ্যাপিকা লক্ষীদা দত্তক অধীক্ষিকা হিচাবে নিযুক্তি দিয়া হয়। ছাত্ৰীনিবাসৰ প্ৰথম মেট্ৰন আছিল মায়া দত্ত।

১৯৫৯-৬০ শিক্ষাবৰ্ষৰ পৰাই কলেজৰ নতুন ভৱনত কলা, বিজ্ঞান আৰু বাণিজ্য তিনিওটা শাখাৰ শ্ৰেণীসমূহ বহুওৱা হয়। কলা বিভাগৰ সান্ধ্য খেপ (Evening Section) এটাও থাকে। বাণিজ্য শাখাৰ শ্ৰেণীসমূহ অৱশ্যে কেৱল সান্ধ্য খেপতহে হৈছিল। কলা আৰু বাণিজ্য শাখাৰ স্নাতক শ্ৰেণী আগৰে পৰাই আছিল। কিন্তু বিজ্ঞান শাখাৰ স্নাতক শ্ৰেণী নতুন ভৱনলৈ অহাৰ পিছত ১৯৬০-৬১ শিক্ষাবৰ্ষৰ পৰাহে খোলা হয়। অৱশ্যে তেতিয়ালৈ কেৱল পদাৰ্থবিদ্যা, ৰসায়ণ আৰু গণিত - এই তিনিটা বিষয়তহে স্নাতক শ্ৰেণী খোলা হয়। ১৯৬৪-৬৫ শিক্ষাবৰ্ষৰ পৰাহে উদ্ভিদবিদ্যা, প্ৰাণীবিদ্যা আৰু তাৰো পিছলৈ নৃতত্ব বিষয়ত স্নাতক শ্ৰেণী আৰম্ভ কৰা হয়।

কলেজৰ কাৰণে সুন্দৰ ভৱন এটি দান দিয়াৰ স্বীকৃতি স্বৰূপে কলেজৰ গৱৰ্ণিংবডিয়ে ৰায় চাহাৰ হনুমান বক্স কানৈক ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জনাবলৈ মনস্থ কৰে। সেই সম্বৰ্দ্ধনা সভাত কানৈক এহাল হৰিনা পোৱালী আৰু এডাল হাতীদাঁতৰ লাখুটি উপহাৰ স্বৰূপে দিয়া হৈছিল। হৰিণ হালৰ দাম ৪৪৩ টকা বাৰ অনা আৰু লাখুটিডালৰ দাম ৪২ টকা আছিল। সেই সম্বৰ্দ্ধনা সভাত হেনো তেওঁ ইমান অভিভূত হৈ পৰিছিল যে তেওঁ সম্বৰ্দ্ধনাৰ উত্তৰত মুকলিকৈয়ে কৈছিল যে ডিব্ৰুগড়ত কলেজ কিয়, বিশ্ববিদ্যালয়ৰ স্থাপনৰ কাৰণেও তেওঁ আগভাগ ল'ব।

সঁচাকৈয়ে তেওঁ যেনেকৈ ক'লে, তেনেকৈয়ে কাম হ'ল। ১৯৬০ চনৰ ১৫ অক্টোবৰত বহা কানৈ কলেজৰ গৱৰ্ণিংবডিৰ সভাতে সিদ্ধান্ত লোৱা হ'ল যে ডিব্ৰুগড়ত এখন বিশ্ববিদ্যালয় স্থাপিত হ'ব লাগে আৰু সেই মৰ্মে যাৱতীয় ব্যৱস্থা ল'বলৈ অসম চৰকাৰ আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগক অনুৰোধ জনাব লাগে। সেই সময়ত কানৈ কলেজ গৱৰ্ণিংবডিৰ সভাপতি আছিল কানৈ নিজেই। তেওঁ নিজেই প্ৰস্তাৱটো উত্থাপন কৰিছিল। প্ৰস্তাৱত ইয়াকো কোৱা হৈছিল যে কানৈ কলেজৰ গৱৰ্ণিংবডিখনেই ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন কমিটি হিচাবেও কাম কৰিব। প্ৰকৃতাৰ্থত সেইটোৱেই হৈছিল। সেই সময়ত কলেজ গৱৰ্ণিংবডিত থকা শিক্ষক প্ৰতিনিধি হিচাবে বিশ্ববিদ্যালয় সম্পৰ্কে গৱৰ্ণিংবডিয়ে লোৱা বিভিন্ন পদক্ষেপ নিজ চকুৰে দেখাৰ সৌভাগ্য হৈছিল। কলেজ কৰ্তৃপক্ষই বিশ্ববিদ্যালয়ৰ কামত ইফালে-সিফালে যোৱা খৰচ হিচাবে উপাধ্যক্ষ লক্ষী প্ৰসাদ দত্তক মাহিলী পঞ্চাশ টকাৰ ব'নাচ দিছিল। বিশ্ববিদ্যালয় স্থাপনৰ কামত ব্যৱহাৰ কৰা কাগজ, ডাক খৰচ, বা আন আন অফিচৰ কাম কাজ কানৈ কলেজৰ অফিচতে কৰা হৈছিল।

সেই সময়ত অসমৰ মুখ্যমন্ত্ৰী আছিল বিমল প্ৰসাদ চলিহা। কানৈ কলেজে প্ৰস্তাৱ দিয়াৰ পিছত যোৰহটীয়া ৰাইজেও অসম চৰকাৰৰ ওচৰত প্ৰস্তাৱ দিছিল যে বিশ্ববিদ্যালয় এখন যোৰহাটতহে স্থাপন কৰিব লাগে। সেইটো সময়ত অসম চৰকাৰৰ অৰ্থ সংকট চলি

আছিল। গতিকে মুখ্যমন্ত্ৰীয়ে দুয়োপক্ষকে জানিবলৈ দিলে যে বিশ্ববিদ্যালয় এখন স্থাপন কৰাত চৰকাৰৰ আপত্তি নাই, কিন্তু অৰ্থৰ অভাৱ। গতিকে যিটো পক্ষই অধিক টকা দিব পাৰিব তাতে বিশ্ববিদ্যালয় হ'ব। ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপনৰ প্ৰধান সংগঠক লক্ষীপ্ৰসাদ দত্তই কানৈক লৈ গ'ল মুখ্যমন্ত্ৰী চলিহাৰ ওচৰলৈ। কানৈয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰণে পঁচিশ লাখ টকা দান দিয়াৰ প্ৰতিশ্ৰুতি দিলে। কিন্তু যোৰহাটৰ পৰা তেনে প্ৰতিশ্ৰুতি নাপালে। কানৈৰ সেই প্ৰতিশ্ৰুতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই ডিব্ৰুগড়ত বিশ্ববিদ্যালয় স্থাপন হয়। প্ৰথম অৱস্থাত তেওঁ তিনিলাখমান টকা দিলে। কিন্তু কানৈয়ে দানৰ বিনিময়ত এটা চৰ্ত আৰোপ কৰিছিল যে বিশ্ববিদ্যালয় থকা ঠাইডোখৰৰ নাম কানৈ নগৰ হ'ব লাগে। পিছে বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষই সেই দাবি মানি নল'লে। অৱশ্যে ইতিমধ্যে কানৈৰ মৃত্যুও হ'ল।

১৯৫৮ চনৰ পৰা কলেজত মেডিকেল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে এটা ওপৰঞ্চি জীৱবিজ্ঞানৰ শ্ৰেণী সান্ধ্য খেপত খোলা হৈছিল। ইয়াক বোলা হৈছিল সংক্ষিপ্ত জীৱবিজ্ঞাপ পাঠ্যক্ৰম (Condensed Biology Course)। উদ্ভিদ আৰু প্ৰাণীবিজ্ঞানৰ অধ্যাপকে এই শ্ৰেণীত শিক্ষাদান কৰিছিল। যিসকল ছাত্ৰ-ছাত্ৰীয়ে ইন্টাৰমিডিয়েট পৰ্য্যায়ত জীৱবিজ্ঞান নপঢ়াকৈ মেডিকেল কলজেত নাম লগাইছিল, তেওঁলোকৰ কাৰণে এই পাঠ্য ক্ৰম বাধ্যতামূলক আছিল। সেইখিনি সময়তে অসম মেডিকেল কলেজৰ অনুৰোধ মৰ্মে পঞ্চাশজন ছাত্ৰ-ছাত্ৰীৰ এটি ফাৰ্মেচী শ্ৰেণীও কলেজত খোৰা হৈছিল।

কানৈ কলেজৰ গৰ্ভত কেৱল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰে জন্ম হোৱা নাই, মনোহাৰী দেৱী ছোৱালী কলেজ, কানৈ কমাৰ্চ কলেজ, কানৈ আইন কলেজ আদিৰো জন্ম হৈছে। ১৯৬০ চনৰ ২৭ আগষ্টত অনুষ্ঠিত কানৈ কলেজৰ গৱৰ্ণিংবডিৰ সভাত ৰায় চাহাব হনুমান বক্স কানৈয়ে তেওঁৰ পত্নী মনোহাৰী দেৱীৰ নামত এখন ছোৱালী কলেজ সাজি দিম বুলি কথা দিয়ে। উক্ত সভাতে তলত উল্লেখ কৰা ব্যক্তিসকলক লৈ ছোৱালী কলেজৰ এখন প্ৰস্তুতি সমিতিও গঠন কৰি দিয়ে। ৰায়চাহাব হনুমান বক্স কানৈ - সভাপতি, লক্ষীপ্ৰসাদ দত্ত - সম্পাদক আৰু বাকী সদস্যসকল হ'ল - যোগীৰাজ বসু, গোবিন্দ চন্দ্ৰ শৰ্মা, পূন্য প্ৰভা দাস আৰু নৰেন্দ্ৰ নাথ চৌধুৰী।

ইতিমধ্যে অসম চৰকাৰক অনুৰোধ কৰি কানৈ কলেজৰ গাতে লাগি থকা জিলা বনবিষয়াৰ বাসভৱন আৰু বাৰীখন মনোহাৰী দেবী ছোৱালী কলেজৰ কাৰণে লোৱা হয়। সেই বাৰীতে আৰু দুই এটি কেচা ঘৰ সাজি শ্ৰেণী লোৱাৰ উপযোগী কৰি লোৱা হয়। কানৈ পৰিয়ালে সম্পূৰ্ণকৈ পকীঘৰ এটি অলপতেহে সাজি দিছে। ১৯৬৩ চনৰ ৫ জুলাই তাৰিখে মনোহাৰী দেৱী ছোৱালী কলেজৰ আধাৰ শিলা স্থাপন কৰে তেতিয়াৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী কে এল শ্ৰীমালীয়ে। উক্ত অনুষ্ঠানত অসমৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাও আছিল। তাৰ পিছত বনবিষয়াৰ বাসভৱনত অস্থায়ীভাৱে ১৯৬৩ চনৰ ২৫ জুলাইৰ পৰা মনোহাৰী দেবী ছোৱালী কলেজৰ শ্ৰেণী সমূহ বহুওৱা হয়। সেইদিনা আনুষ্ঠানিকভাৱে শ্ৰেণীসমূহ উন্মোচন কৰে তেতিয়াৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য এইচ জে টেইলৰে। আৰম্ভণিৰ কালছোৱাত কানৈ কলেজৰ গৱৰ্ণিংবডিখনেই তিনিওখন কলেজ পৰিচালনা কৰিছিল।

১৯৬০ চনৰ ২১ চেপ্তেম্বৰত অনুষ্ঠিত কানৈ কলেজৰ গৱৰ্ণিংবডিৰ সভাত লোৱা আন এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ হ'ল — কলেজত থকা কমাৰ্চ শাখাটোক এখন পূৰ্ণপৰ্য্যায়ৰ কমাৰ্চ কলেজলৈ ৰূপান্তৰিত কৰা। কানৈ পৰিয়ালে কমাৰ্চ কলেজৰ ঘৰ দুৱাৰ সাজি দিয়াৰো দায়িত্ব লয়। তেওঁলোকে সাপি দিয়া কমাৰ্চ কলেজৰ ভৱনতে পোন প্ৰথম ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰ্যালয় বহিছিল। সেইখিনি সময়ত কানৈ কলেজতে কমাৰ্চৰ শ্ৰেণীসমূহ সান্ধ্যখেপত বহিছিল। ১৯৬২ চনৰ ২৫ জুন তাৰিখে তেতিয়াৰ ভাৰতৰ বিত্তমন্ত্ৰী মোৰাৰজী দেশায়ে কমাৰ্চ কলেজৰ ভৱনৰ আধাৰশিলা স্থাপন কৰিছিল।

কমাৰ্চ আৰু ছোৱালী কলেজ স্থাপন হোৱাৰ লগে লগে তিনিওখন কলেজতে কিছুমান প্ৰশাসনীয় পৰিবৰ্ত্তনো কৰা হয়। দুবছৰৰ কাৰণে লিয়েনত যোগীৰাজ

বসুক অধ্যক্ষ হিচাবে আৰু সুশীল চন্দ্ৰ দত্তক উপাধ্যক্ষ হিচাবে মনোহাৰী দেৱী ছোৱালী কলেজলৈ নিয়া হয়। লক্ষীপ্ৰসাদ দত্ত দুবছৰৰ কাৰণে কানৈ কলেজৰ অধ্যক্ষ হয়। সেইখিনি সময়ত কলেজৰ উপাধ্যক্ষৰ আসনত বহে টি কে আয়াৰ। নিৰ্মল কুমাৰ বসুক কমাৰ্চ কলেজৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। লিয়েনৰ অন্তত যোগীৰাজ বসু আৰু সুশীল চন্দ্ৰ দত্ত দুয়োজন কানৈ কলেজলৈ উলটি আহে। তাৰ পিছত মনোহাৰী দেৱী ছোৱালী কলেজৰ অধ্যক্ষ হয় বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য আৰু উপাধ্যক্ষা হয় লক্ষীদা দত্ত। সেইখিনি সময়তে লক্ষীপ্ৰসাদ দত্ত কিছুদিনৰ কাৰণে কমাৰ্চ কলেজৰ অধ্যক্ষ আৰু কানৈ কলেজত অতিৰিক্ত অধ্যক্ষ হিচাবে থাকে। পিছত যোগীৰাজ বসু অধ্যাপক হিচাবে গুৱাহাটী বিশ্ববিদ্যালয়লৈ আৰু লক্ষীপ্ৰসাদ দত্ত ৰেক্টৰ হিচাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ যায়। তেতিয়াৰে পৰা সুশীল চন্দ্ৰ দত্ত কানৈ কলেজৰ আৰু নিৰ্মল কুমাৰ বসু কমাৰ্চ কলেজৰ অধ্যক্ষ হয়।

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন হোৱাৰ আগে আগে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাহিৰে অসমৰ আন কোনো ঠাইতে স্নাতকোত্তৰ শ্ৰেণীত পঢ়াৰ সুবিধা নাছিল। সেই কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমতি লৈ কানৈ কলেজতে তিনিটা বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খোলা হৈছিল। বিষয় কেইটা হ'ল অৰ্থনীতি, বুৰঞ্জী আৰু সংস্কৃত। এই শ্ৰেণীসমূহ পৰিচালনা কৰিবৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্হিত অধ্যাপক নিৰ্মল কুমাৰ বসুক চেক্ৰেটাৰী হিচাবে নিয়োগ কৰা হৈছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পিছত এই শ্ৰেণীসমূহ বন্ধ কৰি দিয়া হয়।

সেই একেখিনি সময়তে কানৈ আইন কলেজ নামেৰে এখনি নৈশ শাখাৰ কলেজো কানৈ কলেজ ভৱনতে আৰম্ভ কৰা হয়। মাজতে বিশ্ববিদ্যালয়ে নিজেই আইন কলেজ খুলিবলৈ লোৱাত কানৈ আইন কলেজখন উঠি যায়। পিছত অৱশ্যে বিশ্ববিদ্যালয়ে নিজৰ আইন কলেজ বন্ধ কৰি দিয়াত কানৈ আইন কলেজ পুনৰ আৰম্ভ হয়। বৰ্ত্তমান কানৈয়ে দান দিয়া পুঁজিৰে ৰেড ক্ৰছ ৰোডৰ কাষত এটি সুন্দৰ ভৱন সাজি উলিওৱা হৈছে আৰু আইনৰ শ্ৰেণীসমূহ তাতেই বহিছে।

১৯৬২ চনৰ পৰাই আগৰ অৰ্থনীতি বিষয়টো অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান দুটা বিষয়ত বিভক্ত কৰা হয়। আগতে অধ্যাপক নিৰ্মল কুমাৰ বসুৱেই অৰ্থনীতিৰ মূৰব্বী অধ্যাপক আছিল। কিন্তু বিভক্ত হোৱাৰ পিছত অধ্যাপক বসু ৰাজনীতি বিজ্ঞানৰ আৰু অধ্যাপক মেহদী হাছান অৰ্থনীতিৰ মূৰব্বী অধ্যাপক হয়। ঠিক সেইখিনি সময়তে আগৰ বাণিজ্যিক ভূগোলৰ বিষয়টো উঠাই দি তাৰ ঠাইত ভূগোল বিষয়টো প্ৰৱৰ্ত্তন কৰা হয়।

১৯৭০-৭১ শিক্ষাবৰ্ষত কলেজৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰা হয়। সেই উদ্দেশ্যে অধ্যক্ষ সুশীল চন্দ্ৰ দত্তক সভাপতি আৰু অধ্যাপক জিয়াউদ্দিন হাজৰিকাক সম্পাদক হিচাবে লৈ এখন জয়ন্তী উদ্‌যাপন সমিতি গঠন কৰি দিয়া হয়। বৃক্ষৰোপন, আলোচনা চক্ৰ, কলেজৰ অধ্যাপক আৰু অধিবক্তা সকলৰ মাজত হোৱা তৰ্ক প্ৰতিযোগিতা, আতচ বাজীৰ প্ৰদৰ্শন, প্ৰদৰ্শনী আদি জয়ন্তী উৎসৱৰ প্ৰধান আকৰ্ষণ আছিল। মুকলি সভাত মুখ্য অতিথি আছিল প্ৰাক্তন মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰী। জুবিলী উৎসৱৰ কিছুদিন পিছতে অসম চৰকাৰে দিয়া পঞ্চাশ হাজাৰ টকাৰ লগত কলেজৰ নিজৰ পুঁজিৰো কি টকা লগ লগাই এন চি চি ভৱন এটা নিৰ্মাণ কৰা হয়।

১৯৭৫-৭৬ শিক্ষাবৰ্ষত সুৰজমল কানৈয়ে তেখেতৰ প্ৰয়াত পুত্ৰ লালচান্দৰ নামত এটি আটকধুনীয়া প্ৰেক্ষাগৃহ সজাই দিয়ে। ইয়াৰ আধাৰশিলা স্থাপন কৰিছিল গৱৰ্ণিংবডিৰ সভাপতি তথা জিলাৰ উপায়ুক্ত এছ ... অগ্নিহোত্ৰীয়ে। ১৯৭৫ চনৰ ৫ জুলাইত প্ৰেক্ষাগৃহটো মুকলি কৰিছিল তেতিয়াৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী নুৰুল হাছানে। ইয়াত মুখ্য অতিথি আছিল অসমৰ মুখ্যমন্ত্ৰী শৰৎ সিংহ আৰু সভাত সভাপতিত্ব কৰিছিল কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শৰৎ কুমাৰ দত্তই।

১৯৫৪ চনতে কানৈ কলেজত ৰাষ্ট্ৰীয় শিক্ষা... বাহিনীৰ শাখা খোলা হয়। এই শাখাটোৰ নাম আছি...

আৰমাৰ্ড স্কোৱাড্ৰন (Armoured Squadron)। সৈন্য বাহিনীত আৰমাৰ্ড সেনাৰ স্থান আন সকলতকৈ ওপৰত। এন চি চি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত কেৱল কানৈ কলেজতহে দিয়া হৈছিল। অৱশ্যে চীনা আক্ৰমনৰ পিছত কানৈ কলেজত বেটেলিয়ানো অন্তৰ্ভূক্ত কৰা হয়। কলেজৰ প্ৰথম এন চি চি বিষয়া আছিল অধ্যাপক কল্যাণ কুমাৰ বৰুৱা। এন চি চিৰ দৰে এন এচ এচ (ৰাষ্ট্ৰীয় সমাজ সেৱা) নামৰ সংগঠন এটাৰো কিছু বছৰৰ আগতে জন্ম হয়। ইয়াৰে এটা শাখা কানৈ কলেজতো আছে। কানৈ কলেজত এন চি চি থকা বহু ছাত্ৰ এতিয়া পুলিচ বিভাগ আৰু সৈন্য বিভাগত কাৰ্য্যনিৰ্বাহ কৰি আছে। তাৰে দুই এজন এতিয়া আই পি এচ (I.P.S.) বিষয়া আৰু মিলিটাৰীৰ ব্ৰিগেডিয়াৰ পদতো আছে।

এই কলেজ চৌহদত কেইবাটাও ৰাজ্যিক অনুষ্ঠানৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈ গৈছে। সেইবিলাকৰ ভিতৰত অসম কলেজ শিক্ষক সংস্থা, অসম বিজ্ঞান সমিতি, উত্তৰ পূৰ্ব ভূগোল সন্থা, অসম কলেজ অধ্যক্ষ পৰিষদ আদিৰ অধিবেশনেই প্ৰধান।

বছৰি অনুষ্ঠিত হোৱা কলেজৰ আন দুটা প্ৰধান অনুষ্ঠান হ'ল — ড° যোগীৰাজ বসু আৰু ড° লক্ষীপ্ৰসাদ দত্তৰ নামত হোৱা দুটা স্মাৰক বক্তৃতা। প্ৰথমটো বক্তৃতাৰ আয়োজন কৰে অসম কলেজ শিক্ষক সন্থাৰ কানৈ কলেজ গোটে আৰু দ্বিতীয়টো বক্তৃতাৰ আয়োজন কৰে কলেজ কৰ্ত্তৃপক্ষই। এতিয়ালৈকে ড° যোগীৰাজ স্মাৰক বক্তৃতা প্ৰদান কৰা ব্যক্তিসকল হ'ল যশস্বী সাহিত্যিক যজ্ঞেশ্বৰ শৰ্মা, ড° বীৰেন্দ্ৰ নাথ দত্ত, ড° ভুৱন মোহন দাস, ড° মহেন্দ্ৰ বৰা, ড° শিশিৰ দত্ত, অধ্যাপক তফজ্জুল আলি আৰু সাহিত্যিক মেদিনী মোহন চৌধুৰী। ড° লক্ষীপ্ৰসাদ দত্ত স্মাৰক বক্তৃতাৰ বক্তাসকলৰ আছিল ড° মুকুন্দ মাধৱ শৰ্মা, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু সু-সাহিত্যিক হোমেন বৰগোঁহাঞি। এই বছৰ এই বক্তৃতা অধ্যাপক অজিত কুমাৰ শৰ্মাই প্ৰদান কৰে।

কানৈ কলেজে এটা কথালৈ নিশ্চয় গৌৰৱ কৰিব পাৰে যে কলেজখনে যোৱা পঞ্চাশটা বছৰত যি সকল গুণী জ্ঞানী পণ্ডিতক শিক্ষক হিচাবে পাইছিল, তেনে শিক্ষক আন সাহাৰ্যপ্ৰাপ্ত কলেজ সমূহে পাইছেনে নাই, সন্দেহ। উদাহৰণ স্বৰূপে অসমীয়া বিভাগত কাম কৰা ৰায়চাহাব বেণুধৰ ৰাজখোৱা, বনফুলৰ কৰি যতীন্দ্ৰ নাথ দুৱৰা, ভাষাবিদ উপেন্দ্ৰ নাথ গোস্বামী, সাহিত্যিক যতীন্দ্ৰনাথ গোস্বামী, গীতিকাৰ তফজ্জুল আলি আদিৰ দৰে লোকক শিক্ষক হিচাবে পোৱাটো ছাত্ৰ-ছাত্ৰীৰ কাৰণে কম গৌৰৱৰ কথা নাছিল। সংস্কৃতৰতো কথাই নাই। ড° যোগীৰাজ বসু অধ্যক্ষ হৈ আছিল যদিও সংস্কৃতৰ শ্ৰেণীত পাঠদানো কৰিছিল। বেদ বেদান্তৰ জটিল বিষয় একোটাকো হেনো তেখেতে ইমান সৰল সহজ কৈ বুজাই দিছিল যে অলপ গাধা ছাত্ৰজনেও সহজে বুজি পাইছিল। দ্বিতীয়জন অধ্যাপক আছিল আশুতোষ বিশ্বাস, এম এ (ডবল), বি টি, কাব্যতীৰ্থ, প্ৰথম শ্ৰেণীৰ প্ৰথম, সংস্কৃতৰ গোঁসাই বৃত্তি লাভ কৰোতো, কটন কলেজ আৰু মুৰাৰিচাঁদ কলেজৰ প্ৰাক্তন অধ্যাপক। তৃতীয় আৰু চতুৰ্থ শিক্ষক অধ্যাপক টি কে আয়াৰ আৰু ড° প্ৰিয়াংশু প্ৰৱল উপাধ্যায়ো সংস্কৃতত অগাধ পণ্ডিত আছিল। এই চাৰিগৰাকী শিক্ষকে নিজৰ ভিতৰত কথা বতৰা পাতিলে সদায় সংস্কৃততে পাতিছিল। আনকি তেখেতসকলৰ উদ্যোগতে ছাত্ৰ-ছাত্ৰীৰ হতুৱাই সংস্কৃত নাটকো মঞ্চস্থ কৰাইছিল।

কানৈ কলেজৰ পৰা কটন কলেজলৈ যোৱা শিক্ষকসকল আছিল উদ্ভিদবিদ্যাৰ খৰ্গেশ্বৰ চেতিয়া, শৈলজানন্দ ভৰালী আৰু অনন্ত দত্ত। এই তিনিওগৰাকীয়েই সাৰ্থক শিক্ষক। শৈলজানন্দ ভৰালী পিছলৈ অসমৰ শিক্ষাধিকাৰো হৈছিলগৈ। আন এগৰাকী উদ্ভিদ বিদ্যাৰ অধ্যাপক তৈলেন গোহাঁয়ে অসম ভেটেৰেনেৰি কলেজত যোগদান কৰে। কানৈ কলেজৰ প্ৰাণীবিদ্যাৰ প্ৰথম অধ্যাপক উমেশ প্ৰসাদ মেধি কানৈৰ পৰা টোকোলাই গৱেষণা কেন্দ্ৰ আৰু পিছত কটন কলেজলৈ যায়। আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিজ্ঞানী সত্যেন্দ্ৰ নাথ চৌধুৰীয়েও কানৈ কলেজৰ প্ৰাণীবিদ্যা বিভাগত কিছুদিনৰ কাৰণে কাম কৰিছিল। আন

কেইগৰাকীমান প্ৰাণীবিদ্যা অধ্যাপক পান্নালাল দাস আয়কৰ বিভাগলৈ, যোগেন্দ্ৰ নাথ তালুকদাৰ তিতাবৰৰ ৰেচম কেন্দ্ৰলৈ, মেনন ইম্ফলৰ ডি এম কলেজলৈ আৰু ডি বিশ্বেশ্বৰ নাগপুৰ বিশ্ববিদ্যালয়লৈ যায়। কানৈ কলেজৰ পদাৰ্থ বিজ্ঞানৰ শিক্ষক হৰিদেৱ গোস্বামী আৰু সৰোজ দত্তই কটন কলেজত যোগদান কৰে। ইংৰাজী বিভাগৰ অধ্যাপক ড° মহেন্দ্ৰ বৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু ড° সুধাকৰ পাণ্ডে পুনা বিশ্ববিদ্যালয়ৰ কলাশাখাৰ ডিন্ হয়গৈ।

পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হেমেন্দ্ৰ নাথ বৰঠাকুৰ দৰং কলেজৰ অধ্যক্ষ হয়। ভৰত গগৈ আৰু নিৰুদ্ধ চন্দ্ৰ গোঁহাই অসম প্ৰশাসনীয় সেৱাত সোমাই পৰে। কানৈ কলেজৰ পৰা গৈ চাহ শিল্পত সোমাই পৰা শিক্ষকৰ সংখ্যাও তেনেই কম নহয়। তেখেতসকল হ'ল ত্ৰৈলোক্যেশ্বৰ বৰুৱা, মানস কুমাৰ বৰুৱা, হৰিহৰ দাস আৰু দিলীপ কুমাৰ বৰুৱা। এইসকলৰ উপৰিও বহুজন শিক্ষকে নানান কাৰণত কানৈ কলেজৰ পৰা গৈ আন আন কামত যোগদান কৰিছে। অনিচ্ছা স্বত্ত্বেও দুই এজনৰ নাম হয়তো বাদ পৰি গৈছে। সোণালী জয়ন্তীৰ এই পবিত্ৰ ক্ষণত আমি এই সকলোৰে প্ৰতি আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলক ব্যক্তিগতভাৱে সুঁৱৰিবলৈ আমি অপাৰগ। কিন্তু আমি জানো তেখেতসকলৰ শুভেচ্ছা আৰু মৰমৰ পৰা কানৈ কলেজ কোনো কালে বঞ্চিত নহয়। বিভিন্ন ক্ষেত্ৰত আমাৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে সুনাম অৰ্জাৰ কথা জানিলে, বা উচ্চ আসন দখল কৰাৰ কথা শুনিলে আমি গৌৰৱ বোধ কৰোঁ। তেওঁলোকৰ সেই সন্মান আমি কানৈ কলেজৰ সন্মান বুলি ভাবো। তেওঁলোকৰ কৃতিত্বই তেওঁলোককে ধন্য নকৰে, ধন্য কৰে কানৈ কলেজকো।

□□□□□

*"First they ignore you, then they laugh at you, then they fight you, then you win." -*

*Mahatma Gandhi*

# প্ৰাক্তন বিদ্যাৰ্থী সমাৰোহৰ শুভক্ষণত

ড° নগেন শইকীয়া

কোনো বিদ্যাৰ্থীয়ে নিজে শিক্ষা গ্ৰহণ কৰি অহা অনুষ্ঠানক পাহৰিব নোৱাৰে। প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয়ৰ স্তৰলৈকে শিক্ষানুষ্ঠানসমূহে বিদ্যাৰ্থীৰ শৈক্ষিক, মানসিক, বৌদ্ধিক আৰু কাৰিকৰী প্ৰতিভাৰ বিকাশ ঘটাই বিদ্যাৰ্থীসকলৰ জীৱন গঢ়ি তোলে। বিশুদ্ধ জ্ঞান, প্ৰয়োগ বিদ্যা, কাৰিকৰী জ্ঞান, অথবা জীৱিকাৰ বৃত্তি-বিষয়ক জ্ঞান প্ৰদান কৰাৰ উপৰিও ব্যৱহাৰিক জীৱনৰ অনানুষ্ঠানিক অথচ গুৰুত্বপূৰ্ণ জ্ঞানো দান কৰে। তদুপৰি, এনে জ্ঞান আৰু বিদ্যাৰ উপৰিও বিদ্যালয়সমূহে বিদ্যাৰ্থীৰ মনৰ সুকুমাৰ অনুভূতি, মানৱীয় সংবেদনশীলতা, নৈতিক মূল্যবোধ আৰু সামাজিক চেতনা গঢ়ি তোলাৰো পথ বান্ধি দিয়ে। যি স্তৰৰেই নহওক, এটা শিক্ষানুষ্ঠানৰ এনে ভূমিকা আৰু দান কোনো যথাৰ্থ বিদ্যাৰ্থীয়ে পাহৰিব নোৱাৰে। প্ৰাক্তন বিদ্যাৰ্থী সমাৰোহৰ আয়োজনে বিদ্যাৰ্থীসকলৰ কৃতজ্ঞ হৃদয়ৰ উত্তাপ কঢ়িয়াই আনে। পৰৱৰ্তীসকলৰ মনলৈকো এই উত্তাপ সঞ্চাৰিত হয়।

ডিব্ৰুগড়ত ১৯৪৫ চনত প্ৰতিষ্ঠিত হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে প্ৰতিষ্ঠাৰ দিনৰে পৰা উজনি অসমৰ এটা বহল অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক উচ্চ-শিক্ষা দান কৰি এই বিদ্যাৰ্থীসকলক নিজৰ ভৰিত থিয় দিয়াৰ আৰু নিজৰ নিজৰ প্ৰতিভা আৰু দক্ষতাৰ বিকাশ ঘটোৱাৰ আধাৰ প্ৰতিষ্ঠা কৰি দিছে। এই মহাবিদ্যালয়খনৰ লগত অসমৰ কেইবাগৰাকীও কৃতবিদ্য পণ্ডিতৰ নাম জড়িত হৈ আছে। ড° যোগীৰাজ বসুৰ দৰে প্ৰাচ্যতত্ত্বৰ এগৰাকী বিশিষ্ট পণ্ডিতে এই মহাবিদ্যালয়ৰ অধ্যক্ষৰ পদ অলংকৃত কৰিছিল। এসময়ত ডিব্ৰুগড় কলেজ নামেৰে আৰম্ভ হোৱা এই মহাবিদ্যালয় কানৈ পৰিয়ালৰ দানেৰে 'হনুমান বক্স সুৰজমল কানৈ কলেজ' নামেৰে নামাংকিত হ'ল আৰু এই নামেৰেই অসমৰ উচ্চ শিক্ষাৰ ইতিহাসত এই কলেজখনে গৌৰৱ-উজ্জ্বল হীৰক জয়ন্তী বৰ্ষ পাৰ হৈ আহিল। এই মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি গ'ল লক্ষ্মী দত্ত ডাঙৰীয়াই। ডিব্ৰুগড়ৰ শৈক্ষিক জীৱনৰ ইতিহাসত লক্ষ্মী দত্তৰ বৰঙণি সদায় স্মৰণীয় হৈ ৰ'ব। ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ গুৰিতো লক্ষ্মী দত্ত ডাঙৰীয়াৰ ভূমিকা আছিল বিশেষভাৱে গুৰুত্বপূৰ্ণ। পৰৱৰ্তী কালত বিশ্ববিদ্যালয়ৰ ৰেক্টৰ পদত অধিষ্ঠিত হৈ বিশ্ববিদ্যালয়খন গঢ়ি তোলাত তেখেতে স্মৰণীয় বৰঙণি দি থৈ গৈছে।

এই মহাবিদ্যালয়ত এসময়ত বিশিষ্ট কবি, কাব্য -সমালোচক, পৰৱৰ্তী কালত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সাহিত্যৰথী বেজবৰুৱা আসনৰ প্ৰাধ্যাপক পদত অধিষ্ঠিত হোৱা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° মহেন্দ্ৰ বৰাই অধ্যাপনা কৰিছিল। অধ্যাপনা কৰিছিল অসমৰ এগৰাকী বিশিষ্ট অৰ্থনীতিবিদ, সমাজতত্ত্ববিদ, ইতিহাসবিদ ড° অমলেন্দু গুহৰ দৰে পণ্ডিতে, তফজ্জুল আলিৰ দৰে গীতিকাৰ-সুৰকাৰ-গায়ক আৰু বিশিষ্ট লেখকে, বিজ্ঞান-সাহিত্য আৰু শিশু-সাহিত্যৰ এগৰাকী বিশিষ্ট লেখক ডিম্বেশ্বৰ চলিহাৰ দৰে ব্যক্তিয়ে আৰু অনেক কৃতবিদ্য পণ্ডিত তথা শিক্ষকে এই মহাবিদ্যালয়ত শিক্ষাদান কৰি আহিছে। এতিয়াও যি সকলে শিক্ষাদান কৰি আছে সেই সকলৰ মাজতো এনে বিশিষ্ট শিক্ষক আৰু লেখক আছে।

এনে শিক্ষকসকলৰ তত্ত্বাৱধানত শিক্ষা গ্ৰহণ কৰি যোৱা ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা ওলাই গৈছে কৃতী ছাত্ৰ-ছাত্ৰীসকল। কলা আৰু বিজ্ঞানৰ বিষয়ত নিজৰ

প্ৰতিভাৰে বৰঙণি যোগোৱা এইসকল ছাত্ৰ-ছাত্ৰীৰ মাজত আছে বিশিষ্ট চিন্তাশীল আৰু সৃষ্টিশীল লেখক, অৰ্থনীতি-বিজ্ঞান, নৃ-বিজ্ঞান, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, ইতিহাস, চিকিৎসা বিজ্ঞান আদি বিভিন্ন বিষয়ৰ ক্ষেত্ৰত প্ৰতিষ্ঠিত হোৱা অসমৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। তদুপৰি, ব্যক্তিগত ব্যৱহাৰিক জীৱনক আৰু সামাজিক জীৱনক নিজৰ ভূমিকাৰে সমৃদ্ধ কৰাত আগ-ভাগ লোৱা কৃতী ব্যক্তিৰ তালিকাও যথেষ্ট দীঘল। সংগীত, ক্ৰীড়া, অভিনয় আদি ক্ষেত্ৰতো এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সুনাম অৰ্জন কৰি গৈছে।

এনে এটি সমৃদ্ধ ঐতিহ্যৰ ইতিহাস স্বৰূপ এই মহাবিদ্যালয়খনিৰ প্ৰাক্তন বিদ্যাৰ্থীসকলে আয়োজন কৰা সমাৰোহে এই অনুষ্ঠানটিৰ ইতিহাসক নিশ্চয় আন এটি মাত্ৰা প্ৰদান কৰিব। স্মৰ্তব্য যে বিশ্বৰ স্বনামধন্য অনেক শিক্ষানুষ্ঠানৰ প্ৰাক্তন বিদ্যাৰ্থীসকলে সেই সেই অনুষ্ঠানৰ আৰ্থিক আৰু বিদ্যায়তনিক মাত্ৰাৰ সম্প্ৰসাৰণৰ বাবে নিজৰ বৰঙণি আগবঢ়োৱাৰ অনেক দৃষ্টান্ত আছে। কটন কলেজৰ প্ৰাক্তন বিদ্যাৰ্থী-সমাৰোহৰ আয়োজকসকলে নিশ্চয় সেই কথা জানে। এই মহাবিদ্যালয়খনক সকলো দিশৰ পৰা এটি আদৰ্শ প্ৰতিষ্ঠানত পৰিণত কৰিবৰ কাৰণে যিবোৰ উপাদানৰ এতিয়াও অভাৱ হৈ আছে তেনে উপাদান অনুষ্ঠানটিৰ বাবে সংগ্ৰহ কৰাত প্ৰাক্তন বিদ্যাৰ্থীসকলে নিজৰ সাধ্য অনুসৰি বৰঙণি যোগাব পাৰে। কোনোবাই বৌদ্ধিকভাৱে, কোনোবাই আৰ্থিকভাৱে, কোনোবাই কাৰিকৰীভাৱে যোগোৱা প্ৰয়োজনীয় সাহায্যই এই অনুষ্ঠানৰ নতুন ইতিহাস ৰচনাত বৰঙণি যোগাব পাৰিব।

এতিয়াৰ মানুহৰ সভ্যতা হ'ল বিজ্ঞান আৰু প্ৰযুক্তি নিৰ্ভৰ সভ্যতা। এই সভ্যতাৰ দ্ৰুত পৰিৱৰ্তনৰ লগত যাব পৰাকৈ আমাৰ শৈক্ষিক তথা বিদ্যায়তনিক নিত্য-নতুন আঁচনি প্ৰণয়ন আৰু প্ৰয়োগৰ প্ৰয়োজন আছে। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সম্ভৱতঃ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰয়োজনটো হ'ল তেওঁবিলাকৰ মাজত মানৱীয় আৰু সামাজিক দায়বদ্ধতাৰে কাম কৰাৰ বাবে নিজক প্ৰস্তুত কৰি তোলাৰ এক মানসিক পৰিৱেশ সৃষ্টি কৰাটো। ইয়াৰ বাবে কেৱল বস্তুগত সঁজুলিয়েই শেষ আশ্ৰয় হ'ব নোৱাৰে। আমি যদি ছাত্ৰ-ছাত্ৰীৰ মনত মানৱীয়, নৈতিক আৰু সামাজিক মূল্যবোধৰ আধাৰ এটা প্ৰতিষ্ঠা কৰিব নোৱাৰোঁ আৰু নিজৰ নিজৰ ৰুচি আৰু যোগ্যতা অনুসৰি জীৱনৰ এটি লক্ষ্য প্ৰতিষ্ঠা কৰি দিব নোৱাৰোঁ আমাৰ সকলো আয়োজন অসম্পূৰ্ণ হৈ ৰ'ব। তাৰ বাবে আৱশ্যকীয় মানসিক পৰিৱেশ কেনেকৈ সৃষ্টি কৰিব পাৰি তাৰ বাবেও প্ৰাক্তন বিদ্যাৰ্থীসকলে চিন্তা কৰিব পাৰে আৰু পথ বিচাৰি উলিওৱাত সহায় কৰিব পাৰে।

আমাৰ সমাজ-জীৱনত দৈনিক যিবোৰ অবাঞ্ছনীয় ঘটনা ঘটিছে আৰু সমাজখনক ক্ৰমাৎ এক নৰককুণ্ডলৈ ঠেলি দিয়াৰ দৰে হৈছে, তাৰ পৰা সমাজ-জীৱনক ৰক্ষা কৰিবলৈ যথাৰ্থ মানৱীয়, নৈতিক আৰু সামাজিক মূল্যবোধৰ শিক্ষা আৰু আদৰ্শ প্ৰতিষ্ঠা কৰাটো আমাৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। শৰীৰ সৰ্বস্বতাই এতিয়া এনেভাৱে নতুন পুৰুষৰ মনত প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰিছে যে তাৰ পৰা ভৱিষ্যৎ-প্ৰজন্মক উদ্ধাৰ কৰিবই লাগিব। তদুপৰি, ভৱিষ্যৎ-দৃষ্টিৰে আমাৰ শৈক্ষিক পাঠ্যক্ৰম প্ৰস্তুত কৰিব নোৱাৰিলে পূৰ্বে উল্লেখ কৰি অহা সভ্যতাৰ দ্ৰুত গতিৰ লগত আমি খোজ মিলাই যাব নোৱাৰিম। ব্যক্তিগত প্ৰতিভা আৰু দক্ষতাক সমষ্টিগত জীৱনৰ লগত সংযুক্ত কৰি আগবঢ়াই নিব পাৰিলেহে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য পূৰ্ণ হ'ব। আয়োজিত সমাৰোহে যদি এনে বিষয়ৰ প্ৰয়োজনীয়তা অনুভৱ কৰি এনে ধৰণৰ কাৰ্যসূচী অনুষ্ঠানটিৰ লগত সংযুক্ত কৰিব পাৰে যি কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলক সমানে আকৰ্ষিত কৰিব পাৰিব। অনুভৱ কৰোঁ এনে এটা পদক্ষেপ কটন মহাবিদ্যালয়ৰ যোগেদি সমগ্ৰ ৰাজ্যখনৰ বাবে এটি উজ্জ্বল আদৰ্শ হৈ উঠিব। কটন মহাবিদ্যালয়ৰ প্ৰাক্তন বিদ্যাৰ্থী সমাৰোহে তেনে এক মংগলময় ভৱিষ্যতৰ স্বপ্ন এটি যদি দাঙি ধৰিব পাৰে, সেই কাৰ্য হ'ব সমগ্ৰ ৰাজ্যখনৰ বাবেই এটি স্মৰণীয় আৰু বৰণীয় প্ৰাপ্তি।

□□□□□

# শিক্ষাৰ সংকট

*ড° হীৰেন গোহাঁই*

অলপতে এজন ডেকা সমাজসেৱীৰ পৰা এটা কথা শুনিলোঁ। দেশৰ সকলো লোকলৈ শিক্ষাৰ অধিকাৰ প্ৰসাৰিত কৰি দিয়া কথাটো লৈ কেন্দ্ৰীয় চৰকাৰ অতিশয় গৰ্বিত, আৰু সেই বিষয়ে প্ৰবল প্ৰচাৰো চলাই আছে চৰকাৰে। সেই উৎসাহৰ ঢৌত উটি অসম পালেহি কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া শিক্ষাৰ অধিকাৰ অভিযানৰ (Mission) এজন শীৰ্ষ বিষয়ববীয়া। তেওঁ তৃণমূলত এই অধিকাৰে কি যাদু বিস্তাৰ কৰিছে জানিবলৈ উদগ্ৰীৱ হৈ গুৱাহাটীৰ নাতিদূৰৰ গাঁৱলীয়া অঞ্চললৈ গ'ল। তাত এখন নিম্ন প্ৰাথমিক চৰকাৰী বিদ্যালয় পালে আৰু দেখিলে যে সৰ্বশিক্ষাৰ দাক্ষিণ্যত ঘৰদুৱাৰ ভব্যগব্য। কিন্তু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা মাত্ৰ ৮ জন। শিক্ষক তিনিজন। কিন্তু ৮ জনীয়া ছাত্ৰ-ছাত্ৰীৰ গোট চাবলৈ এজনেই যথেষ্ট বুলি শিক্ষক কেইজনে পাল পাতি দৈনিক এজনকৈ স্কুললৈ আহে। বিষয়ববীয়া গৰাকী বিচূৰ্তি খালে আৰু বেছ বিমোৰত পৰিল। চৰকাৰে শিক্ষা বিস্তাৰত ইমান আগ্ৰহ দেখুৱা সত্ত্বেও ৰাইজৰ সঁহাৰি ইমান ক্ষীণ কিয়?

সেই গ্ৰামাঞ্চলত আৰু দুখনমান ইংৰাজী মাধ্যমৰ ব্যক্তিগত মালিকানাৰ প্ৰাথমিক বিদ্যালয় আছিল। সেইবোৰত কিন্তু ছাত্ৰ-ছাত্ৰী যথেষ্ট। সংখ্যাৰ তুলনাত শ্ৰেণীকোঠাবোৰ সৰুৱেই হৈছে। কিন্তু টাই পিন্ধি অহা ছাত্ৰ আৰু ছাত্ৰীৰ কলৰৱ শুনি তেওঁ উপলব্ধি কৰিলে যে গাঁৱৰ ৰাইজৰ আস্থা এইবোৰ বিদ্যালয়ৰ প্ৰতিহে। অৱশ্যে তাৰ পিছ মুহূৰ্ততে তেওঁ গম পালে যে বিদ্যালয়ৰ মাচুল যিমান, সিমানখিনি দিয়াৰ ক্ষমতা গাঁৱৰ দুখীয়া মানুহখিনিৰ নাই। তেওঁলোকে পাৰিলে মাটি-বাৰী বন্ধকত দি ইংৰাজী মাধ্যমৰ ব্যক্তিগত বিদ্যালয়ত নিজৰ সন্তানক পঢ়াইছে, কিন্তু অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ প্ৰতি নিস্পৃহ।

চৰকাৰে সমাজ কল্যাণৰ আদৰ্শৰে যিবোৰ চৰকাৰী বিদ্যালয় চলাই আছে, চৰকাৰৰ নীতিয়েই সেইবোৰ বিদ্যালয় অলাগতিয়াল আৰু মানুহক দেখুৱাবলৈ কৰা সৎ কৰ্মৰ লেখিয়া কৰি পেলাইছে। গণতন্ত্ৰৰ বিকাশৰ উদ্দেশ্যৰে যদিও চৰকাৰে সৰ্বত্ৰ শিক্ষাৰ প্ৰসাৰৰ আঁচনি কৰিছে, চৰকাৰে পোষণ কৰা বাস্তৱ শিক্ষানীতিয়ে তাত অবিৰতভাৱে কুঠাৰাঘাত কৰিছে।

চৰকাৰে নৱৈ দশকৰ পৰা প্ৰৱৰ্তন কৰা শিক্ষানীতি মুঠেই গণতান্ত্ৰিক নহয়। ইংৰাজী মাধ্যমৰ, ব্যক্তিগত মালিকানাৰ আৰু উচ্চ হাৰৰ মাচুল লোৱা স্কুলবোৰৰ বাবে চৰকাৰেই বাট কাটি দিলে শিক্ষা বিস্তাৰৰ বাবে চৰকাৰৰ হাতত যথেষ্ট ধন নাই বুলি। Public Private Participation ৰ নামত কেৱল শিক্ষাই নহয়, চিকিৎসা ব্যৱস্থা, ৰাস্তা ঘাট নিৰ্মাণ, পানী যোগান, বিদ্যুৎ যোগান, বেংকিং, বীমা আদি সকলো ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ব্যক্তিগত মূলধন সোমাবলৈ দিয়া হ'ল। তদুপৰি এইবোৰ প্ৰকৃততে সেৱা গুছি মুনাফালোভী বেপাৰত পৰিণত হ'বলৈ ধৰিলে। তাৰ ফলত সমাজৰ তলৰ মহলাত থকা ৰাইজৰ বাবে এনে সেৱা দুৰ্লভ হৈ পৰিল। তেওঁলোকে সন্তান-সন্ততিৰ ভৱিষ্যৎ চিন্তা কৰি যিকোনো উপায়ে ধন সংগ্ৰহ কৰি ব্যক্তিগত খণ্ডৰ সেৱা বিচাৰি ধাপলি মেলিলে।

এই অসম প্ৰতিদ্বন্দ্বিতাত চৰকাৰী সেৱাৰ গুণগত মানৰ যথেষ্ট অধঃপতন ঘটিল। আৰু তাত নিয়োজিত লোক সকলৰ মনৰ পৰা পূৰ্বে থকা নিঃস্বাৰ্থ সেৱাৰ মনোভাব সম্পূৰ্ণ অন্তৰ্হিত হ'ল। এতিয়া চৰকাৰী হাস্পাতালত ডাক্তৰ-নাৰ্ছে গোপনে টকা দাবী কৰে, নহ'লে ৰোগীক অৱহেলা কৰে। দুখীয়া মানুহক বেংকৰ

ঋণ দিওঁতে বেংকৰ কৰ্মচাৰীয়ে চান কাঢ়ি নিজৰ "প্ৰাপ্য" কমিছন কাটি লয়। স্কুলৰ মধ্যাহ্ন ভোজনৰ চাউল শিক্ষক মহাশয় সকলে ক'লা বজাৰত বিক্ৰী কৰাৰ কথা কাগজত ওলায়েই থাকে। আনহাতে খৰচী হ'লেও ব্যক্তিগত খণ্ডত সেৱাৰ ঠাইত ভুৰা নাপাব বুলি সাধাৰণ ৰাইজৰ মনত বিশ্বাস জন্মে। সেই খৰচ যোগান কৰিব নোৱাৰা পিতৃ-মাতৃয়ে সন্তানৰ শিক্ষা দিয়াৰ আশা বাদেই দিয়ে।

এনে এক পৰিস্থিতিত স্বাভাৱিকতে ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ স্কুলৰ শিক্ষাই উত্তম আৰু সাৰ্থক বুলি জনমত গঠন হয়। মাধ্যম বেলেগ হ'লে কি হ'ব, শিক্ষা শিক্ষাই - বুলি প্ৰচাৰ হৈ থকা ধাৰণাটো প্ৰকৃততে যুক্তিসংগত নহয়। অপৰিচিত বিদেশী মাধ্যমত দিয়া শিক্ষা মনোযোগী শিশু ছাত্ৰৰ বাবেও দুৰ্বোধ্য হৈ থাকে, আৰু তেওঁলোকে মুখস্থৰ শৰণ ল'বলৈ বাধ্য হয়। সাধাৰণ ছাত্ৰয়ো যি পাৰে মুখস্থ কৰে। এনে বহু বিদ্যালয়ৰ শিক্ষকৰ ইংৰাজী জ্ঞানো সীমিত। তাত পাঠ্যপুথিৰ ভাষা ইংৰাজী কিন্তু শিক্ষাৰ ভাষা হিন্দী!!

তদুপৰি আজিৰ ইংৰাজী আগৰ দৰে এটা প্ৰভুত্বশালী জাতিৰ সংস্কৃতি আৰু মূল্যবোধৰ বাহন হৈ থকা নাই — ই কিছু পৰিমাণে বিশ্বাধাৰিত (Cosmopolitan) হৈ পৰিছে, তথাপি তাৰ দুটা বৈশিষ্ট্য আওকাণ কৰিব নোৱাৰি ঃ (১) য়ুৰোপীয় ইতিহাস আৰু ঐতিহ্যৰ লগত তাৰ গভীৰ, ওতঃপ্ৰোত সম্পৰ্ক , (২) তাৰ ওপৰত আধুনিক মাৰ্কিন সংস্কৃতিৰ, বিশেষকৈ তাৰ ব্যক্তিকেন্দ্ৰীক আৰু ব্যৱসায়িক মূল্যবোধৰ ব্যাপক প্ৰভাৱ। আজি ইংৰাজী মাধ্যমৰ স্কুলত পঢ়া ছাত্ৰ-ছাত্ৰীৰ ওপৰত মাৰ্কিন কমিক, মাৰ্কিন চিনেমা, মাৰ্কিন সংগীত আৰু টিভি যোগে প্ৰচাৰিত হোৱা মাৰ্কিন ঠাঁচৰ ব্যৱসায়িক সংস্কৃতিৰ প্ৰভাৱ ব্যাপক। তেওঁলোকে পিতৃ-মাতৃৰ উৎসাহ-উদগনিৰ মাজত ক্ৰিছ্‌মাছ্‌, হেল'ৱিন আদি উৎসৱ পালনত মতলীয়া হয়। মাৰ্কিন জনসংস্কৃতিত এনেদৰে আসক্ত হৈ পৰাৰ পিছত তেওঁলোকৰ ভাৰতীয় বা অসমীয়া জনসংস্কৃতিৰ প্ৰতি আনুগত্য বা অনুৰাগ ক্ৰমে হ্ৰাস পায়। লগে লগে হ্ৰাস পায় সেই সংস্কৃতি আঁকোৱালি লৈ থকা জনগণৰ লগত যোগাযোগ আৰু সম্পৰ্ক। ভাৰতত সমান্তৰাল ভাবে ধনবান আৰু দুখীয়াৰ দুখন বেলেগ জগৎ গঢ় লৈ উঠে। সামগ্ৰিক ভাবে জাতীয় বা আঞ্চলিক সংস্কৃতি ঠন ধৰি নুঠে বা তাক জনগণৰ বিকাশৰ আহিলা কৰিবলৈ শিক্ষিত মহলে যত্ন নকৰা হয়। এতিয়া বিভিন্ন সংস্কৃতিৰ Fusion বা মিলনৰ যিবোৰ নিদৰ্শন দেখা গৈছে সেইবোৰ মূলতঃ পশ্চিমৰ শ্ৰোতা-দৰ্শকৰ মাজত বজাৰ আৰু আদৰ পোৱাৰ চেষ্টা।

সংস্কৃতি আৰু শিক্ষাৰ এই অৱস্থা হোৱাৰ পিছত থলুৱা তথা স্বতন্ত্ৰ অস্তিত্ব বজাই ৰখাৰ কোনো আগ্ৰহ আৰু মানুহৰ মাজত নাথাকে। পছিমীয়া সংস্কৃতি আজি এক বৃহৎ বজাৰৰ পণ্য। পিন্ধা-উৰা, প্ৰসাধনৰ পৰা সংগীত-সাহিত্য সকলোতে সেই বেপাৰৰ প্ৰাধান্য। চিন্তাশীল সমালোচনায়ো এতিয়া ভেঁজালৰ পৰা নিভাঁজ, সস্তীয়াৰ পৰা মহৎ সংস্কৃতিৰ পৃথকতা নিৰ্ধাৰণৰ চেষ্টা নকৰা হ'ল।

যি বেপাৰৰ কথা কৈছো, সিও সমানে সমানে নচলে। পশ্চিমৰ বিশ্ববেংক (WB), আন্তৰ্জাতিক মুদ্ৰানিধি (IMF) আৰু বিশ্ববাণিজ্য সংস্থা (WTO)ৰ নিয়মাৱলী মতে কেইখনমান দেশৰ পুঁজিয়ে বিশাল ৰূপ লৈছে আৰু ভাৰত আদি দেশৰ বৃহৎ পুঁজি তাৰে কনিষ্ঠ সহযোগীত পৰিণত হৈছে। ৰাষ্ট্ৰবোৰ হৈছে এই অৰ্থনীতিৰ যোগালী। শিক্ষাও হৈছে এই বৃহৎ আন্তৰ্জাতিক পুঁজিৰ প্ৰভূত্ব আৰু প্ৰভাৱৰ মাধ্যম। জনগণক শিক্ষিত কৰি তোলা, তেওঁলোকক দেশসেৱা বা জনসেৱাত উদ্বুদ্ধ কৰা , জ্ঞান বিজ্ঞানৰ প্ৰসাৰত তেওঁলোকক অংশীদাৰ কৰা, চৰিত্ৰ গঠন কৰা — এইবোৰ আৰু শিক্ষাৰ উদ্দেশ্য হৈ থকা নাই। বিশাল-বিশাল পুঁজিৰ — যাৰ আকাৰ হয়তো বহু অনুন্নত দেশৰ সন্মিলিত বাৰ্ষিক আয়তকৈও ডাঙৰ — পৰিমাণ অনবৰত বৃদ্ধিৰ বাবে উদ্যোগী হোৱাই শিক্ষাৰ উদ্দেশ্য। আমাৰ দেশত বানপানী, খৰাংখহনীয়া আদি বহু ক্ষতিকৰ প্ৰাকৃতিক দুৰ্যোগে জনগণক হাৰাশাস্তি কৰি থাকে। খাদ্যাভাৱ, চিকিৎসাৰ অভাৱে তেওঁলোকক শাৰীৰিক-মানসিকভাৱে দুৰ্বল কৰে। কিন্তু আমাৰ

অভিযান্ত্রিক বা বৈজ্ঞানিক শিক্ষা সেইবোৰ কষ্ট নিবাৰণৰ বাবে নিয়োজিত নহয় , বৰং তেওঁলোকক অভুক্ত, জৰ্জৰিত কৰি ৰাখি বৃহৎ পুঁজিৰ মুনাফা বৃদ্ধিৰ নতুন-নতুন কৌশল উদ্ভাৱনত নিয়োজিত হয়।

কম শ্ৰমিকেৰে কেনেকৈ বেছি উৎপাদন কৰিব পাৰি, শ্ৰমিকক যথাযোগ্য মজুৰিৰ পৰা বঞ্চিত কৰি কেনেকৈ সাময়িক ঠিকা শ্ৰমিকত (Contract Labour) পৰিণত কৰিব পাৰি, কেনেকৈ তেওঁলোকক নিৰাপদ অৱসৰৰ বাবে প্ৰাপ্য ধনৰ পৰা বঞ্চিত কৰিব পাৰি, এতিয়াৰ Management Studies (ব্যৱসায় পৰিচালনা বিদ্যা) আৰু Financial Research (বিত্তীয় গৱেষণা) ৰ প্ৰধান লক্ষ্য। বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ অধ্যয়নত হাত পকায়। তাৰ ফলত মানুহৰ সামগ্ৰিক প্ৰজাতিগত চৰিত্ৰ শিল্প ব্যৱসায় আৰু ৰাষ্ট্ৰৰ পৰিচালক সকলৰ মনত নাথাকে। তেওঁলোক যেন এজাক পশু বা অনুভূতিহীন যন্ত্ৰ। শিক্ষাৰ ক্ষেত্ৰতো এই মনোভাব গা কৰি উঠে। আজি বৃহৎ উদ্যোগ বা ব্যৱসায়ৰ বজাৰ বঢ়াব পৰা বিজ্ঞান তথা প্ৰচাৰৰ চমক সৃষ্টিয়েই ভাষা-সাহিত্য শিক্ষাৰ অন্যতম প্ৰেৰণা। সাহিত্যৰ পৰা মূল্যবোধ আহৰণৰ ধাৰণা বৰ্জিত হৈছে। সাহিত্য যেন কেৱল ভাষাৰ প্ৰয়োগৰ বহু কৌশলৰ মাজত এটাহে। বাণিজ্যিক শিক্ষাই মানৱবিদ্যা আৰু মৌলিক বিজ্ঞানৰ চৰ্চাক বহু দূৰতে চেৰ পেলাই থৈ আহিছে। বহু বিজ্ঞান-অভিযান্ত্রিক বিদ্যাৰ উচ্চ ডিগ্ৰীধাৰী এতিয়া বিত্তীয় বা ব্যৱসায়িক প্ৰতিস্থানৰ বিষয়া।

বিজ্ঞানক যে সমূলি অৱহেলা কৰা হয়, তেনেও নহয়। কিন্তু যি বিজ্ঞানে ডাঙৰ-ডাঙৰ কোম্পানিৰ মুনাফা বঢ়াব পাৰে, তাৰ গৱেষণাৰ বাবে এচাম মেধাবী, উচ্চ শিক্ষিত বৈজ্ঞানিকক অনবৰত গৱেষণাত ব্যস্ত ৰখা হয়। আমেৰিকা তেনে বহু বৈজ্ঞানিকৰ কৰ্মভূমি। ডেকা সকলৰ পৰা তেনে উদ্ভাৱনশীল প্ৰতিভাক নিৰ্বাচন কৰি এনে ধৰণৰ সংকীৰ্ণ, বৃহৎ মানৱতাৰ স্পৰ্শ নথকা কামত ব্যস্ত ৰখা হয়।

সমাজৰ তলৰ স্তৰত বিজ্ঞানৰ প্ৰয়োগ সামান্যই হয়। আগতে যিখিনি হৈছিল এতিয়া সেইকণো নহয়। খোৱাপানী প্ৰকৃততে বিশুদ্ধ কৰা নহয়, চিকিৎসা সুলভ নহয়, ৰাস্তাঘাট সুগম নহয়। বিজ্ঞানৰ ফলাফল ৰাইজৰ জীৱনত নগণ্য। ফলত বিজ্ঞানমুখী হোৱা জনসাধাৰণৰ ভাগ্যত নঘটে। এই শূন্যতা পূৰণ কৰিবলৈ অৱতীৰ্ণ হয় অন্ধবিশ্বাসৰ বৃহৎ বেপাৰী। জ্যোতিষ, বাস্তুশাস্ত্ৰ, ফেংছুই, ভাগ্য গণনা, বাবাজী-মহাৰাজ সকলৰ কোটিটকীয়া আধ্যাত্মিক উপদেশ, গণেশে গাখীৰ খোৱাৰ পৰা অমিতা-কঁঠালৰ মাজত ভগবান বা আল্লাৰ স্বাক্ষৰ ওলোৱালৈকে বিচিত্ৰ সংস্কাৰ আৰু ধাৰণাই জনগণক আচ্ছন্ন কৰি ৰাখে। তাৰ গধূৰ ডাঠ দেৱালে ভোটা কৰি দিয়ে যুক্তিবাদীৰ যত শাণিত অস্ত্ৰ। শিক্ষাৰ মাজত তাৰ কোনো প্ৰতিকাৰ নাথাকে। উচ্চ 'শিক্ষিত' লোকো এনে বিশ্বাসৰ কবলত পৰে। শেহতীয়াকৈ নিজৰ স্বাৰ্থতে হিন্দুত্ববাদী ৰাজনীতিয়ে তাত উদগণি দিবলৈ ধৰিছে।

এমুঠি লোকৰ হাতত বিশ্বৰ সকলো সম্পদ আৰু মানুহৰ সকলো উদ্ভাৱনক্ষমতা কেন্দ্ৰীভূত হৈছে বিশ্বব্যাপি বজাৰৰ জৰীয়তে। শিক্ষা ঘাইকৈ সেই এমুঠি লোকৰে হাতিয়াৰ। শিক্ষিত লোক আজি আত্মসচেতন নহয়, এনে এক বিশ্বব্যাপি আয়োজনৰ মানসিক শ্ৰমিক হিচাপে নিজৰ ভূমিকা বুজি নাপায়। প্ৰচাৰ মাধ্যমৰ মালিকো যিহেতু সিহঁতেই, সেয়ে সেই অজ্ঞতা প্ৰচাৰ মাধ্যমে দূৰ কৰক ছাৰি অধিক গভীৰ আৰু ব্যাপকহে কৰে।

সেয়ে দেখা যায় চৰকাৰী বিদ্যালয়সমূহৰ প্ৰথমতে উল্লেখ কৰা দুৰৱস্থা। সেই দুৰৱস্থা দূৰ কৰিবলৈ চৰকাৰৰ কোনো ইচ্ছা নাই। কিন্তু হেজাৰ বিজাৰ কোটি টকা খৰচ কৰি চৰকাৰী শিক্ষাৰ জহি খহি পৰা ঘৰটো কোনোমতে মেৰামতি কৰাই থিয় কৰাই ৰাখিছে। কাৰণ ভোটত জিকি আহিলেহে ৰাজনীতিবিদে চৰকাৰ দখল কৰি বৃহৎ পুঁজিৰ সেৱাত লাগিব পাৰিব। সেয়ে ৰাইজক ফুচুলাই ৰখা দৰকাৰ। কেৱল প্ৰচাৰেৰে ফুচুলাই থকা সম্ভৱ নহয়। মাজে মাজে মৰুভূমিত পানী সিঁচাৰ দৰে দুই চাৰিটা কাম কৰি দেখুৱাবও লাগিব। যেনে, সকলোৰে বাবে শিক্ষাৰ অধিকাৰৰ আইন। প্ৰচুৰ অৰ্থব্যয় হ'ব, কিন্তু কামৰ খতিয়ান ল'বলৈ কাৰো আগ্ৰহ নাথাকিব।

সমাজ অৱশ্যে এটা নিতান্তই যান্ত্রিক ব্যৱস্থা হয়। বল প্ৰয়োগ কৰি, নানা ছলা কলা কৰি ব্যৱস্থাটো র্তাই ৰাখিলেও বঞ্চিত আৰু নিপীড়িত মানুহে এদিন উপলব্ধি কৰে তেওঁলোকক বঞ্চনা আৰু ছলনা কৰা হছে। সেইদৰে শিক্ষিত লোকৰ মাজতো ব্যৱস্থাটোৰ অন্তঃসাৰশূণ্যতা তথা অসাৰ্থকতাৰ ধাৰণা এটাই লাগে নাহে গঁজালি মেলে। কিন্তু এই চেতনাক সংগঠিত আৰু সংগ্ৰামী ৰূপ দিয়া নহ'লে সিও অপৰিপক্ক ৰূপত ৰৈ যায়। শাসকশ্ৰেণীয়ে সুবিধা বুজি এনে লোকৰ দ্বাৰা স্বেচ্ছাসেৱী NGO গঠন কৰাই তাত উদাৰহস্তে অৰ্থসাহায্য দিয়ে। কষ্টেমস্তে কাম কৰাতকৈ অৰ্থসাহায্যৰে সকাহ আৰু আৰাম লৈ কাম কৰা NGO বোৰে ব্যৱস্থাটোৰ নানা দুৰ্বলতা উদঘাটন কৰিলেও তাক জনসাধাৰণৰ চেতনালৈ বিয়পাই নিদিয়ে। বৰং বহুতৰ প্ৰতিবেদন গৈ অৱশেষত C.I.A ৰ নথিপত্ৰৰ সংগ্ৰহত জমা হয়। কেতিয়াবা বিভেদমূলক কূটনীতিত সেইবোৰ তথ্যৰ প্ৰয়োগ ঘটে। সেয়ে শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ লগত বৰ্তমানৰ আৰ্থসামাজিক ব্যৱস্থাৰ বিৰুদ্ধে সংগ্ৰাম আবিচ্ছেদ্যভাবে জড়িত। দুখৰ বিষয়, শিক্ষাৰ প্ৰতি জনগণৰ আগ্ৰহ সত্বেও ভাত-কাপোৰৰ দাবীৰ লগত প্ৰকৃত শিক্ষাৰ দাবী যোগ কৰি গণসংগ্ৰামৰ কাৰ্যসূচী প্ৰস্তুত কৰা বামপন্থী মহলত দেখা নাযায়। নিজৰ সন্তান-সন্ততিৰ সুশিক্ষাৰ বাবে উদ্বিগ্ন সাধাৰণ জনতাৰ মাজৰ পিতৃ-মাতৃক বৰ্তমানৰ 'শিক্ষাসংস্কাৰ'ৰ ভয়াবহ ৰূপটোৰ বিষয়ে সজাগ কৰাটো সমাজ পৰিৱৰ্তনৰ আন্দোলনৰ অংগীভূত কৰা উচিত। তেহে শাসকশ্ৰেণীৰ অৰ্থলোলুপ অমানুষিক শিক্ষানীতিৰ ধ্বংসাত্মক প্ৰসাৰ ৰোধ কৰিব পৰা যাব।

□□□□□

*"Beware of false knowledge; it is more dangerous than ignorance." -*

*George Bernard Shaw*

# Stray Poems

*Abul Hasan Rafique Ahmed*
*Alumnus, DHSK College*

**1**

Fire-flies never grope
in the no-moon-night
they probe deep into
the night of sorrows.

True poets
like fire-files
get the best of
loneliness - sad and dark.

**(ii)**

Poetry like love
Is often madness.

Who can ever be
saner than a poet
gone mad.

Poetry like love
is often madness.

**3**

The tremulous cadence
of the flute
has its own way
of telling the truth
weaving out
tapestries of spring
with resonance and
its echo ...
the echo and its resonance.

**(iv)**

At sundown
You and I become on

Silhouettes

Walk in
memory lane.

# 'अर्जी नई पीढ़ी से'

*कल्पना सेनगुप्ता बरुआ*
*सहयोगी अध्यापिका*

बचपन से अबतक
उस सुरिली गुंज से संजीवित है मन।
वह गुंज है पर भौरों की गुंजन नहीं,
आँसू की गुल खिलाती है पर भौंरा नहीं
क्या है उस गुंज में ?
कर्णकुहर से सीधे दिल में है उतरते !!
किस नाम से पुकारुँ उसे ?
क्रन्दन, आह्वान, प्रार्थना, प्रेरणा या
यादों की गुलदस्ता !

बचपन से अबतक
जब भी स्वाधीनता दिवस आया
मुझे उस सुरिली गुंज ने दबोचा और कहा —
क़ीमत न सही, मान ही रख ली होती क़ुर्बानी की,
जाति जनजाति विभेद, न बोती बीज भेदभाव, अलगाव की !

क्या हुआ ग़र भाषिक एकता नहीं,
दुनिया में कद्र तो होती है भाव ही की,
फिर क्यों संत्रास, उग्रवाद, आतंक से
टूकड़े टूकड़े की देश को
भाई भाई को
मानवता को !!!
(मेरी अर्जी)

नई पीढ़ी के लोगों !
सँवारों पश्चिमोन्मुख अपनी ढहती हुई संस्कृति को,
संभालो देश की बाग़डोर को,
सुनो, समझो, महसूस करो
उस गुंज की पीड़ा को ............. !!!

(ए मेरे वतन के लोगों
ज़रा आँख में भर लो पानी
जो शहीद हुए है उनकी
ज़रा याद करो क़ुर्बानी।)

(गायिका - लता मंगेशकर)

*অধ্যাপিকা কল্পনা সেনগুপ্তা বৰুৱাৰ স্বামী, শান্তনু সেনগুপ্তা এইখন কলেজৰে এগৰাকী সুযোগ্য ছাত্ৰ আৰু কৃতী শিক্ষক আছিল। কলেজ তথা বৃহত্তৰ ডিব্ৰুগড় চহৰৰ খেলা-ধূলা, অভিনয় তথা সুকুমাৰ কলাৰ অন্যান্য দিশত তেওঁ উজ্জ্বল স্বাক্ষৰ ৰাখি থৈ গৈছে। এই সুযোগতে আমি শ্ৰীমতী সেনগুপ্তা বৰুৱাৰ এই কবিতাটি আমাৰ প্ৰয়াত সহকৰ্মী শান্তনু সেনগুপ্তাৰ নামত উছৰ্গা কৰিছোঁ।*

— সম্পাদনা সমিতিৰ হৈ
স্মৃতিগ্ৰন্থৰ সম্পাদক

# কবি

*ডাঃ মেঘালী দত্ত চলিহা*
*প্ৰাক্তন ছাত্ৰী*



তুমি কবি, মোৰ অন্যতম প্ৰিয় ব্যক্তি
তুমি পুৰুষ, ভাল পোৱা, শ্ৰদ্ধা কৰা প্ৰকৃতি,
সন্মান কৰা মাটিৰ মানুহ,
খাটি খোৱা মানুহৰ কেঁচা ঘামৰ নিৰ্যাসত
মতলীয়া হোৱা তুমি,
যেনেকৈ বিচলিত হোৱা
শ্বহীদৰ তপত তেজ দেখি,
ওপজা মাটিৰ লুণীয়া লোতক চেকি
ধৰ্মৰ নামত আধ্যাত্মিকতা লুণ্ঠিত হোৱা শুনি .....
কেতিয়াবা তোমাক চঞ্চল কৰে
বনৰীয়া কোনো ফুল
বা প্ৰিয় কিতাপৰ সুবাসে,
কোনো লাস্যময়ী অভিসাৰিকাৰ
বিজুলী চকুৰে —
হয়তো তোমাৰ প্ৰেৰণা হয়
কোনো মমতাময়ী নাৰীৰ নিষ্কলুষ সান্নিধ্য
মাতৃ, ভগ্নী, কন্যা, অৰ্দ্ধাঙ্গিনী .....
প্ৰেয়সী কিম্বা আশৈশৰ বান্ধৱী ....
পিতৃ তুল্য কোনো অগ্ৰজৰ আশীষ নিৰ্মালি
বন্ধু বৰ অনুজ প্ৰতিমৰ চেনেহ একাঁজলি।

কেতিয়াবা তোমাক কাতৰ কৰে
ধূলি ধূসৰিত অথচ পাহৰিব নোৱাৰা
পুৰণি কিছু স্মৃতিৰ আমনি
তিক্ত সুমিষ্ট সহস্ৰ অভিজ্ঞতা-অনুভূতি।
নক্ষত্ৰ খচিত আকাশ, অভিজ্ঞ পৃথিৱী
আৰু ৰহস্যময়ী নদীৰ
আজন্ম প্ৰেমিক তুমি,
সাগৰৰ বিশাল বক্ষ, পৰ্বতৰ সুউচ্চ শৃঙ্গ,
উপত্যকাৰ সেউজীয়া —
তোমাৰ মনত নিযুত ভাবৰ বুৰবুৰণি,
সৃষ্টি হয় শব্দৰ অনুপম অনন্ত খলখলনি ......
প্ৰতিটো ঋতুতে তুমি নিত্য নৱ ৰূপত
আৱিস্কাৰ কৰা সনাতন পৃথিৱী ......
শাওণৰ পথাৰৰ সেউজবোল,
মূষলধাৰ বৰষুণ
বসন্তৰ মন মতলীয়া ৰং, গোন্ধ,

ফাগুণৰ শিমলু, পলাশ,
শৰতৰ স্ফটিক জোনাক, শেৱালিৰ সুবাস,
স্বচ্ছ নিয়ৰ কণা,
সোণালী আঘোণ, কুঁৰলী আৱৰা,
বহাগৰ বৰদৈচিলা,
হেমন্তৰ ৰিব ৰিব মলয়া,
ফাগুণৰ মন ৰাই জাই পচোৱা,
তোমাৰ চিৰন্তন আকৰ্ষণ —
তুমি বাৰম্বাৰ প্ৰেমত পৰা।
শৈশৱৰ সৰলতা, কৈশোৰৰ মাদকতা,
যৌৱনৰ উন্মাদনা ভৰা দিন,
আগন্তুক প্ৰৌঢ়ত্ব, সুনিশ্চিত বাৰ্দ্ধক্য,
ক্ষণভঙ্গুঁৰ জীৱনৰ নিৰ্মম সত্য,
তোমাৰ অভিমান, অহঙ্কাৰ,
আবেদ, অশ্ৰু, অভিসাৰ,
তোমাৰ প্ৰাপ্তি, অপ্ৰাপ্তি,
অব্যক্ত বহু কথা,
তোমাৰ হেঁপাহ, আমৃত্যু আকুল প্ৰত্যাশা ........
কেতিয়াবা জনাকীৰ্ণ মিছিলৰ এজন
কেতিয়াবা ভাল পোৱা নিসংগ নীৰৱতা।
গভীৰ বিষাদ আৰু বিষন্নতাত
বিচাৰি ফুৰা জীৱনৰ সাৰ্থকাত,
তোমাৰ কবিতা হৈ পৰে
মনোমোহা, হৃদয়স্পৰ্শা।
এক ইন্দ্ৰীয়াতীত তাড়নাত বন্দী
ব্যতিক্ৰমী সত্বা তোমাৰ,
সেয়েহে হেলাৰঙ নেওচিব পাৰা
কতনা আমন্ত্ৰণ, অভিসাৰ।
হৃদয়, আত্মা, মনৰ তাগিদাক
প্ৰশ্ৰয় দিয়া অনন্য পুৰুষ তুমি —
অযুত অনুভূতিৰ প্ৰাচূৰ্য
তোমাৰ অমল শব্দৰ ঐশ্বচৰ্য
তোমাৰ কবিতা নহয় কেৱল শব্দৰ কাৰচাজি।।

# : এই উপকূলৰ ৰং :

*নাহেন্দ্ৰ পাদুন*
*প্ৰাক্তন ছাত্ৰ*

এয়েতো আকাশৰ ৰং নীলিম সলিল ৰাশি
জাক জাক মেঘালীৰ উপবাসী মন আৰু হৃদয়ৰ
দুৰন্ত বাসনাৰ খেলিমেলি স্বপ্ন বন্দৰৰ উপকূলত
শেষ হৈ যায় বহু ৰং ব্যাপ্তি অন্য এক হৃদয়ত।
এয়েতো সাগৰৰ ৰং নীলিম সলিল ৰাশি
থাক থাক উৰ্ম্মিৰ দুৰন্ত বাসনা যত শেষ হৈ যায়
আফ্ৰিকাৰ এন্ধাৰ অৰণ্যৰ কোনো উলঙ্গ নাৰীৰ
স্ফীতোদৰা বক্ষৰ আসঙ্গ উৰ্ব্বৰ কামনাৰ দৰে।

ইয়াতে শেষ হৈ যায় আকাশ আৰু সাগৰৰ ৰং।

এবুকু বুকুৰ মৰমেৰে সিক্ত ৰূপোৱালী জোনাক
আৰু খেলিমেলি চিক্‌মিক্ তৰালিৰ কণ কণ হাঁহিৰ
আশ্ৰয় লৈ টুকুৰা টুকুৰ কথাৰ ফুচ্‌ফাচ্ আলাপনাৰ
দৰে গম্ গম্ অস্পষ্ট উৰ্ম্মিৰ অশান্ত ধ্বনি
যেন কোনো যুগল প্ৰেয়সীৰ দীৰ্ঘদিন ব্যাপ্তি
নীৰৱ মুহূৰ্ত্তৰ পিচত তৃপ্ত হয় মন আকাঙ্খিত চুমাত।

উপচি অনেক প্ৰীতি চুমাচুমি হয় দুই ৰং দুপাৰে আকুল।

অজানিতে পলকতে কিবা এক আবেগত দুই ৰং
দুই নীল এক হৈ যাব খোজে উন্মাদ তৰংগৰ তালে তালে
সোণালী স্বপ্নৰ ভীৰত মন হৈ যায় নীলাভ গভীৰ
জোনাকীৰ কণ কণ পোহৰেৰে দীপ্ত মন যেন

কৰবাত কিবা এটা ভুল হৈ যায় এই বন্দৰত
সূৰ্য্য নাই এই অৰণ্যত। আছে কাজিৰঙা ডবকাৰ
সূৰ্য্যহীন ঘন ঘন অৰণ্যৰ আৰণ্যক ৰক্তস্নাতা জোকৰ
অতৃপ্ত জীৱনৰ পিপাসা। উজ্জ্বল মুহূৰ্ত্তৰ আশ্বাসতে
উত্তাল তৰংগৰ তালে তালে ৰাশি ৰাশি নক্ষত্ৰৰ
বিপুল নিশ্বাস শেষ হৈ যায় জংগম জিজ্ঞাসাত।
অন্য এক আনমনা স্বপ্নাতুৰা বিহগীৰ যুগ যুগ তপস্যাত
বন্দী হৈ গ'ল উপকূলত অকণি আশ্ৰয় বিচাৰি অহা
এটি বিহগ অজলা, আত্মা হৈ যায় মুক্ত একক।

উপচি অনেক প্ৰীতি চুমাচুমি হয় দুই ৰং দুপাৰে আকুল।

এই বন্দৰৰ আবেলিত কোনো সূৰ্য্য অহা নাই
গাখীৰ-বগা কাপোৰৰ পালতৰা নাও লৈ
কোনো ৰং হোৱা নাই খেলিমেলি কিবাকিবি
জোনাকীৰ পোহৰত হোৱা নাই ভুল নীল নীল আকাশৰ
ৰাশি ৰাশি তৰালিৰ জাক জাক চিনাকী পোহৰ।

সাক্ষী আছে বন্দৰৰ নৱজাত এই নীল উপকূল
মুক্ত একক আত্মাৰ অনন্ত আসঙ্গ উৰ্ব্বৰ কামনাৰ।

# নাৰী

*ৰঞ্জনা শৰ্মা বৰদলৈ*
*প্ৰাক্তন ছাত্ৰী*



নাৰী মানে
অশ্ৰুসিক্ত এটি মন
তেওঁ কান্দি কান্দি হাঁহে
হাঁহি হাঁহি কান্দে
সকলোৱে তেওঁৰ
হাঁহিখিনি দেখে
কান্দোনখিনি কোনেও নেদেখে
তেওঁৰ দায়িত্ব
সকলোৰে প্ৰয়োজন পূৰ কৰা
সন্তানৰ-পৰিয়ালৰ-ঘৰখনৰ
সকলো দায়িত্ব পালন কৰোঁতে কৰোঁতে
তেওঁ গমকে নাপালে
কেতিয়ানো তেওঁৰ
বুকুৰ হাড় ওলাল
গালত কুম ওলাল
হাত ভৰিত সিৰ ওলাল
শৰীৰ এনিমিক হ'ল।

তেওঁ এটি মেচিন
তেওঁ চাবি দিয়া পুতলা
এটি কেছেট
এখন ৰেকৰ্ড গ্ৰামোফ'ন
এটি ৰবট
মেচিনৰ বস্তুবোৰ অচল হৈ পৰিলেও
টেকন'লজি চলিয়ে থাকিব
কিন্তু!
নাৰী গৰাকী অচল হলে
খনিকৰ বাবে হলেও
ঘৰ-সংসাৰ-সমাজ
মূহুৰ্ত্তৰ বাবে হলেও সকলো হৈ পৰিব স্থবিৰ
তেতিয়াহে হয়তো পুৰুষৰূপী কোঙা প্ৰাণীবোৰে
হাত ভৰি লৰাবলৈ শিকিব।

# কানৈ কলেজত লগ পোৱা কেইজনমান ব্যক্তি

*সুনীল কুমাৰ বৰঠাকুৰ*
*প্ৰাক্তন অধ্যাপক*

হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় — ইমান দীঘলীয়া নাম অসমীয়া মানুহে সাধাৰণতে ব্যৱহাৰ কৰিবলৈ ভাল নাপায়। সেইদেখি আন দহজনৰ দৰেই ময়ো ক'বলৈ আৰু শুনিবলৈ ভাল লগা 'কানৈ কলেজ' - এই চমু নামটোহে ব্যৱহাৰ কৰিম। এইখন কলেজতে জীৱনৰ ডেৰকুৰিৰো অধিক বছৰ কটালো। ১৯৬০ চনৰ ১১ জুলাইৰ পৰা ১৯৯৩ চনৰ ২৫ ফেব্ৰুৱাৰীলৈকে এই সুদীৰ্ঘ কাল মোৰ কানৈ কলেজৰ সৈতে নিবিড় সম্পৰ্ক আছিল। তাৰ পাছতে কেইবছৰমান ওচৰৰে মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ (আকৌ চমুকৈ মনোহাৰী কলেজ) অধ্যক্ষৰ চকীত বহি সময় কটাই ১৯৯৬ চনৰ ৩১ মাৰ্চত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিলো। মই ভালপোৱা নগৰ ডিব্ৰুগড়তে জীৱনৰ বাকী কেইদিন কটাবলৈ লৈছো। বন্ধু-বান্ধবৰ অভাৱ নাই, সময়ৰ সোঁতত পৰি মোৰ ছাত্ৰ-ছাত্ৰীসকলো এতিয়া মোৰ বন্ধু-বান্ধৱীৰ শাৰীলৈ উঠিছে। আৰু মোৰো, মোতকৈ বয়সত ডাঙৰ বন্ধুৰ অভাৱ নাই, যদিও প্ৰকৃতিৰ নিয়ম অনুসৰি তেনে লোকৰ সংখ্যা এতিয়া আঙুলিৰ পাবত গণিব পৰা হৈছেগৈ।

মোৰ এসময়ৰ ছাত্ৰ আৰু সহকৰ্মী, এতিয়াৰ বন্ধু শ্ৰী মুনীন শৰ্মা আৰু শ্ৰী প্ৰতীক চৌধুৰীয়ে এদিন মোক কলেহি বোলে কানৈ কলেজত হোৱা মোৰ অভিজ্ঞতাৰ বিষয়ে অলপ লিখিব লাগে। লিখিবলৈ ইমান কথা আছে যে লিখিবলৈ গ'লে এখন মহাভাৰতেই হ'বগৈ। মই এইখন কলেজত লগ পোৱা প্ৰত্যেকজন ব্যক্তিয়েই একো একোটি আকৰ্ষণীয় চৰিত্ৰ। কাৰ কথা কম, কাক এৰিম ? আৰু, সঁচা কথা ক'বলৈ হ'লে কলেজখনক লৈ মোৰ তিতা, টেঙা, কেঁহা আৰু মিঠা অনেক অভিজ্ঞতা আছে। চিকিৎসকসকলে কয় যে বয়সৰ লগে লগে মানুহৰ তেজত হেনো শৰ্কৰা অৰ্থাৎ চেনিজাতীয় পদাৰ্থ বাঢ়ি গৈ থাকে। মোৰ শৰীৰৰ তেজত চেনিৰ পৰিমাণ বাঢ়ি যোৱাৰ লগে লগে মোৰ স্মৃতিতো দেখোন মিঠাৰ পৰিমাণ বাঢ়িব লাগিছে। অতীতৰ সোঁৱৰণ কৰি ভাল লগা হৈছে। সাধাৰণতে ডেকাসকলে সমুখলৈ চায় আৰু বুঢ়াসকলে পিচলৈ চায়। মোৰ হ'লে দুয়োটা অভ্যাসেই আছে। সেয়ে ভৱিষ্যতৰ কথা ভাবি ভয় নাখাওঁ আৰু অতীতৰ তিতা লগা অভিজ্ঞতাৰ স্মৰণে মোক আমোদহে দিয়ে।

কানৈ কলেজত কাম কৰোতে মই লগ পোৱা সহকৰ্মীসকলৰ বিচিত্ৰ চৰিত্ৰৰ বিষয়ে ক'ৰবাত ক'ৰবাত লিখিছো। মাধৱগুৰুৰ নিৰ্দেশ শিৰত লৈ পাৰ্যমানে মানুহৰ ভাল দিশটোহে দেখিবলৈ চেষ্টা কৰিছো। 'অল্প গুণকে বিস্তৰ' কৰি বখানা উত্তম পুৰুষৰ শ্ৰেণীলৈ যাবলৈ চেষ্টা কৰা নাই, মধ্য শ্ৰেণীতে থাকিবলৈ ইচ্ছা।

কানৈ কলেজত মোৰ চাকৰি কালত লগ পোৱা কেইগৰাকীমান ছাত্ৰ আৰু কাৰ্যালয়ৰ কৰ্মচাৰীৰ দুই-চাৰিটামান কথাহে উল্লেখ কৰিব খুজিছো। মোৰ দৃষ্টিত প্ৰত্যেকজনেই একোজন স্বকীয় বৈশিষ্ট্যৰে বিশিষ্ট ব্যক্তি। ইজনৰ লগত সিজনৰ তুলনা নহয়।

## গগন চন্দ্ৰ সোনোৱাল

প্ৰথমে ক'ব খুজিছো শিক্ষক, সমাজবিজ্ঞানী লোক-সাহিত্যৰ গৱেষক সাহিত্যিক স্বৰ্গীয় গগন চন্দ্ৰ সোনোৱালৰ কথা। কানৈ কলেজৰ নৈশ কলা শাখাত মই তেওঁক ছাত্ৰ হিচাবে পাই গৌৰৱান্বিত হৈছিলো আৰু সিও হ'বৰে কথা। কাৰণ আমি গুৱাহাটীত পঢ়ি থকা সময়তে তেওঁৰ গৱেষণামূলক ৰচনা সোনোৱাল কছাৰীৰ "হায়দাং গীত" ৰামধেনুত ছপা হৈ ওলাইছিল। আমাৰ লগত পঢ়া কটন কলেজৰ সহপাঠী বন্ধুৰ পৰা গম পাইছিলো যে তেওঁ এগৰাকী শিক্ষকো আছিল। ১৯৬২ নে ১৯৬৩ চনৰ কথা — বছৰটো ভালকৈ মনত নাই। এদিন সন্ধিয়া ইণ্টাৰমিডিয়েট ক্লাচ এটাৰ পৰা ওলাই আহিছো মাত্ৰ, এজন বয়সিয়াল ছাত্ৰ আগবাঢ়ি আহি নিজৰ চিনাকি দিলেহি। বৰ ওখপাখ নহয়, ধুতি চোলা পিন্ধা এজন স্মাৰ্ট ভদ্ৰলোক। ব্যক্তিত্ব সম্পন্ন।

নামটো শুনিয়েই ভিতৰি অলপ চক খোৱাৰ দৰে অৱস্থা হ'ল। এইজনেই তেনেহ'লে গগন চন্দ্ৰ সোনোৱাল। অকনো গপদৰপ নথকা লোক। তেওঁৰ আচৰণ আৰু কথা-বতৰাৰ পৰা তেওঁ কিমান বিনয়ী গম পালো। অলপতে সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদে গগন চন্দ্ৰ সোনোৱালৰ ৰচনা সম্ভাৰ এখন গ্ৰন্থ হিচাবে প্ৰকাশ কৰি উলিয়াই এটি মহৎ কাম সমাধা কৰিলে। ছাত্ৰ হিচাবে তেওঁৰ সৈতে মোৰ সম্পৰ্ক সৰহদিন নাথাকিল, কাৰণ তেওঁ অতি নিয়মীয়া ছাত্ৰ নাছিল। পাচলৈ তেওঁক মেল-মিটিঙত লগ পাইছিলো। মোৰ ঘৰলৈ আহিলে তেওঁ চাহপাতৰ টোপোলা এটা আনিবলৈ নাপাহৰিছিল।

## ভৰত বৰপূজাৰী

কানৈ কলেজত নৈশ শাখাৰ ছাত্ৰ হিচাবে লগ পোৱা আন এজন ভদ্ৰলোক আছিল স্বনামধন্য অভিনেতা শ্ৰীযুত ভৰত বৰপূজাৰী। ক্লাচৰুমৰ বাহিৰত বৰপূজাৰীক আমোলাপট্টি নাট্য মন্দিৰত ডি'এ'পি' ক্লাবে মেলা নাটকৰ আখৰাত প্ৰায়ে লগ পাইছিলো। জ্যোতিপ্ৰসাদৰ ছত্ৰছায়াত অভিনয় শিকা এজন কৃতী অভিনেতা। সকলোৱে তেওঁৰ অভিনয় চাবলৈ ব্যগ্ৰ হৈ থাকে। অথচ এজন ছাত্ৰৰ দৰেই, অভিনয়ৰ ইটো সিটো খুটি-নাটি কথা শিকিবৰ বাবে তেওঁৰ কি আগ্ৰহ আছিল। ডি'এ'পি' য়ে নাটক মেলিলে মই আৰু মোৰ ছাত্ৰ অথচ বন্ধুসম শ্ৰীযুত দয়াকৰ দুৱৰাই স্মাৰক অৰ্থাৎ প্ৰম্পটাৰৰ কাম কৰিছিলো। সেইবাবেই নেকি, বৰপূজাৰীয়ে আমাৰ দুজনৰ এজনক উৰিংচৰ আঁৰত তেওঁৰ ওচৰত থকাটো বিচাৰিছিল যাতে সংলাপবোৰ স্পষ্টকৈ শুনিবলৈ পায়। তদুপৰি আখৰাৰ পিচত তেওঁৰ অভিনয়ৰ খুটি-নাটিৰ বিষয়ে মোক সুধিছিলে। মন্তব্য দিবলৈ মই লাজো পাইছিলো, কাৰণ মোৰ অভিনয়ৰ অভিজ্ঞতা আছিল শূন্যৰ ঘৰত। অপ্ৰতিভ হৈ এদিন মোৰ মঞ্চপ্ৰেমী সহপাঠী আৰু আপাতকালীন অভিনেতা স্বৰ্গীয় বিজয়ানন্দ কাকতিক সুধিয়েই পেলালো কথাটো কি? উত্তৰত কাকতিয়ে ক'লে বোলে বৰপূজাৰীয়ে মতামত বিচাৰিলে লাজ পাব নালাগে, কাৰণ তেওঁ দৰ্শক, অভিনেতাসকলোৱে পৰা তেওঁৰ অভিনয়ৰ বিষয়ে পুংখানুপুংখিকভাৱে জানিবলৈ বিচাৰে। সেই কথা শুনাৰ পাচত মই আশ্বস্ত হৈছিলো।

বৰপূজাৰীয়ে কেইজনমান নাট্যপ্ৰেমী লোকক লৈ 'নাট্যৰঙ্গম' নাম দি এটা অনুষ্ঠান আৰম্ভ কৰিছিল। মোক আৰু মোৰ বন্ধু শ্ৰীযুত ডিম্বেশ্বৰ চলিহাকো তাৰ সদস্য কৰি লৈছিল। অভিনয়ত চলিহাৰ ৰাপ আছিল। নাট্যৰঙ্গমৰ সভালৈ মই গৈছিলো কেৱল নাটকৰ আলোচনা-সমালোচনা শুনিবলৈ আৰু চাহ-মিঠাই খাবলৈ। দুখৰ বিষয় অনুষ্ঠানটি এবছৰো নচলিল।

## আনন্দ হাজৰিকা

কানৈ কলেজৰ ভাইচ প্ৰিন্সিপাল স্বৰ্গীয় লক্ষ্মীপ্ৰসাদ দত্তৰ অতিকৈ প্ৰিয়পাত্ৰ স্বৰ্গীয় আনন্দ হাজৰিকাই চৰকাৰী কামৰ পৰা অৱসৰ পাই এই কলেজৰ অফিচৰ কামত সোমাইছিল। লগতে তেওঁ কলেজত নাম লগাই সময়ত ইয়াৰ পৰাই বি.এ. পাৰ কৰিছিল। হাজৰিকা গান্ধী বিচাৰৰ লোক আছিল। কলেজৰ লাইব্ৰেৰীয়ান কবি আৰু নাট্যকাৰ স্বৰ্গীয় পূণ্যধৰ ৰাজখোৱা আৰু হাজৰিকাৰ চেষ্টাত কলেজৰ পুথিভঁৰালত গান্ধী সাহিত্যৰ চ'ৰা এটায়ো গঢ় লৈ উঠিছিল। তাত অসমীয়া, হিন্দী আৰু ইংৰাজীত গান্ধীদৰ্শনৰ ওপৰত লিখা বহুতো মূল্যবান কিতাপ আছিল। সৰহভাগ কিতাপেই নৱজীৱন প্ৰেছে প্ৰকাশ কৰা। এই কিতাপবোৰৰ মাজেদি গান্ধীবিচাৰ আৰু সৰ্বোদয় দৰ্শনৰ সৈতে কিঞ্চিৎভাৱে পৰিচিত হ'বলৈ সুবিধা পাইছিলো।

হাজৰিকা আচলতে নৈশ শাখাৰ ছাত্ৰহে আছিল যদিও অফিচৰ কামৰ পৰা অলপ আহৰি উলিয়াই সুবিধা আৰু ইচ্ছামতে দিনৰ ক্লাচতো ভুমুকি মাৰিছিল। তেওঁৰ পাঠ্যক্ৰমত নথকা শ্ৰেণীতো সোমাই পৰিছিল আৰু ভাল নালাগিলে অলপ পৰ পিচতে নিজেই ওলাই আহিছিল। ৰাতিৰ ক্লাচ সাধাৰণতে খতি নকৰিছিল। ছাত্ৰ হিচাবে বৰ মনোযোগী আছিল যেন লাগিছিল। মই পঢ়াওঁতে কোৱা কথাবোৰ তেওঁ টোকাবহীত লিখি থোৱা দেখিছিলো। স্নাতক শ্ৰেণীত কোনো এটি গধূলা মই ইংৰাজ নাট্যকাৰ শ্বেৰিডানৰ ৰাইভেলছ নামৰ নাটকখনৰ দৃশ্য এটা বুজাই আছিলো। শ্ৰেণীত পাৰি থোৱা কাঠৰ তক্তাখনৰ পৰা নামি ল'ৰা-ছোৱালী বহা বেঞ্চিৰ শাৰীৰ মাজে মাজে পায়চাৰি কৰি পঢ়ুওৱা মোৰ অভ্যাস আছিল। তললৈ নামি মন কৰিলো যে হাজৰিকাই তেওঁৰ টোকাবহীত ডাঙৰ ডাঙৰ আখৰেৰে কিবা কিবি লিখি আছে। কিনো লিখিছে তাকে চুৰকৈ চাই দেখো যে মই কৈ যোৱা মতেৰে অৰ্থাৎ নাটকৰ মতেৰে প্ৰেমিক এজনৰ কৰ্তব্য কি হোৱা উচিত বা প্ৰেমিকাই কি বিচাৰে সেইবোৰ কথাকে ১, ২ আদি নম্বৰ দি লিখি গৈছে।

কি জহ, কি জাৰ সকলো সময়তে, দিনে ৰাতি হাজৰিকাই এজাপ কাপোৰ পিন্ধিছিল। তাৰ ওপৰত, গৰমৰ দিনত চেলেং আৰু জাৰৰ দিনত এড়ী চাদৰ লৈছিল। ফনৰ বতাহ মূৰত লগা যেন পালে চাদৰেৰে পাগুৰি এটাও বান্ধি লৈছিল। সেইদেখি কানৈ কলেজৰ অসমীয়া ল'ৰা-ছোৱালীয়ে তেওঁৰ নাম ৰাখিছিল 'আলনা'। বাঙালীবিলাকে তেওঁক নাম দিছিল 'শীত বাবু'।

হাজৰিকাই বি°এ° পাচ কৰাৰ পিচতে লক্ষ্মীপ্ৰসাদ দত্তই তেওঁক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক অফিচত সুমুৱাই দিলে। নতুন কামত যোগ দিওঁতে কিন্তু তেওঁ ধুতি পাঞ্জাবী এৰি চুট-টাই পিন্ধিব লগা হ'ল। আকস্মিক পোচাক পৰিবৰ্তনৰ ফলত তেওঁ হেনো অলপ শকত নৰিয়াত পৰিছিল। ভাগ্যে পোচাক পৰিবৰ্তনে তেওঁৰ বিশেষ ক্ষতি কৰিব নোৱাৰিলে।

## সোমধৰ দিহিঙীয়া

কানৈ কলেজত যেতিয়া প্ৰথম সোমাও তেতিয়া সোমধৰ দিহিঙীয়া চতুৰ্থ বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ আছিল। পঢ়া-শুনাত চিৰিয়াচ এজন গুৰুভক্ত ল'ৰা। আমাক দূৰৈৰ পৰা দেখিলেই চাইকেলৰ পৰা নামি নমস্কাৰ দিয়ে। কিন্তু নিচেই অজলা হোৱাৰ বাবে লগৰ ল'ৰাবিলাকে তেওঁক জোকাইছিল।

কালক্ৰমত বি°এ° পাচ কৰি দিহিঙীয়াই ডিব্ৰুগড় জেলত মাষ্টৰৰ কাম পালে। বাটে ঘাটে লগ পালে জেলৰ স্কুল কেনেকৈ চলিছে সোধো। কোনো কথা নুলুকুৱাকৈ তেওঁ কয়, বোলে ছাত্ৰবিলাকে শ্ৰেণীকোঠাত বহি নাথাকে, তেওঁ নিজে গৈ সিহঁতক বিচাৰি আনিব লাগে। কিছুমানে পঢ়াত মন দিয়ে, কিছুমানে আকৌ তেওঁৰ ওচৰত বিড়ি, চিগাৰেটহে বিচাৰে। কয়দীবোৰৰ হেনো পঢ়াত মতি নাই, হাজোতীবিলাকে পঢ়াত অলপ আগবাঢ়োতেই খালাচ হৈ যায়। তেনেকৈয়ে স্কুল চলি থাকে।

কিন্তু গুৰু ঋণ বুলি কথা এটা আছে। এবাৰ সন্ধিয়া পূজাৰ বজাৰ কৰিবলৈ যাওঁতে নতুন বজাৰৰ কাপোৰৰ দোকান এখনত কাপোৰ কিনি পইচা দিবলৈ গৈ দেখে যে তেওঁৰ মনিবেগটো নাই। অৰ্থাৎ ভীৰৰ মাজেদি আহোতে জেপলুৰুকাই নিলে। দিহিঙীয়া কান্দোনমুৱা হ'ল। তাকে দেখি হেনো ল'ৰা এটাই তেওঁৰ ওচৰলৈ আহি কোনখিনি ঠাইত তেওঁৰ জেপ লুৰুকা হৈছিল সুধিলেহি। সকলো খা-খবৰ লৈ ল'ৰাটোৱে তেওঁক ওচৰৰ চাহৰ দোকান এখনত বহুৱাই, তেওঁ খাবলৈ চাহ-মিঠাইৰ অৰ্ডাৰ দি তেওঁৰ হেৰোৱা বেগৰ খবৰ কৰিবলৈ ওলাই গ'ল। আধা ঘণ্টামানৰ পিচত ল'ৰাটো ঘূৰি আহিল আৰু পইচাৰ সৈতে বেগটো দিহিঙীয়াক দিলেহি। দিহিঙীয়াৰ মুখে এই সকলো কথা শুনিছিলো। ল'ৰাটোও হেনো জেপলুৰুকা — জেলত দিহিঙীয়াৰ ওচৰত পঢ়িছিল। জেপলুৰুকাবিলাকৰ নিজ নিজ এলেকা থাকে। দিহিঙীয়াৰ ছাত্ৰজনে নতুন বজাৰ এলেকাত খা-খবৰ কৰি তেওঁৰ শিক্ষাগুৰুৰ মনিবেগটো টকাৰ সৈতে উদ্ধাৰ কৰি আনি তেওঁক দিলেহি। গুৰুভক্তি আৰু গুৰুসেৱাৰ সঁচাকৈয়ে এক উজ্বল নিদৰ্শন। সন্দিগ্ধ মনে ভাবিব পাৰে যে পিকপকেট ছাত্ৰজনেই ছাৰৰ মনিবেগ লুট কৰিছিল। কিন্তু সেয়ে হ'লেও গুৰুৰ জেপ লুৰুকি অনুশোচনাগ্ৰস্ত হৈ লুটৰ ধন ঘূৰাই দিয়া কথাটোও গুৰুভক্তিৰ নিদৰ্শন নহয় নে?

## লাভেশ্বৰ দিহিঙীয়া

স্বৰ্গীয় লাভেশ্বৰ দিহিঙীয়াই সদায় বৰপথাৰৰ পিনৰ পৰা চাইকেলেৰে আহি কানৈ কলেজৰ অফিচ পায়হি আৰু চাৰি বজাত কলেজৰ পৰা ঘৰলৈ বুলি ওলায়। কলেজৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী। পিন্ধনত চুৰিয়া চোলা সদায়ে টিপটপ। চাইকেলখনতো বোকাৰ চিটিকনি নালাগে। ব্যৱহাৰ পাতি কথা-বতৰা অতি মাৰ্জিত। মই নিজেও গুৰিতে গাঁৱৰ মানুহ, গতিকে কাৰ্যালয়ত কাম কৰা গাঁৱৰ মানুহখিনিৰ লগতো সুখ-দুখৰ কথা পতা মোৰ স্বভাৱ আছিল। মোৰ বন্ধু শ্ৰীযুত ডিম্বেশ্বৰ চলিহাই গাঁৱৰ মানুহক ভাল পাইছিল। তদুপৰি তেওঁ সমাজবাদী চিন্তাধাৰাৰ লোক। বাৰাণসীত পঢ়িবলৈ গৈ সমাজবাদী বিচাৰৰ দ্বাৰা প্ৰভাৱিত হৈছিল। অসমৰ সমাজবাদী নেতা স্বৰ্গীয় অজিত কুমাৰ শৰ্মা, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সৈতেও তেওঁৰ আহজাহ আছিল। গতিকে তেতিয়াৰ দিনৰ কম দৰমহা পোৱা কৰ্মচাৰীসকলৰ সুবিধা-অসুবিধাক লৈ তেওঁ সচেতন আছিল।

# মোৰ স্মৃতিত কানৈ মহাবিদ্যালয়

*প্ৰফুল্ল কুমাৰ দেবনাথ*
*প্ৰাক্তন ছাত্ৰ*

১৯৫৭ চন, মই তেতিয়া নৱম মান শ্ৰেণীৰ ছাত্ৰ। মই স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিলো ডিব্ৰুগড় ৰেলওৱে উচ্চ মাধ্যমিক বিদ্যালয়ত। আমি খোজেৰে স্কুললৈ অহা যোৱা কৰোতে এটা আটক ধুনীয়া ঘৰ ৰেল লাইনৰ কাযত তৈয়াৰ হোৱা দেখিছিলো। পাছত আমাৰ জেষ্ঠসকলৰ মুখেৰে গম পালো যে ইয়াত এখন দেখনিয়াৰ কলেজ হ'ব। ১৯৫৮ চনত মই দশম শ্ৰেণীলৈ উত্তীৰ্ণ হলো। তেতিয়াৰ পৰাই এটা সপোন মনৰ অন্তঃ পুৰত সাঁচি থলো। সপোনটো আছিল এই আটক ধুনীয়া কলেজখনত পঢ়াৰ। ১৯৫৮ চনত অতি অড়ম্বৰপূৰ্ণভাবে কানৈ মহাবিদ্যালয়ৰ দ্বাৰ উন্মোচন অনুষ্ঠান দেখাৰ মোৰ সৌভাগ্য ঘটিছিল। কেইজনমান ছাত্ৰ-বন্ধুৰ সৈতে সেই অনুষ্ঠানৰ আনন্দ আৰু স্ফুৰ্তি ৰাস্তাৰ ওপৰতে উপভোগ কৰিছিলো। কলেজ চৌহদৰ ভিতৰত প্ৰবেশ কৰাৰ সাহস গোটাব পৰা নাছিলো। ঘৰত আহি মোৰ মাজু দাদাক কলো "মোৰ কানৈ কলেজত পঢ়িবৰ মন।" কথাষাৰ শুনি দাদাই একো উত্তৰ নিদিলে। এইখিনিতে উল্লেখ কৰোঁ, মোৰ দেউতা মোৰ মাত্ৰ ৯ বছৰ বয়স হওঁতেই স্বৰ্গগামী হৈছিল আৰু সেয়েহে দাদাহঁতেই মোৰ তত্বাবধায়ক আছিল। কিছুদিনৰ পাচত মাজু দাদাই কলে, "যদি কানৈ কলেজত পঢ়াৰ মন আছে , তেন্তে প্ৰৱেশিকা পৰীক্ষাৰ ফলাফল ভাল হ'ব লাগিব।" দাদাৰ কথাষাৰে মোৰ পঢ়াশুনাত আৰু বেছিকৈ মনোযোগ দিবলৈ অনুপ্ৰেৰণা যোগালে। যি কি নহওক, প্ৰবেশিকা পীৰক্ষা আহি পালে আৰু পৰীক্ষাও শেষ হ'ল। প্ৰায় আঢ়ৈমাহ মানৰ পাচত ফলাফল ওলাল। মোৰ ৰিজাল্ট ভালেই হৈছিল। দাদাই মোক মোৰ সপোনৰ কানৈ কলেজত নাম ভৰ্তী কৰাই দিলে। এফালে আনন্দ আৰু আনফালে গৰ্ব এই দুটাৰ সংমিশ্ৰনত ৰাতি ভাল টোপনি নহল। গৰ্ব হল এই বুলি যে মই অসমৰ আটাইকৈ ধুনীয়া কলেজৰ ছাত্ৰ।

১৯৫৯ চন। দুদিনৰ পাছতেই কলেজলৈ যাম। নতুন পেন্ট-চাৰ্ট চিলাই কৰা হ'ল। কলেজ জীৱনৰ প্ৰথম দিনাৰ তাৰিখটো মোৰ মনত নাই যদিও মই ৰাতিপুৱাৰে পৰাই এক ভয়মিশ্ৰিত আনন্দ অনুভৱ কৰি আছিলো। সময়মতে জীৱনৰ প্ৰথম লং-পেন্ট পিন্ধি কলেজলৈ ৰাওনা হলোঁ। কলেজৰ বাৰান্দাত উঠোতে এক গভীৰ আনন্দৰ জোৱাৰে মোৰ মন চুই গ'ল। মই আৰু মোৰ সহপাঠি শ্ৰী নিৰ্মল দে দুয়ো 'হ'ল' ঘৰটো অতিক্ৰম কৰি উত্তৰ-পূবত থকা দীঘল Science Building টো লৈ যাওঁ। আমাৰ শ্ৰেণী কক্ষ গেলেৰী আৰ্হিৰ আছিল। দেখি মনটো উৎফুল্লিত হৈ উঠিল। শ্ৰেণী কক্ষত প্ৰবেশ কৰি গেলেৰীত আসন গ্ৰহণ কৰিলো। প্ৰথম পিৰিয়দ আছিল Chemestry ৰ। আমি সকলোৰেই মনে মনে বহি আছিলো। ঠিক তেনে সময়তে মিঠা বৰণীয়া সুন্দৰ-সুঠাম যুবক এজনে হাতত Register এখন লৈ শ্ৰেণীত প্ৰবেশ কৰিলে। তেওঁৰ ইংৰাজী উচ্চাৰণ আমাৰ ভালকৈ বোধগম্য হোৱা নাছিল। পাছত গম পালো যে তেখেত আছিল মাদ্ৰাজী ভদ্ৰলোক (তেতিয়া তামিল বুলি নকৈছিল)! আৰু নাম তেওঁৰ আছিল 'দয়ানন্দ'। অধ্যাপকজন বেচ টিপ-টপত আছিল আৰু প্ৰায় প্ৰতিদিনেই পোচাক সলনি কৰি আহিছিল। দ্বিতীয় পিৰিয়দটো আছিল ইংৰাজীৰ। আমি আগৰ পৰাই জানো যে ইংৰাজী অধ্যাপকজন বঙালীমানুহ আৰু তেওঁ খুব ভাল ইংৰাজী উচ্চাৰণ কৰে আৰু পঢ়ায়ও ভাল। তেওঁ সোমাই আহি হাঁহি মাৰি Good Morning বুলি কলে আৰু আমাৰ প্ৰত্যেকৰে নাম সুধিলে। তেওঁৰ মিঠা মাতে

আমাৰ সকলোকে মুগ্ধ কৰিলে। তৃতীয় পিৰিয়দ আছিল Physics ৰ অধ্যাপক আছিল শ্ৰীযুত নৰেণ চৌধুৰী, বেচ গম্ভীৰ। তেওঁক কেতিয়াও হাঁহা দেখা নাছিলো। সকলো ছাত্ৰই তেওঁক ভয় কৰিছিল। চতুৰ্থ পিৰিয়দ আছিল অংকৰ আৰু অধ্যাপক আছিল মিঃ শাস্ত্ৰী। তেওঁৰ সম্পূৰ্ণ নামটো পাহৰিলো। তেওঁ অন্ধ্ৰ প্ৰদেশৰ আছিল। তেওঁ আছিল এজন অতি সহজ-সৰল প্ৰকৃতিৰ ভদ্ৰলোক। ইংৰাজী বিষয় পঢ়াবলৈ আৰু দুজনমান অধ্যাপক আছিল। তেওঁলোক আছিল শ্ৰীযুত প্ৰভুনাথ সিং আৰু শ্ৰীযুত সুধাকৰ পাণ্ডে। Biologyৰ অধ্যাপক আছিল শ্ৰীযুত বিশ্বনাথন। তেওঁ কৰ্ণাটকৰ মানুহ আছিল। কথাবোৰ মুখৰ ভিতৰতেই সোমাই থাকে অৰ্থাৎ অস্পষ্ট। দুমাহমান পাছতেই আমাৰ Practical Class সমূহ আৰম্ভ হ'ল। তেতিয়া আমি লেবৰেটৰীত সোমাই Practical কৰি থকা অৱস্থাত নিজকে একো একোজন বৈজ্ঞানিক বুলি ভাবিছিলোঁ।

আমাৰ অধ্যক্ষ আছিল ড° যোগীৰাজ বসু। তেওঁক দেখিলে ভয়তকৈ শ্ৰদ্ধা আৰু ভক্তিহে বেচি উপজিছিল। বোধকৰো তেওঁৰেই সেইসময়ৰ অসমৰ ভিতৰত প্ৰথম Triple MA। তেওঁকলৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকলে গৌৰৱ অনুভৱ কৰিছিল। Vice-Principal আছিল শ্ৰীযুত লক্ষ্মীপ্ৰসাদ দত্ত। সকলোৱে তেওঁক বাঘৰ দৰে ভয় কৰিছিল। তেওঁ যেতিয়া শ্ৰেণীসমূহ পৰিদৰ্শন কৰিবলৈ আহে সকলো ছাত্ৰ-ছাত্ৰীয়ে টেপা লাগি শান্তশিষ্ট ভাবে মনে মনে বহি থাকিছিল।

চাওঁতে চাওঁতে আমাৰ College Week আহি পালে আৰু মনৰ ভিতৰত এক গভীৰ শিহৰণ অনুভৱ কৰিবলৈ আৰম্ভ কৰিলো। তাৰ আগতে ছাত্ৰ একতা সভাৰ নিৰ্বাচন। আমি নিৰ্বাচনৰ প্ৰচাৰ চলাবলৈ যাম আৰু তাৰ বিনিময়ত Candidate দাদাৰ পৰা চাহ-মিঠাই খাবলৈ পাম। ইতিমধ্যে গম পালো যে Arts Section ৰ লৰাবোৰে Drama Competition ত যোগ দিব। নাটক কৰা হব সংস্কৃত ভাষাত। পাছত গম পালো যে Science Section ৰ একমাত্ৰ মোৰ নাম Select কৰা হৈছে। এদিন মোক মাতি পঠালে আৰু মই সংস্কৃত কক্ষত প্ৰৱেশ কৰি দেখিলো যে বিদগ্ধ সংস্কৃত পণ্ডিত তিনিজনে মোৰ বাবেই তাত বহি আছিল আৰু তাত আৰু পাঁচ-ছয়জন মান মোৰ বন্ধু (আটাইকেইজনেই Arts Section ৰ) মোলৈ বাৰে বাৰে চাই আছিল। বাঘা বাঘা সংস্কৃত পণ্ডিত তিনিজন আছিল ডঃ আযুতোষ বিশ্বাস, মিঃ আয়াৰ আৰু শ্ৰীযুত প্ৰিয়াংশু প্ৰবল উপাধ্যায়। তেওঁলোকৰ মাজৰ এজনে মোক সুধিলে — "তুমি বোলে স্কুলত ভাল অভিনয় কৰিছিলা, সেই কাৰণেই তোমাক এই সংস্কৃত নাটখনৰ বাবে বাছনি কৰা হৈছে, তোমাৰ ইচ্ছা আছে নে নাই? মই উত্তৰ দিলো — নিশ্চয় আছে। সেই দিনাইহে গম পালো কানৈ মহাবিদ্যালয়ত ....... প্ৰথম সংস্কৃত ভাষাৰ নাটক কৰিবলৈ লৈছো। মোৰ চৰিত্ৰটো আছিল দস্যু চৰ্দাৰ। প্ৰধান ভূমিকাত আছিল চন্দ্ৰ শেখৰ চক্ৰৱৰ্তী আৰু সৌমিত্ৰ সেন। আন আন চৰিত্ৰত আছিল প্ৰভাস ভট্টাচাৰ্য্য আৰু দুজনৰ নাম পাহৰিলো।

আমি নাটৰ আখৰা যেতিয়া কৰো তেতিয়া বিশ্বাস চাৰে আমাক অভিনয় কৌশল আৰু উচ্চাৰণবোৰ শিকাই দিছিল। তেওঁক অনুসৰণ কৰি আমি যেতিয়া অভিনয় কৰো , তেতিয়া আয়াৰ চাৰে হোৱা নাই বুলি মন্তব্য কৰে। দুয়োৰে মাজত আৰম্ভ হয় তৰ্ক যুদ্ধ। আমি ছাত্ৰসকলে একো বুজিপোৱা নাছিলো কাৰণ তেওঁলোকৰ তৰ্ক-যুজ হৈছিল সংস্কৃত ভাষাত। আয়াৰ চাৰৰ খং অলপ বেছি। উপাধ্যায় চাৰৰ ভূমিকা আছিল তৰ্কৰ মীমাংসা কৰি দিয়া। তেওঁ বিশ্বাস চাৰ আৰু আয়াৰ চাৰৰ মাজত যি মত পাৰ্থক্য আছিল সেইটো সুন্দৰকৈ সমাধান কৰি দিছিল। মুঠৰ ওপৰত আমি আখৰাত খুব মজা উপভোগ কৰিছিলো, তাৰোপৰি চাহ মিঠাই আদি সদায়েই আছিল।

প্ৰতিযোগিতাৰ দিন চমু চাপি আহিল। দ্বিতীয় দিনাখন আমাৰ নাটকখনেই প্ৰথম মঞ্চস্থ কৰা হ'ব। আমি সকলো সাজু। গ্ৰীণ ৰুমত সাজ-পাৰৰ কাৰু-কাৰ্য চলি আছে। মই পৰ্দাৰ ফাকেৰে জুমি 'হলৰ' ফালে চাই দেখো যে গোটেই হলঘৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰে ভৰা সকলোৰে মুখত এটাই কথা 'জীৱনত কেতিয়াও সংস্কৃত

নাটক আৰু সংস্কৃত সংলাপত নাটক শুনা নাই। বহিবলৈ ঠাই নাই, বাহিৰতো ভীৰ।

পৰ্দা টানি মঞ্চ মুকলি কৰা হল। তিনিজন সংস্কৃত দিকপাল গ্ৰীন ৰুমত বহি নাট পৰিচালনা কৰি আছে। প্ৰথমে চন্দ্ৰ শেখৰ চক্ৰৱৰ্তীয়ে মঞ্চত উঠি খুব সুন্দৰকৈ সংস্কৃততে Dialouge কৰলৈ আৰম্ভ কৰাৰ লগে লগে মঞ্চলৈ আহিল সৌমিত্ৰ সেন। তেওঁৰ অভিনয় সুন্দৰ হৈছিল। হলৰ ভিতৰত Pin Drop Silence। আমাৰ চাৰ তিনিজনৰ মুখত হাঁহি দেখি মোৰ খুউব ভাল লাগিল। এইবাৰ মই প্ৰৱেশ কৰিলো। মোৰ চৰিত্ৰটো আছিল এক দস্যুৰ চৰ্দাৰৰ , সেই গতিকে মোৰ পোছাক-পৰিচ্ছদ আণৰ লগত মিলা ধৰণৰ নাছিল। মোৰ পোছাক দেখি দৰ্শকৰ মাজত গুন-গুননি আৰম্ভ হ'ল। বিশ্বাস চাৰৰ ফালে হঠাৎ মোৰ চকু গ'ল। মোৰ হাতৰ লাঠিডাল মই দুই হাতেৰে ধৰিছিলো। চাৰৰ ইঙ্গিত পাই মই লাঠিডাল সোঁহাতেৰে ধৰি মোৰ Dialouge ক'ব ধৰিলো। এতিয়াও মোৰ Dialouge মনত আছে — "ধনঞ্জয় নৈব কৰ্তব্যম্"। পৰ্দা টানি দিয়া হল। নাটৰ অন্ত পৰিল। হাত চাপৰিত গোটেই হলঘৰ গমগমাই উঠিল।

চাৰিদিনিয়া নাট প্ৰতিযোগীতাত মুঠ নাট আছিল ১৬ খন। পঞ্চমদিনা নাট প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হ'ল। আমাৰ নাটখন প্ৰতিযোগিতাত প্ৰথম হল আৰু আমাৰ নাটৰ মুখ্য ভূমিকাত অভিনয় কৰা চন্দ্ৰ শেখৰ চক্ৰৱৰ্তী Best Actor হিচাবে নিৰ্ব্বাচিত হ'ল। আমাৰ ছাত্ৰসকলতকৈ আমাৰ তিনিজন চাৰৰহে আনন্দ বেছি হ'ল। সেইবোৰ আছিল মোৰ কলেজীয়া যৌৱনৰ চিৰস্মৰণীয় দিন।

আমাৰ সময়ত আমি শিক্ষকসকলক যিদৰে ভয় কৰিছিলো, ঠিক সেইদৰে শ্ৰদ্ধা-ভক্তিও কৰিছিলো। আমি সদায় শিক্ষকৰ পৰা এটা নিৰ্দিষ্ট দূৰত্বত থাকি কথা-বতৰা পাতিছিলো। সেইবোৰ এতিয়া দেখিবলৈ পোৱা নাযায়। সেই সময়ত কলেজ প্ৰশাসন ইমান শৃঙ্খলাবদ্ধ তথা কঠোৰ আছিল — কলেজ চলি থকা সময়ত কোনো ছাত্ৰ-ছাত্ৰীয়ে চৌহদৰ ভিতৰত ঘূৰা-ফুৰা কৰা দেখা নগৈছিল। এতিয়া যুগ সলনি হল, সমাজ ব্যৱস্থা, ৰাষ্ট্ৰ ব্যৱস্থা, সকলোতে অবক্ষয় দেখা দিছে। সাম্প্ৰতিক মূল্যহীণতা আৰু অবক্ষয়সৰ্বস্ব সমাজখনক পোহৰৰ পথেৰে অলপ আগুৱাই নিব পাৰে সাহিত্য আৰু সংস্কৃতিয়ে। শিক্ষকসমাজৰ প্ৰতি অনুৰোধ, উঠি অহা যুৱ-প্ৰজন্মক সুস্থ সবল আৰু মানবিক মূল্যবোধেৰে পৰিপুষ্ট, আদৰ্শবান নাগৰিক হ'বলৈ সহায় কৰক।

□□□□□

*"I learned that courage was not the absence of fear, but the triumph over it. The brave man is not he who does not feel afraid, but he who conquers that fear." -*

*Nelson Mandela*

# ডিব্ৰুগড়ৰ প্ৰথমখন কলেজ আৰু অশ্বিনীচৰণ চৌধুৰী

*মদন চন্দ্ৰ ডেকা*
*প্ৰাক্তন ছাত্ৰ*

অসমৰ প্ৰথমখন কলেজ 'কটন কলেজ' স্থাপনৰ ৪৪ বছৰৰ পিছত ১৯৪৫ চনত ডিব্ৰুগড়ত প্ৰথম কলেজ 'ডিব্ৰুগড় কলেজ' স্থাপন হয়। অথচ ইংৰাজ শাসনৰ আৰম্ভনিতে ডিব্ৰুগড় আছিল অসমৰ দ্বিতীয় প্ৰধান চহৰ। প্ৰথমখন আছিল ৰাজধানী চিলং। ১৯৪০ চনতে লক্ষীমপুৰ জিলাৰ সদৰ ঠাই হিচাবে ইংৰাজসকলে ইয়াক স্থাপন কৰিছিল। চাহপাত, কয়লা, খনিজ তেল, আদিৰে পৰিপূৰ্ণ এটা ডাঙৰ অঞ্চলৰ মাজ ঠাই হিচাবে ডিব্ৰুগড় আছিল এখন গুৰুত্বপূৰ্ণ চহৰ। ইংৰাজ সাম্ৰাজ্যৰ সীমামূৰীয়া চহৰ হিচাবেও ই আছিল অতি গুৰুত্বপূৰ্ণ। ১৯৪০ চনতে ইয়াত স্থাপিত হৈছিল এখন ল'ৰাৰ চৰকাৰী স্কুল। ১৮৮৫ চনত ইয়াতেই স্থাপিত হৈছিল অসমৰ প্ৰথম ছোৱালীৰ স্কুলখন। স্কুলীয়া শিক্ষাৰ এনে ঐতিহ্য স্বত্বেও ইয়াত কলেজ পতাৰ উমঘাম নাছিল। ১৯৪৫ চনত ইয়াত হাই স্কুলৰ সংখ্যা হৈছিল গৈ ছখন। ওচৰৰ খোৱাং, মৰাণতো ইতিমধ্যে হাইস্কুল স্থাপিত হৈছিল। তথাপি কলেজ পতাৰ কাৰ্যকৰী প্ৰচেষ্টা ইয়াত চলা নাছিল। ইমানবোৰ থাকিও কি নাছিল ডিব্ৰুগড়ত? কিহৰ অভাৱত অসমৰ বিভিন্ন ঠাইত সাতখনকৈ কলেজ হোৱালৈকে অসমৰ এই দ্বিতীয় চহৰখনত কলেজ স্থাপন হোৱা নাছিল? ইয়াত শিক্ষক হোৱাৰ অৰ্হতা থকা লোক আছিল, আছিল দান বৰঙণি দিয়া ৰাইজ। মাটি দিবলৈ চৰকাৰ আছিল। আনকি স্থায়ী ঘৰ-দুৱাৰ নোহোৱালৈকে কলেজ চলাবলৈ অস্থায়ীভাৱে চৰকাৰী ঘৰো পোৱা গৈছিল। ইয়াৰ আগেও কলেজ স্থাপনৰ চেষ্টা চলিছিল। কিন্তু আন্তৰিকতাৰে কলেজ এখনৰ অভাৱ অনুভৱ কৰা নেতাৰ অভাৱ আছিল। তেনে এজন নেতাৰ অভাৱ পূৰণ কৰিছিল ১৯৩৬ চনত কামৰূপ জিলাৰ বাইহাটাৰ পৰা ডিব্ৰুগড়লৈ অহা অশ্বিনীচৰণ চৌধুৰীয়ে। অভাৱৰ তাড়নাত নিজৰ পঢ়া আধা দুখীয়া হোৱা অশ্বিনীচৰণে মৰ্মে মৰ্মে অনুভৱ কৰিছিল তেওঁৰ দৰে দুখীয়া আৰু নিম্ন মধ্যবিত্তসকলৰ বাবে ডিব্ৰুগড়ত এখন কলেজৰ অভাৱ। তেওঁ পঢ়া জীৱন সামৰি ডিব্ৰুগড়ৰ পাব্লিক হাইস্কুলত শিক্ষকতা কৰাৰ উপৰি গৃহ শিক্ষকৰ কামো কৰিবলৈ লয়। অতি কম সময়ৰ ভিতৰতে তেওঁ শিক্ষক হিচাবে খ্যাতি অৰ্জন কৰে। তেওঁ আছিল শাৰীৰিক ভাৱে সুস্থ সবল আৰু মানসিক ভাৱে অতি দৃঢ় মনা।

অশ্বিনীচৰণ চৌধুৰীৰ দৰে শাৰীৰিক আৰু মানসিক শক্তিৰে ভৰপূৰ ডেকা ল'ৰা এজন কেৱল গৃহ শিক্ষকতা কৰিয়ে ক্ষান্ত থাকিব নোৱাৰিলে। ডিব্ৰুগড়ৰ সামাজিক জীৱনলৈ তেওঁ চকু দিলে। দেখিলে ঢেৰ কৰিবলগীয়া কাম পৰি আছে। বাহিৰৰ পৰা আহি ডিব্ৰুগড়ত থিতাপি লোৱাসকল নিজৰ ঘৰ-সংসাৰ লৈয়ে ব্যস্ত। থলুৱা সকলোৰে সেই একেই মানসিকতা। ঘৰ সংসাৰৰ বাহিৰলৈ গৈ বহল সমাজখনৰ কথা ভবা লোকৰ সংখ্যা তেনেই নগণ্য। সেই সময়ত অসম জুৰি অম্বিকাগিৰি ৰায়চৌধুৰীৰ অসম জাতীয় মহাসভাই বিস্তাৰ লাভ কৰিছে। এই মহাসভাই শুই থকা অসমবাসীক জগাই তোলাৰ আয়োজন কৰিছে। অশ্বিনীচৰণ চৌধুৰীয়ে ডিব্ৰুগড়তো এনে এক অনুষ্ঠানৰ অভাৱ মৰ্মে মৰ্মে অনুভৱ কৰিলে আৰু তাৰ ফলস্বৰূপে ডিব্ৰুগড়তো অসম জাতীয় মহাসভাৰ শাখা গঠিত হ'ল। তেৱেঁই হ'ল ইয়াৰ সম্পাদক। এয়া ১৯৩৮ চনৰ ঘটনা। সেই একেই চনতে ডিব্ৰুগড়বাসী ৰাইজে তেওঁক অসম সাহিত্য সভাৰ ডিব্ৰুগড় শাখাৰো সম্পাদক পাতিলে। এই দৰেই তেওঁ ডিব্ৰুগড়ৰ সামাজিক কাম কাজৰ মাজত

সোমাই পৰিলে। তেওঁ সততা আৰু কাম কৰা উদ্যমেৰে বহুজনৰ আপোন হৈ পৰিল। দুটাকৈ জাতীয় অনুষ্ঠানৰ সম্পাদক হৈ সামাজিক কাম-কাজলৈ তেওঁ ধাউতি বাঢ়িল। মনলৈ আহিল অসমৰ দ্বিতীয় চহৰ ডিব্ৰুগড়ত এখন কলেজৰ অভাৱৰ কথা।

সাধাৰণতে দেখা যায় যে কলেজ স্থাপনৰ বাবে চেষ্টা চলোৱা লোকসকল উচ্চ শিক্ষিত, কলেজৰ শিক্ষক হ'বৰ যোগ্যতা থকা লোক। উদাহৰণ স্বৰূপে যোৰহাটৰ কলেজ স্থাপনৰ ক্ষেত্ৰত তুলসীনাৰায়ণ শৰ্মা আৰু নলবাৰী কলেজৰ ত্ৰৈলোক্য নাথ গোস্বামীৰ কথাকে ক'ব পাৰি। এওঁলোক দুয়োজনেই পিছলৈ শিক্ষক, অধ্যক্ষ আদি হৈছিল। এই ক্ষেত্ৰত অশ্বিনীচৰণ চৌধুৰি আছিল ব্যতিক্ৰম। তেওঁ আছিল মাত্ৰ আই° এছ° চি°, পাছহে। কলেজৰ শিক্ষক হ'বৰ লায়কৰ নহ'লেও, সামাজিক প্ৰতিপত্তি থকা কোনো লোকে কলেজ স্থাপনৰ চেষ্টা চলালে তাত কাৰো একো ক'ব লগা নাথাকে। কিন্তু অশ্বিনীচৰণ চৌধুৰীৰ দৰে ডিব্ৰুগড়ত তেনেই নতুন, গুৰি-গোষ্ঠী হীন, শিক্ষকতা কৰি চলা মানুহ এজনৰ কলেজ স্থাপনৰ চেষ্টাক বহুতে সহজভাৱে ল'ব পৰা নাছিল। বহুজনে বহু কথা কৈছিল। বহুতে তেওঁৰ এই কাৰ্যক বলিয়াৰ বলিয়ালি বুলি উৰুৱাই দিছিল। আন বহুতে ইয়াক ডেকা ল'ৰাৰ অলীক কল্পনা বুলি ভাবিছিল। কিন্তু বিৰোধীসকলে জনা নাছিল যে অশ্বিনীচৰণ চৌধুৰি এলা-পেচা লোক নহয়। এই কম বয়সীয়া, কেৱল ইণ্টাৰমিডিয়েট, প্ৰতিপত্তিহীন দুখীয়া শিক্ষকজনৰ আছিল এক গভীৰ সামাজিক দায়বদ্ধতা। তেওঁ মানুহক দেখুৱাই নহয় - অতি নীৰৱে নিৰলে প্ৰতিটো খোজ দিছিল অতি সাৱধানে।

সকলো সামাজতে সংখ্যাত কমকৈ হ'লেও গুণী-জ্ঞানীজনক আদৰ কৰিব জনা লোক থাকেই , ডিব্ৰুগড়তো আছিল। এওঁলোকে অশ্বিনীচৰণ চৌধুৰীক ঠিকেই চিনিছিল। এওঁলোকেই তেওঁক প্ৰেৰণা যোগাইছিল। এওঁলোকৰ সাহসেৰে সাহসী হৈ আগবাঢ়ি গৈছিল অশ্বিনীচৰণ চৌধুৰী। তেওঁক অনুপ্ৰাণিত কৰা লোকসকলৰ ভিতৰত আছিল - বেণুধৰ ৰাজখোৱা, গোবিন্দ চন্দ শৰ্মা, গৌৰীপ্ৰভা চলিহা, শৰৎ দত্ত, বিপিন বৰগোহাঁই, সাৰদা শঙ্কৰ প্ৰসাদ দত্ত আদি। নবীন চন্দ্ৰ বৰদলৈ, ৰুদ্ৰ বৰা, সত্যেন্দ্ৰ নাৰায়ণ চৌধুৰী, যোগেন হাজৰিকা, আনোৱাৰ আলিৰ দৰে অনেক ছাত্ৰ বন্ধুৱে তেওঁক হাতে-কামে সহায় কৰিছিল।

১৯৪৫ চনৰ ১৫ জুন তাৰিখে তেতিয়াৰ জৰ্জ ইন্সটিটিউছনৰ এটা কোঠাত ডিব্ৰুগড়ৰ প্ৰথমখন কলেজ 'ডিব্ৰুগড় কলেজ' ৰ শুভাৰম্ভ হৈছিল। কোনো আড়ম্বৰ নোহোৱাকৈ, কোনো ৰাজহুৱা সভা-সমিতি নোহোৱাকৈ এচাম সামাজিকদায়বদ্ধ লোকৰ প্ৰেৰণাৰে অনুপ্ৰাণিত নীৰৱ কৰ্মী অশ্বিনীচৰণ চৌধুৰীৰ একাণপতীয়া চেষ্টাত ডিব্ৰুগড়ৰ প্ৰথমখন কলেজ স্থাপিত হৈছিল। (২০১১ চনত ডিব্ৰুগড় সাহিত্য সভাই অশ্বিনীচৰণ চৌধুৰীক ৯৮ তম জন্ম দিৱস উপলক্ষে ড° ভাৰতী দত্তৰ সম্পাদনাত প্ৰকাশ কৰা স্মৃতি গ্ৰন্থৰ একে নামৰ প্ৰবন্ধৰ কিছু সালসলনি কৰি লেখাটি যুগুত কৰা হৈছে।)

□□□□□

# সময়ৰ গতি আৰু কানৈ কলেজ

ড° আতিকুদ্দিন আহমেদ
উপাধ্যক্ষ তথা প্ৰাক্তন ছাত্ৰ

কানৈ কলেজ। সুন্দৰ ভৱনটোৱেই সকলোৰে বাবে এক অন্যতম আকৰ্ষণ সেয়েহে। সেয়েহে হয়তো সন্মুখৰ পথেদি পাৰ হৈ যাওঁতে প্ৰতিজন লোকেই এবাৰ নিজে কব নোৱাৰাকৈয়ে কলেজখনৰ ফালে চাই যায়। ১৯৭৩ চনত প্ৰাক্ স্নাতক শ্ৰেণীত নাম ভৰ্ত্তি কৰি ইয়াতেই পঢ়িছিলো। এইখন কলেজৰ আমি লগ পোৱা শিক্ষক সকলৰ প্ৰত্যেকেই যথেষ্ট গুণী-জ্ঞানী, অধ্যয়নপুষ্ট আৰু পণ্ডিতসুলভ ব্যক্তিত্বৰ অধিকাৰী আছিল। ইয়াত পঢ়ি নিজকে ধন্য মানিছো।

১৯৭১ চনত কানৈ কলেজৰ ৰূপালী জয়ন্তী সমাৰোহ অনুষ্ঠিত হৈছিল। তেতিয়া আমি স্কুলীয়া ছাত্ৰ। মোৰ মনত পৰে কানৈ কলেজৰ প্ৰদৰ্শনী চাবলৈ আমাৰ ছুটি দিয়াৰ কথা। বিজ্ঞান আৰু কলা শাখাৰ প্ৰদৰ্শনী বৃহৎ আকাৰত পতা হৈছিল। প্ৰাণী বিজ্ঞান, উদ্ভিদ বিজ্ঞান, পদাৰ্থ বিজ্ঞান, ৰাসায়ন, ভূগোল, নৃতত্ত্ব আদি বিভাগবোৰৰ বিভিন্ন আৰ্হি আৰু পৰীক্ষা-নিৰীক্ষাবোৰ চাই বহু কথা শিকিব পাৰিছিলো। সেইবোৰ অনুসন্ধানমূলক আৰু চিন্তা উদ্ৰেককাৰী আছিল। সেইদৰে কলা বিষয়ৰ চিত্ৰ আৰু ভাস্কৰ্য্য, বস্ত্ৰ, প্ৰাচীন মুদ্ৰা, বিভিন্ন জনজাতীয় লোকৰ সাজ-সজুলি, সাঁচি পাতৰ পুথি আদিয়ে আমাৰ মন খুব আকৰ্ষিত কৰিছিল।

কানৈ কলেজত শিক্ষকতা কৰিম নাই বা শিক্ষকতাই জীৱনৰ ব্ৰত হব বুলি কেতিয়াও ভবা নাছিলো। মন আছিল প্ৰতিযোগিতামূলক পৰীক্ষা দি প্ৰশাসনীয় সেৱালৈ যোৱাৰ। কিন্তু ভাগ্যৰ কি বিধান! ১৯৭৮ চনৰ ১ নভেম্বৰ তাৰিখে এই কলেজৰ অৰ্থনীতি বিভাগত শিক্ষক হিচাপে যোগদান কৰো। মই যোগদান কৰাৰ দিনাই উদ্ভিদ বিজ্ঞান বিভাগত সুবৰ্ণ ভূঞাঁ আৰু নৃতত্ত্ব বিভাগত তুলতুল বৰুৱা বাইদেৱে যোগদান কৰিছিল। মোৰ এমাহ মানৰ আগেয়ে ৰাজনীতি বিজ্ঞান বিভাগত শান্তনু সেনগুপ্তা আৰু প্ৰাণী বিজ্ঞান বিভাগত টুৰেণ দত্তই যোগ দিছিল।

কলেজত যোগদান কৰিয়েই এচাম অতি মেধাবী ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাবলৈ পাইছিলো। এওঁলোকে ১৯৮০ চনত স্নাতক পৰীক্ষা দিছিল। বৰ্ত্তমান এই সকল প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰি অতি সফলতাৰে জীৱন নিৰ্বাহ কৰি আছে। সময় পাৰ হোৱাৰ লগে-লগে কলেজত নবাগত বন্ধুৰ সংখ্যা বাঢ়ি আহিবলৈ ধৰিলে। প্ৰভাত কোঁৱৰে যোগদান কৰিলে ভূগোল বিভাগত, টুৰেণ দত্ত আহিল প্ৰাণী বিজ্ঞান বিভাগলৈ। বিশ্বজিত বৰুৱা আৰু ৰাজী কোঁৱৰে ক্ৰমে বুৰঞ্জী আৰু দৰ্শন বিভাগত যোগদান কৰিলেহি। তেতিয়া কলেজত এটা সুস্থ শৈক্ষিক পৰিবেশ আছিল। তদুপৰি খেলা-ধূলা, সংগীত নাটক ইত্যাদি সকলো বিষয়তে কলেজখনে সুনাম অৰ্জন কৰিছিল।

১৯৭৫ চনত আমি স্নাতক শ্ৰেণীত পঢ়ি থাকেতে কলেজ চৌহদতে নতুনকৈ নিৰ্ম্মাণ কৰা লালচন্দ কানৈ সোঁৱৰণী প্ৰেক্ষাগৃহটো মুকলি কৰা হয়। সেই দিনটোৰ স্মৃতি কেতিয়াও পাহৰিব নোৱাৰি। প্ৰেক্ষাগৃহটো মুকলি কৰিছিল তেতিয়াৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী নুৰুল হাচান দেৱে। মুকলি সভাখনিত সভাপতিত্ব কৰিছিল কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীযুত শৰৎ কুমাৰ দত্ত দেৱে। সেইদিনা সেই প্ৰেক্ষাগৃহতে আয়োজন কৰা সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানৰ মূল আকৰ্ষণ আছিল ড° ভূপেন হাজৰীকা।

১৯৭৯ চনত অসম আন্দোলনৰ সূচনা হয়। বিদেশী নাগৰিক বহিষ্কৰণৰ উদ্দেশ্যে অসমত প্ৰায় ছবছৰ ধৰি বন্ধ, হৰতাল, পিকেটিং, সত্যাগ্ৰহ আদি কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। ১৯৮০ চনৰ জানুৱাৰী মাহত এদিন ডিব্ৰুগড়ৰ ন্যায়িক কৰ্টৰ সমীপত থকা ফুলবাগানত অৱস্থান ধৰ্মঘট কৰি দিনটোৰ বাবে আমাৰ কলেজৰ শিক্ষক গোটে কাৰাবৰণ কৰে এই আন্দোলনৰ সমৰ্থনত। অন্য যিয়েই নহওক এই আন্দোলনৰ কেতবোৰ নেতিবাচক প্ৰভাৱ সমাজত পৰাটো একেবাৰে সত্য।

ইতিমধ্যে আমাৰ কলেজত কেইবাখনো সন্মিলন আৰু উচ্চ মানদণ্ডৰ বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ গৈছে। ইয়াৰ ভিতৰত ১৯৮৬ চনৰ উত্তৰপূব ভাৰত ভৌগোলিক সন্মিলন আৰু ১৯৮৭ চনত আয়োজিত অসম অধ্যক্ষ পৰিষদৰ সন্মিলন আৰু আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আয়োজন কৰা এখনি তৰ্ক-প্ৰতিযোগিতা প্ৰধান। তদুপৰি কেইবাখনো ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আলোচনা চক্ৰ আৰু কৰ্মশালা অনুষ্ঠিত হৈছে। অধ্যাপক তফজুল আলী চাৰৰ ড° যোগীৰাজ বসু সোঁৱৰণী বক্তৃতা অনুষ্ঠানটো ইমানেই মধুময় আছিল যে তাক ভাষাৰে বৰ্ণাব নোৱাৰি।

জীৱন আৰু জীৱিকাৰ উন্নতি সকলোৰে কামনা কৰে। আমাৰ মাজৰো এচাম শিক্ষক-শিক্ষয়ত্ৰীয়েও একে উদ্দেশ্যে বিভিন্ন সময়ত কানৈ কলেজ এৰি অন্য পদলৈ গুচি যায়। ইয়াৰে ভিতৰত ড° পৰীক্ষিত হাজৰীকা চাৰ যায় গুৱাহাটী বিশ্ববিদ্যালয়লৈ, ড° বিশ্বজিত বৰুৱা, বৈজয়ন্ত দত্ত, ড° দীপাঞ্জনা দত্ত, ড° পল্লবী বুজৰ বৰুৱা, স্বাতী কিৰণ, নয়ণমনি বৰগোঁহাই যায় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিভিন্ন শৈক্ষিক বিভাগলৈ। ড° মনোৰঞ্জন শৰ্ম্মাই যোগদান কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পদত, ড° ধীৰেণ বাচনেটো যায় তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিত বিভাগলৈ, ড° ধ্ৰুৱদেৱ লিম্বুৱে যোগদান কৰেগৈ উত্তৰ পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগত। প্ৰভাত কোঁৱৰ আৰু টুৰেণ দত্ত যায় অসম প্ৰশাসনীয় সেৱালৈ। কলেজ এৰি যোৱা অন্যান্য সকল হৈছে ধনী ৰাম বড়ো কটন কলেজলৈ, উত্তম বাথাৰি বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগলৈ, প্ৰশান্ত দাস অৰ্য্যবিদ্যাপীঠ কলেজলৈ, ড° দিলীপ ভূএঞা মনোহাৰী দেৱী কানৈ কলেজৰ অধ্যক্ষ পদলৈ, ড° পৰেশ বৰুৱা ডিব্ৰু কলেজৰ অধ্যক্ষ পদলৈ, ড° জ্যোতিৰেখা হাজৰীকা আৰু জ্যোতিমালা গোঁহাই ক্ৰমে জে, বি কলেজ আৰু টিংখং কলেজলৈ, বিনোদ বৰা আৰু ড° দেৱ পল্লৱ ৰাজখোৱা ক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক আৰু উপ-পৰীক্ষা সমূহৰ নিয়ন্ত্ৰক পদলৈ। এই সকলৰ আটায়েই কানৈ কলেজৰ শৈক্ষিক উন্নতিৰ বাবে বহুমূলীয়া অৱদান দি থৈ গৈছে।

কিছুদিনৰ আগলৈকে কলেজখনত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ বাবে বুনিয়াদি সা-সুবিধাৰ বহুতো অভাৱ আছিল। যেনে জিৰণী কোঠাৰ অভাৱ, খোৱা পানীৰ অসুবিধা, টয়লেটৰ অভাৱ, গ্ৰন্থাগাৰত পঢ়া শুনাৰ অসুবিধা, খেল পথাৰৰ অভাৱ, পাৰ্কিং শ্বেডৰ অভাৱ ইত্যাদি। কিন্তু আজিৰ তাৰিখত ইয়াৰে অধিকাংশ অভাৱ পূৰণ কৰিব পৰা হৈছে। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ অনুদানেৰে পুৰণি হৈ পৰা বিজ্ঞানাগাৰবোৰ নতুন আৰু শেহতীয়া বৈজ্ঞানিক আহিলা পাতিৰ সংযোজনেৰে উন্নত কৰি তোলা হৈছে। বৈদ্যুতিক শক্তিৰ নিয়মীয়া যোগানৰ বাবে উচ্চ ক্ষমতা সম্পন্ন জেনেৰেটৰ সংস্থাপন কৰা হৈছে। প্ৰায়বোৰ বিভাগতে কম্পিউটাৰ যোগান ধৰা হৈছে। লগতে কলেজ চৌহদত Wi-fi ব্যৱস্থাৰে ইণ্টাৰনেট সংযোগ কৰা হৈছে। এতিয়া কলেজৰ নতুনচাম শিক্ষকৰ মাজত অধ্যয়ন আৰু গৱেষণাৰ বাবে আগ্ৰহ বাঢ়ি অহাটো পৰিলক্ষিত হৈছে। ই- অতি আশাপ্ৰদ কথা।

যোৱা ২০০৩ চনত কলেজখনত NAAC ৰ পৰিদৰ্শন আৰু মূল্যায়ন কৰা হয়। সেই মূল্যায়নত কলেজখনে B++ গ্ৰেড পাবলৈ সক্ষম হয়। এতিয়া পুনৰ মূল্যায়নৰ সময়। ইয়াৰ বাবে যাৱতীয় প্ৰস্তুতি চলি আছে। সম্প্ৰতি দেশত গুণবিশিষ্ট শিক্ষা আৰু গৱেষণাৰ ওপৰত সবাৰ্ধিক গুৰুত্ব দিয়া হৈছে। আজিৰ পৰিবেশত সেয়েহে শিক্ষা জগতৰ সৈতে জড়িত সকলো লোকেই অতিশয় গতিশীল আৰু সচেতন হব লাগিব। এইখিনিতে

Alumni Association ৰ প্ৰসঙ্গও আহি পৰে। অৰ্থাৎ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰো বহুত কৰিব লগীয়া আছে। তেওঁলোকে পঢ়ি যোৱা কলেজখনলৈ উভটি চাব লাগিব। কলেজ খনৰ উন্নতিত এই সংস্থাই এটা গুৰুত্বপূৰ্ণ আৰু ইতিবাচক ভূমিকা লব পাৰে।

কাৰ্নে কলেজত পাৰ কৰা প্ৰতিটো মূহুৰ্ত্তই মোৰ বাবে অমূল্য আৰু পাহৰিব নোৱাৰা। এই কলেজত শিক্ষকৰূপে সুদীৰ্ঘ তিনিটা দশকৰো অধিক কাল পাৰ কৰিলো। মোৰ শ্ৰেণী কোঠাৰ পৰা বহু হেজাৰ ছাত্ৰী-ছাত্ৰী ওলাই গল আৰু মই জনামতে প্ৰায় সকলোৱেই আজি প্ৰতিষ্ঠিত। তদুপৰি আমাৰ বাবে এয়া অতি আনন্দৰ কথা এই যে আমি কলেজত পঢ়োৱা একাধিক ছাত্ৰ-ছাত্ৰী এতিয়া এইখন কলেজতে মোৰ সহকৰ্মী। আশাকৰো এই কলেজৰ ঐতিহ্য আৰু গৰিমা সদাই উজলি থাকিব। মই আশাবাদী।

□□□□□



# সাক্ষাৎ প্ৰসঙ্গ

*গীতিকাৰ, সুৰকাৰ, অনাতাঁৰ শিল্পী*
*প্ৰাক্তন অধ্যাপক তফজ্জুল আলি ছাৰৰ স'তে*

(যিসকল সুৰকাৰৰ মিঠা গীতৰ সুৰ আকাশবাণী গুৱাহাটী অনাতাৰ কেন্দ্ৰৰ আৰম্ভণী কালছোৱাত ন-ন সুৰৰ গীত পৰিবেশন কৰি অসমৰ শ্ৰোতা ৰাইজক তৃপ্তি প্ৰদান কৰিছিল - সেই সকলৰ ভিতৰত বৰ্ত্তমান আমাৰ কলেজৰ অধ্যাপক তফজ্জুল আলিচাৰৰ স্থান নিঃ সন্দেহে অন্যতম। শৈশৱৰে পৰা সংস্কৃতি জগতৰ সতে পৰিচিত চাৰৰ অভিজ্ঞতাৰ পৰা অসমৰ সুন্দৰ জগতৰ বহুতো তথ্য এই 'সাক্ষাৎ প্ৰসঙ্গটিত' প্ৰকাশ হৈছে।)

*সাক্ষাৎ গ্ৰহণ ঃ 'আলোচনী*
*সম্পাদক'ৰ সহযোগত*
*শ্ৰী তৰুণ কুমাৰ গগৈ।*

**আমাৰ প্ৰশ্ন ১ ঃ** সংস্কৃতি জগতৰ সতে আপোনাৰ সম্পৰ্ক কাহানিৰ পৰা? অসমৰ সংস্কৃতি জগতৰ বিষয়ে, আপোনাৰ অভিজ্ঞতাৰ পৰা কিছু কবনে?

ছাৰৰ উত্তৰ ঃ নিচেই লৰাকালৰে পৰা অৰ্থাৎ ছয়, সাত বছৰ বয়সৰ পৰা মোৰ 'সঙ্গীত আৰু অভিনয় কলাৰ লগত পৰিচয় ঘটে। মোৰ দেউতা বৃত্তিত চিকিৎসক আছিল যদিও এজন গুণী সঙ্গীতজ্ঞও আছিল। তেখেতৰ অধীনতে আৰু প্ৰেৰণাতে মই সঙ্গীতৰ প্ৰাথমিক শিক্ষা লাভ কৰো। পিছলৈ হৰেন চৌধুৰী, বিষ্ণু প্ৰসাদ ৰাভা, সঙ্গীত বিশাৰদ খগেন্দ্ৰ নাথ দাস, বৰগীতৰ ওজা দয়াল সুত্ৰধাৰ, নৰহৰি বুঢ়া ভকত আৰু পিছলৈ পুৰুষোত্তম দাস, ডক্টৰ ভূপেন হাজৰিকা, ব্ৰজেন বৰুৱা প্ৰমুখ্যে বহুতো গুণী সঙ্গীত শিল্পীৰ সংস্পৰ্শলৈ আহোঁ। তেখেতসকলৰ প্ৰত্যেকৰে পৰা অলপ নহয় অলপ দান মই কৃতজ্ঞতাৰে গ্ৰহণ কৰিছো। অৱশ্যে প্ৰথমতে মোৰ বাদ্য সঙ্গীতৰ প্ৰতিহে অধিক ৰাপ আছিল, কিন্তু ঘটনাৰ আকস্মিক সংযোগত পিছলৈ মই কণ্ঠসঙ্গীতৰ পিনে মনোযোগ দিওঁ। ঘটনাৰ আকস্মিক সংযোগ মানে ১৯৪৮ চনত (তেতিয়া মই দশম মান শ্ৰেণীৰ ছাত্ৰ) গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ মুকলি হোৱাৰ আগে আগে তাৰ বাবে শিল্পী বিচাৰি শ্ৰী বীৰেন ফুকন, শ্ৰীপুৰুষোত্তম দাস আৰু শ্ৰী উবেদুল লটিফ বৰুৱা মঙ্গলদৈলৈ যায়, তাৰ স্থানীয় কণ্ঠশিল্পীসকলৰ কণ্ঠস্বৰ পৰীক্ষাৰ বাবে। তাতে মই কেইবাগৰাকীও শিল্পীৰ লগত বাদ্য সঙ্গত কৰিছিলো। শেষলৈ আনশিল্পীসকলক বিদায় দি শ্ৰীফুকন আৰু শ্ৰীদাস ডাঙৰীয়াই মই সুৰ কৰা দুটামান গান মোৰ নিজৰ কণ্ঠত শুনিবলৈ বিচাৰিলে। কিয়নো ইতিমধ্যে গীত গাই যোৱা শিল্পীসকলৰ কেবাজনেও মই সুৰ সংযোগ কৰা গীত গাইছিলে। তেতিয়া মই গীত গোৱা নাছিলো যদিও মাজে সময়ে কিছুমান আনৰ আৰু নিজৰো ৰচনাত সুৰ সংযোগ কৰিছিলো। গতিকে তেখেত সকলৰ অনুৰোধ পেলাব নোৱাৰি মই মোৰ দুটিমান গীত তেখেতসকলক শুনাওঁ। মোৰ গীত শুনাৰ পিছত তেখেতসকলৰ তিনিওজন ভিতৰৰ কোঠা এটালৈ সোমাই গল আৰু প্ৰায় দহ মিনিটমানৰ পিছত ওলাই আহি মোক আচৰিত কৰি কলে যে কণ্ঠস্বৰ পৰীক্ষাত মই পাছ কৰিছো আৰু গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ মুকলি হলেই মই তাৰ পৰা গীত পৰিবশেন কৰিব লাগিব। ১৯৪৮ চনৰ জুলাই মাহত গুৱাহাটী অনাতাৰ কেন্দ্ৰ আনুষ্ঠানিকভাবে মুকলি হয় আৰু সেই বছৰৰ আগষ্ট মাহৰ পৰা ১৯৫৬ চনৰ জুন মাহলৈকে এই আঠ বছৰকাল মই সেই কেন্দ্ৰৰ পৰা আধুনিক গীত আৰু বনগীত পৰবিেশন কৰিছিলোঁ। ১৯৫৬ চনৰ জুলাই মাহত আমাৰ কলেজলৈ চাকৰি কৰিবলৈ অহাৰ পিছৰে পৰা নানা অসুবিধাৰ বাবে গুৱাহাটী অনাতাৰ কেন্দ্ৰৰ পৰা গীত গোৱা বন্ধ হয়।

অসমৰ সংস্কৃতি আচলতে বৰ বিচিত্ৰ সমলৰে গঠিত। পাহাৰৰ কথা বাদ দিও শদিয়াৰে পৰা ধুবুৰীলৈ অসমীয়া সংস্কৃতিৰ নানা ৰূপ আৰু ৰং দেখিবলৈ পোৱা যায়। মোৰ ঘৰ দৰং জিলাৰ মঙ্গলদৈ মহকুমাত হোৱাৰ কাৰণেই মই এটা সুবিধা পাইছো যে নামনি আৰু উজনি অসমৰ সাংস্কৃতিক বৈশিষ্টৰ সৈতে সমানে পৰিচিত হব পাৰিছো। 'সংস্কৃতি' শব্দটোৰ অৰ্থ বৰ ব্যপক যদিও আমাৰ নাট, গীত, চিত্ৰকলা আদিৰ মাজেদি আমাৰ সংস্কৃতিৰ স্বকীয় বৈশিষ্ট বহুখিনি অনুভৱ কৰিব পাৰি। উজনিৰ বিহুগীত আৰু বনগীতৰ দৰেই নামনি অসমৰ ওজাপালি, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত আদিৰো একোটা নিজস্ব ৰূপ আছে। এই ভিন্ন ৰূপৰ সমাবেশত হে অসমীয়া সংস্কৃতিৰ বৰঘৰ সৃষ্টি হৈছে। তাতে বড়োকছাৰী প্ৰমুখ্যে জনজাতীয় অৱদান নিচেই কম নহয়। অৱশ্যে এনেবোৰ সমন্বয়ৰ যথাযথ গৱেষণা আৰু মূল্যায়ন এতিয়ালৈকে ভালদৰে হোৱা বুলি কব নোৱাৰি। মই নিজে জনাৰ ভিতৰত স্বৰ্গীয় জ্যোতিপ্ৰসাদ আগৰৱালাই নিভাজ অসমীয়া সঙ্গীতৰ ক্ষেত্ৰত নানা পৰীক্ষা-নিৰীক্ষা চলাই চাইছিল। তেখেতৰ পিচতে স্বৰ্গীয় বিষ্ণুৰাভাদেৱে অসমীয়া সংস্কৃতিলৈ জনজাতীয় অৱদান সম্পৰ্কে ভালেখিনি তথ্য সংগ্ৰহ কৰিছিল যদিও সেই বিষয়ে আৰু ভালদৰে গৱেষণা কৰাৰ সময় আৰু সুবিধা তেখেতে নাপালে। শ্ৰীপুৰুষোত্তম দাসেও আমাৰ ধ্ৰপদী শঙ্কৰী সঙ্গীত আৰু কামৰূপী লোকগীতৰ বিষয়ে যথেষ্ট চৰ্চা কৰিছে। বৰ্ত্তমান সময়ত ডক্টৰ ভূপেন হাজৰিকাই তেখেতৰ অতুলনীয় সৃজনী প্ৰতিভাৰে আমাৰ লোকসঙ্গীতৰ সৈতে আধুনিক গীতৰ অপূৰ্ব্ব সমন্বয় ঘটাইছে। সু-শিল্পী অধ্যাপক বীৰেন্দ্ৰ নাথ দত্তয়ো গৌৰীপুৰৰ লোক-সঙ্গীত তথা লোক-সংস্কৃতিৰ বিষয়ে গৱেষণা চলাই থকা বুলি গম পাইছো। এইবোৰ হ'ল ব্যক্তিগত প্ৰচেষ্টাৰ কথা। আনহাতে আনুষ্ঠানিক ভাবেও অধুনালুপ্ত অসম সঙ্গীত সন্মিলন, সঙ্গীত নাটক একাডেমী, অসম নাট্য-সন্মিলন আৰু অন্যান্য স্থানীয় অনুষ্ঠানবোৰেও কিছু প্ৰচেষ্টা চলাই আছে। কিন্তু প্ৰায়বোৰ ৰাজহুৱা অনুষ্ঠানৰে আয়ুস চুটি হোৱাৰ বাবে আৰু এ অনুষ্ঠানবোৰেও আশানুৰূপভাবে সক্ৰিয় নোহোৱাৰ বাবেই এইবোৰে আমাৰ সংস্কৃতিলৈ উল্লেখযোগ্য বৰঙণি যোগাব পাৰিছে বুলি কব নোৱাৰি। অৱশ্যে অপ্ৰিয় হলেও এটা সত্য কথা ক'বই লাগিব যে সংস্কৃতি সাধনাত ব্য ক্তিগত আৰু ৰাজহুৱা উভয় ক্ষেত্ৰতে যি একাগ্ৰতা আৰু অধ্যৱসায়ৰ প্ৰয়োজন, তাৰ তীব্ৰ অভাৱ আমাৰ জাতীয় জীৱনত দেখা গৈছে। তদুপৰি এনে স্থিৰ প্ৰজ্ঞাৰে নেতৃত্ব দিব পৰা লোকো বৰ্ত্তমানলৈকে ওলোৱা নাই।

**আমাৰ প্ৰশ্ন ২ ঃ** গীতিকাৰ, সুৰকাৰ আৰু বহুতো একাঙ্ক নাটৰ সফল লিখক হিচাবে সফলতাৰে আত্মনিয়োগ কৰাৰ প্ৰেৰণা আপুনি ক'ৰ পৰা পালে?

ছাৰৰ উত্তৰ ঃ সুৰকাৰস্বৰূপে মোৰ অভিজ্ঞতাৰ কথা আগতে উল্লেখ কৰিছো। গীত ৰচনাৰ ক্ষেত্ৰত মই প্ৰথম প্ৰেৰণা পাওঁ মোৰ ভিনিহিদেউ খ্যাতনামা সাহিত্যিক এম. ইব্ৰাহিম আলিদেৱৰ পৰা। মোৰ কৈশোৰ কালতে মাধৱ বেজবৰুৱা সম্পাদিত "বাঁহী" আলোচনীৰ যোগেদি সেই সময়ত আলিদেৱে কবি হিচাবে যথেষ্ট সুখ্যাতি লাভ কৰিছিল। কবিতা ৰচনাৰ প্ৰতি বোধ হয় মোৰ স্বাভাৱিক প্ৰৱণতা নাছিল, কিন্তু ভিনিহীদেউৰ কবিতাবোৰেই মোক গীত ৰচনা কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল। যিমানদূৰ মনত পৰে মই ষষ্ঠমান শ্ৰেণীত পঢ়ি থাকোঁতে বঙলা গীত এটাৰ সুৰ অনুকৰণ কৰি 'শক্তিময়ী অসমা জননী' এই শিতানত মোৰ প্ৰথম গীতটো লিখিছিলো। তেতিয়াৰে পৰা ভিনিহীদেউ আৰু দেউতাই সততে মোক গীত ৰচিবলৈ আৰু তাৰ সুৰাৰোপ কৰিবলৈ উদ্‌গনি দিছিল।

নাটকৰ ক্ষেত্ৰত মই সৰুৰে পৰা ডাঙৰ সকলে কৰা অভিনয়ত অংশ গ্ৰহণ কৰাৰ সুযোগ পাইছিলো। আৰু এতিয়া কবলৈ অলপ লাজ লাগে আৰু হাঁহিও উঠে যে সেই সময়ত মই স্ত্ৰী ভূমিকাত' অভিনয় কৰিছিলো। হাইস্কুলীয়া জীৱনত নৱম-দশম শ্ৰেণীত প্ৰথমতে মই দুই এটা চমু নাটকীয় দৃশ্য লিখি মোৰ বন্ধুসকলৰ সহযোগত অভিনয় কৰিছিলো। তাৰ ভিতৰত মোৰ মনত পৰে 'বিহু' 'শেষ ৰণ', 'পতন' আদি চমু নাটকীয় দৃশ্যবোৰ। অৱশ্যে

এইবোৰৰ কাহিনী মই আন ঠাইৰ পৰা ধাৰ কৰিছিলো। কলেজীয়া জীৱনত মাজে সময়ে সৰু-সুৰা ভুমিকাত নিজৰ ঠাইত অভিনয় কৰিছিলো যদিও সঙ্গীতৰ প্ৰতি অধিক মনোযোগ দিয়াৰ কাৰণে এই সময়ত নাটকৰ লগত মোৰ সম্পৰ্ক ক্ষীণ হৈ আহে। আকৌ স্নাতকোত্তৰ মহলাত পঢ়ি থাকোতে গুৱাহাটী বিশ্বদ্যিালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে দিল্লীত হোৱা প্ৰথম যুৱ মহোৎসৱলৈ ১৯৫৮ চনত বিশ্ববিদ্যালয়ৰ দলটো সংগঠনৰ ভাৰ মোৰ ওপৰত পৰে। আৰু তেতিয়াই আমাৰ দলটিয়ে নিয়া মঞ্চনাটখনৰ পৰিচালনাৰ দায়িত্বও মই লবলগীয়া হয়। অনাতাঁৰ নাটখন এৰাবাটৰ সুৰ পৰিচালনা কৰিছিল সেই সময়ত বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ ভূপেন হাজৰিকা দেৱে। তেতিয়াৰ পৰা নাটকৰ লগত সম্পৰ্ক আকৌ অলপ ঘনিষ্ঠ হয়। অৱশ্যে পিছলৈ আমাৰ কলেজত যোগ দিয়াৰ পিছত নিতান্ত প্ৰয়োজনৰ তাগিদাত অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলৰ মৰম সনা দাবীত দুই এখন একাঙ্ক মাটি লিখিবলৈ ধৰো। যদি প্ৰেৰণাৰ কথা সোধা হয় তেনেহলে মই নিশ্চয় কব লাগিব যে সেইসকল (১৯৫৬-৫৭) চনৰ কানৈ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলেই মোৰ নাট ৰচনাৰ মূল প্ৰেৰণা। নাটকৰ আঙ্গিক বা বিষয় বস্তুৰ ক্ষেত্ৰত অসমীয়া, খ্যাতিমান নাট্যকাৰ সকলৰ বিশেষকৈ স্বৰ্গীয় জ্যোতি প্ৰসাদ আগৰৱালা আৰু বিভিন্ন বিশ্ববিখ্যাত নাট্যকাৰ সকলৰ ৰচনাৱলীৰ অধ্যয়নে মোৰ ওপৰত প্ৰভাৱ পেলাইছে, আৰু মোক প্ৰেৰণা যোগাইছে। বিদেশী নাট্যকাৰসকলৰ ভিতৰত ইবছেনৰ আঙ্গিক আৰু ছেকভৰ উপস্থাপন ৰীতি সেই সময়ত মোৰ বৰ ভাল লাগিছিল। অৱশ্যে নাটৰচনাৰ ক্ষেত্ৰত মোৰ প্ৰচেষ্টা নিচেই নগণ্য বুলি কলে বিনয় কৰা নহয়।

**আমাৰ প্ৰশ্ন ৩ ঃ** আপোনাৰ সুন্দৰ সম্পাদনাত প্ৰকাশিত হোৱা 'সঙ্গম' ডাইজেষ্ট পত্ৰিকা এসময়ত অসমৰ জনসাধাৰণে সাদৰেৰে আদৰি লৈছিল — পত্ৰিকাখনৰ অসাধাৰণ বুদ্ধিদীপ্ত দিশটোৰ আকৰ্ষণতে। এনে এখন আলোচনী বন্ধ হৈ যোৱাটো অসমৰ বাবে 'দুৰ্ভাগ্য' স্বৰূপ। কাকতখনি পুনৰ প্ৰকাশ কৰিব নোৱাৰিনে?

ছাৰৰ উত্তৰ ঃ 'সঙ্গম' ডাইজেষ্ট পত্ৰিকাখন আমি সীমান্তিক প্ৰকাশন নামৰ অনুষ্ঠান এটিৰ যোগেদি সমূহীয়া প্ৰচেষ্টাৰে প্ৰকাশ কৰি চাৰিবছৰ কাল চলাই প্ৰকাশ বন্ধ কৰিবলগীয়া হৈছে, কিছুমান প্ৰতিকুল অৱস্থাৰ কাৰণে। তাৰ প্ৰথম অসুবিধাটো হ'ল আলোচনীখনৰ ব্যৱসায়ীক দিশটো চাবলৈ আমাৰ মাজত মানুহৰ অভাৱ। দ্বিতীয় কথা, কাকত বিক্ৰেতা এজেন্ট সকলৰ সহযোগীতাৰ অভাৱ। এতিয়াও এজেন্টসকলৰ পৰা আমাৰ পাবলগীয়া কেইবা হাজাৰো টকা উদ্ধাৰ কৰিব পৰা নাই। তৃতীয়তে এটা নিজস্ব প্ৰেছ নথকাত মাজে সময়ে আমি যথেষ্ট আহুকাল পাইছো আৰু আলোচনীখনো আমাৰ মনঃপূতকৈ প্ৰকাশ কৰিব পৰা নাই। কাকতখনি পুনৰ প্ৰকাশৰ বিষয়ে আমি চিন্তা আলোচনা কৰি আছো। তোমালোকে এনে আগ্ৰহ দেখুওৱা বাবে আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো।

**আমাৰ প্ৰশ্ন ৪ ঃ** এতিয়ালৈকে আপোনাৰ প্ৰকাশিত হোৱা ৰচনাৰাজি কি কি? আপোনাৰ মতে আপোনাৰ লেখা সমূহৰ ভিতৰত আটাইতকৈ উৎকৃষ্ট কোনটো? নকৈ আপুনি কিবা প্ৰকাশ কৰাৰ আঁচনি কৰিছে নেকি?

ছাৰৰ উত্তৰ ঃ এতিয়ালৈকে মোৰ তিনিখন গীতৰ পুথি আৰু দুখন একাঙ্ক নাট প্ৰকাশ হৈছে। গীতৰ পুথি কেইখন হ'ল, "মন্দাক্ৰান্তা", "অঘৰী ককাইদেউৰ গীত" আৰু "অনুষ্টুপ" একাঙ্কিকা দুখন হ'ল, — "বেড নম্বৰ ফাইভ", আৰু "নেপাতি কেনেকৈ থাকো"। প্ৰৱন্ধ জাতীয় ৰচনা মই বৰ কম লিখিছো আৰু তেনে ৰচনা সমূহ কলেজ আৰু বিশ্বদ্যিালয়ৰ আলোচনীত আবদ্ধ হৈ আছে।

মোৰ নিজাৰ ভাল লগা গীত সমূহৰ কেইটিমান হৈছে, (ৰচনা কাল অনুযায়ী) (১) 'মন্দাক্ৰান্তা' মোৰ কবিতাৰ কোন তুমি "মধুছন্দা" (২) মোৰ সতে মোৰ জীৱনৰ হয় নিভৃত আলাপন, (৩) 'অ' জীৱন, তোক ক'ত ৰূপত দেখিলো'। প্ৰকাশিত নাট দুখনৰ ভিতৰত নাটকীয়া গুণৰ ফালৰ পৰা "নেপাতি কেনেকৈ থাকো"খন মোৰ অধিক ভাল লাগে।

এতিয়া মই "অস্তাৰগ" নামেৰে গীতৰ সঙ্কলন এটি আৰু পাঁচখনমান একাঙ্কিকাৰ এটি সঙ্কলন প্ৰকাশ কৰাৰ কথা ভাবি আছোঁ। গীতৰ কাম শেষ হৈছে। তিনিখন একাঙ্কিকাও হাত ফুৰাই প্ৰেছৰ কাৰণে সাজু কৰিছো। ইয়াৰে এখন (বাসন্তীৰ বিয়া) ৰেডিঅ' নাট হিচাবে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰ হৈছিল। চতুৰ্থ আৰু পঞ্চম নাট দুখনৰ পাণ্ডুলিপি হৈছে যদিও ক'তো মঞ্চস্থ কৰা হোৱা নাই। সেয়েহে ততালিকে ছপাই উলিয়াবলৈ সঙ্কোচ বোধ কৰিছো — কিয়নো দুয়োখন নাটেই কিছু পৰিমানে পৰীক্ষামূলক নাট হ'ব। ইয়াৰ উপৰিও অসম সাহিত্য সভাই আধুনিক যুগৰ আৰম্ভনীৰে পৰা সাম্প্ৰতিক কাললৈকে উল্লেখযোগ্য একাঙ্ক নাটৰ সঙ্কলন এটি প্ৰকাশ কৰিবলৈ সঙ্কল্প কৰি সম্পাদনাৰ ভাৰ মোৰ ওপৰত দিছে। তাৰ কামতো মই নিজকে যথেষ্ট নিয়োগ কৰিবলগীয়া হৈছোঁ।

**আমাৰ প্ৰশ্ন ৫ ঃ** অসমৰ আধুনিক গীতৰ বৰ্ত্তমান ধাৰাৰ বিষয়ে আৰু একাঙ্ক নাট্য আন্দোলনৰ জন্মদাতা হিচাবে ইয়াৰ বিষয়ে কিছু কৰনে?

ছাৰৰ উত্তৰ ঃ অসমীয়া আধুনিক গীতৰ বৰ্ত্তমান ধাৰা অতি আশাপ্ৰদ। এই ক্ষেত্ৰত আচলতে আমি দুটা ধাৰা দেখিবলৈ পাওঁ — এটাত নতুন নতুন সুৰ সৃষ্টিৰ পিনে অধিক মনোযোগ দিয়া হৈছে আৰু আনটিত গীতৰ ৰচনা সৌষ্ঠৱ অৰ্থাৎ কাব্যিক গুণৰ পিনে অধিক লক্ষ্য ৰাখিছে। দুয়োটা ধাৰাতে উল্লেখযোগ্য সৃষ্টি নোহোৱা নহয়। মোৰ বোধেৰে কেৱল শ্ৰুতি মধুৰ সুৰ অথবা কেৱল কাব্যিক গুণত চহকী-ৰচনাই সাৰ্থক আধুনিক গীতৰ সৃষ্টি কৰিব পাৰে। এনে সংযোগ বিভিন্ন শিল্পীৰ দুই চাৰিটা গীতত সংঘটিত হলেও বোধহয় একমাত্ৰ ডঃ ভূপেন হাজৰিকাৰ গীতত হে ধাৰাবাহিক ৰূপে প্ৰকাশিত হৈ আহিছে। সেই কাৰণেই তেখেতক অসমীয়া আধুনিক গীতৰ ক্ষেত্ৰত অপ্ৰতিদ্বন্দ্বী শিল্পী বুলি স্বীকৃতি দিয়াত মোৰ মনত কোনো দ্বিধা নাই। ডক্টৰ হাজৰিকা নিজেই অন্য সাধাৰণ প্ৰতিভাশালী গীতিকাৰ, সুৰকাৰ আৰু সুগায়ক হোৱাৰ বাবেই বোধহয় এনে সমন্বয় সম্ভৱ হৈছে। অন্যান্য শিল্পীৰ ক্ষেত্ৰত এনে মনি কাঞ্চন সংযোগ নঘটিলেও বহুতেই যথেষ্ট সফলতাৰে আধুনিক গীতৰ পৰীক্ষা নিৰীক্ষ চলাই আছে।

এই সকলোৰে প্ৰচেষ্টাই অসমীয়া আধুনিক গীতক অদূৰ ভৱিষ্যতে এহাতে শৈল্পিক সৌষ্ঠৱেৰে আৰু আনহাতে ব্যৱসায়িক মান দানেৰে সৰ্ব্বভাৰতীয় ক্ষেত্ৰত আগ শাৰীত ঠাই দিব বুলি মোৰ দৃঢ় বিশ্বাস। অৱশ্যে আধুনিক গীতৰ চৰ্চ্চাত এনে গহীন প্ৰচেষ্টাৰ সমান্তৰাল ভাবে এটি সস্তীয়া তৰল ধাৰাও চলি আছে, মানে ভাল দৰেই চলি আছে। তাৰ বাবে শঙ্কিত হোৱাৰ কাৰণ নাই। সময়ৰ সোঁতত ভালবোৰ ৰৈ যাব আৰু আৱৰ্জ্জনাবোৰ লোপ পাব। এইটো সকলো কালতে হয়।

আগৰ 'সদৌ অসম একাঙ্ক নাট্য সন্মিলন' আজি কেইবছৰমানৰ পৰা "অসম নাট্য সন্মিলন" নামেৰে জনাজাত হৈছে। ১৯৫৯ চনত 'ডিব্ৰুগড়ত শ্ৰী হাচান চৰিফ আহমেদ আৰু শ্ৰী অনিল শৰ্ম্মাৰ নেতৃত্বত এদল উৎসাহী ডেকাৰ প্ৰচেষ্টাত হোৱা এখনি সদৌ অসম পৰ্যায়ৰ একাঙ্ক নাট প্ৰতিযোগিতা এই অনুষ্ঠানৰ অঙ্কুৰ স্বৰূপ। এই অনুষ্ঠানৰ আৰম্ভনীৰে পৰা তাৰ সাধাৰণ সম্পাদক স্বৰূপে পাঁচ বছৰ কাল মই ইয়াৰ লগত জড়িত আছিলো। মোৰ বোধেৰে আমি সংগঠন কৰা কালছোৱাত এই অনুষ্ঠানটিয়ে অসমৰ নাট্যকাৰ, নাট্যশিল্পী আৰু নাট্যানুৰাগী লোকসকলৰ মাজত এক নতুন উদ্দীপনাৰ সহাৰি জগাব পাৰিছে, এতিয়াও ই শদিয়াৰে পৰা ধুবুৰীলৈ সকলোৰে আগ্ৰহ আৰু কৌতুহলৰ স্থল হৈ আছে। মই অনুভৱ কৰো যে অসমীয়া নাট্য সাহিত্য আৰু ৰঙ্গমঞ্চৰ উন্নতিৰ বাবে এনে এটি অনুষ্ঠানৰ অতীৱ প্ৰয়োজন। কিন্তু দুখৰ বিষয় যে এহাতে অসমত এচাম সু-প্ৰতিষ্ঠিত নাট্যশিল্পী আৰু অসম চৰকাৰৰ উপযুক্ত সহযোগীতাৰ অভাৱত অসম নাট্য সন্মিলনেও আশানুৰূপ ভাবে কাম কৰিব পৰা নাই। এনে অৱসাদ আৰু নিস্ক্ৰিয়তা আমাৰ সকলোবোৰ ৰাজহুৱা অনুষ্ঠানতে দেখা যায়। কিন্তু কিয় এনে হয়, মই ভালদৰে বুজিব পৰা নাই। এইটো আমাৰ জাতীয় চৰিত্ৰৰ এটা দুখ-লগা দুৰ্ব্বলতা নহয় তো?

গুৱাহাটীত মহা আড়ম্বৰেৰে উদ্‌যাপন কৰা জাতীয় নাট্যশালাও দেখোন ফুটুকাৰ ফেন হে হ'ল? সেইহে মই বিশ্বাস কৰো যে অসমৰ উদীয়মান শিল্পীসকলে স্বপ্নমোদিত হৈ গঠন কৰা অসম নাট্য সন্মিলনৰ এনে এটি সম্ভাৱনাময় ভৱিষ্যত আছে — যদিহে ই অহেতুক ক্লান্তিত জুপুকা মাৰি বহি নাথাকে।

**আমাৰ প্ৰশ্ন ৬ ঃ** আপোনাৰ জীৱন দৰ্শন কি?

ছাৰৰ উত্তৰ ঃ এইটো বৰ টান প্ৰশ্ন। যদি সোধা মোৰ জীৱনৰ উদ্দেশ্য কি? তেনেহলে মই কম সৎভাৱে কাম কৰি সৎভাৱে জীৱন যাপন কৰা, আৰু পাৰিলে লগতে নিজৰ সামৰ্থ্য অনুযায়ী যি পাৰো সৃষ্টি কৰি সকলোৰে কল্যাণ সাধন কৰা। মই ভাবো যে প্ৰত্যেক জন মানুহে নিজৰ প্ৰতি আৰু সমাজৰ প্ৰতি সৎ হবলৈ চেষ্টা কৰা উচিত। চেষ্টা কৰা উচিত বুলি মই এই কাৰণেই কৈছো যে বৰ্ত্তমান যুগত আৰু বোধ হয় সকলো যুগতেই সৎ হোৱাটো বৰ সহজ কাম নহয়। সেইটো মই নিজৰ জীৱনতে প্ৰমাণ পাইছো। বহুবাৰ পিছলো খাইছো — আৰু বহুবাৰ উঠিছো। এতিয়াও মোৰ সেই প্ৰচেষ্টা অবিৰত ভাবে চলি আছে। যদি জীৱন দৰ্শন বুলিব পাৰি তেনেহলে সৎ হোৱাৰ সংগ্ৰামেই মোৰ জীৱন দৰ্শন।

**আমাৰ প্ৰশ্ন ৭ ঃ** আপোনাৰ 'হবি' কি?

ছাৰৰ উত্তৰ ঃ শিক্ষকতাকেই জীৱিকাৰ বৃত্তি হিচাবে লোৱাৰ কাৰণে এক প্ৰকাৰে সাহিত্য সঙ্গীতৰ চৰ্চ্চাও মোৰ বাবে 'হবি'য়েই হৈ পৰিছে। ইয়াৰ উপৰিও মোৰ এটা ডাঙৰ চখ হল বাগিছাৰ কাম কৰা। শাক-পাচলিৰে পৰা ফুললৈকে সকলোৰে যত্নলৈ মই বৰ আনন্দ পাওঁ। এটা অঙ্কুৰৰ পৰা এজোপা পৰিণত গছ হোৱাৰ মাজত যি ৰহস্য আছে, সি সদায় মোক মুগ্ধ কৰি আহিছে।

**আমাৰ প্ৰশ্ন ৮ ঃ** বৰ্ত্তমান ভাৰতীয় সমাজ আকাশলৈ প্ৰবেশ কৰা পাশ্চাত্য সঙ্গীতৰ প্ৰভাৱ সম্পৰ্কে আপোনাৰ মতামত কি?

ছাৰৰ উত্তৰ ঃ সঁচা কথা কবলৈ হলে ভাৰতীয় তথা অসমীয়া আধুনিক সঙ্গীতৰ ওপৰত পাশ্চাত্য সঙ্গীতৰ কোনো গভীৰ বা ব্যাপক প্ৰভাৱ বৰ্ত্তমানলৈকে পৰা বুলি মই স্বীকাৰ নকৰো। মই নিজেও তিনিবছৰমান পাশ্চাত্য সঙ্গীতৰ প্ৰশিক্ষণ লৈছিলো। তাৰ সামান্য অভিজ্ঞতাৰ পৰা এইখিনিকে কব পাৰো যে ভাৰতীয় সঙ্গীতৰ দৰে পশ্চিমীয়া সঙ্গীতৰো এক গভীৰ বিশাল আৰু স্বকীয়ৰূপ আছে। সেই ৰূপৰ সৰ্বাঙ্গীন আমদানি ভাৰতীয় সঙ্গীতৰ ক্ষেত্ৰত সম্ভৱ নহয়, যদিও তাৰ কিছু অলঙ্কাৰ আমি ব্যৱহাৰ কৰিব পাৰো। বৰ্ত্তমানে আমাৰ সঙ্গীতত পাশ্চাত্য সঙ্গীতৰ কিছু উপৰুৱা আৰু সস্তীয়া অনুকৰণ চলিছে। এইবোৰ সাময়িক ঢৌ বুলি মই ভাবো। এক শ্ৰেণীৰ লোকৰ পাশ্চাত্য সঙ্গীত প্ৰীতিও কেতিয়াবা দেখা যায়। কিন্তু ইয়াৰ কিমানখিনি খাঁটি আৰু কিমানখিনি নিজকে কিবা এক প্ৰকাৰৰ Cultured বা সংস্কৃতিবান বুলি চিনাকী দিয়াৰ হাবিয়াস বুজিবলৈ টান। কিয়নো যি সকলে সঙ্গীতৰ বিষয়ে প্ৰাথমিক জ্ঞান লাভ কৰিব পৰা নাই. — তেওঁলোকে আকৌ কোনো প্ৰশিক্ষণ নোহোৱাকৈ পাশ্চাত্য সঙ্গীতৰ ৰস গ্ৰহণ কৰিব কেনেকৈ?

**আমাৰ প্ৰশ্ন ৯ ঃ** আপুনি আমাৰ কলেজলৈ পোনতে আহোঁতে কলেজখনত এটি উৎকৃষ্ট সাংস্কৃতিক বাতাবৰণৰ (Cultural Atmosphere) সৃষ্টি হৈছিল আৰু আপোনাৰ অনুপ্ৰেৰণাতে এই ক্ষেত্ৰত কলেজৰ বুৰঞ্জীত এটা নতুন অধ্যায়ৰ সৃষ্টি হৈছিল। কিন্তু আমি কলেজলৈ নবাগত হিচাবে অহাৰ পিছৰে পৰা এই ক্ষেত্ৰত আপোনাৰ নিৰৱতা দেখি আমাৰ প্ৰত্যেকৰে মনত কৌতুহলৰ সৃষ্টি হৈছে। আপোনাক আকৌ কেতিয়াৰ পৰা এই ক্ষেত্ৰত সক্ৰিয় হৈ পৰা দেখিবলৈ পাম?

ছাৰৰ উত্তৰ ঃ এইটো মোৰ কাৰণে বৰ অস্বস্তিকৰ প্ৰশ্ন হৈছে আৰু তোমালোকৰ শিক্ষক কাৰণেই বোধহয় মোক তোমালোকে বেছিকৈ তুলি ধৰিছা। আচলতে মই প্ৰথমে কলেজৰ কামত যোগ দিওতে এদল বৰ উৎসাহী আৰু প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰী পাইছিলো। ময়ো তেতিয়া এতিয়াতকৈ ডেকা আছিলো আৰু উৎসাহ উদ্দীপনাও আছিল প্ৰচুৰ। তাৰ পিচতে মোৰ ব্যক্তিগত জীৱনত অপ্ৰত্যাশিতভাবে কিছুমান আঘাত আৰু আহুকাল আহিল যি বিলাকৰ কথা মই ইয়াত কবলৈ ইচ্ছা নকৰো। আনহাতে ক্ষন্তেকীয়া উলাহেৰে কৰা আনন্দ-

উৎসৱবোৰৰ সৰ্ব্বকালীন সাৰ্থকতা সম্পৰ্কেও মোৰ মনত সন্দেহ উপজিল। শিক্ষক হিচাবে আমাৰ কলেজত শিক্ষা আৰু কলা সাধনাৰ মাজত সকলো ফালৰে পৰা সমন্বয় সাধনৰ চেষ্টাৰ তীব্ৰ অভাৱ মই অনুভৱ কৰিলো। লগতে কলেজৰ সকলো স্তৰতে অনুশাসন আৰু নিয়মানুবৰ্ত্তিতাৰ অভাবে মোক হতাশ কৰিলে। এনে অৱস্থাত কেৱল শিক্ষাদানৰ বাহিৰে কলেজৰ আন কোনো কাৰ্য্যৰ প্ৰতি মোৰ আগ্ৰহ আৰু উৎসাহ ক্ৰমে টুটি আহিল। সেয়েই বোধ হয় মোৰ নিৰৱতাই তোমালোকৰ মনত কৌতুহলৰ সৃষ্টি কৰিছে। কিন্তু এতিয়াও, যেতিয়াই ছাত্ৰ-ছাত্ৰীসৱ আন্তৰিকতাৰে আৰু সদিচ্ছাৰে মোক বিচাৰিব, তেতি তেওঁলোকৰ সকলো সাংস্কৃতিক কাৰ্য্যতে মই সা সহযোগ কৰিম। — মৰম কৰি মোৰ এইখিনি ক লোৱাৰ বাবে তোমালোক দুয়োজনকে মোৰ অন্তৰৰ আৰু ধন্যবাদ জনাইছো আৰু আশা কৰিছো যে অ সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰলৈ ভবিষ্যতে তোমালো দুজনেও আপুৰুগীয়া বৰঙণি আগবঢ়াব পাৰিবা।

বিঃদ্ৰঃ — এই সাক্ষাৎকাৰটো ১৯৬৮-৬৯ চনত ভীমকান্ত বৰগোহাঁই সম্পাদিত 'কানৈ কলেজ আলোচনী'ত প্ৰকাশিত।

# মোৰ চাকৰি জীৱন আৰু অৱসৰৰ কিছু কথা

*কল্যাণ কুমাৰ বৰুৱা*
*প্ৰাক্তন অধ্যক্ষ*

মোৰ চাকৰি শিক্ষকতাতেই আৰম্ভ কৰি শিক্ষকতাতেই শেষ হ'ল। আমাৰ দেউতা ডাঃ মহানন্দ বৰুৱা চাকৰিসূত্ৰে টিংখাঙত (ডিব্ৰুগড় জিলাৰ অন্তৰ্গত) থকাত আৰু সেই সময়তেই টিংখাং হাইস্কুল আৰম্ভ হোৱাত আৰু ১৯৪৭ চনত স্কুলখনত শিক্ষকৰ নাটনি হোৱাত ময়ো কেইমাহমান তাতে ৫০ টকাত চাকৰি কৰিছিলো। সেই সময়ত নাহৰকটীয়াৰ পৰা টিংখাঙলৈ ১২ মাইল পথ অহা-যোৱা কৰাৰ বাবে চাইকেল, গৰুগাড়ী আৰু চাহবাগানৰ গাড়ীৰ বাহিৰে অন্য উপায় নাছিল। স্কুলত চাকৰি কৰাৰ সময়ত বহাগ বিহুত ল'ৰাহঁতৰ লগত গোটেই নিশা হুচৰি গাই স্কুলৰ কাৰণে টকা সংগ্ৰহ কৰিবলগীয়া হৈছিল। আমি কেইজনমান শিক্ষকে ল'ৰাহঁতৰ লগত খেল-ধেমালিত ব্যস্ত হৈ পৰিছিলো। আমাৰ দেউতা এই সময়ত সাহিত্য সভা আদিত ব্যস্ত আছিল। টিংখাঙৰ পৰা নাহৰকটীয়ালৈ চাইকেলেৰে ভলীবল খেলিবলৈ আহিছিলো। খেলৰ শেষত ৰাতি হ'লে কেতিয়াবা দিচাম বাগানৰ বৰবাবুৰ ঘৰত, নহ'লে তিনি আলি বাগানৰ বৰবাবুৰ (কুল গগৈৰ দেউতাক) ঘৰত থাকিবলগীয়া হৈছিল।

হাতত টকা-পইচা অলপ গোট খোৱাত কাশী হিন্দু বিশ্ববিদ্যালয়ৰ ফালে ওলালো বি. এছ. চি পঢ়িম বুলি। বিশ্ববিদ্যালয়ৰ শ্ৰেণীবিলাক জুলাই মাহত আৰম্ভ হোৱাৰ বাবে মোৰ পলম হ'ল। মই সেই সময়ৰ অসম এছেম্বলীৰ স্পীকাৰ লক্ষেশ্বৰ বৰুৱাৰ পৰা চিঠি এখন লৈ গৈছিলো যদিও সেই সময়ৰ কাশী হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শিক্ষাবিদ ডক্টৰ অমৰনাথ ৰায়ে মোক কলা বিভাগত নাম লগাবলৈ কৈ হোষ্টেলত থকাৰ বাবে ঠিক কৰি দিলে ১৯৪৮ চনত। স্নাতক পঢ়ি থকা কালতেই বিশ্ববিদ্যালয়ৰ পেইন্টিং স্কুলত সেইসময়ত অধ্যক্ষ আছিল ৰণদা উকীল। ইয়াতেই মই ডেৰ বছৰমান ছাত্ৰ আছিলো।

ডিগ্ৰী লৈ ঘৰলৈ অহাৰ পাছত আকৌ টিংখাং হাইস্কুলত কিছুদিন ৭৫ টকাত চাকৰি কৰি আকৌ এম, এ, পঢ়িবলৈ ওলালো। এইবাৰ হিন্দু বিশ্ববিদ্যালয় এৰি মুছলিম বিশ্ববিদ্যালয় আলিগড়লৈ যোৱাৰ মন। পঢ়িবলৈ যোৱাৰ সময়ত কাশীত সোমাই আলিগড়লৈ যাবৰ মন নোযোৱাত, তাৰে পৰাই ৰজ্জুপ্ত চনত এম. এ. পাছ কৰো।

কাশী হিন্দু বিশ্ববিদ্যালয়ত থকাৰ সময়ত উপচাৰ্য্য হিচাবে পণ্ডিত প্ৰৱৰ আচাৰ্য্য নৰেন্দ্ৰ দেৱক লগ পোৱাৰ সৌভাগ্য ঘটিছিল। এম, এ, পৰীক্ষাৰ ফলাফল ৩ জুলাইত পাওঁ আৰু পাছ দিনাই কানৈ কলেজত যোগদান কৰো। সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভ হৈছেহে মাথোন। সেই কাৰণে, কানৈ কলেজত ভাৰতৰ নানান ঠাইৰ পৰা অধ্যাপকসকল আহি কলেজখন এখন সৰ্বভাৰতীয় অনুষ্ঠানত পৰিণত কৰিছিল আৰু কলেজত পণ্ডিতপ্ৰৱৰ ড° যোগীৰাজ বসুৱে কলেজখনৰ গুৰি ধৰিছিল।

চাকৰি কৰিলে এদিন অৱসৰো ল'ব লাগিব। কলেজৰ চাকৰি ১৭৫ টকাৰে আৰম্ভ কৰি অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰিলো ১.১.৯০ চনত। অৱসৰৰ আগমুহূৰ্তত তেতিয়াৰ ডি. পি. আই ৰমেশ চন্দ্ৰ দাসে মোক আৰু চাকৰি কৰিবলৈ কৈছিল, কিন্তু শিক্ষানুষ্ঠানবিলাকত হ'বলৈ ধৰা দ্ৰুত পৰিৱৰ্তনে মোক বাধা দিলে। অৱসৰৰ পিছত মোৰ এম্বেচেডৰ গাড়ীখন মাজে মাজে নচলোৱা দেখি খোজকাঢ়ি গ'লে, 'আপোনাৰ গাড়ীখন বেয়া হ'ল নেকি?' 'চিটি বাছত গ'লে 'গাড়ীখন

ভালে আছেনে?' ইত্যাদি প্ৰশ্ন প্ৰায়েই সুধিছিল। টকা পইচাৰ চিন্তা নকৰাৰ ফলত অৱসৰৰ পাছত কিছু কষ্টত ভুগিবলগীয়া হ'ল যদিও পেঞ্চন পোৱাত বহু সকাহ পোৱা গ'ল।

জীৱনত চৰকাৰী চাকৰিৰ কাৰণে একমাত্ৰ ইণ্টাৰভিউ দি প্ৰজেক্ট অফিচাৰৰ কাম গোলকগঞ্জত পাইছিলো। তেতিয়াৰ কমিউনিটী প্ৰজেক্ট ডিৰেক্টৰ সৰ্ব্বেশ্বৰ গোস্বামীয়ে মোক যোগদান কৰিবলৈ কৈ ভৱিষ্য তে ই-এ-চি হোৱাৰ কথা কৈছিল। কলেজৰ চাকৰিৰ পৰা যাবৰ মন নগ'ল। ভাৰতত ১৯৪৮ চনতে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (এন-চি-চি) আৰম্ভ হোৱাত অসমতো ইয়াৰ কাম আৰম্ভ হয়। ১৯৫৪ চনত মোৰে সৈতে অসমৰ ৯ জন অধ্যাপকক ইণ্টাৰভিউলৈ মাতিলে কটন কলেজৰে পুৰণা অধ্যক্ষৰ ঘৰলৈ। ইণ্টাৰভিউ ব'ৰ্ডত আছিল পণ্ডিতপ্ৰৱৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী উপাচাৰ্য্য কৃষ্ণকান্ত সন্দিকৈ, লোকবন্ধু ডাঃ ভুৱনেশ্বৰ বৰুৱা আৰু দুলাল ভূএগ্ৰা। সন্দিকৈদেৱে কথোপকথনৰ মাজতে মই ভূগোলৰ ছাত্ৰ হিচাবে মোক সুধিলে যে হিমালয় পৰ্বত প্ৰশান্ত মহাসাগৰত ডুব গ'লে কি হ'ব? মই উপায়ান্তৰ হৈ তেনে হ'ব নেলাগে বুলি কৈ কোনোমতে ৰক্ষা পালো। ইয়াৰ পাছতেই শ্বিলঙত ৩ মাহ আছাম ৰেজিমেণ্টত ট্ৰেইনিং লৈ কানৈ কলেজত ইয়াৰ কাম আৰম্ভ কৰো। ডিব্ৰুগড় কলেজত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কাম আৰম্ভ কৰা ময়েই প্ৰথম। ইয়াৰ বাহিৰেও কলেজৰ আৰু ডিব্ৰুগড়ৰ খেলা-ধূলাত ব্যস্ত হৈ পৰিছিলো। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সম্পাদকৰ দায়িত্বত কেবা বছৰ থকাৰ সময়ত 'আউটদৰ' ষ্টেডিয়াম' আৰম্ভ কৰা হয়।

চাকৰি শেষ হোৱাৰ পাছতহে ইয়াৰ সমস্যাবিলাকৰ বিষয়ে গম পোৱা যায়। বহুতে চাকৰিৰ পিছত কি কৰিম বুলি মূৰে-কপালে হাত দি বহি থকা দেখা যায়। সেই কাৰণে চাকৰিত থাকোতেই সামাজিক কামত জড়িত হৈ নেথাকিলে বহুতো অসুবিধা হোৱা দেখা যায়। নানান সামাজিক কামত লাগি থকাৰ কাৰণে মই এতিয়াও চাকৰি জীৱনৰ নিচিনাকৈ জীৱন অতিবাহিত কৰিছো। পেঞ্চন পোৱাৰ পাছত মোৰ দুটি ল'ৰা আৰু নাতি-নাতিনীৰ সৈতে আনন্দেৰে সময় পাৰ কৰিছো।

বহুতো ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি এতিয়া সুখী জীৱন কটাবলৈ পাইছো। অনাহকতে তৰ্কাতৰ্কিত লিপ্ত নোহোৱা, অলাগতিয়াল কথা চিন্তা নকৰা, নিজৰ মনটো আৰু শৰীৰটো সজীৱ কৰি ৰখা, নিয়মিতভাৱে শৰীৰৰ কথা কিছু চিন্তা কৰা, নিৰ্দিষ্ট পৰিমাণে সময়মতে খোৱা, দৈনিক কিছু খোজকঢ়া ইত্যাদি অভ্যাস কৰিলে স্বাস্থ্য ভালে থাকিব বুলি মোৰ দৃঢ় বিশ্বাস। কিছু নিয়ম মানি চলাৰ ফলতেই মই অলপতে ৮৩ বছৰ অতিক্ৰম কৰিছোঁ।

□□□□□



# ডিবুৰুৰ এগৰাকী অন্যতম জ্যেষ্ঠ নাগৰিক শ্ৰীযুত ইন্দ্ৰেশ্বৰ খাউণ্ডৰ সৈতে এটি সাক্ষাৎকাৰ

প্ৰশ্নঃ এটি সুন্দৰ স্বাস্থ্য লৈ যোৱাকালি আপুনি ৯৫ ৰ পৰা ৯৬ বছৰৰ সীমাত পদাৰ্পন কৰিলে। আন্তৰিক অভিনন্দন আৰু সশ্ৰদ্ধ প্ৰণাম আপোনাক। আপোনাৰ সজীৱ দেহা আৰু মনৰ নেপথ্যত কোনবোৰ কাৰক সক্ৰিয় সেই বিষয়ে আমাক দু-আষাৰ কওকচোন।

উত্তৰ ঃ জীৱনৰ 'সুখ' আৰু 'সন্তুষ্টি' দুয়োটা বেলেগ বেলেগ কথা। 'সুখ' মানুহৰ হ'বও পাৰে নহ'বও পাৰে। কিন্তু সন্তোষত থাকিব পাৰিলে ভাল হয়। 'সন্তোষ' কেনেকৈ পাব? 'সন্তোষ' পাব- যদিহে আমি ভাবি লব পাৰো যে মই কেতিয়াও খং নকৰিম। মই নিজক ভাল পোৱাতকৈ আনক বেছি ভাল পাম। মই Grateful হ'ম সকলোৰে ওচৰত, কেৱল ভগৱানৰ ওচৰতে নহয়। মানুহ আছে কাৰণেহে আমি আছো, মই আছোঁ। আজি ইয়াত কথা পাতিছোঁ। গতিকে মই ভগৱানৰ ওচৰতে নহয়, মানুহৰ ওচৰতো কৃতজ্ঞ। সেই গতিকে মোৰ Worry নাই। মোৰ Worry এই কাৰণেই নাই, কাৰণ মই ভৱিষ্য তক লৈ বৰ বিশেষ চিন্তা নকৰো আৰু হৈ যোৱা কথাও চিন্তা নকৰো। মই আজিৰ কথাটোহে চিন্তা কৰি থাকো। আজি কেনেকৈ মই দিনটো সফল কৰিব পাৰো; মোৰ প্ৰধান চিন্তা সেইটোহে। জীৱনত খলা-বমা-উত্থান-পতন আছেই, সেইটোলৈ চিন্তা কৰিলে নহ'ব। জীৱনত সংঘাত থাকেই। কেতিয়াবা ভাল, কেতিয়াবা বেয়াও হ'ব পাৰে। তাক আপুনি এৰাই চলিব নোৱাৰে। এয়াই জীৱন। আৰু বেয়াটো নহলে আপুনি ভালটোৰ উপলব্ধিও কৰিব নোৱাৰিব। সেই কাৰণে 'ভাল', 'বেয়া' দুয়োটাকে সমান দৃষ্টিৰে চালে জীৱনটো সুখৰ হয়। চিন্তা নোহোৱা হয় আৰু যেতিয়াই চিন্তা নহয় তেতিয়াই মানুহৰ স্বাস্থ্যও ভাল হয়। 'মন' আৰু 'স্বাস্থ্য'-দুয়োটা অঙ্গাঙ্গী। স্বাস্থ্য বেয়া হ'লে মন বেয়া হ'ব। সেইদৰে মন যদি বেয়া হয়, স্বাস্থ্যও ভাল নহ'ব। মনটো বেয়া মানে? মনটো বিশুদ্ধ কৰি ৰাখিব লাগে। Pure , নিকা। কপট, হিংসা, দ্বেষ, অহং-সেইবোৰ বাদ দিব লাগে। মনটো শুদ্ধ কৰি ল'ব লাগে। তেতিয়া জীৱনটো শুদ্ধ হ'ব। স্বাস্থ্যও ভাল হৈ থাকিব।

প্ৰশ্ন ঃ ধন্যবাদ চাৰ। আপোনাৰ উত্তৰৰ পৰা যি বুজিলো, আপুনি নিজৰ জীৱনক লৈ যথেষ্ট সুখী আৰু সন্তুষ্ট। চাৰ, শিক্ষা ব্যৱস্থা সম্পৰ্কে এটি প্ৰশ্ন কৰিব খুজিছোঁ। আগতে মাতৃভাষাত শিক্ষা দিয়া হৈছিল। আজিকালি ইংৰাজী মাধ্যমো চলিছে। শিক্ষাগত অৰ্হতাত বৰ্তমানে মানৱীয় প্ৰমূল্য ৰক্ষিত হৈছেনে? কোন শিক্ষা ব্যৱস্থাই দেশক অগ্ৰগামী কৰিব পাৰিব?

উত্তৰ ঃ আমাৰ শিক্ষাৰ সাৰ বস্তু হ'ব লাগিব এনে,—'বসুধৈব কুতুম্বকম্'। অৰ্থাৎ গোটেই বসুন্ধৰাই মোৰ কুতুম্ব বা আপোন। সেইটো আৰম্ভণিৰ পৰাই ল'ৰাক শিকাব লাগিব। কাকো পৰ বুলি ভাবিবলৈ কব নালাগিব। প্ৰথমে নিজক ভাল পাব লাগিব আৰু লগতে ঘৰখনক ভাল পাব লাগিব। ৰাষ্টাত যোৱা মানুহক ভাল পাব লাগিব। পৃথিৱীখনক ক'ব লাগিব- সকলোৰে মঙ্গল হওক বুলি। সকলোৱে সুখে শান্তিৰে থাকক। সকলোৰে বিপদ আপদ আতঁৰি যাওক। সু-জ্ঞান, সু-বুদ্ধি আহক মানুহৰ মনলৈ।

প্ৰশ্ন ঃ আজিকালি বহুতে চাকৰিৰ পাছতে দৌৰিব লাগিছে। তাৰবাবে নিজৰ মাটি-বাৰী পৰ্য্যন্ত বিক্ৰী কৰা দেখা যায়। আপুনি ভাবেনে, মাটি বিক্ৰী কৰি অন্য ঠাইত থাকিলে দেশৰ কিবা উন্নতি হ'ব? বহুতো ল'ৰা-ছোৱালীয়ে বাহিৰলৈ গৈ ঘৰলৈ ঘূৰি নাহে। এনে মানসিকতা আমি লক্ষ্য কৰিছো। তাৰ নিৰাময়ৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব?

উত্তৰ ঃ এই যে ল'ৰা-ছোৱালীহঁতে টি. ভি, কাগজে-পত্ৰে 'গে'মাৰ' এটা দেখে বৰ্হিজগতৰ, তাতে সিহঁতৰ পাতলীয়া মনবোৰ ভোল যায়। কিন্তু গভীৰভাবে যেতিয়া ভাবি চাব তেতিয়া দেখিব যে সেই 'গ্ৰে'মাৰ' থকা দেশবোৰৰ আধ্যাত্মিক Depth নাই। ভাৰতবৰ্ষৰ যিটো আধ্যাত্মিক গভীৰতা আছে, অন্য বহু ঠাইত হয়তো সেইটো পোৱা নাযাব। ঘৰ-দুৱাৰ বেচি, মাটি বিক্ৰী কৰি টকা ঘটিব পাৰি কিন্তু টকাই সৰ্বস্ব নহয়। মানুহ মানুহৰ দৰে হ'ব লাগিব- তাকে জীৱনৰ মূল উদ্দেশ্য কৰি ল'ব লাগিব। ভগৱানে মানুহক সৃষ্টি কৰিছে উত্তম জীৱ বুলি। মানুহেই দেৱতা। বুদ্ধদেৱ দেৱতা হ'ল, যীশুখ্ৰীষ্ট দেৱতা হ'ল-মানুহো ক্ৰমাৎ দেৱতা হ'ব পাৰে।

প্ৰশ্ন ঃ তেন্তে প্ৰকৃত সংস্কৃতি কাক বুলিব পৰা যায়? যি জীৱন গঢ়ে? সেই শক্তি ক'ৰপৰা আহে-- পুথিগত শিক্ষাৰ পৰানে? নে কৰ্ম আৰু শিক্ষা দুয়োটাৰে পৰা?

উত্তৰ ঃ সেইটো উপলব্ধিৰ পৰা আহে। অধ্যয়ণ কৰিব লাগিব– পৃথিৱী, জীৱন আৰু মানুহক, ভাল গ্ৰন্থ অধ্যয়ন কৰিব পাৰে, শাস্ত্ৰ অধ্যয়ন কৰিব পাৰে। আগতে আমি মহাভাৰত পঢ়িছিলো, এতিয়া তাৰ নাম কোনেও নলয়-- য'ত বহু উপযোগী কথা আছে। আজিকালি বেদো নপঢ়ে। গতিকে মানুহক উন্নতিৰ পথ দিবলৈ হ'লে, বৰ্তমান যিটো শিক্ষা, তাৰ লগত আধ্যাত্মিক শিক্ষাও যোগ দিব লাগে। কৰ্মশিক্ষা ল'ব লাগিব। কৰ্মই ধৰ্ম। কেৱল নিজৰ বাবে কৰাটোকে কৰ্ম নোবোলে, কৰ্মৰ দ্বাৰা আন উপকাৰো সাধিব পাৰিব লাগিব।

প্ৰশ্ন ঃ আপুনি এগৰাকী প্ৰবীণ ৰাজনীতিকো। মন্ত্ৰী সভাতো আপোনাৰ আসন আছিল। তেতিয়াৰ আৰু এতিয়াৰ ৰাজনীতিকৰ মাজত কিবা পাৰ্থক্য দেখে নে? এতিয়াৰ ৰাজনীতিক সকলৰ সমাজৰ প্ৰতি, জণগণৰ প্ৰতি, দেশৰ প্ৰতি কিমান দায়িত্বশীল বুলি ভাবে?

Lets talk on going to temple. Is it required?. No, really it is not. But to me the question appears like if one is thirsty then why should one go to a water reservoir; a well, or a river or a pond to quench the thirst. If one is hungry then why should one go to a hotel or a restaurant or a dining place - one can drink wherever or to that matter can eat wherever one likes; can avail the shadow of an umbrella and may not the shade of a tree. But - is there any difference (?), besides the additional efforts or costs. One is free to imagine that he is eating, sleeping, drinking or doing anything. I leave it to the readers to infer.

Today, the world has everything - may not be ambiguous to say that all materialistic things, budgets & gadgets, trades & tradesmen, so on and so forth. But why then there are turmoil everywhere, why the people kill each other based on caste, creed, religion, social disparity - why people do not value life. While taking life why they do not feel that the victim is a child, a spouse, a brother or a sister or a friend; over and above is a life for which the killer has neither any contribution in bringing to earth nor in upbringing the victim. Doesn't he know that he can never recompense the irreparable loss to which the victim himself, his family and the society in general have been pushed owing to his heinous crime? We have no answers or may be we have. All these are, probably, due to dilution of our faith, fear and fortitude in respect of God.

Consider the temple, the God, the God-men & the devotees for the cause they visit the temple or the faith they demonstrate. They believe that we all are a mere creation of the Almighty. Hence, we all are no different from each other. We come to HIM, to his home to pray for our well being i.e. the well being of HIS creations. We thank HIM for all that HE has given us. We pray HIM for all that we need. We reaffirm our faith that if he is happy all the rests are happy as he lives in all of us in form of our body, our soul & is our existence.

We leave the temple with great gratification that we have transferred all our woes & worries, surrendered our grandeur & grandees, dedicated our soul & solace to HIM with firm faith that HE is capable, HE is graceful and HE will do it for us - not just help us. This portrays our absolute faith in distinguishing the "do" from "help in doing". This is the canopy (often compared with the flying flag on the temples) that shelters & protects all of us in all respect with no differentiation in caste, creed, religion, faith,

status, sex, strength and surpassing many such boundaries. It inculcates a unique identification to all of us that we all belong to an iota of HIS innumerable, incomparable, immeasurable creations. This kindles & spreads love, disperses & eliminates hatred, generates & sustains oneness, togetherness and harmony. We surrender completely to HIM voluntarily and with all humility by going to HIS temple. We are blessed or not, our wishes are fulfilled or not, our enigmas are solved or not, we live with complete satisfaction that:

"What I got were my wish and what I didn't are HIS"

The peace and prosperity prevails. Now we must not ponder- 'Where to Go...'

□□□□□

DR. RADHAKRISHNAN SCHOOL OF
ARTS, COMMERCE & SCIENCE

A unit of "Dr. Radha Krishnan School of Advance Studies"

CAREER POINT
DIBRUGARH CENTRE
JEE-Main (AIEEE) & JEE - Advanced (IIT) / NEET (AIPMT)

# SOCIETY *vis-a-vis* CHANGE AND PHILOSOPHY

***Nabajyoti Borkakoty***
*Alumnus, DHSK College*

Society is dynamic and every aspect of it undergoes gradual change and hence the society we live in today is very much different from the society our ancestors lived in. As society changes, every aspect including culture, language, economic considerations andits needs keep changing which have considerable impact on the change of values of the society in question. What is value, then? It can best be described as social norm. As we thank our creator, the Almighty, whom most philosophies and religions of the world believe as the supreme source of kindness, so do we salute our parents for giving us the greatest gift, that is, life. In the same way we salute our Gurus, our mentors, our path showers, whom we owe a lot for great gift of no less importance than life itself, that is, of enlightenment.Without His light and spiritual enlightenment, our lives will be like live corpses and this vibrant society would have been buried under the eerinessof a burial ground.

As society is dynamic, the inquisitive often wonders, where it is heading towards! As the theory of relativity in Physics says, a reference is required to find out whether something is moving or is at rest with respect to that particular reference point only and that there is nothing like absolute rest or absolute motion. Same is the case with our society as well. We are aware that the society is changing, yet, in order to understand where it is going, social scientists and the intelligentsia need to find it outso that we can measure the constant changes taking place in the society with respect to that reference point.

Who will guide us? It is the philosophies. Which philosophy? Again the varied characteristics of the society prevalent in and which are unique to each and every societal, ethnic and cultural domains, and at a micro level, even to each and every individual,will have to have a say on that; as generalization will only mean ignoring human characteristics at the grass-root level and hence the entire exercise of finding a tangible reference point for measuring societal dynamism, even if aimed at a greater noble cause, will be fraught with certain uncertainty to succeed. This is because, the entire human civilization and hence society in different parts of the world has developed differently depending upon their inclination to different philosophies.

In Europe and America, the philosophy of Pragmatism, although developed in the late nineteenth century, has been the main guiding principle for social changes. The philosophy of Pragmatism calls for practical uses of the philosophical concepts, such as the nature of knowledge, belief etc.On the other hand, in India, our society progressed under the guidance of mainly under six different philosophies all elaborated under a common platform founded by the Father of Indian Philosophy Kapila Muni about three millennia back in

circa 800 BC. Presently much polarization has taken place in the Indian societies regarding philosophical inclination, in which some groups of intelligentsia call for pragmatic steps as a means for material development, some others call for retention of the value system developed through thousands of years of development of the Indian civilization. Result is that the present day Indian society is a confused lot. It is conspicuous in the rampant corruption on the one hand while never-before type of agitation and raising of voices of protest against it by the common people on the other. This can certainly be termed as a sheer side-effect of this polarization, for which all of us are suffering one way or the other.

Those who are inquisitive would ask for some more elaboration on this, but keeping in view the space constraint, I decide to refrain from making any. In any case, coming back to the concept of finding a reference point for measuring social change, we have now perhaps to hit upon yet another objective of our quest in addition to the original one. That is, to find out the reference point in such a way that, at the same time it canprovide us a calibrated scale for measurement of social change and, if possible, also help dissolve this polarization of philosophical inclinations in India at the grass-root level as well; so that, the greater Indian society can become more pragmatic conforming to all better Indian social norms.

□□□□□



# OF COOKING AND POETRY

*Nazmoon Nisha Borgohain*
*Alumnus, DHSK College*

Many years ago, which of course seem a yesteryear to me, as a student of the DHSK College, I was offered four heaps of books. It was my best prize. The man who gave away the prizes was a dhoti-kurta clad bare-footed sexagenarian. I do not remember the theme or exact venue of that debate competition. But all I remember was that it was organised by the Ministry of Social Welfare and that it was a competition of stature. In my days a first prize in a national level competition really meant something.

The person spoke in fluent English and asked me my name. He then asked me whether I recited the Holy Quran. I replied, I did so since my childhood. He wanted me to recite a line from it. Spontaneously, I vented out, "Al Zazaul Ihsan wa illal ihsan," and with the same spontaneity he interrupted, "Is there any better return for good than good." I really took him to be a scholar of Theology. I asked him his name. "Dr. Jogiraj Basu", he replied. "You are a doctor. My father is also a doctor- then why do you move barefoot? Are you not afraid of worms and germs infecting your body?" "No," he said. " I have denounced material desires." "Oh!" I said, "but then why do you come in that white Ambassador car? It's pretty majestic." He was enthralled; he smiled and asked me what my hobby was.

Whether it was in my sub-conscious or something else that triggered me to say so, I at once blurted cooking and poetry. Back home, I pondered over my own answer. What is so special about cooking and poetry, what striking resemblance was there between the two? Has the respectable aged taken me for a crank? I came to the conclusion that both cooking and poetry seek justice. One pursues the justice to give good health and the other to understand the truth.

Some days later as I walked out of my class I spotted the same gentleman. He came towards me, I wished him reverently. He told me humbly that he happened to know a little of Philosophy and he too thought that there was a striking resemblance between cooking and poetry. So he made up his mind to gift me with two books- a cook book of the original *Gone with the Wind* size and a very rare copy of the Rubyat- two books which I have treasured till date.

I inquired and got the information about Dr. Basu. I was struck at his simplicity and told him in jest, "Sir, of all animals, I like the donkey the most- because it knows to praise its own tail." He laughed and left me.

Fighting for justice was inborn in me. Probably my background taught me so. I have always seen my father fight for justice, for health, for economy. My school, a Salesian Missionary always taught me the same. But at DHSK College, I got the opportunity of being a functional person to access what justice in practice is. Being an alumnus of this institution, I cannot help appreciating my Alma-Mater. Our

then Principal, Sushil Dutta Sir, had a very strong personality. His appreciation for outspoken and just students cannot be under-estimated. His inspiration also has given me great strength and help me to chisel the right way to fight for justice.

In our pursuit of justice, the necessity for a high degree, a lucrative employment or a rich status is of little consequence. Our pursuit is successful only if we work for maximum welfare and minimum obstruction. Apart from that nothing lasts. Reference to my Alma- Mater needs mention of my teachers, especially my class teachers- P.N. Singh, Sunil Borthakur, Jadav Barua, Mehtabuddin Ahmed and Munin Sharma.

My friends, especially my sibling and best friend N.F.Haque, my husband Amrit Borgohain, my friends Akhoymoni Sangma, Bibhuti Saikia, Sonaram Hazarika and Sarita Bajaj. The skipping of names of my other mates does not necessarily mean I have forgotten them. They continue to inspire me and we were always a team that sought justice.

Amrit's efforts as a student leader, I feel, needs appreciation. During his tenure as General Secretary of DHSK College, the increase in College fund from the Government, the opening of the College auditorium, the pay of college teachers in the UGC scale and many other reforms were fought for by the Students' Union and implemented. He supported the ACTA movement in the face of great odds and challenges. From Kanoi College he was selected as the Vice-President and later the President of All Assam Students' Union (AASU). In this status he demanded for the Bhomoraguri Bridge and got it completed. He placed the 16-Point demand, unfortunately though, it has not been fully implemented as yet. However, two of its most important accomplishments are the establishment of I.I.T., Guwahati and the Silchar Engineering College.

Within the purview of reminiscence of my college, I wish to recall that as a little girl in Little Flower School, a helicopter carrying a robust woman often landed at Kanoi College field. We were told that she was an I.A.S. officer from Mizoram. Who she was or why she had come was of little concern to me. But my justice in mentioning her here is to demonstrate that Kanoi College has an enormous boundary and it should be developed.

My 'justice' here is just a patch up of tit-bits from down the memory lane. But these are some of the reasons why I said to the National Accredition and Assessment Council that my Alma-Mater is the best. That is the reason why my sisters Dr. Sharifoon, Jinu, my daughter Lulu Mariam and my son Jerry Araf Borgohain have been sent here.

# MARK IN TIME

***Punyadhar Rajkhowa***
*Former-Librarian, D.H.S.K. College*

*What you want to be*
*When you will be growing up?*
*This is the only time you find*
*To think your course in different ways:*
*-to learn things, and learns, things well;*
*Because,*
*You shall never pass this way again.*
*Pull in your belt a bit,*
*And store what you gain,*
*To measure your strength in time*
*For years and in years to come.*
*Whether you start an ice-cream stand,*
*Or a chicken firm,*
*Or write a beautiful book*
*And be a leader of men!*
*No matter-*
*Which turn you decide to take,*
*Win or loose*
*Succeed or fail.*
*Forward march:*
*Left right left*
*And left right left.*
*Lack of knowledge*
*Like the lack of capital*
*Is the cause of business failures;*
*And so you learn*
*What you need to know,*
*To mould the life of Nation*
*To cross the 'Mighty Ocean'-*
*Mark in time:*
*Forward march:*
*Left right left,*
*Left right left.*



# অন্য এক প্ৰেমৰ গল্প

*গৈৰিকা বৰুৱা আহমেদ*
*প্ৰাক্তন ছাত্ৰী*

কিছু সময়ৰ অগতে তেওঁৰ শৰীৰত সংলগ্ন সমস্ত নলী আৰু অম্লজানৰ মুখৰ আঁতৰাই পেলোৱা হৈছে। এটি শিশুৰ সৰলতাৰে এতিয়া তেওঁৰ মুখ মণ্ডল উপচি পৰিছে। নিশ্চিত নিদ্ৰাত মগ্ন হৈছে তেওঁ। কোনেও বুজাই নিদিলেও মই বুজি পাওঁ যে তেওঁৰ এই নিদ্ৰা আৰু কাহানিও নেভাগে। কাৰণ মই এজন চিকিৎসক, এজন গৱেষণাৰত চিকিৎসক। দিনে নিশাই মই এই বিনাশকাৰী ৰোগটোৰ বিষয়ে গৱেষণাত লাগি আছোঁ। অথচ মই তিলমানো অনুমান কৰিব পৰা নাছিলো যে এই সাংঘাতিক ৰোগে মোৰ ঘৰতে আশ্ৰয় লৈ আছে। হয়তো ই এক প্ৰকাৰৰ প্ৰতিশোধ। হয়তো পৰিহাস!

ৰাতি পুৱাবলৈ এতিয়াও বেছ কিছু সময় আছে। মই এতিয়াও কালৈকো কোনো বাৰ্ত্তা দিয়া নাই। বৰঞ্চ লগত থকা কিছু আত্মীয়-পৰিজনক ৰাতিয়েই পঠাই দিছিলো। অৱশ্যে দূৰত থকা মোৰ ল'ৰা-ছোৱালী হাললৈ মাকৰ অৱস্থাৰ বিষয়ে অৱগত কৰি ৰাতিয়েই বাৰ্ত্তা পঠাইছিলো। দুয়ো ইতিমধ্যে যাত্ৰা আৰম্ভ কৰিছে। দিনৰ দহ বজাৰ আগতে সিহঁত আহি পোৱাহিৰ আশা নাই।

মই কিছু সময় অন্ততঃ অকলশৰে তেওঁৰ সতে কটাব খুজিছোঁ। অকলশৰে কটোৱা এই কণ সময়েই মোৰ জীৱনৰ বিৰল মুহূৰ্ত্ত হৈ ৰব।

তেওঁ ওচৰত মোৰ সমস্ত ভুল ত্ৰূটি স্বীকাৰ কৰিব খুজিছোঁ। কব বিচাৰিছো, মই তোমাক ভাল পাইছিলোঁ। অথচ চিনা নাছিলো প্ৰেমৰ অনুপম উপলব্ধি। নেজানিলো উদ্‌যাপন কৰিবলৈ প্ৰেমৰ দিনবোৰ। তুমি সেই প্ৰেমৰ ৰাজ্যলৈ বাৰে বাৰে নিমন্ত্ৰন কৰিও বিফল হৈছিলা। - চোৱাচোন আকাশলৈ, চৰাইলৈ, গছবোৰলৈ নৈ জান জুৰিলৈ, পথাৰৰ ৰোৱনীলৈ - বৰষুণত জুৰুলি-জুপুৰিকৈ তিতি পথৰ কাষত মানুহবোৰলৈ, কাষতে পৰি থকা ৰুগীয়া মগনীয়াটোলৈ বা জাৰত কঁপি থকা সৌ শিশুবোৰলৈ।

মই তেওঁৰ আউল বাউল হৈ থকা চুলিখিনি মোৰ হাতৰ আঙুলিৰে আলফুলে সামৰ লগাই দিবলৈ ধৰিলোঁ। তেওঁৰ শিৰত তেতিয়াও জিলিকি আছিল সেন্দুৰৰ স্পষ্ট ৰং। সেন্দুৰৰ অন্তহীন সমুজ্জল শিখা। তেওঁৰ ওঠৰ কোণত এতিয়াও খেলি আছে জান-নেজান হাঁহিৰ বোল। যি হাঁহিৰ বোলত এসময়ত মই পাগল আছিলো। এই ৰহস্যময় হাঁহিৰ বোলক মই মনালিছাৰ হাঁহিৰ লগত ৰিজাইছিলো। যলৈকে গৈছিলো - যেতিয়াই গৈছিলো এই ৰহস্যময় হাঁহি মোৰ সংগী হৈছিল। এই হাঁহিৰ বাবেই গৈ পোৱাৰ লগে লগে পুনৰ ঘৰলৈ ঘূৰাৰ বাবে উচাতন হৈ পৰিছিলো। উৰাই ঘূৰাই সেই হাঁহিৰ নিজৰাটিত চুম্বন কৰিছিলো। আঃ কোন সময়ৰ পৰা যে সেই হাঁহিৰ কথা মই পাহৰিব ধৰিছিলো নাইবা উপেক্ষা কৰিব ধৰিছিলো মনত নাই। বোধহয় ল'ৰা ছোৱালী দুটাৰ জন্মৰ পাছৰ পৰা। হয়, ঠিক তেতিয়াৰ পৰাই মই অধিক ব্যস্ত হৈ পৰিছিলো মোৰ গৱেষণাৰ কামত। মোৰ কেৰিয়াৰৰ কামত, বোধহয় যশ-প্ৰাপ্তিৰ আশাত মই সাংঘাতিক ব্যস্ত হৈ পৰিছিলো।

মই তেওঁৰ নিথৰ কিন্তু এতিয়াও হাঁহিৰ তিৰবিৰণি থকা ওঠযোৰত এটি চুমা খালো। এটি কোমল, মৃদু, মৰমী চুমা। ইয়াৰেই মই তেওঁক শেষ বিদায় জনাব বিচাৰিলো। কাৰণ ৰাতি পুৱালেই সকলোবোৰ আত্মীয়

স্বজনে আহি ভিৰ কৰিবহি। ৰাতি মোৰ লগত থাকিব খোজা আত্মীয়-কুতুমকো মই পঠিয়াই দিলো। জীৱনৰ এই শেষ সময়ত মই তেওঁৰ কাষত অকলশৰীয়াকৈ থাকিব বিচাৰিছোঁ। তেওঁৰ ওচৰত মোৰ কিছু কথা থাকি গ'ল। এয়া হয়তো মোৰ স্বীকাৰোক্তিও হ'ব পাৰে। নিৰ্বাপিত হ'ব খোজা তেওঁৰ তৰাহেন চকু হালিত এই আকুতি মই দেখিছিলো। কেইটিমান নিৰিবিলি মুহূৰ্ত্তৰ আকুল প্ৰাৰ্থনা।

বন্ধ হৈ পৰা চকুযুৰিত মই মোৰ সিক্ত ওঠ স্থাপন কৰিলো। চেঁচা কোমল পৰশত মই অকণমান শিহৰিত হৈ উঠিলো। কিছু সময়ৰ আগতে জাপ খাই যোৱা চকু যুৰি মোৰ খুলি দিবৰ প্ৰৱল ইচ্ছা হ'ল। বহুদিনৰ আগতে হেৰুৱাই পেলোৱা অপাৰ্থিৱ সুন্দৰ চকু যুৰিত ফুটি উঠা মোৰ প্ৰতিবিম্ব আকৌ এবাৰ চাবলৈ প্ৰৱল ইচ্ছা হ'ল। আঃ, কিমান দিন বাৰু তেওঁৰ চকুলৈ চোৱা নাই! তেওঁৰ মুখলৈ! মই তেনে নকৰিলো। মাথোন তেওঁৰ চৰাই পাখি যেন হাতখনত ধৰি থাকিলো। কেতিয়াৰ পৰা, এৰা কেতিয়াৰ পৰা তেওঁৰ শৰীৰ জীৰ্ণ হবলৈ ধৰিছিল মই গমেই নেপালোঁ। ইমানেই অন্ধ মানুহ নে মই!

হয়। যি নিজৰ বাহিৰে আনক নেদেখে সি অন্ধও। মই বাৰু চাইছিলোনে মোৰ আইৰ চকুলৈ, মোৰ দুজনীকৈ বাইদেউৰ চকুলৈ, সিহঁত কিজনীৰ কষ্ট পৰাহত শৰীৰলৈ। নাই চোৱা। কাহানিও নাই চোৱা। চোৱাৰ প্ৰয়োজন অনুভৱেই নহল।

মোৰ জীৱন এডাল সৰল ৰৈখিক গতিৰে আগবাঢ়িছিল। পঢ়া শুনাৰ বাহিৰে একোৱেই চিনা নাছিলো মই। হাতৰ কাষতে সকলো পাইছিলো। যি বিচাৰো। এয়ানো কেনেকৈ সম্ভৱ হৈছিল, কোনোদিনে নেজানিছিলো। অথচ মই চহকী ঘৰৰ ল'ৰা নাছিলো। মই মোৰ পঢ়া শুনা ভালকৈ চলাই নিবলৈ বিচাৰিছিলো। দেউতা সৰুতে ঢুকাইছিল। তেওঁক ভাল পাইছিলো যদিও তেওঁৰ অভাৱ অনুভৱ কৰা নাছিলো। তেওঁ এৰি যোৱা সামান্য সঞ্চয় আৰু পেঞ্চনেৰে আইয়ে কেনেকৈ ঘৰ চলাইছিল মই কেতিয়াও জানিবলৈ চেষ্টা কৰা নাছিলো। বাইদেউ কেইজনীয়ে মোৰ পঢ়া শুনা বা অন্য প্ৰয়োজনীতাৰ প্ৰতি লক্ষ্য ৰাখিছিল। হাত দিয়াতে ৰাখিছিল মোৰ কিতাপ পত্ৰ, কলম, কামিজ, জোতা চেণ্ডেল আদি। পৰীক্ষাৰ সময়ত প্ৰৱেশ পত্ৰকে ধৰি ৰুমাল কলম আদি। মোৰ পঢ়াৰ বাবেই সিহঁত কিজনীৰ পঢ়া আধৰুৱা হৈছিল অথচ সেইবোৰ দিশলৈ মই চকু দিয়াই নাছিলো। বাইদেউ দুজনীক আইয়ে সময়মতে বিয়া দিছিল, ধুমধামেৰে নহলেও, ভালকৈয়ে। সিহঁত যোৱাৰ পাছত আইয়ে মোৰ সমস্ত যতন লৈছিল। আই যে ধীৰে ধীৰে বৃদ্ধত্বৰ ফালে গতি কৰিছিল মই দেখা নাছিলো। তেওঁৰ নিশকতীয়া দুৰ্বল শৰীৰেৰে যে মোৰ খোৱা বোৱাৰ যোগাৰ কৰিছিল, বজাৰ কৰিছিল, কাপোৰ ধুইছিল, কাঁহিবাতি ধুইছিল মই দেখা নাছিলো। 'আজি মইয়ে বজাৰ কাৰো দে বা কাঁহি বাতিবোৰ ধোঁও দে' - বুলি কবলৈ মই জনাই নাছিলো। দিনে ৰাতিয়ে মই মোৰ স্বপ্নৰ পৃথিৱীত বিচৰণ কৰিছিলোঁ। কেনেকৈ সকলোকে চেৰ পেলাই এজন ডাঙৰ মানুহ হওঁ সেয়াই আছিল মোৰ স্বপ্ন। হয়, আই আৰু বাইদেউহঁতৰ শৰীৰ আৰু মনৰ কষ্টক মূলধন কৰি মই চিকিৎসক হৈ ওলাই আহিছিলো আৰু এই গৱেষণা প্ৰতিষ্ঠানখনত সোমাই পৰিছিলো। ইয়াৰ পাছত এটাৰ পাছত এটাকৈ আহি থকা যশ-প্ৰাপ্তিয়ে মোৰ সুখ্যাতি বঢ়াই তুলিছিল।

এনে দিনবোৰৰ আগতেই মোৰ আই গুছি গৈছিল। কিন্তু ইতিমধ্যে আইয়ে তোমাক মোৰ বাবে ঘৰ সুমোৱাইছিলহি। ঠিক আইৰ দৰেই তুমি গঢ়ি উঠিছিলা কিন্তু আইৰ নথকা কিছুমান অদ্ভূত গুণৰ অধিকাৰী আছিলা তুমি। তুমি উচ্চ শিক্ষিতা, সাহসী, মৰমীয়া আৰু অতিশয় বুদ্ধিমতী আছিলা। তোমাৰ মাজত আ কি কি আছিল আচলতে মই নেজানিছিলোৱেই। কিতাপ জ্ঞান আৰু নিজৰ অহং ভাৱতকৈ মোৰ বিশেষ এ চেষ্টা কৰা, কাৰোপ্ৰতি সহমৰ্মিতা অনুভৱ কৰিবলৈ শিক নাছিলো মই। ৰাষ্ট্ৰীয় আৰু আন্তঃ ৰাষ্ট্ৰীয় সভাবো মোৰ গৱেষণা-পত্ৰ পাঠ কৰিছিলোঁ আৰু বিজ্ঞ মানু হাততালিয়ে মোক প্ৰলুব্ধ কৰি তুলিছিল। অজান আনন

মোৰ হিয়া নধৰা হৈছিল। যশ আৰু খ্যাতিৰ বাবে মই দিন ৰাতি একাকাৰ কৰিছিলোঁ। বিশ্বৰ চুকে-কোনে মোক মানুহে চিনি পাওক, ৰাষ্ট্ৰীয় আৰু আন্তঃ ৰাষ্ট্ৰীয় বাতৰি কাকত আৰু নিউজ চেনেলবোৰত মোৰ নাম উজ্বলি উঠক, মোক লৈ দেশৰ মানুহে হৈ চৈ লগাই দিয়ক, এনেবোৰ স্বপ্নত মই দিনে নিশাই বিভোৰ হৈ আছিলো। মই আনকি বিশ্বৰ সৰ্বোচ্চ সন্মানটো লাভৰ স্বপ্নতো পুলকিত হৈ উঠিছিলো। প্ৰকৃততে মোৰ গৱেষণাৰ উদ্দেশ্যত জনগণৰ কল্যাণ সাধনতকৈ যশ-প্ৰাপ্তিৰ আশাহে বেছি প্ৰকট হৈ আছিল।

ইয়াৰ বাবে কেৱল ময়েই দায়ীনে? মই ভাবো মোৰ এই স্বাৰ্থপৰ মনোভাৱৰ বাবে মোৰ পৰিয়াল, মোৰ আই, মোৰ বাইহঁতো সমানে দায়ী। তেওঁলোকে মোক কাৰো প্ৰতি দায়িত্বশীল হ'বলৈ নিশিকালে। যি লাগে তাকেই হাতে ঢুকি পোৱাতে ৰাখি, অতিপাত মৰমত ৰাখি মোৰ স্বভাৱেই নষ্ট কৰি পেলাইছিল। ল'ৰা বুলি, পঢ়া শুনাত ভাল বুলি ভৱিষ্যতৰ ৰঙীন স্বপ্নৰ মাজত বুৰাই তেওঁলোকে মোক এটা কেৰিয়াৰিষ্ট কৰি তুলিলে।

জ্ঞানে বোলে মানুহক দিব্য দৃষ্টি দিয়ে। দিব্য দৃষ্টি - মোৰ চাৰিওকাষৰ পৃথিৱীখনৰ সেউজীয়া ৰংটোৱে নেদেখিলো মই। বাদেই, মোৰ কেতিয়াও চকুত নপৰিল বেলিয়ে কেনেকৈ পৃথিৱী পোহৰাই তোলে, কেনেকৈ জকমকাই উঠে নিশাৰ আকাশ, ফুলি উঠে ফুল, গজি উঠে শস্য, ভৰি পৰে নদী, চমকি উঠে বিজুলী- কেনেকৈ হাঁহি মাৰে শিশুৱে - ......

খুজিছিলা। একমাত্ৰ তুমিয়েই খুজিছিলা মোক এখন নতুন পৃথিৱী দেখুৱাবলৈ। কিন্তু মই নোৱাৰিলো। খ্যাতি আৰু যশস্যাৰ লালসাত বন্দী মই এইবোৰ সময় নষ্ট কৰা মূৰ্খৰ কাম বুলি ভাৱিছিলো। মই এৰি দিলো তোমাৰ স্বৰ্ণখচিত হাত। মোৰ লগে লগে থাকিও তুমি এক নতুন যাত্ৰাৰ পথিক হ'লা আৰু মই দিনে ৰাতিয়ে পৰি ৰলো এসোপা কিতাপ, গৱেষণা পত্ৰ আৰু লেপটপটোৰ মাজত। মোৰ গৱেষণাৰ কামত অলপো আমনি নিদিয়াকৈ তুমি সংসাৰ চলাবলৈ ধৰিলো। চাউল ডাইলৰ পৰা মোৰ গাৰ বনিয়ানটোলৈকে, ল'ৰা ছোৱালী কেইটাক আখৰ চিনোৱাৰ পৰা অসুখ বিসুখলৈকে, ফামাৰ্চীৰ পৰা গেছ চিলিণ্ডাৰলৈকে, সকলো দিশতে নজৰ ৰাখিলা তোমাৰ।

কিন্তু সেই বুলিয়ে, সেই বুলিয়ে তুমি এই মাৰাত্মক অসুখটোৰ খবৰো মোক নিদিলানে? মইতো অমানুহ নহওঁ। মই তোমাক ভাল পাওঁ। হয়তো ভাল পোৱাৰ অনুভৱ মই উপলব্ধি কৰিব নেজানো। কিন্তু সেই বুলিয়ে! সেইদিনা ডাঃ নাথে টেলিফোন কৰি নোকোৱাহলে মই এইকনো নেজানিলোহেঁতেল। মই নিজেইতো এজন ডাক্তৰ। এনে এটা ৰোগৰ নিৰাময়ৰ বাবেই দিনে নিশাই লাগি আছোঁ। অথচ- তোমাৰ বুকুত মাৰাত্মক অসুখ। চাৰ ক'মা। অসুখে প্ৰসাৰিত কৰিছে তাৰ বিষাক্ত থতোৰা সমগ্ৰ অঞ্চলতে। কিয় নকলা মোক? নিজে নিজে আৰম্ভ কৰিলা কেম'থেৰাপীৰ আসুৰিক চিকিৎসা। কিয় নজনালা মোক? অমানুহতো নহওঁ মই!

ডাঃ নাথে জনোৱাৰ পাছতে মই আৰু থিৰেৰে থাকিব নোৱাৰিলো। স্বপ্নৰ পৰা দিঠকলৈ আহিলো মই। এই প্ৰথম জীৱনৰ মুখা-মুখি হ'ব খুজিলোঁ। শেষ দিন কেইটাত তোমাৰ কাষত থাকিম বুলি দৃঢ় প্ৰতিজ্ঞ হ'লোঁ তোমাক হেৰুৱাৰ অনুভৱত মই দগ্ধ হবলৈ আৰম্ভ কৰিলো। নিজ হাতে ঔষধ খুৱালোঁ। নিজে তৈয়াৰ কৰিলো তোমাৰ উপযোগী পথ্য। তুমি ভাল পোৱা সংগীত লগাই দিলো মিউজিক প্লেয়াৰত। হুইল চেয়াৰত উঠাই তুমি নিজে পাতি লোৱা ফুলনিত ঘূৰাই ফুৰালোঁ। তোমাক সাৰটি বৰষুণ চালোঁ - চাদলৈ ডাঙি নি তাৰকাখচিত আকাশৰ তলত বহুপৰ বহি থাকিলো। জোনাকে আৱৰা পৃথিৱীত তোমাৰ পঞ্চাশ বছৰীয়া ৰোগজীৰ্ণ শৰীৰ মোৰ প্ৰেমৰ স্পৰ্শৰে বুৰাই দিলো। তোমাৰ মন গহনত গুঞ্জৰি উঠা আনন্দৰ জোৱাৰ মই অনুভৱ কৰিলোঁ। মই ঘূৰি গলো সাতাইশ বছৰ বয়সলৈ। আচৰিত কথাটো হ'ল এনে কৰি মই যি আনন্দ পালোঁ তেনে আনন্দ আগতে মই কোনোদিনে লভা নাছিলো। তোমাৰ ওচৰত কটোৱা এটা মুহূৰ্ত্তও মই আৰু এৰি নিদিলোঁ, উদ্‌যাপন কৰিলো প্ৰতিটো মুহূৰ্ত্ত। হেৰাই

যোৱা প্ৰেমৰ প্ৰতিটো মুহুৰ্ত্ত। ঘূৰাই আনিলো আনন্দ। দুখৰ মাজৰ আনন্দ।

মই তোমাৰ মুখলৈ চালো। শান্ত শিশুৰ দৰে শুই আছা তুমি। তোমাৰ কপালত পৰি আছে কেইডামান চু লি। ৰং লাগিছে চুলিত। পঞ্চাশ পুৰ হবলৈ এতিয়াও কুৰিটা দিন। পৰি থকা চুলি কেইডাল মই আলফুলে আঁতৰাই দিলো। আঃ কি সুন্দৰ তুমি! এনে ৰূপতো মই আগেয়ে দেখা নাই। মৃত্যুও কি অপৰূপ। জীৱনৰ সৌন্দৰ্যওযে মই নেদেখিলো কোনোদিন।

মই তেওঁৰ গালত মোৰ আঙুলি বুলালো। এইবাৰ মোৰ কণ্ঠ ৰুদ্ধ হৈ আহিল। হেঁপাহ পলুৱাই কান্দিলো। এক বিশাল শূণ্যতাত জাহ গলো মই। গভীৰ মমতাৰে তেওঁক বাৰে বাৰে স্পৰ্শ কৰি মই উদ্‌যাপন কৰিলো প্ৰেম আৰু মৃত্যুৰ উৎসৱ। চকুপানীৰ মহাৰ্ঘ অঞ্জলিৰে।

দুৱাৰত 'নক্' পৰিবলৈ ধৰিছে। ধীৰ খোজেৰে উঠি গলোঁ। কোঠালৈ সোমাই আহিল এদল মানুহ। আত্মীয়, অনাত্মীয়। হাতে হাতে ফুল, মালা, কাৰোবাৰ হাতত কেমেৰাও। হাস্পাতাল চৌহদ ভৰি পৰিছে মানুহেৰে। বেছিভাগেই দাৰিদ্ৰ্য পীড়ীত খাটি খোৱা মানুহ। নেজানো কাক কি কৰিবলৈ আহিছে এওঁলোকে। কোন বৰেণ্য ব্যক্তি আছে ইয়াত। আঃ, মানুহবোৰে দেখোন তোমাৰেই নাম লৈছে। কোনোবাই 'মা' বুলি কোনোবাই বাইদেউ বুলি .......

নেজানেনে আপুনি তেওঁ আমাৰ বাবে কি আছিল? তেওঁ আমাৰ মুখলৈ অন্ন আনি দিছিল। তেওঁ আমাৰ ল'ৰা ছোৱালীহঁতক শিক্ষাৰ পোহৰ দিছিল। তেওঁ আমাৰ অসুখৰ সময়ত কাষত ঠিয় হৈছিল। দিছিল চিকিৎসাৰ ব্যৱস্থা। তেওঁৰেই আমাক সংস্থাপনৰ পথ দেখুৱাইছিল।

নেজানিলো মই কেতিয়ানো তেওঁ ইমানবোৰ কামৰ মাজত, ইমানবোৰ সংস্থাৰ সতে জড়িত হৈ পৰিছিল। অৱশ্যে তেওঁ কি কৰিছিল, ক'লৈ যায় সেইবোৰ প্ৰশ্ন মই কেতিয়াও তেওঁক কৰা নাছিলো। মই ব্যক্তি স্বাধীনতাত বিশ্বাস কৰো, সমৰ্থন কৰোঁ। তেওঁৰো কৰে সেইবুলি! বাকৰুদ্ধ হৈ পৰিলো মই।

ল'ৰা ছোৱালী হাল ইতিমধ্যে আহি পাইছিলহি। সিহঁত মাকক শেষ দেখা দি মোৰ কাষত ঠিয় দিলেহি। মই সিহঁতহালৰ কান্ধত হাত থলো। সিহঁতে মোক বুকুত সুমুৱাই লওঁ যেন কৰিলে। মোৰ হাত দুখন কঁপি উঠিল। সিহঁতৰ মুখলৈ চালো। দুয়োৰে মুখত মাকৰ প্ৰতিচ্ছবি। প্ৰথমবাৰৰ বাবে সিহঁতৰ মুখত মই মোৰ নিজৰ প্ৰতিচ্ছবি বিচাৰিবলৈ ধৰিলো।

ইতিমধ্যে সাজু হৈ উঠিছে পুষ্প-সজ্জিত বাহন। মোৰ ল'ৰা-ছোৱালী হাল লৰি গৈ সেই বাহনৰ কাষত ঠিয় হলগৈ। হাজোৰোধিক মানুহে আগুৰি আছিল তেওঁৰ মৃত্যু-বিজয়ী দেহ। ক্ৰমাৎ অচিনাকি হৈ যাবলৈ ধৰিলো মই হেন বিখ্যাত মানুহটো। মোৰ বিশ্ববিখ্যাত হোৱাৰ সপোনটো সৰু হৈ আহি আহি এটা সময়ত ভিৰৰ মাজত হেৰাই গ'ল।

এইবাৰ মই নতুনকৈ সপোন দেখিম। স্বাৰ্থহীন গৱেষণাত অগতকৈ বহু বেছি পৰিশ্ৰম কৰিম মই। আগৰ দৰে এইবাৰো মই গভীৰভাৱে ব্ৰতী হম মোৰ গৱেষণাত। মাত্ৰ এই পৰিশ্ৰমত আগৰ দৰে নেথাকিব জগত জিনাৰ দুৰ্বাৰ লিপ্সা- নেথাকিব অহঙ্কাৰৰ লেশমানো পৰশ। থাকিব হাজাৰ মানুহৰ জীৱন কল্যানকৰ ব্ৰত। চাবা, এদিন নহয় এদিন মই তোমাক জীৱন দান দিমেই। হয়, এদিন নহয় এদিন - এদিন নহয় এদিন মই তোমাক ঘূৰাই আনিমেই।

□□□□□

# আলহী

*ড° সুনীল বৰগোহাঞি*
*প্ৰাক্তন ছাত্ৰ*

আলহী আহিছে। সেইখিনিতে বহিছে। কাকো মাতবোল কৰা নাই। নিজক লৈয়ে ব্যস্ত হৈ আছে। কেনিও চোৱা নাই। যেন সদায় আহি থকা ঘৰখনহে। কালৈকো ভ্ৰূক্ষেপ নাই, আমি সকলো আচৰিত! মাতিবলৈও ওলাই যাব পৰা নাই। মাতিলোৱেই জানিব, কি বা উত্তৰ দিয়ে। মাতিলেও কি বুলি সম্বোধন কৰিম তাকো ভাবি উৱাদিহ পোৱা নাই। মনৰ মাজতে আমিবোৰে গুণাগঁথা কৰি আছোঁ। আমাৰ ভণ্টি চুমকীয়ে মাক কুটুৰিছে - 'মা, মই যাওঁ, আলহীক মাতোগৈ।' আলহীৰ অপৰূপ ৰূপত তাই মোহবিষ্টা। ডাঙৰ ভণ্টি চুমুৰে ভনীয়েকক কৈছে - নেলাগেচোন, এতিয়া থ' ভাগৰি জুগৰি আহিছে অলপ জিৰাই লওক।' প্ৰথমে খাবলৈ পানী-দুনি অকন দি লব লাগি ছিল। আলহীৰ ভাগৰৰ লগতে ভোকো লাগিছে কিজানি। আলহীয়ে কিয়েইবা খায় নাজানো নহয়। সুধিবলৈ গলেও কিজানি বেয়াই পায়। পেচ লাগি কিজানিবা গুচিয়ে যায়। মনতে কিজানিবা ভাবেঃ তোমালোকৰ ঘৰলৈ আহিছো কি দিব লাগে সেয়াও মই কব লাগিব নেকি? চৰুক সুধি চাউল দিবানে?

আলহীৰ ভমকাফুলীয়া সাজযোৰ বৰ ভাল লাজিছে। গাঢ়ি দিয়া ৰিহাৰ আচলতে কেচবচা পাৰিটোৰ দৰে সাজযোৰৰ তলত এটা লাইনে অপৰূপ সৌন্দৰ্য্য সৃষ্টি কৰিছে। পিচফালৰ ক'লা অংশখিনিত অ'ত ত'ত দুই এটি শুধবগা ফোঁটে কিয়ে মনোমুগ্ধ কৰি তুলিছে। ওঁঠযুৰিও তামোলৰ সেলেঙীয়ে বোলাই লৈছে। চকুৰ চেলাউৰি আৰু তাৰ তলৰ নীলা ঘূৰণীয়া চকুযুৰিত অবোধ চাৱনিবোৰ পুঞ্জীভূত হৈ আছে। বৰ সৰল, নিষ্পাপ যেন লাগিছে আলহীৰ দুনয়ন। দেহৰ প্ৰত্যেকটো অংগতে নিখুঁত সৌন্দৰ্য্য খচিত কৰিছে অদৃষ্টি খনিকৰে। সঁচাই অপূৰ্ব লাগিছে আজি এই পুৱাতে আহি উপস্থিত হোৱা আলহীক।

চুমকীৰ গাত তৰণি নাই। তাই এনেয়েও আলহী অতিথি বৰ ভাল পায়। আমি জুমিজুমি কৰি থকা খিড়িকীখনৰ কাষৰপৰা আঁতৰি গৈ তাই মাকক কিবা এটা খুজিলেগৈ - 'মা, মই আৰু নোৱাৰো! মোক যাবলৈ দিয়া। আলহীক মই মাতোগৈ, কিবা এটা খাবলৈ দিওঁগৈ। নমস্কাৰ জনাই নিজৰ পৰিচয় দি তেওঁৰ খবৰ সোধোগৈ।' মায়ে তাইৰ প্ৰস্তাৱৰ প্ৰবল প্ৰতিবাদ কৰিছে - 'ৰহচোন এইজনী। তৎনোহোৱা কৰিছ কেলৈ? লাহেধীৰে সুধিম নহয় আলহীক।'

কিন্তু মা, আলহী অহা যে বহুত দেৰী হ'ল। অকলে বহি আছে থম থম মদন গোপাল হৈ। আমিবোৰে গৃহস্থ হৈ মাত এষাৰিও লগোৱা নাই। ভাল হৈছে জানো কথাটো?

বাহিৰত কুকুৰ দুটামানে কেংকেঙাই ছে। আলহীয়ে সেইফাললৈ কান উনাই কিবা এটা ভু লৈছে। আলহীৰ কুকুৰলৈ বৰ ভয় কিজানি। টেমাৰ পৰা বিস্কুট দুখন উলিয়াই লৈ মই কেংকেঙাই থকা কুকুৰ কিটাক আকাৰে ইংগিতে মাতি নি দূৰলৈ খেদি দিলোঁ। সিহঁতেও বিনা প্ৰতিবাদে আঁতৰি গুচি গ'ল। পাৰচৰাই দুটামানে পাখী কোবাই আহি চোতালতে পৰিলহি। লাকপাকুৰ-লাকপাকুৰকৈ সিহঁতে চিঞৰিলে আৰু তাকো আলহীয়ে বৰ মনোযেগে শুনিলে। পাৰৰ মাত আলহীয়ে আগতে শুনা নাই নেকি?

আমাৰ মায়ে বেলেগ এটা কোঠালীলৈ মাতি নি মোক কলে - 'কি কৰা যায় সোন? ইমান ধুনীয়া নম্ৰ-ভদ্ৰ আলহীৰ লগত কেনেকৈ কি কথা পাতো?

কৰপৰা কি বুলি আৰম্ভ কৰোঁ? কিবা এটা কলে কিজানি কোনোবাখিনিত অপৰাধেই লাগে? তাতকৈ এটা কাম কৰ। বিমল খুড়াকে মাতি পঠা। তেওঁ বৰ ভালকৈ সকলোখিনি চম্ভালি লব পাৰিব। ফ'ন কৰি দে। এতিয়াই, এই মূহুৰ্ত্ততে আহিব লাগে বুলি ক।' -হ'ব মা। তোমাৰ আইডিয়াইঠিক। মই এতিয়াই ফ'ন কৰিছো।

পৰ্দাৰ ফাঁকেদি আকৌ এবাৰ আলহীলৈ চাই ললো। ৰান্ধনিশালৰ এচুকলৈ গৈ বিমল খুড়ালৈ ফ'ন লগালো। স্থানীয় মহাবিদ্যালয়খনৰ তেখেত প্ৰাণীবিজ্ঞান বিভাগৰ এছোচিয়েট প্ৰফেচৰ। বৰ মৰমীয়াল মানুহ।

- কোৱা মইনা। কিয়বা ফ'ন কৰিলা?

মই সকলোখিনি বিবৰি কলো। খুড়াই চিন্তিত হৈ ৰসিকতা কৰিলে।

- ধন্য ধন্য বাচা সম্বাদৰ হেতু। এনেহেন আলহীৰ চান্দমুখ পেখো প্ৰভাতী বেলাতে।

খুড়াই পলম নকৰিলে। সাউতকৈ চিলনী অহাদি আহি অতি সৰ্ন্তপণে আমাৰ গৃহত প্ৰৱেশকৰিলেহি। কান্ধত ওলোমাই বেগ এটাত আনিছে কিবাকিবি দুপদমান বস্তু। মনত অনুসন্ধিৎসা, দুচকুত সীমাহীন বিস্ময়। পৰ্দাৰ ফাঁকেদি আলহীৰ চেহেৰা দেখিয়েই তেখেত অভিভূত হৈ পৰিল। স্বতঃস্ফূৰ্তভাৱে খুড়াৰ মুখেদি ওলাই আহিল - 'সঁচাই অপূৰ্ব।'

কিন্তু ই কি? খুড়াই দেখোন মস্ত কিতাপ এখন উলিয়াইছে! কান্ধৰ বেগটোৰ পৰা উলিয়াইছে কলা বস্তু এটা। সেইটো কি? বন্দুক নহয়তো? নহয়, সেইটো এটা কেমেৰা। তাৰ মানে চা-চিনাকি, কথা বতৰাৰ পূৰ্বেই খুড়াই একপি ফটো তুলি লব। 'লৈ আহিছো কেমেৰা, তুলিনো ল'ম চেহেৰা'। খুড়াৰ কাণ্ড- কাৰখানাত আমি সঁচাই বিস্ময়াভিভূত হৈ পৰিছো। আলহীৰ সৈতে এনে আচৰণ আমাৰ ক'তো দেখা মনত পৰা নাই। চেৰেক চেৰেককৈ খুড়াই দুকপি ফটো তুলিলে। মুভি কেমেৰা আলহীৰ ফালৈ এড্জাষ্ট কৰি ভিডিঅ' ক্লিপ্ অন কৰি দিলে। আলহীৰ শ্ৰীচেহেৰা আমি নিচেই ওচৰত থকাৰ দৰে দেখিবলৈ পালো। আলহীয়ে লৰচৰ কৰা, ইফালে সিফালে চোৱা, গা খজুওৱা ধৰণৰ কামবোৰ বৰ স্পষ্টকৈ আমাৰ চকুত ধৰা দিলে।

এইবাৰ খুড়াই প্ৰকাণ্ড কিতাপখনৰ পাত লুটিয়ালে। এটা পৃষ্ঠাত হঠাতে খুড়াৰ আঙুলিকেইটা ৰৈ গ'ল। আমালৈ চাই তেখেতে কলে- 'এয়া চোৱা। এয়া ইউৰেচিয়ান উইজন্। বৈজ্ঞানিক নাম এনাচ্ পেনিলপ। ৪৫-৫১ ছেঃ মিটাৰ আকৃতিৰ মূৰত হালধীয়া পাখি পাখি থকা এইটো মতা হাঁহ। ইহঁতৰ মাইকী হাঁহজনীৰ মূৰটো খয়েৰী বৰণৰ হয়। ইহঁত শীতৰ আলহী চৰাই। সাধাৰণতে আৰ্দ্ৰভূমি আৰু বিলত বিচৰণ কৰে। স্থানীয়ভাৱে আমাৰ ইয়াত ইয়াক খেৰীহাঁহ বোলে।'

'হয়তো কোনো চোৰাং চিকাৰীৰ বন্ধুকৰ শব্দত ভীতিগ্ৰস্ত হৈ তত ধৰিব নোৱাৰি তোমালোকৰ ভড়ালৰ তলত সোমালহি। আঘাতপ্ৰাপ্তও হব পাৰে। বৰ্ত্তমান সময়ত এনেদৰেই এচাম হৃদয়হীন মানুহৰ নিষ্ঠুৰতা আৰু বৰ্বৰতাৰ বলি হবলগা হৈছে বনৰ পক্ষীকূল। আচল কথাটো কি জানা - আমাৰ প্ৰকৃতি ৰাজ্যৰ শোভা বৰ্দ্ধনত চৰাই চিৰিকতিবোৰে কিমান যে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে সেই কথা আমি উপলব্ধি কৰিবলৈ শিকাই নাই।

□□□□□

# এৰি অহা দিনবোৰ আৰু নিঃসংগতা

*খগেন্দ্ৰ নাথ মহন*
*প্ৰাক্তন ছাত্ৰ*

পুৱা সোনকালে মানে পৃথিৱীখন ভালদৰে পোহৰ হোৱাৰ আগতেই উঠাটো মোৰ অভ্যাস। এই অভ্যাসটো সৰুতে দেউতাই দি যায়। দেউতাই ৰাতিপুৱাবলৈ কিছুসময় থাকোতেই পঢ়িবলৈ মোক জগাই দিয়ে। "এই পোনা উঠ উঠ সোনকালে পুৱা উঠি পঢ়িলে কথাবোৰ মনত থাকে।" দেউতাই জগাই দিয়াৰ লগে লগে উঠি যাওঁ, মুখখন ধুই টেবুলত বহি পৰো। আমাৰ দিনত কাৰেন্ট নাছিল গতিকে লেম্পটো জ্বলাই লওঁ। আমি আছিলো শদিয়াত। আজি আমি থকা শদিয়াৰ অস্তিত্বই নাই — ১৯৫০ চনৰ বৰ ভূইকঁপৰ পিচত আমাৰ ঘৰ-দুৱাৰ লোহিত নৈৰ বুকুত জাহ গ'ল। আমাৰ শৈশৱৰ শদিয়াখন অসমৰ দ্বিতীয় শ্বিলংখন নাইকিয়া হৈ গ'ল। মনত পৰিলে মনটো ভাৰক্ৰান্ত হৈ পৰে। কিছুসময় পঢ়াৰ পিছত কাউৰীয়ে কা কা কৰাৰ পিচত ওলাই যাওঁ আমাৰ ঘৰৰ পৰা প্ৰায় এক কিঃ মিঃ আতৰত থকা লোহিত নৈৰ পাৰলৈ। তেতিয়া আমি লাহে লাহে যোৱাৰ অভ্যাস নাছিল। গতিকে লৰ মাৰিয়েই নদীৰ পাৰ পাইছিলোগৈ। নৈৰ পাৰত পুৱাৰ মনোমোহা বতাহ সেৱন কৰি গাটো ভাল লাগি গৈছিল। উপভোগ কৰিছিলো সূৰ্য্যোদয়ৰ দৃশ্যটো। ৰঙা বেলিৰ কিৰণ লোহিত নৈত পৰি এক অপূৰ্ব্ব সৌন্দৰ্য্যৰ সৃষ্টি হৈছিল। এনেদৰে সূৰ্য্যৰ কিৰণ সাগৰত পৰি প্ৰতিফলিত হোৱাৰ দৃশ্য চাবলৈ পৰ্যটকসকল কন্যাকুমাৰীলৈ যায়। আমিও এদিন গৈছিলো। সেই দৃশ্য কিমান উপভোগ্য দেখাজনেহে উপলব্ধি কৰিব পাৰে। নৈৰ পাৰত কিছুসময় থকাৰ পিচত এটি ফৰকাল মন লৈ ঘৰলৈ ঘূৰি আহো। সেই সময়ত মোৰ লগ আছিল সহপাঠী শ্ৰী কৃষ্ণ প্ৰসাদ সিং।

এই পুৱা উঠা অভ্যাসটো আজি ৮৩ বছৰলৈকে থাকি গ'ল। এতিয়াও প্ৰাতঃ ভ্ৰমণৰ পৰা ঘূৰি অহাৰ পিচত একাপ চাহ কৰি খাওঁ। আমাৰ চাহকাপ কৰাত কোনো অসুবিধা নাই। পানী উতলিলেই জোখত চাহপাত কেইটামান দিলেই হ'ল। চাহকাপ লৈ আহি বাৰান্দাত বহি আৰামত খাওঁ। লগত এখন বিস্কুট। মোৰ দৰে যি সকলে চাহকাপ খায় তেওঁহে বুজি পাব, অনুভৱ কৰিব পাৰিব এই পুৱা চাহকাপৰ সোৱাদ কিমান, আমেজ কিমান। চাহ কাপ খাই থাকোতে মনটো আকৌ উৰি যায় অতীতলৈ। মনটোত নানা কথাই আমনি দিয়ে। নিজৰ পুৰণি এৰি অহা দিনবোৰৰ কথা। জীৱনত ঘটা প্ৰেম বিৰহৰ কথা — এইবোৰ কথা পাগুলি ভাল লাগে। সেই কলেজীয়া জীৱনৰ কথা স্মৃতিৰ পৰ্দালৈ আহিলে মনটোৱে আনন্দ পায়, এটা বেলেগ শিহৰণ জাগি উঠে। শদিয়াৰ নিচিনা এডোখৰ পিচপৰা ঠাইৰ পৰা গৈ ১৯৫০ চনত কটন কলেজৰ ছাত্ৰ হৈছিলো। চেকেন্দ মেছৰ বাসিন্দা — কি গৌৰৱ কি আনন্দৰ কটনিয়ান। কটন কলেজৰ পৰা আই০ এ০ চি০ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিচত ঘটনাৰ পাকচক্ৰত পৰি কানৈ কলেজৰ ছাত্ৰ হ'লো। কলেজীয়া জীৱনটো এনেয়ে মধুৰ আৰু মধুৰ হয় যদিহে তাত ভাল লগা ঘটনাই যোগ দিয়ে। কানৈ কলেজত পঢ়োতে আমাৰ এটা ক্লাচত বাৰ গৰাকী ছোৱালীৰ মাজতময়ে একমাত্ৰ ছাত্ৰ। ইমানবোৰ ছোৱালীৰ মাজত মই অকলে কেনে লাগিব বাৰু? তাৰে এগৰাকীয়ে মোক হেনো ভাল পাইছিল — কিন্তু মই বুৰ্ব্বকে প্ৰেম কৰিবলৈ নহ'ল। প্ৰেম কৰা হ'লে যৌৱনৰ কিছু সোৱাদ ল'ব পাৰিলোহেঁতেন। এতিয়া মনত পৰিলে দুঃখ লাগে। ইমানবোৰ ছোৱলীৰ মাজত মই অকলে, মোৰ কথা কৈ

নিশ্চয় ছোৱালীবোৰৰ মাজত আলোচনা হয়। নহলেনো ছোৱালীৰ কমনৰুমৰ কাষেদি গলে ছোৱালীৰ মাজত চিঞৰৰ বাখৰ লাগে — মোক জোকায় — এই কানাই গৈছে ৰে ছুল কদম ছুল — এক দুই। লগে লগে হাঁহিৰ থুনুপাক। কোনোবা এগৰাকীয়ে চিঞৰি কয় এই অমুকা গলৰে গ'ল। ক'ত আছ আহ। মই কি কৰিম। মই বৰ লাজকুৰীয়া আছিলো, ছোৱালীৰ কথা শুনি মোৰ কানমূৰ ৰঙা হৈ যায়! উপায়তো নাই। কালৈকো নাচাই ক্লাছলৈ খোজ লওঁ। আমাৰ ক্লাচটোলৈ যাবলৈ হলে ছোৱালীৰ কমনৰুমৰ কাষেদিয়েই যাব লাগে। কি বিড়ম্বনা! ল'ৰাইহে ছোৱালী জোকায় মোৰ ক্ষেত্ৰত ওলোটা হ'ল। এয়া ১৯৫২ চনৰ কথা। তেতিয়া আমাৰ কলেজখন আছিল ডিব্ৰুগড় চহৰৰ পশ্চিম প্ৰান্তত। বৰ্ত্তমানৰ কানৈ কলেজ জন্মই হোৱা নাছিল। মোক সকলোৱে মৰম কৰা কাৰণেই বিনা প্ৰতিদ্বন্দিতাৰে কলেজ আলোচনীৰ সম্পাদক হৈছিলো। কিমান সুখৰ কিমান আনন্দৰ আছিল দিনবোৰ। সকলোবোৰ হেৰাই গ'ল। এতিয়া সোঁৱৰণতে আনন্দ। যদি আপোনাৰ বয়স হৈছে, বাৰ্দ্ধক্যই চুইছে — পুৰা চকী এখনত বহি ৰোমন্থন কৰক, চাবচোন কিমান আনন্দ লাগে।

এতিয়া মোক বয়সে আমনি দিছে। সকলোকে বাৰ্দ্ধক্যই আমনি দিয়ে। জীৱনটো দুঃখ লগা হৈ পৰে। বৃদ্ধ কালত হোৱা কানেৰে কম শুনা, দৃষ্টিশক্তি কমি যোৱা, ছাল শোতোৰা পৰা, মুখখন সোমাই যোৱা এটি বিকৃত ৰূপৰ মানুহ হৈ পৰে। কোনেও ইয়াৰ পৰা পৰিত্ৰাণ নাপায়। যেন এপাহ মৰহাফুল। এনে এজন মানুহৰ প্ৰতি কাৰণো আকৰ্ষণ থাকিব। সেয়েহে পোৱা যায় সকলোৰে পৰা অনাদৰ, অৱহেলা। তেতিয়া জীৱনটো হৈ পৰে অকলশৰীয়া। তেতিয়া লগ হয় নিঃসংগতা। এসময়ত ল'ৰা-ছোৱালীৰে ভৰপূৰ ঘৰখন হৈ পৰে শূন্য। তুলি তালি পঢ়াই শুনাই ডাঙৰ-দীঘল কৰাৰ পিচত সকলো আঁতৰি যায়। নিজৰ নিজৰ কৰ্ত্তব্যত সকলো ব্যস্ত হৈ পৰে। পিতৃ-মাতৃৰ খবৰ কৰিবলৈ সময়কে নাপায়। বৰ অকলশৰীয়া দুটা প্ৰাণী তাৰে এজন নাইকিয়া হ'লে সংসাৰখন কেনে হ'ব অনুভৱ কৰকচোন। এই অকলশৰীয়া নিঃসংগ জীৱন এটা কোৰো কাম্য নহ'লেও আহি পৰে। এই নিঃসংগতা আঁতৰ কৰিব নোৱাৰি। কোনে আহি আপোনাক সংগ দিব। নিঃসংগতাক সাৰটি ল'বই লাগিব। এই নিঃসগতাক আঁতৰাই ৰাখিবলৈ বহুতে বহুত উপায় দিছে। ঘৰত খালিথকা ঠাইখিনিত ফুলনি পাতক। দুই এবিধ শাক-পাচলি কৰাৰ ব্যৱস্থা কৰক। এইবোৰ কৰি নিজকে ব্যস্ত ৰাখক। নহ'লে নিৰাশভাৱে জুমুৰি দি ধৰিব। এই নিঃসংগতাৰ পৰা নিজকে বচাই ৰাখিবলৈ বাৰ্দ্ধক্যজনিত জীৱনত পোৱা যন্ত্ৰণাবোৰৰ পৰা পৰিত্ৰাণ পাবলৈ নিজকে কোনো সৃষ্টিমূলক সমাজৰ কামত ব্যস্ত ৰাখক। তদুপৰি কিতাপক সংগী কৰি লওক। কিতাপৰ কাষ চপাটোৱেই হৈছে সকলোতকৈ উত্তম উপায়। ই নিৰাশ নকৰে। নিঃসংগতাৰ পৰা পোৱা অৱসাদৰ পৰিত্ৰাণ পোৱাৰ শ্ৰেষ্ঠ উপায়। পৰাপক্ষত নিজৰ কামখিনি নিজেই কৰিবলৈ চেষ্টা কৰক। আনৰ ওপৰত ভৰসা নাৰাখিব। আপুনি নিজহাতে কৰা পুৰাৰ ৰঙা চাহকাপ খাই যি আনন্দ পাব আপোনাৰ নিঃসংগতাৰ লগৰী হৈ অতীতৰ মধুৰ স্মৃতিয়ে নতুন অনুভূতি জাগ্ৰত কৰি তুলিব। তাতকৈ আন কিহবাই আপোনাক নিঃসংগ জীৱনত আনন্দ দিব বুলি মই নাভাবো, এই পুৰা ৰঙা চাহ কাপৰ মহিমা অপাৰ!

□□□□□

# চিৰ প্ৰৱাহিত হওক-কলিজাৰ জীয়াসুঁতি

*অঞ্জন আগমাচাৰ্য্য*
*প্ৰাক্তন ছাত্ৰ*

ঘৰৰ কাষেদি বৈ যোৱা সৰু জুৰিটি
যাৰ লগত শৈশৱৰ পৰা
প্ৰতিটো মুহূৰ্ত অতিবাহিত হৈছে,
সি হেনো মৃত্যুৰ ক্ষণ গণিছে
যান্ত্ৰিক জীৱনৰ উত্তৰণৰ ফলশ্ৰুতিত।

মোৰ বাল্যকালৰ বন্ধু সমন্বিতে
সকলোৰে মনত বৰ দ'কৈ আঘাত কৰিলে খবৰটোৱে -
লগতে চিন্তিত কৰিও তুলিলে -
এই অবাঞ্চিত সংঘাতৰ পৰা ৰক্ষা পাবলৈ।

জুৰিটিৰ নাম কি,
অথবা তাৰ উৎস ক'ত -
কোনোৱে নাজানে!
হয়তো জনাৰ ইচ্ছাও নহ'ল কোনোদিন।
বহুতে কোৱা শুনো - 'মৰাসুঁতি' বুলি,
কোনোৱে কয় - 'এৰাসুঁতি',
কিন্তু মোৰ ধাৰণা – ই এটা জিৰণীয়া সুঁতিহে।
যিহেতু ই খৰালিহে জিৰণি লয়,
আৰু বাৰিষা -
ওফন্দি উঠা তাৰ উদং বুকুখন চঞ্চল কৰি তোলে -
বাঢ়নী পানীৰে।



পাৰতে বাস কৰা ৰামধনহঁতৰ মুখলৈ হাঁহি আহে
লগেলগে জালত গুৰাবোৰ গুঠিবলৈ আৰম্ভ কৰে -
আৰ্থিক দিশটো টনকীয়াল কৰাৰ
এটি সপোন বুকুত বান্ধি।
জুৰিটিৰ অসীম অৱদানৰ কথা
বয়স নিৰ্বিশেষে, জীৱনৰ প্ৰতিটো মুহূৰ্তত
উপলব্ধি কৰে, সকলোৱে –
অতি গভীৰভাৱে।
গৰু বিহুৰ সেই মনোৰম দৃশ্যবোৰ –
'লাও খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা' –
এইবুলি কৈ দলিওৱা গৰু ছাটবোৰ,
হাঁহি-কিৰিলিৰ মাজেৰে পাৰ হৈ যোৱা
সেই ৰঙীণ মুহূৰ্তবোৰ,
পাহৰণিৰ বুকুত হেৰাই নাযায় কোনোদিন।
স্মৃতিৰ পটত,
ছবিবোৰ অধিক প্ৰকট হৈ উঠে
দিন বাগৰাৰ লগে লগে।

নগৰত চাকৰি কৰা ইন্দ্ৰই
খবৰ দিলেহি,
উদ্যোগপতিৰ বোলে চকু পৰিছে,
সেই ঠাইতে হোনো এটা 'প্ৰজেক্ট' হ'ব,
জুৰিটিও বোলে পোত যাব।
লগে লগে হয়তো বুৰঞ্জীৰ এটা অধ্যায়
হেৰাই যাব - উদ্যোগৰ আবৰ্জনাৰ মাজত!
গতিকে মাৰ বান্ধিবৰ হ'ল,
সকলোৱে - ইয়াক ৰোধিবৰ বাবে।



গাঁওবুঢ়াই ক'লে-
নামঘৰত নাম লওঁতেই
এটা আলোচনা হওক তেন্তে,
প্ৰতিৰোধৰ ব্যৱস্থা কিদৰে লোৱা যায়
তাৰ বিষয়ে।

ভবা মতেই কাম –
সকলোৱেই মত দিলে,
আমাৰ বুকুৰ আপোন এই জুৰিটি
ধ্বংস হ'বলৈ এৰি দিব নোৱাৰি
আৰু - আমি প্ৰজাবোৰেই যেতিয়া
ৰজা পাতিছো, ৰজাক বুজোৱাৰ দায়িত্বও আমাৰেই।



এজন ডেকাই ক'লে -
আমি সকলোৱেই মিলি
সুঁতিটো খান্দি পেলালেই হ'ল
তেতিয়া খৰালিচোন পানীৰে ওপচি ৰ'ব!
খোৱা পানী, খেতি-পথাৰ, মাছ-পুঠি –
হাতৰ মুঠিতে ৰ'ব সকলো,
হৰিধ্বনিৰ মাজেৰে এটি প্ৰস্তাৱ গৃহীত হ'ল।

মই ক'লো –
আজিৰ পৰা ইয়াৰ নতুন নাম হ'ব
'কলিজাৰ জীয়াসুঁতি'
এজাউৰি চাপৰিৰে সমৰ্থন জনালে সকলোৱে
ৰামধনে হাঁহি এটা মাৰি ক'লে -
তেন্তে, এতিয়াৰ পৰা অন্ততঃ আমাৰ জালকেইখনে
নিতৌ পুৱা ৰ'দ পুৱাব পাৰিব,
আগচোতালখন শুৱনি কৰি।

# বিগত দিনৰ স্মৃতি

ইন্দু দত্ত উজীৰ
*প্ৰাক্তন ছাত্ৰী*



এক ঐতিহ্যময় সুকোমল কোলাত,
যৌৱনৰ প্ৰভাতী সূৰুযৰ ৰ'দ কাঁচলিত
দুবাহুৰে আহৰণ কৰা প্ৰজ্ঞাৰ ঘাইশিপা
কুৰুকি কুৰুকি সোমাই পৰিছে
তোমাৰ হৃদয়ত স্মৃতিৰ বক্ষ বিদাৰি।

শীতল ছাঁয়াৰে আপুত পাইনজোপাৰ
হৰিৎকণা ভৰা মসৃণ পাতবোৰত
আজিও ওলম্বিত বিগত দিনৰ স্মৃতিবোৰ
শৰতৰ ৰাতি ক্ষৰণহোৱা নিয়ৰ কণাৰ দৰে
মোৰ মনৰ মাজতো ক্ষৰিত আজি
অলেখ স্মৃতিৰ চিৰসেউজীয়া ছবি।

জীৱনৰ বিয়লিবেলা বাটকুৰি বাই
ভাবাক্ৰান্ত মনে তোমাৰ কাষেৰে পাৰহৈ যাওঁতে
এক অজান শিহৰণ অনুভূত হয়,
অনেক পক্ষীৰ সুমধুৰ কলৰৱ।

আজিও গুঞ্জৰিত মোৰ হিয়াৰ মাজত
জ্ঞান সৰোবৰত স্নান কৰি কৰি
মুখৰিত কৰিলে তোমাৰ দেউলৰ মজিয়া
সুদীৰ্ঘ কাল তুমি থিয় দি আছা
অলৰ অচৰ কংক্ৰিটৰ প্ৰাচীৰ হৈ
কেৱল আমিবোৰ ৰূপান্তৰিত হ'লো
প্ৰাক্তন কানৈয়ান আদি শব্দ লৈ।

প্ৰজ্ঞাৰ শুভ্ৰ ডেউকাত বহি
মই উৰি যাওঁ অতীতলৈ, দূৰ অতীতলৈ --

অবিৰত যাত্ৰা-পিপাসু, এজাক আলহী চৰাইৰ দৰে,
তোমাক দেখিলে পুলকিত হওঁ, চঞ্চলা হওঁ
আবেলিৰ খোলা খিৰিকিৰে যেন ঘূৰি আহে
হেৰোৱা দিনৰ সেই সোণালী যৌৱন।

# নৈবেদ্য

*ড° মীনা দেৱী বৰুৱা*
*প্ৰাক্তন ছাত্ৰী*

সেই তেতিয়াৰে পৰা
সুৰ এটি বুকুত বান্ধি
আহি আছোঁ
আহি আছোঁ ...

মোৰ প্ৰজ্ঞা সাধনাৰ
প্ৰতিটো পলত
হৃদয়ত অনুৰণিত সেই সুৰ
মন্দিৰৰ সংগলময় শংখধ্বনিৰ
সেই সুৰ ...
মোৰ সাধনাৰ লহৰ হৈ
উটি ভাহি ফুৰে

মোৰ যাত্ৰাৰ লহৰে লহৰে।
মোৰ মন্দিৰ,
মোৰ জ্ঞানঅন্বেষী যাত্ৰাৰ মহীৰূহ
মোৰ মৰমৰ কানৈ কলেজ ,
যৌৱনৰ ৰহণবোৰ
মোৰ গালে-মুখে ছটিয়াই
ক্ষণবোৰ সপোন যেন কৰা
দেৱদাৰুৰ নিৰিবিলি ছাঁই
মোক আজিও হাত-বাউল দিয়ে



শিক্ষাগুৰুৰ গম্ভীৰ মাতে
মৰমৰ আশীষে
আজিও মোৰ হৃদয়ত শান্তিৰ বতৰা দিয়ে

বেলি লহিওৱাৰ এই পৰতো
মন মোৰ উৰা মাৰি যায়
গেলেৰীৰ সেই প্ৰথম বেঞ্চলে'
বন্ধুত্বৰ সান্নিধ্যৰ বাবে
মন মোৰ উৰা মাৰি যায়
শ্ৰেণীকোঠাৰ বাহিৰে ভিতৰে
এক বৈভৱময় অনুভূতিৰে

তোমাৰ কাষেৰে গ'লে
তোমাৰ সান্নিধ্য মই উপভোগ কৰোঁ
নষ্টালজিক হৈ স্তব্ধ হৈ ৰওঁ
মোৰ সমগ্ৰ সত্তা উজাৰি
মোৰ দেহৰ প্ৰতিবিন্দু শিহৰিত কৰি
বৈ আছা তুমি
বৈ থাকিবা অনন্তকাল জুৰি

# নৈবেদ্য

ড° মীনা দেৱী বৰুৱা
প্ৰাক্তন ছাত্ৰী

সেই তেতিয়াৰে পৰা
সুৰ এটি বুকুত বান্ধি
আহি আছোঁ
আহি আছোঁ ...

মোৰ প্ৰজ্ঞা সাধনাৰ
প্ৰতিটো পলত
হৃদয়ত অনুৰণিত সেই সুৰ
মন্দিৰৰ সংগলময় শংখধ্বনিৰ
সেই সুৰ ...
মোৰ সাধনাৰ লহৰ হৈ
উটি ভাহি ফুৰে

মোৰ যাত্ৰাৰ লহৰে লহৰে।
মোৰ মন্দিৰ,
মোৰ জ্ঞানঅন্বেষী যাত্ৰাৰ মহীৰূহ
মোৰ মৰমৰ কানৈ কলেজ ,
যৌৱনৰ ৰহণবোৰ
মোৰ গালে-মুখে ছটিয়াই
ক্ষণবোৰ সপোন যেন কৰা
দেৱদাৰুৰ নিৰিবিলি ছাঁই
মোক আজিও হাত-বাউল দিয়ে



শিক্ষাগুৰুৰ গম্ভীৰ মাতে
মৰমৰ আশীষে
আজিও মোৰ হৃদয়ত শান্তিৰ বতৰা দিয়ে

বেলি লহিওৱাৰ এই পৰতো
মন মোৰ উৰা মাৰি যায়
গেলেৰীৰ সেই প্ৰথম বেঞ্চলৈ'
বন্ধুত্বৰ সান্নিধ্যৰ বাবে
মন মোৰ উৰা মাৰি যায়
শ্ৰেণীকোঠাৰ বাহিৰে ভিতৰে
এক বৈভৱময় অনুভূতিৰে

তোমাৰ কাষেৰে গ'লে
তোমাৰ সান্নিধ্য মই উপভোগ কৰোঁ
নষ্টালজিক হৈ স্তব্ধ হৈ ৰওঁ
মোৰ সমগ্ৰ সত্তা উজাৰি
মোৰ দেহৰ প্ৰতিবিন্দু শিহৰিত কৰি
বৈ আছা তুমি
বৈ থাকিবা অনন্তকাল জুৰি

# ড° ভূপেন হাজৰিকাৰ ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ প্ৰতি অনুৰাগ

*ড° দিলীপ ৰঞ্জন বৰঠাকুৰ*
*প্ৰাক্তন ছাত্ৰ*



আধুনিক অসমীয়া সংগীতৰ অনন্য প্ৰতিভাশালী শিল্পী ড° ভূপেন হাজৰিকাৰ সংগীতৰ অন্যান্য দিশৰ দৰে ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ প্ৰতি থকা গভীৰ আগ্ৰহৰ কথা হয়তো বহুতৰ চকুত পৰা নাই। সেয়েহে এই লেখাত তেখেতৰ শাস্ত্ৰীয় সংগীত চৰ্চা আৰু তেখেতৰ স্বজ্ঞানে বা অজানিতে ৰাগ সংগীতৰ সংযোগত কেবাটিও গীতত সুৰাৰোপ কৰাৰ সম্পৰ্কে থুলমূল আভাস এটি দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল।

প্ৰকৃততে নিজৰ অনুভূতিক সকলোৰে বাবে বিলাই দিব পৰা যি প্ৰচেষ্টা তেনে ধৰণৰ প্ৰচেষ্টা সুন্দৰভাৱে উপস্থাপন কৰিব পৰাৰ পৰাই যেন শিল্প সজীৱ হৈ উঠে। ড° ভূপেন হাজৰিকাৰ জীৱন-দৰ্শনত সেই কথা সুন্দৰকৈ প্ৰতিফলিত হয়। তেখেতৰ গীতৰ শব্দ-চয়ন, পৰিশীলিত স্পষ্ট উচ্চাৰণ, কাব্যিক লাৱণ্য, সুৰ-সংযোজনাৰ অপূৰ্ব সৌন্দৰ্য, ধ্বনিৰ লালিত্য, ভাব-ছন্দ-ৰসৰ সুসন্বিত ৰূপ, পৰিশীলিত সুমধুৰ কণ্ঠৰ স্বৰ-পক্ষেপন আৰু কল্পনাৰ সুক্ষ্ম সৃজনী শক্তিৰ বাবে যে তেখেতে বিশ্বক আপোন কৰি তুলিবলৈ সহজ হৈ পৰিছিল সেই কথা নোদোহাৰিলেও হ'ব। তেখেতৰ কথা আৰু গীতৰ সুৰৰ লগত আছে এক গভীৰ জীৱনবোধ। নিজৰ জীৱনকালত থকা সাধাৰণ পৰিৱেশনৰ ৰীতিৰ পৰা কিছু ফালৰি কাটি গৈ, যুগৰ লগত খাপ-খোৱাকৈ, এটি স্বকীয় বৈশিষ্ট্যপূৰ্ণ নতুন ধাৰা সৃষ্টি কৰিলে ড° ভূপেন হাজৰিকাদেৱে। বিশেষভাৱে স্বৰ-সাধনা আৰু পৰিশীলিত সুন্দৰ কণ্ঠৰ অবিহনে এনেদৰে নিজৰ ভাৱ আৰু বক্তব্য (Message) প্ৰকাশ কৰাতো সম্ভৱপৰ নহয়। তেখেতৰ গানৰ সুৰে যেন শ্ৰোতা দৰ্শকৰ মনত সুপ্ত হৈ থকা প্ৰত্যেকটো অনুভূতিক জগাই তোলে এনে লাগে। হয়তো ইয়াৰ ফলত শ্ৰোতাই তেখেতৰ ভাৱানুভূতিত একীভূত হৈ সেই তৃপ্তি উপভোগ কৰিবলৈ সমৰ্থ হয়। তেখেতৰ সুৰ আৰু বক্তব্যৰ সম্বন্ধ অতি নিবিড়। পৰিৱেশন কৰাৰ সময়ত ৰাগ সংগীতৰ বিদগ্ধ সাধক বা তাপসৰ দৰে নিজৰ সুৰ ভাৱত নিজেই লীন হৈ যায় — সমস্ত সত্ত্বা ঢালি। যাৰ ফলত শ্ৰোতাই তেখেতৰ ভাৱানুভূতিত একীভূত হৈ সেই তৃপ্তি লাভ কৰিবলৈ সমৰ্থ হয়। ড° ভূপেন হাজৰিকাই নিজেই কৈছে ঃ "ৰংগমঞ্চত মই যেতিয়া গান পৰিৱেশন কৰোঁ — তেতিয়া আৱেগিক হৈ যাওঁ বুলি মোক মানুহে কৈ আহিছে আজীৱন। মই নিজকে নিজেতো নেদেখোঁ ... যেতিয়া মই emotionally involved হৈ যাওঁ — তেতিয়া মই নিজত নাথাকো।

ঘৰৰ পৰিয়ালৰ পৰিৱেশে স্বাভাৱিকতে প্ৰতিভা আহৰণ আৰু বিকাশত শিল্পীক বহু সময়ত সহায় কৰিব পাৰে। লগতে ব্যক্তিত্ব গঠনতো বিশেষভাৱে প্ৰভাৱ পেলায়। ড° ভূপেন হাজৰিকাৰ দেউতাক-মাক আৰু পৰিয়ালৰ কেইবাগৰাকীও সংস্কৃতিৱান লোক আৰু সেই ঠাইৰ সংগীত পৰিৱেশৰ প্ৰভাৱত হয়তো তেখেত হৈ পৰিছিল বিশাল অন্তৰৰ এগৰাকী স্বভাৱসুলভ শিল্পী। কিছুমান মানুহে জন্মৰ লগতেই কিছু সাংগীতিক সংস্কাৰ লৈ আৱিৰ্ভূত হয়। ভূপেন হাজৰিকাৰ সুবদী কণ্ঠ আছিল জন্মগত। কোনো কোনোৱে শিল্পীসুলফ মনোভাৱেৰে

সেই সম্পদ চৰ্চা কৰি নতুনত্ব আনে। ফলত ক্ৰমে উচ্চ শিখৰলৈ আৰোহণ কৰি কেতিয়াবা হয়তো স্থায়ী বা কালজয়ী হৈ পৰে। ভূপেন হাজৰিকাই নিজেই কৈছে ঃ যদিও কণ্ঠটো আছিল জন্মগত তথাপিও Training যে কৰিব লাগে এই ধমকিটো পাইছিলোঁ জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদৰ পৰা। এই দুয়োজনেই কৈছিল — কণ্ঠ, চৰ্চাইহে ৰাখিব পাৰে, নহ'লে ঈশ্বৰে দিয়া বস্তুটো নোহোৱা হ'ব। এতিয়া মোক ঈশ্বৰে দিলেনে কোনে দিনে নাজানো - যিটো কণ্ঠ আছিল সেইটোৰ কামবিলাক, সৰু সৰু মূৰ্ছনা বিলাক, Nuances বিলাক, অলংকাৰ বিলাক মোৰ লগত জন্মৰ পৰা অহা নাই নিশ্চয় — সেইটো Training কৰিছিলো।

ভাবেই সংগীতৰ প্ৰাণ। ৰচনা আৰু সুৰ উভয়তে সৃষ্টিশীল প্ৰতিভা আৰু মৌলিকতা প্ৰকাশ আদি গুণেই ভূপেন হাজৰিকাৰ সৃষ্টিক মহান কৰিব পাৰিলে। চিৰকাৰ মানুহৰ মনত এক বৰ্ণনাৰ অতীত সৌন্দৰ্যোপলব্ধি সঞ্চাৰণ কৰিব তেখেতৰ সৃষ্টিয়ে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰভাৱত থাকিবলৈ পাই ভূপেন হাজৰিকাই জানিছিল যে আধুনিক গীত চৰ্চা বা সৃষ্টি কৰিবলৈ হ'লেও ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ কিছু জ্ঞান আহৰণ কৰাৰ প্ৰয়োজন আছে। বেনাৰসৰ কাশী বিশ্ববিদ্যালয়ত পঢ়া সময়ৰ কথা ওলাওঁতে এক সাক্ষাৎকাৰত ভূপেন হাজৰিকাই কৈছিল ঃ "আমাৰ বিশ্ববিদ্যালয়ৰ চৌহদতে এটা সুন্দৰ সংগীত ভৱন আছিল — তাত সুন্দৰ সংগীতজ্ঞাই আমাক শিকাইছিল — আমি সন্ধিয়া সন্ধিয়া গৈ শিকিছিলোঁ। এতিয়া এই চাৰি বছৰত ন্যূনতম ভাৰতীয় সংগীতৰ ব্যাকৰণখিনি, কিছু ৰাগ-ৰাগিনী, কিছু ছন্দ জ্ঞান, কিছু পৰিবেশন-ৰীতি বুটলি লৈছিলোঁ। কাৰণ মই জানো, মই যদি কবিতা লিখিব লাগে — গ্ৰামাৰটো অলপ জানিব লাগিব। মই আধুনিক গীত বা সুগম সংগীত যদি সৃষ্টি কৰিবলৈ বিচাৰোঁ Vacum ৰ ওপৰতো আৰু একো কৰিব নোৱাৰিম। পাণিণি হ'ব নালাগে — কালিদাস হ'বলৈ। কিন্তু কালিদাস হ'বলৈ কিছু পাণিণিতো হ'ব লাগিব।"

ভূপেন হাজৰিকাই শিশু কালত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ ওচৰত ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ শিক্ষাৰ পাতনি মেলিছিল। সেই সম্পৰ্কে ভূপেন হাজৰিকাই কৈছে — "শাস্ত্ৰীয় সংগীতৰ শিক্ষা গ্ৰহণ আমাৰ দিনত অসমত সুবিধা নাছিল যদিও বিষ্ণুপ্ৰসাদ ৰাভাদেৱে আমাৰ কেইটিমান সৰু খেয়াল শিকাইছিল।" সেই সময়ত বেংগলী থিয়েটৰ হলত বিভিন্ন সময়ত হোৱা খেয়ালৰ প্ৰতিযোগিতাত বালক ভূপেনে পুৰস্কাৰ লাভ কৰিছিল। কৈশোৰ অৱস্থাতেই ভূপেন হাজৰিকাই ভাৰতীয় শাস্ত্ৰীয় সংগীতলৈ এক নতুন পথৰ সন্ধান দিয়া পণ্ডিত বিষ্ণুনাৰায়ণ ভাতখণ্ডেৰ সংগীতৰ কিতাপ অধ্যয়ন কৰিছিল বুলি তেখেতে নিজেই কৈছে এনেদৰে ঃ "তেতিয়া আমি ভাটখণ্ডে নামৰ এজন মানুহৰ কথা শুনিছিলোঁ। তেওঁ ভাৰতীয় সংগীতক বুটলি জাৰি-জোকাৰি পাঠ্য পুথিলৈ ৰূপান্তৰিত কৰি Bhatkhande School of Music কৰিছে। গতিকে সেই শৈক্ষিক ধাৰণাটো মই ভাটখণ্ডেৰ বঙালী কিতাপ এখনত পঢ়িছিলোঁ। ...... ভাটখণ্ডেৰ বঙালী সংস্কৰণখনত খুব সুন্দৰকৈ লিখা আছিল সা-ৰে-গা-মা কেনেকৈ পঢ়িব লাগে, কোনটো ৰাগ দুপৰীয়া গাব লাগে — কোনটো ৰাতিপুৱা গাব লাগে এইবোৰ খুব সুন্দৰকৈ বৰ্ণনা কৰা আছে। আমি শিকোঁতে সেইবোৰ লৈ গাইছিলোঁ।

গুৱাহাটীৰ বংশীবৎ পাণ্ডে নামৰ এগৰাকী সংগীতজ্ঞৰ ওচৰত ভূপেন হাজৰিকাই শৈশৱ কালৰ ১৪-১৫ বছৰ বয়সত কিছুদিন শাস্ত্ৰীয় সংগীতৰ শিক্ষা গ্ৰহণ কৰিছিল। সেই কথা ভূপেন দাৰ মুখৰ পৰা নিজেই শুনাৰ উপৰিও তেখেতৰ এগৰাকী সম্বন্ধৰ ভায়েক বিশিষ্ট গায়ক অপূৰ্ব কুমাৰ দাসেও কৈছে 'অনুনাদ' নামৰ এখনি মাহিলী আলোচনীত। আকৌ ভূপেন হাজৰিকাৰ লগত সেই সময়ত একেলগে শাস্ত্ৰীয় সংগীতৰ শিক্ষা গ্ৰহণ কৰা তেখেতৰ সেই সময়ৰ বন্ধু প্ৰিয় বৰবৰা নামৰ এগৰাকীয়ে এই সম্পৰ্কে কি লেখিছে চাওঁচোন। তেখেতে লিখিছে ঃ "কটন কলেজত পঢ়ি থকা সময়ত ওস্তাদ বংশীবৎ পাণ্ডে মহাৰাষ্ট্ৰৰ কামাখ্যা সংগীতালয়ত প্ৰায় দুবছৰমান শাস্ত্ৰীয়

সংগীতৰ (কণ্ঠ) শিক্ষা লৈছিলোঁ আৰু সেই সংগীতালয়ত শিক্ষা লোৱা (কণ্ঠ সংগীতৰ) কটনৰ ছাত্ৰ (সমসাময়িক) শ্ৰদ্ধেয় বন্ধু সুধাকণ্ঠৰ অধিকাৰী সুৰৰ অপূৰ্ব মায়াজাল সৃষ্টি কৰোতা আজিৰ বিশ্ববৰেণ্য সংগীত শিল্পী শ্ৰী ভূপেন হাজৰিকাকো লগ পাইছিলোঁ , তেওঁৰ কণ্ঠ মাধুৰ্য আৰু সুৰৰ মূৰ্চ্ছনাই আমাক অনিৰ্বাৰ অনুপ্ৰেৰণা যোগাইছিল — আজিও সংগীতৰ প্ৰতি এটি প্ৰৱল অনুৰাগ নিৰ্বাপিত নোহোৱাকৈ আছে।

১৯৪২ চনত ৱাৰাণসীৰ কাশী হিন্দু বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ গৈ ভূপেন হাজৰিকাই পাইছিল শাস্ত্ৰীয় সংগীত চৰ্চাৰো এক অন্য পৃথিৱী, য'ত আছিল ভাৰতৰ মূধাফুটা বহুগৰাকী শাস্ত্ৰীয় সংগীত-সাধকৰ পূৰ্ণ পয়োভৰ। ড° ভূপেন হাজৰিকাই নিজেই কৈছে ঃ "তাত পণ্ডিত ওংকাৰ নাথ ঠাকুৰ আছিল, তাত কণ্ঠে মহাৰাজে তবলা বজাইছিল। তেতিয়া তাত অনোখেলালে তবলা বজায়, সিদ্ধেশ্বৰী দেৱীয়ে কাজ্‌ৰী গায়, ফৈয়াজ খাঁ চাহাব আহে, পট্টৱৰ্দ্ধন আহে, হীৰাবাঈ বৰোদাকৰ আহে। তাত কথাই কথাই সংগীত সন্মিলন হৈ থাকে আৰু আমাৰ ইউনিভাৰচিটিতো...। তেখেতে আত্মজীৱনী *মই এটি যাযাবৰ*ত লিখিছে ঃ "পিছত এম-এ পাছ কৰি যেতিয়া, ৪৬ত আহিলোঁ তেতিয়া কি এটা মন লৈ আহিলোঁ জানো। ভাৰতীয় সংগীতৰ বিষয়ে শিকিলোঁ। ভাৰতীয় শাস্ত্ৰীয় সংগীত, যিটো নাপাইছিলোঁ তেজপুৰ, গুৱাহাটীত সেইখিনি দেখিলোঁ।" এনে ধৰণৰ কথাই ড° ভূপেন হাজৰিকাৰ ভাৰতীয় সংগীতৰ অনুৰাগৰ কথা নিশ্চয় সূচায়।

আকৌ এই সম্পৰ্কে ডিব্ৰুগড়ৰ এগৰাকী বিশিষ্ট নাগৰিক, জেষ্ঠ অধিবক্তা শিশিৰ কুমাৰ বৰদলৈয়ে আমাক কৈছিল যে, তেখেতে ভূপেন হাজৰিকাৰ লগত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত একেলগে স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীত পঢ়িছিল। অৰ্থাৎ সহপাঠী আছিল। বৰদলৈৰ তবলা বাদনতো প্ৰতিভা আছিল। তেখেতে বাল্যকালতেই তেখেতৰ জন্মস্থান নগাঁৱত বেহেলা আৰু তবলাৰ শিক্ষা গ্ৰহণ কৰিছিল — সুশীল কুমাৰ বানাৰ্জী নামৰ এগৰাকী সংগীতজ্ঞৰ ওচৰত। ভূপেন হাজৰিকাৰ লগত যে এই শিশিৰ কুমাৰ বৰদলৈৰ বন্ধুত্ব বৰ গভীৰভাৱে গঢ়ি উঠিছিল সেই কথা পৰৱৰ্তী কালতো দেখা গৈছিল। দুয়োগৰাকীৰ মাজত 'তই তই' সম্বোধন আছিল। সেই বেনৰসত থকা কালৰ এখন ফটো শিশিৰ কুমাৰ বৰদলৈয়ে মোক দেখুৱাইছিল, যিখনত তেওঁলোক দুজনৰ লগত আৰু এজনৰ ফ'টো আছে। শিশিৰ কুমাৰ বৰদলৈৰ পৰা জানিব পাৰিছিলোঁ যে, বেনাৰসত থকা কালত ভূপেন হাজৰিকাই শাস্ত্ৰীয় সংগীতৰ চৰ্চাত গভীৰভাৱে সোমাই পৰিছিল। বিশ্ববিদ্যালয়ৰ চৌহদতে শাস্ত্ৰীয় সংগীত শিকাৰ ব্যৱস্থা আছিল। দুয়ো বন্ধুৱে ভাৰতৰ মূধাফুটা সংগীতজ্ঞ কেইবাগৰাকীৰো পৰিৱেশন সঘনে ওচৰত বহি শুনাৰ সৌভাগ্য ঘটিছিল। ভূপেন হাজাৰিকাই ৰাগ-সংগীতৰ চৰ্চা কৰোঁতে প্ৰায়েই শিশিৰকাই তবলা সংগত কৰিছিল। শিশিৰ কুমাৰ বৰদলৈৰ মৃত্যুৰ (মৃত্যু ২ ফেব্ৰুৱাৰী, ২০০৬) পিছতে প্ৰকাশ হোৱা এখনি 'সোঁৱৰণী'ত তেখেতৰ পুত্ৰ (মুম্বাইত থকা সাংবাদিক তথা এই লিখকৰ তবলাৰ এগৰাকী শিষ্য) সব্যসাচী বৰদলৈয়ে দেউতাকৰ মুখত প্ৰায়েই শুনা কথা এনেদৰে প্ৰকাশ কৰিছে - "A musician to his very core, he used to narrate to us about his various musical experiences during his student days in Benaras Hindu University. Along with Dr. Bhupen Hazarika, Mr. Sukumar Das and other Assamese friends of BHU they used to attend various 'Galsas' of famous classical musical legends of that period including Kanthi Maharaj, Bade Ghulam Ali Khan among of others."

ভূপেন হাজৰিকাই নিজে কৈছে ঃ বাৰাণসীতে বি-এ পঢ়ি থকা কালত কণ্ঠে মহাৰাজ অনোখেলালৰ ঘৰলৈকো গৈছিলোঁ। বিছমিল্লা খানৰ ঘৰৰ বাহিৰত বৈ বৈ তেওঁ ৰেওয়াজ শুনো।"

আকৌ ড° ভূপেন হাজৰিকাই যে পিচলৈও যিখিনি সময় পাই শাস্ত্ৰীয় সংগীতৰ সাধনা অব্যাহত ৰাখিছিল, সেই কথা প্ৰতীয়মান হয় তেখেতে কোৱা

এষাৰ কথাৰ পৰা। তেখেতে কৈছে ঃ "প্ৰতি মূহুৰ্ততে মই যেন গান গাম এইটো যেতিয়া ৰাইজৰ পৰা মই পাই আছোঁ — তেতিয়া মোৰ কণ্ঠ সাধনা হৈ গৈ আছে। আৰু যেতিয়া নাপাওঁ — এটা Gap পৰে তেতিয়া মই লাহেকৈ হাৰমণিয়ামটো লৈ মোৰ ৰুমত বহি অকলে মোৰ নিজৰ কণ্ঠ সাধনা কৰোঁ। এইটো খুব দৰকাৰ, কাৰণ অকল প্ৰকৃতিয়ে দিয়া কণ্ঠ এটাৰে মন জয় কৰিব নোৱাৰি — লক্ষ লোকৰ। এইখিনিতে অসমৰ এগৰাকী লব্ধ প্ৰতিষ্ঠ সংগীতজ্ঞ পণ্ডিত কৰুণাশংকৰ ঠাকুৰীয়াই কৈ যোৱা কিছু কথা এই প্ৰসংগত ক'বলৈ মন গৈছে। তেখেতে আমাৰ আগত কোৱা কথাখিনি পিছত বোধকৰোঁ 'অনুবাদ' নামৰ সংগীতৰ মাহেকীয়া আলোচনীৰ কাৰ্যবাহী সম্পাদক অনুভৱ পৰাশৰৰ আগতো কৈছিল। 'অনুনাদ'ত লিখা কথাখিনি আৰু এই লিখকে শুনা কথাখিনি থোৰতে এনে ঃ যোৱা শতিকাৰ পঞ্চম দশকৰ প্ৰথম ছোৱাত গুৱাহাটীত হোৱা 'সদৌ অসম সংগীত সন্মিলন'ত ড° ভূপেন হাজৰিকাৰ পত্নী বিশিষ্টা নৃত্য শিল্পী প্ৰিয়ম হাজৰিকাৰ শাস্ত্ৰীয় নৃত্য এটিৰ লগত সেই সময়ৰ প্ৰতিভাৱান শিল্পী কৰুণাশংকৰ ঠাকুৰীয়াকে বাঁহী বজাই সংগত কৰিবলৈ আনে। সেই সময়ত ঠাকুৰীয়াই অঁনাতাৰ কেন্দ্ৰৰ বাঁহীবাদক ৰূপে (ষ্টাফ আৰ্টিষ্ট) আছিল। কিন্তু সেই সময়ত ঠাকুৰীয়াই তাত সংগত কৰিব পৰাকৈ 'মালকোশ' ৰাগটো সঠিকভাৱে নাজানিছিল। সেয়েহে ভূপেন হাজৰিকাই সেই ৰাগটিৰ আৱশ্যকীয় কথাখিনি শিকাই দি সেই ৰাগৰ এটি 'বন্দিচ' দেখুৱাত কৰুণাশংকৰে সকলোকে মুগ্ধ কৰি বজাবলৈ সমৰ্থ হ'ল। — এই কথাৰ পৰাই ভূপেন হাজৰিকাদেৰৰ ৰাগ সংগীতৰ ওপৰত থকা দখল আৰু নিষ্ঠা সম্পৰ্কে নিশ্চয় আপোনাসৱেও উপলব্ধি কৰিব পাৰিছে। সেয়াই নহয়, সেই সময়ছোৱাতে এবাৰ ঠাকুৰীয়াই ভাৰতৰ এগৰাকী লব্ধপ্ৰতিষ্ঠ সংগীতজ্ঞ পণ্ডিৎ বিনায়ক ৰাও পট্টৱৰ্দ্ধনৰ ৰাগ পৰিৱেশন (যোৱা শতিকাৰ পঞ্চম দশকৰ আগছোৱাত হোৱা 'সদৌ অসম সংগীত সন্মিলন'ত) শুনি মুগ্ধ হৈ গৰাকী মহান সাধকৰ ওচৰত শিক্ষা গ্ৰহণ কৰিবলৈ ব্যাকুল হৈ এই সম্পৰ্কে ড° ভূপেন হাজৰিকাক জনোৱাত তেখেতে সন্মিলনৰ পিছ দিনাই উজান বজাৰৰ তিলক দাস নামৰ সংগীত ৰসিক ব্যক্তি এজনৰ ঘৰত পট্টৱৰ্দ্ধনজীৰ সৈতে লগ লগাই দিয়ে আৰু ভূপেন হাজৰিকাৰ কথা পেলাব নোৱাৰি এই গুৰুজনাই কৰুণা শংকৰক শিষ্যৰূপে ল'ম বুলি কথা দিলে। সেয়েহে কৰুণা শংকৰ পুণালৈ গৈ এই গৰাকী মহান গুৰুৰ ওচৰত ঘৰুৱাভাৱে সংগীত শিক্ষা গ্ৰহণ কৰাৰ সৌভাগ্য ঘটিল। পৰৱৰ্তী কালত সেই কৰুণাশংকৰ ঠাকুৰীয়াই এগৰাকী মহান গুৰু ৰূপে গুৰু পট্টৱৰ্দ্ধনজীৰ ওচৰত লাভ কৰা বিদ্যা অসমৰ চুকে কোণে প্ৰচাৰ আৰু প্ৰসাৰত আত্মনিয়োগ কৰি জনাজাত হৈ পৰিল। বিশিষ্ট গায়ক অপূৰ্ব কুমাৰ দাসৰ আগতো কৰুণাশংকৰ ঠাকুৰীয়াই এগৰাকী মহান গুৰু ৰূপে গুৰু পট্টৱৰ্দ্ধনজীৰ ওচৰত লাভ কৰা বিদ্যা অসমৰ চুকে কোণে প্ৰচাৰ আৰু প্ৰসাৰত আত্মনিয়োগ কৰি জনাজাত হৈ পৰিল। বিশিষ্ট গায়ক অপূৰ্ব কুমাৰ দাসৰ আগতো কৰুণাশংকৰ ঠাকুৰীয়াই কৃতজ্ঞ হৈ এনেদৰে কৈছিল ঃ "হাজৰিকাদেৱে কোৱাৰ বাবেই পট্টবৰ্দ্ধনজীয়ে মোক তেখেতৰ শিষ্য ৰূপে গ্ৰহণ কৰিলে। হাজৰিকাদেৱে এইখিনি উপকাৰ নকৰাহেঁতেন হয়তো মই আজিও শাস্ত্ৰীয় সংগীতৰ জ্ঞানৰ পোহৰ নেদেখিলোহেঁতেন।"

আকৌ এই গৰাকী ভাবিব নোৱাৰা ব্যস্ত শিল্পী ভূপেন হাজৰিকাই তাৰ মাজতে সময় উলিয়াই কলকাতাত হোৱা শাস্ত্ৰীয় সংগীতৰ সন্মিলনত ৰসিক শ্ৰোতা ৰূপে থাকিবলৈও যে নাপাহৰিছিল সেই কথা বিশিষ্ট শিল্পী অভিজিৎ বেনাৰ্জীয়ে কেনেকৈ প্ৰকাশ কৰিছে চাওঁচোন। তেখেতে লিখা কথাখিনি অসমীয়াত এনে হ'ব — "কলকাতাত অনুষ্ঠিত শাস্ত্ৰীয় সংগীত সমাৰোহত ড° ভূপেন হাজৰিকাক দৰ্শকৰ আসনত বহি থকা মুগ্ধ দৰ্শকৰ ৰূপত আৱিস্কাৰ কৰিছিলোঁ। অনুষ্ঠান শেষ হোৱাৰ পিছতে তেওঁ গ্ৰীণৰূপলৈ আহিছিল আৰু স্বাভাৱিক ভংগীমাৰে অনুষ্ঠানৰ প্ৰশংসা কৰিছিল। তেওঁৰ এই ভংগীমা আমাৰ বাবে সদায়েই প্ৰেৰণাদায়ক আছিল। হৃদয়ংগম কৰিব পাৰিছে সেই কথা সহজেই

অনুমেয়।... আচলতে সি (ভূপেন হাজৰিকা) এটা মস্ত, Philosopher, বাহিৰৰ পৰা বুজা নাযায়। তাৰ কথা, সুৰ আৰু ভাবৰ জবাব নাই আৰু অসমখনক, সাধাৰণ মানুহক বৰ ভাল পায়, গৱেষণা দৰকাৰ। অন্তৰৰ ভিতৰৰ ভূপেন আৰু বাহ্যিক ভূপেন দুটা ভিন্ন ব্যক্তিত্ব।" সঁচাকৈয়ে নিজস্ব সুৰৰ 'ধেক' বা 'ঢঙ', বিপ্লৱ চেতনা আৰু গভীৰ ভাবে তেখেতৰ গীতক মহীয়ান কৰি তুলিছে।

ড° ভূপেন হাজৰিকাৰ বহুখিনি গীততেই যে ৰাগৰ প্ৰভাৱ আছে সেই দিশটোৰ সম্পৰ্কে ন-কৈ নক'লেও হ'ব। এসময়ত কিছু শাস্ত্ৰীয় সংগীতৰ জ্ঞান আহৰণ, কিছু চৰ্চা, অন্তৰৰ গভীৰ অনুভূতি আৰু ৰাগ সংগীতৰ ৰসিক শ্ৰোতা ৰূপে থকা অভিজ্ঞতাৰ পৰাই এই গৰাকী ব্যক্তিত্বশালী সৃষ্টিমুখী শিল্পীৰ সুৰ-সৃষ্টিত ৰাগৰ প্ৰভাৱো মাজে মাজে দেখা যায়। এই সম্পৰ্কে অসমৰ এগৰাকী শীৰ্ষস্থানীয় গীতিকাৰ আৰু সুৰকাৰ অধ্যাপক তফজ্জুল আলিদেৱে ড° ভূপেন হাজৰিকাৰ অসাধাৰণ সাংগীতিক প্ৰতিভাৰ কথা ব্যক্ত কৰোতে উদাহৰণ স্বৰূপে ৰাগৰ পৰশ থকা কেইটিমান গীত বিশ্লেষণ কৰি দেখুৱাইছিল এইদৰে ঃ

'স্নেহে আমাৰ শত শ্ৰাৱণৰ' গীতটোৰ সুৰ সাৰংগ ৰাগৰ আধাৰত ৰচিত বুলি এগৰাকী বিজ্ঞ ব্যক্তিয়ে উল্লেখ কৰিছে, কিন্তু আমাৰ বোধেৰে সুৰটো মেঘ-মল্লাৰ ৰাগৰ লগতহে অধিক মিলে। দুয়োটা ৰাগৰ মাজত স্বৰৰ ব্যৱহাৰৰ কিছু মিল নথকা নহয়, 'স্নেহে আমাৰ' গীতটোত তেনেদৰে হোৱা নাই , বৰং মেঘ-মল্লাৰৰ কাড়ি মধ্যম বৰ্জিত উত্তৰাংগ স্বৰৰ সঞ্চাৰণহে সঘনে হৈছে। সেয়েহে সুৰটোত মেঘ-মল্লাৰ ৰাগৰ ৰূপ অধিক প্ৰস্ফুটিত হৈ গীতৰ কথাৰ সৈতে খাপ খাই পৰিছে। সি যি কি নহওক ৰাগৰ পৰশ পোৱা এইটো এটা সুন্দৰ আধুনিক গীত। সেইদৰে 'ৰুদ্ধ কাৰাৰ দুৱাৰ ভাঙি' গীতটো সম্পূৰ্ণৰূপে বাগেশ্ৰী ৰাগৰ স্বৰ গাঁথনিৰ মাজত সোমাই আছে। 'নতুন নিমাতী নিয়ৰৰে নিশা' গীতটোৰ আৰম্ভণিতে কেদাৰ ৰাগৰ সঁহাৰি পোৱা যায়, কিন্তু প্ৰথম দুশাৰীৰ পিছতে সুৰকাৰে বোধহয় ইচ্ছা কৰিয়েই ৰাগৰ ৰূপ ভাঙি দি সুৰটো আনফালে লৈ গ'ল। এনেদৰে ঘাইকৈ ব্যক্তিনিষ্ঠ আৰু সৃষ্টিধৰ্মী নতুন সুৰৰ কাৰিকৰ ড° হাজৰিকাৰ সুৰৰ মাজতে সময়ে সময়ে ভাৰতীয় শাস্ত্ৰীয় সংগীতে লুকা-ভাকু খেলি গৈছে।

শাস্ত্ৰীয় সংগীতৰ শিল্পী নন্দ বেনাৰ্জীয়েও ড° ভূপেন হাজৰিকাৰ "বিজুলীৰ পোহৰ মোৰ নাই", "শাৰদী ৰাণী তোমাৰ হেনো নাম", "আহ আহ ওলাই আহ", "সেন্দুৰ সেন্দুৰ ফোটটিয়ে", "বুকু হম হম কৰে" আদি কে'বাটিও গীতৰ সুৰক বিশ্লেষণ কৰি কিদৰে কেনে ৰাগৰ প্ৰভাৱ পৰিছে ফঁহিয়াই দেখুৱাইছে। লগতে ভূপেন হাজৰিকাৰ গায়ন-শৈলীৰ সম্পৰ্কেও লিখিছে। আকৌ ড° ভূপেন হাজৰিকাৰ ভনীজোঁৱায়েক অসমৰ এগৰাকী লব্ধপ্ৰতিষ্ঠ গায়ক দিলীপ শৰ্মাইও ভূপেন হাজৰিকাৰ গীতৰ সম্পৰ্কে কৈছে ঃ "তেওঁৰ কিছুমান গীতত ভাৰতীয় উচ্চাংগ সংগীতৰো আভাস পোৱা যায়।" তেখেতে ইয়াৰ উদাহৰণো দাঙি ধৰিছে।

ড° ভূপেন হাজৰিকাৰ গীত সমূহ বিচাৰ কৰি চালে এই কথা প্ৰতীয়মান হয় যে, কিছু পশ্চিমীয়া সুৰ আৰু লোক সংগীতৰ ভাব, বিষয়, প্ৰক্ষেপন ৰীতি (ধেক্) এই সকলো হৃদয়স্পৰ্শীকৈ ব্যৱহাৰ কৰি তেখেতৰ নিজৰ গীতৰ সৌধটো ৰচনা কৰিলেও তেখেতৰ গীতৰ মাজত অন্তৰ্ফল্গুৰ দৰে ৰাগ সংগীতৰ প্ৰভাৱ এটি নিৰন্তৰ বৈ আছে।

□□□□□

# কানৈ মহাবিদ্যালয়ত আৰম্ভনিৰে : সঙ্গীতৰ এটি যাত্ৰা

*প্ৰশান্ত কুমাৰ বৰদলৈ*
*প্ৰাক্তন ছাত্ৰ*

১৯৫৯ চন। কানৈ মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিলো। বিজ্ঞান শাখাত। সপোন আছিল এজন চিকিৎস্যক হোৱাৰ। আমোদজনক কথা এটাৰে লিখনিৰ পাতনি মেলিছো। বহু ব্যক্তিৰ কথা শুনিছো, চুৰি কৰাৰ অপৰাধেৰে ৰঙা ঘৰত সোমাব লগা হয়। ওলাই আহি স্বদেশ প্ৰেমৰ দোহাই দি ৰাজনীতিজ্ঞৰ ভাও লৈ ৰঙা দলিচাত খোজদি জীৱন উপভোগ কৰাৰ সুবিধা লাভ কৰে।

মোৰ ক্ষেত্ৰত কিন্তু তেনে নহল। বিজ্ঞান শাখাৰ ৰসায়ন আৰু পৰ্দাথ বিজ্ঞানৰ সূত্ৰবোৰ মোৰ বোধগম্য নহ'ল। সেয়ে পৰীক্ষা গৃহত প্ৰৱেশ কৰাৰ আগতেই বিজ্ঞানক পৰিনমস্কাৰ জনাই কানৈ মহাবিদ্যালয়তে কলা শাখাত নাম ভৰ্ত্তি কৰিলো। যিখন আছিল উজনি অসমৰ এখন আগশাৰীৰ আৰু ডিব্ৰুগড়ৰ একমাত্ৰ মহাবিদ্যালয়। অসমৰ আগশাৰীৰ পণ্ডিত-প্ৰৱৰ যোগীৰাজ বসু দেৱ মহাবিদ্যালয়খনৰ অধ্যক্ষ, ঋষিতুল্য ব্যক্তি। সেই সময়ত উজনি অসমৰ প্ৰায়খিনি ছাত্ৰ-ছাত্ৰীয়ে ঢাপলি মেলি আহিছিল ইয়ালৈ। আন অধ্যাপক সকলো আছিল জ্ঞানী-গুণী ব্যক্তি। তাৰ মাজতে আছিল মোৰ অতি শ্ৰদ্ধাৰ শিক্ষাগুৰু তফজ্জুল আলি চাৰ।

পঢ়া-শুনা, খেল-ধেমালী, ৰঙ ৰহইচৰে ভৰপূৰ মহাবিদ্যালয়ৰ পৰিবেশ। শিক্ষক-ছাত্ৰৰ মাজতো সম্পৰ্ক আছিল নিবিড়। মই খেলি ভাল পাইছিলো। সঙ্গীতৰ প্ৰতিও ধাউতি আছিল নিচেই সৰুৰে পৰা। কিন্তু তেতিয়াও মঞ্চত একক ভাবে গীত গোৱাৰ সাহস মই গোটাব পৰা নাছিলো। সেইবাৰ মই বি, এ মহলাৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। খেলৰ পথাৰতহে মন নিবদ্ধ। সেই সময়তে ছাত্ৰ একতা সভা গঠনৰ বাবে ভোট গ্ৰহণৰ সময় হল। জয়দেৱ শৰ্ম্মা, পৱন ৰাজকোঁৱৰ আদি বন্ধুবৰ্গৰ অনুৰোধত সঙ্গীত বিভাগৰ সম্পাদকৰ পদত প্ৰাৰ্থী হ'ব লগা হ'ল। কিন্তু সমস্যা হল ছাত্ৰ-ছাত্ৰী সকলোৰে দাবী "যি ভাল গান গাব তেওঁকেই ভোট দিব"। মোৰ প্ৰতিদ্বন্দী আছিল সুগায়ক আলিচহীদ। তেওঁ একেৰাহে তিনিটা বৰ্ষ মহাবিদ্যালয়খনৰ শ্ৰেষ্ঠ গায়ক। আনহাতেদি মই গানেই নেগাওঁ। খেলৰ পথাৰত মই জনপ্ৰিয় আছিলো। এইবাৰ মুখঠেকেচা খোৱাৰ সময় সমাগত।

সেই সময়তে মোৰ অনুৰোধ ৰক্ষা কৰি মোৰ বন্ধু, মহাবিদ্যালয়ৰ ছাত্ৰ সুবীৰ মুখাৰ্জ্জী (কানু) য়ে জীতেন চুতীয়াৰ ৰচনাৰে এটি গীতৰ সৃষ্টি কৰিলে। গীতটো আয়ত্ব কৰিলো -

"পদ্ম চকু নীলা ভৰা
হাঁহিটিতে মন হৰা
নাহাঁহিবা
খোজে প্ৰতি স্বপ্নভৰা
আচঁলতে মিনা কৰা
কিবা কবা।।

অনুষ্ঠানৰ মঞ্চত মই গীতটো তিনিবাৰ পৰিবেশন কৰিব লগা হল প্ৰথম দিনাই। ছাত্ৰ-ছাত্ৰী শিক্ষক মণ্ডলীৰ দাবীত। ফলাফল সেয়ে অনুমেয়। মোৰ সঙ্গীতৰ যাত্ৰা আৰম্ভ হ'ল। আৰম্ভনি কানৈ মহাবিদ্যালয়ৰ সেই মঞ্চ। সঙ্গীতৰ প্ৰথম গুৰু কানৈ মহাবিদ্যালয়ৰ অধ্যাপক শিক্ষাগুৰু তফজ্জুল আলিৰ পাইছিলো প্ৰথম আশীৰ্ব্বাদ।

কানৈ মহাবিদ্যালয়ৰ পৰা লাভ কৰা সেই প্ৰথম আশীৰ্ব্বাদ, শুভেচ্ছা শিৰত লৈ কৰা যাত্ৰাৰ মূহুৰ্ত্তৰ পৰা মই যেন থমকি ৰ'ব লগা নহল। মোৰ প্ৰথম গীত "পদ্মচকু নীলা ভৰা" ৰ বাবেই অসমৰ বহু অনুষ্ঠানত যোগ দিবৰ বাবে আমন্ত্ৰণ পালো।

১৯৬৬ চনত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা গীতিকাৰ ৰূপে স্বীকৃতি লাভ কৰাৰ পাচত, আকাশবাণীৰ যোগেদি অসমৰ চুকে কোণে মোৰ ৰচনাৰ গীতবোৰ প্ৰচাৰিত হ'ল। হাজাৰ হাজাৰ পত্ৰ শ্ৰোতাৰ পৰা। মন উৎসাহিত হৈ পৰিল। ৬০ ৰ দশকত স্বীকৃত গীতিকাৰৰ সংখ্যা সীমিত আছিল, কিয়নো তেতিয়াও ডিব্ৰুগড়ত আকাশবাণী কেন্দ্ৰ গঢ়ি উঠা নাছিল। সেয়ে সেই সময়ত গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ স্বীকৃত গীতিকাৰ সকল আছিল তফজ্জুল আলি, নৰকান্ত বৰুৱা, কেশৱ মহন্ত, জয়ন্ত বৰুৱা, হীৰেণ ভট্টাচাৰ্য্য, পুৰোষোত্তম দাস, ৰুদ্ৰ বৰুৱা, নিৰ্ম্মলপ্ৰভা বৰদলৈ, লক্ষহীৰা দাস, অনুৰাধা দাস, হেমেন হাজৰিকা আদি। সেয়ে আমি ধন্য মানিছিলো গীতিকাৰ ৰূপে স্বীকৃতিপ্ৰাপ্ত হৈ। সেই সময়চোৱাত অসমৰ বহু স্বনামধন্য কণ্ঠ শিল্পীৰ সান্নিধ্য লাভ কৰিছিলো।

৭০ ৰ দশকত ব্যৱসায়িক ৰেকৰ্ডৰ প্ৰচলনৰ প্ৰসাৰ ঘটিল। আন্তৰ্জাতিক ব্যৱসায়ী এইচ্ এম্ ভি, পলিডোৰ অনুস্থানৰ দ্বাৰা পুলক বেনাৰ্জ্জী, ডলি ঘোষ, কুল বৰুৱা আদিয়ে আমাৰ গীতত কণ্ঠদান কৰিছিল।

৭০ ৰ দশকটোৰ সংস্কৃতি আৰু সাংস্কৃতিক জগতখনৰ ডিব্ৰুগড়ৰ বাবে বৰ গৌৰৱোজ্জ্বল যুগ। এই ক্ষেত্ৰত কানৈ মহাবিদ্যালয় বিশেষভাৱে প্ৰশংসাৰ দাবীদাৰ। সেই সময়ত সাংস্কৃতিক জগতখনি খলকনিত তোলাত ডিব্ৰুগড়ৰ শিল্পী সকল চিৰস্মৰণীয়। তাৰে মাথোন কেইটিমান নাম উল্লেখ কৰিলো। বিজু ফুকন, বিষ্ণু খাৰঘৰীয়া, ভিক্তৰ বেনাৰ্জ্জী (বঙ্গ বিখ্যাত) জয় সেন গুপ্ত, ডলী ঘোষ, মন্দিৰা শৰ্ম্মা লাহিড়ি, জ্যোতিষ ভট্টাচাৰ্য্য, ৰাজেন গোহাঁই, ব্ৰজেন বৰা (অভিনেতা), ৰঞ্জনা শৰ্ম্মা বৰদলৈ, ঝৰ্ণা শইকীয়া আদি।

৬০ৰ দশকৰ পৰা আজি পৰ্য্যন্ত পাচোঁটা দশক জুৰি ব্যক্তিগত ভাৱে সাংস্কৃতিক জগতখনত জড়িত হৈ আছো। বিশ্ববৰেণ্য সুধাকণ্ঠ ভুপেন হাজৰিকাৰ পৰা সাম্প্ৰতিক প্ৰজন্মৰ জুবিন গাৰ্গলৈকে প্ৰায় সকলোখিনি শিল্পীয়ে মোৰ গীতৰ ৰচনা আৰু সুৰ সংযোজনাত কণ্ঠদান কৰাৰ বাবে নিজকে ধন্য মানিছো। ছবি জগতৰ স্বনামধন্য পৰিচালক জাহ্নু বৰুৱাৰ (বনানী) মৃদুল গুপ্তাৰ (অভিমান) ভাস্কৰ বৰাৰ (একত্ৰিশ জুন) আদি কথাছবিৰ সঙ্গীত পৰিচালনাৰ সুবিধা পালো। ৰাজেন ৰাজখোৱাৰ পৰিচালনা আৰু স্বনামধন্য মহেন্দ্ৰ বৰঠাকুৰৰ দ্বাৰা প্ৰস্তুত কথাছবিৰ নাট্যলিপি (Script), "সপোন" কথাছবিৰ গীত ৰচনা, আনোৱাৰ হুচেইনৰ পৰিচালনা "মা কামাখ্যা" আৰু ৰাজা বিষয়াৰ পৰিচালিত "যৌৱনে আমনি কৰে" কথাছবিত গীত ৰচনা কৰাৰ সুবিধা পাওঁ। গুৱাহাটী দূৰদৰ্শনৰ দ্বাৰা পৰিবেশিত "বেদনাই উচুপে" দূৰদৰ্শন চিৰিয়েলৰ সঙ্গীত পৰিচালনাৰ সুবিধা লাভ কৰিছিলো। আন্তজাৰ্তিক ব্যৱসায়ীক প্ৰতিষ্ঠান এইচ্ এম্ ভি. পলিডোৰ আদিৰ দ্বাৰা প্ৰায় ৬/৭ খন ব্যৱসায়ীক ৰেকৰ্ড আৰু বিভিন্ন প্ৰযোজকৰ প্ৰয়োজনাত প্ৰায় ৩০ টা মান "কেছেট"ত গীতৰচনা-সুৰ-সঙ্গীতেৰে সজাই শ্ৰোতালৈ আগবঢ়াইছিলো। এই কেছেট সমূহ অসম, বঙ্গ আৰু মুম্বাইৰ বিভন্ন ষ্টুডিঅ'ত অসমৰ প্ৰখ্যাত শিল্পীসকলৰ উপৰিও মুম্বাইৰ হিন্দী ছৱিজগতৰ জনপ্ৰিয় কণ্ঠ শিল্পী কুমাৰ চানু, অভিজিত, কৱিতা কৃষ্ণমূৰ্ত্তি, সাধনা সাৰকম, মুনমী আদিক গীত শিকাই বানীবন্ধন কৰাৰ সুবিধা পাইছিলো। তদুপৰি উত্তম সোনোৱাল, নৱ গগৈ, গীতাশ্ৰী ৰাজখোৱা, ইমন, মধুস্মিতা আদি প্ৰায় ৩০ গৰাকী মান কণ্ঠশিল্পী অসমৰ সঙ্গীত জগতলৈ উপহাৰ আগবঢ়াইছিলো। এই সকলোবোৰ মোৰ সঙ্গীত যাত্ৰাৰ লগৰী যদিও আৰম্ভনিত কানৈ মহাবিদ্যালয়কহে মই সোঁৱৰো প্ৰতিমুহূৰ্ত্ততে। নেজানো এই যাত্ৰাৰ শেষ ক'ত?

সঙ্গীতৰ এই যাত্ৰাত বৰ মিঠা উত্তেজক মুহূৰ্ত্তই আৱৰি আছে আমাৰ মন। সেইবোৰ অৱশ্যে একান্তই ব্যক্তিগত। সেয়ে সবিশেষ বিৱৰণ দিব খোজা নাই। অতি চমুকৈ কেইটিমান তেনে মুহূৰ্ত্তৰ কথাহে এই লিখনিত সন্নিবিষ্ট কৰাৰ প্ৰয়াস কৰিলো।

এই সন্দৰ্ভত ডলী ঘোষৰ কথা প্ৰথমেই লিখিব মন গৈছে। স্থিৰ কৰা সময় অনুযায়ী, ঘড়ীৰ কাঁটাৰ লগে লগে ডলী সদায় উপস্থিত হয়হি। সেই সময়তে এটা আমোদজনক ঘটনা ঘটিছিল। কিয়নো পুৱা প্ৰায় ৮ মান বজাত মোৰ খিড়িকীৰ কাষত থকা ৰাধাচূড়াৰ গছজোপাত বহিছিলহি এটা নীলা চৰাই। সাধাৰণতে পুৱাৰ ভাগত

মই হাৰমণিয়াম লৈ গীত সৃষ্টিত মনোনিবেশ কৰো। মই লিখিছিলো এটি গীত - "নীলা চৰাই, এটি অচিন চৰাই ৰাধাচূড়াৰ ডালত বহি, বহু গান বহু সুৰ মোক শুনায় সদায়"। গীতটো অৱশেষত বানীবদ্ধ হয় কণ্ঠশিল্পী বিজন দত্তৰ কণ্ঠত। তেওঁৰ মতে সেইটো গীতেই হেনো তেওঁক জনপ্ৰিয় কৰা চিনাকী গীত।

মোৰ জীৱনৰ আন এটি চৰম উত্তেজক মূহূৰ্ত্ত আছিল - ভূপেনদাক এখন কথাছবিৰ গীত গোৰাবলৈ মুম্বাইলৈ লৈ গৈছিলো। একান্ত নিৰিড় সান্নিধ্য লাভ কৰিছিলো ভূপেনদাৰ। সেইয়া জীৱনৰ চৰম আনন্দৰ মূহূৰ্ত্ত। অসম্ভৱ ভাল লাগে ভূপেনদাৰ সান্নিধ্য। এটা গীতৰ বাণীবন্ধনৰ সময়ত ঘটা অৱিস্মৰণীয় মূহূৰ্ত্ত এটি উল্লেখ নকৰি নোৱাৰিলো। গীতৰ কথা খিনি আছিল এনেধৰণৰ -

"জীৱন জুৰি গীতেই গালো, প্ৰেৰণা স্মৃতিৰে ভাঁহে
হাঁহিৰ গান শুনাব খোজো, বেদনাৰ সুৰহে আহে"

---

জীৱন জানো আশা নহয়, বিশেষ ক্ষণৰ বাবে
পথৰ মাজত যদিহে হেৰায়, এন্ধাৰে ঢাকি ধৰে।।

ভূপেনদাই শাৰীটো আধাগোৱাকৈ ষ্টুডিঅ' কোঠাৰ পৰা হঠাতে বাহিৰলৈ ওলাই গল। মই বুজিব নোৱাৰি শব্দযন্ত্ৰীৰ কাষতে বহি থাকিলো। কি হল? কি বেয়া পালে ভূপেনদাই? ভয়ো লাগিল। কিন্তু কিছু সময়ৰ বিৰতিৰ পাচতে হাঁহি এটাৰে উভতি আহিল। পাচতহে জানিব পাৰিলো যে মোৰ এই গীতটোৰ কথাকেইটাই ভূপেনদাক আৱেগিক কৰি তুলিছিল। তেওঁ হেনো বাহিৰলৈ গৈ হুকহুকাই কান্দি পেলাইছিল।

আন এটি মোৰ ৰোমন্থনে স্মৃতিৰ সঘনাই আজিও আমনি কৰে। ডিব্ৰুগড়ৰ কণ্ঠশিল্পী নৱ গগৈৰ সৈতে কৱিতা কৃষ্ণমূৰ্ত্তিৰ কণ্ঠত "নয়না" নামেৰে এটি ব্যৱসায়ীক কেছেটৰ বাণীবন্ধন কৰিলো মুম্বাইৰ এটি আগশাৰীৰ ষ্টুডিঅ'ত, - গায়ক হৰিহৰণৰ ষ্টুডিঅ' "বীটচ"ত। কিন্তু সমস্যা হ'ল নিৰ্দ্ধাৰিত সময়ত আমাৰ কাম শেষ নহ'ল। পৰৱৰ্ত্তী দিনাৰ পৰা ভাৰতবৰ্ষৰ স্বনামধন্য গজল সম্ৰাট জগজীত সিং আৰু কুকিল কণ্ঠী লতা মঙ্গেশকাৰৰ ৰেকৰ্ডিং। তথাপিও সেইদিনা আমন-জীমনকৈ ষ্টুডিঅ'লৈ গৈ অনিশ্চয়তাৰ আশঙ্কাৰে ষ্টুডিঅ'লৈ গৈছো। এটাই আশা জগজীত সিংৰ ৰেকৰ্ডিং যদিহে কিবা কাৰণত বাতিল হয়। কিন্তু নহল, যথা সময়ত তেখেত বাদ্যযন্ত্ৰীসহ ষ্টুডিঅ'ত উপস্থিত হৈ আখৰা আৰম্ভ কৰিলে। কিন্তু তেখেতে আমাৰ অৱস্থা জানিব পাৰিলে আমি তেখেতক লগ পোৱাৰ পাচত। আমি অনুৰোধো কৰিব লগা নহ'ল। মানবীয়তা আৰু মহানতা অনুভৱ কৰিলো সেই শিল্পীজনাৰ। তেওঁ অনুভৱ কৰিলে যে আমি বহু দূৰৰ আলহী। আনহাতেদি তেওঁ ৰেকৰ্ডিং চলিব মাহজুৰি। সেয়ে আমাক কামটো শেষ কৰিবৰ বাবে নিজাববীয়াকৈ ষ্টুডিঅ' এৰি দিলে সেইদিনটোৰ আধাবেলা। আমাৰ কাম শেষ হ'ল। মাথোন ধন্যবাদ জনাই জানো তেখেতক কৃতজ্ঞতা জনাব পাৰো?

এনে বহু মুহূৰ্তই নষ্টালজিক কৰে বাৰে বাৰে। অৱশেষত উনুকিয়াব খুজিছো মনত থাকি যোৱা মোৰ জীৱনৰ আন এটি চৰম মুহূৰ্ত্তৰ কথা। তফজ্জুল আলি চাৰৰ প্ৰায় বিয়লি বেলা। মোৰ পৰিবাৰ আৰু কন্যাক লৈ আলিচাৰৰ গুৱাহাটীৰ বাসগৃহলৈ গলো চাৰক দেখা কৰিবলৈ। হাৰমনিয়াম উলিয়াই দিলে। ২/৩ টা মান গীত চাৰক শুনাই, আমি চাৰক মাত দিলো যাওঁ বুলি। চাৰৰ উত্তৰ আহিল "ব'হা"। আমি মন্ত্ৰমুগ্ধ হৈ যন্ত্ৰৰ দৰে পুনৰ বহি পৰিলো আৰু কেইবাটিও গীত গাই শুনালো আলিচাৰক। আজিও সোঁৱৰো কি আছিল বাৰু সেই মাতটোত "ব'হা" আদেশ, অধিকাৰ নে স্নেহাশীৰ্ব্বাদ। সঠিক অৰ্থ আজিও যেন বুজি নাপালো।

□□□□□

*এই প্ৰবন্ধটি ক্ৰম অনুসাৰে লিখা হোৱা নাই। কাৰণ ইয়াৰ বিষয়বস্তু কোনো গ্ৰন্থত পাবলৈ নাই। কেৱল স্মৃতিৰ মনিকোঠাৰ পৰা খুচৰি খুচৰি যেতিয়াই যিটো মনত পৰিছে তেনেকৈয়ে লিপিবদ্ধ কৰি পেলোৱা হৈছে। ক্ৰম অনুসাৰে লিখিব নোৱাৰাৰ বাবে আৰু অনিচ্ছাকৃতভাৱে কোনো শিল্পীৰ নাম যদি বাদ পৰি গৈছে তাৰ বাবে পাঠক সমাজলৈ আগতীয়াকৈ ক্ষমা প্ৰাৰ্থনা কৰিছো।*

# সঙ্গীত জগতত ডিব্ৰুৰ শিল্পীসকল

*বিমলানন্দ বৰুৱা*
*প্ৰাক্তন ছাত্ৰ*

আমি নিচেই সৰুকালৰে পৰা তাহানিৰ ডিব্ৰুগড়ৰ শিল্পী সকলৰ কাষ চাপিবলৈ বা তেওঁলোকক দেখাৰ সুবিধা পাইছিলোঁ। কাৰণ আমাৰ ঘৰৰ নিচেই ওচৰতে আছিল 'জ্ঞানদায়িনী সঙ্গীতালয়' নামৰ সঙ্গীত শিক্ষাৰ এটি অনুষ্ঠান। ডিব্ৰুগড়ৰ এই পুৰণি অনুষ্ঠানটিত শাস্ত্ৰীয় সঙ্গীতৰ পৰা আদি কৰি আধুনিক গীত নৃত্য সকলো বিষয়ে চৰ্চা কৰাৰ সুবিধা আছিল। আনকি বিশেষ কেতবোৰ উপলক্ষত নাটকো অনুষ্ঠিত হোৱাৰ কথা আমাৰ মনত পৰে। এই 'জ্ঞানদায়িনী সঙ্গীতালয়'ৰ মূল ব্যক্তি আছিল প্ৰয়াত সঙ্গীত শিল্পী নিৰ্মল চক্ৰৱৰ্তী আৰু সু-অভিনেতা তথা নাট্যকাৰ শ্ৰী ভৰত বৰপূজাৰী। তেওঁলোকৰ নেৰানেপেৰা প্ৰচেষ্টাত জ্ঞানদায়িনীত সঙ্গীত আৰু নাটকৰ চৰ্চা পূৰ্ণগতিত চলিছিল। আনকি সেই সময়ত, অৰ্থাৎ ১৯৪৮-৪৯ চনৰ কালছোৱাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাও জ্ঞানদায়িনীৰ সৈতে জড়িত হৈ পৰিছিল। ইয়াৰ প্ৰধান কাৰণ আছিল নিৰ্মল চক্ৰৱৰ্তী আৰু ভৰত বৰপূজাৰীৰ সৈতে থকা জ্যোতিপ্ৰসাদৰ সাংস্কৃতিক সম্পৰ্ক। সেই সময়ত জ্ঞানদায়িনীত শাস্ত্ৰীয় সঙ্গীতৰ শিক্ষাদান কৰিছিল অক্ষয় দাসগুপ্তই। ডিব্ৰুগড় তথা অসমৰে এগৰাকী বিখ্যাত শাস্ত্ৰীয় সঙ্গীতজ্ঞ প্ৰয়াত প্ৰসাদ দাসৰো জ্ঞানদায়িনীৰ সৈতে এৰাব নোৱাৰা সম্পৰ্ক। আনফালে অসমীয়া আধুনিক গীত, বৰগীত, ভজন আদি শিকাইছিল নিৰ্মল চক্ৰৱৰ্তীয়ে। জ্যোতিপ্ৰসাদৰ গীত (তেতিয়া 'জ্যোতি সঙ্গীত' নামাকৰণ হোৱা নাছিল) জনপ্ৰিয় কৰাত অগ্ৰণী ভূমিকা লৈছিল এই নিৰ্মল চক্ৰৱৰ্তীয়ে তেওঁৰে এগৰাকী প্ৰিয় ছাত্ৰীয়ে (ৰাণী হাতীকাকতি) তাহানিৰ বহুতো সাংস্কৃতিক অনুষ্ঠানত জ্যোতিপ্ৰসাদৰ গীত গাই প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। জ্ঞানদায়িনীত কথক আৰু আধুনিক সৃষ্টিমূলক নৃত্যৰ গুৰু আছিল ভোলা বিশ্বাস। মুঠতে সেই সময়ত উজনি অসমৰ এখন অতি জনপ্ৰিয় সাংস্কৃতিক অনুষ্ঠান হিচাপে পৰিগণিত হৈছিল এই জ্ঞানদায়িনী সঙ্গীতায়ন।

ইয়াৰে এজন জাকতজিলিকা সঙ্গীত শিল্পী আছিল সুবীৰ সেন। তেওঁ বোম্বেৰ (বৰ্তমান মুম্বাই) স্বনামধন্য সঙ্গীত পৰিচালক শংকৰ জয়কিষনৰ সঙ্গীত পৰিচালনাত হিন্দী বোলছবি 'আশ কাপঞ্চী'ত "দিল মেৰা এক আশ কাপঞ্চী" শীৰ্ষক গীতটিৰে বোম্বেৰ সঙ্গীত জগতত এক আলোড়নৰ সৃষ্টি কৰিছিল। পিছলৈ তেওঁ 'কাঠপুতলি'কে আদি কৰি কেইবাখনো হিন্দী বোলছবিত গীত গাই নেপথ্য সঙ্গীত শিল্পী হিচাপে প্ৰতিষ্ঠিত হৈছিল। তেওঁৰে সমসাময়িক আৰু এজন সঙ্গীত শিল্পীয়ে অসমৰ সঙ্গীত ক্ষেত্ৰখনত এখন উচ্চ আসন লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ আন কোনো নহয়, এসময়ৰ আকাশবাণী ডিব্ৰুগড়ৰ চাকৰিয়াল প্ৰয়াত জ্যোতিষ ভট্টাচাৰ্য। এই জনপ্ৰিয় দৰদী গায়কজনে শ্ৰোতাৰ মনত সচিব নোৱাৰা সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। তেওঁৰ কণ্ঠেৰে নিগৰা 'শোৱাৰ পৰত সৰা শেৱালি বুটলি' বা 'চম্পাৱতী তোমাৰ ঘাটত', 'মই এটি দিনৰ জোনাকি' আদি গীত

পাহৰিব পাৰি জানো ? তেওঁ এনে বহুতো মনপৰশা গীত শ্ৰোতাক উপহাৰ দি গৈছে। বোম্বেৰ বিখ্যাত গায়ক তালাত মহম্মদেও তেওঁৰ গীত গোৱা শৈলীক প্ৰশংসা কৰি হৈছে। তেওঁৰে ভগ্নী শ্ৰীমতী নলিনী দেবী (ৰাণু) স্কুলীয়া ছাত্ৰী হৈ থকা অৱস্থাতে অসমীয়া বোলছবি 'ৰঙা পুলিচ'ত গীত গাই দেশৰে ভিতৰত কনিষ্ঠতম নেপথ্য গায়িকা হিচাপে স্বীকৃত হৈছিল। তেওঁ আকাশবাণীৰো নিয়মীয়া শিল্পী আছিল। গগন বৰুৱা আছিল ডিব্ৰুগড়ৰ আন এজন বলিষ্ঠ কণ্ঠৰ গায়ক। তেওঁৰ গীতে শ্ৰোতাৰ অন্তৰ চুই গৈছিল। তেওঁ গণনাট্য সংঘৰ মঞ্চত বলিষ্ঠ কণ্ঠৰ গীতেৰে শ্ৰোতা ৰাইজক মুগ্ধ কৰিছিল। ড° ভূপেন হাজৰিকাৰ সৃষ্টি 'নামি অহা সুন্দৰৰে সেনা শিল্পীদল' শীৰ্ষক গীতটি তেওঁৰ কণ্ঠত আচৰিত ধৰণে খাপ খাই পৰিছিল।

এইখিনিতে এটা কথা উল্লেখ নকৰিলে ভুল হ'ব যে ওপৰত উল্লিখিত শিল্পী সকলৰ বেছ কিছু বছৰ আগতেও কেইগৰাকীমান শিল্পীয়ে বিভিন্ন অনুষ্ঠানত তেওঁলোকৰ গীত পৰিবেশন কৰি খ্যাতি অৰ্জন কৰিছিল। এই সকলৰ ভিতৰত প্ৰথমেই মান ল'ব লাগিব প্ৰয়াত উমেশ মুখাৰ্জীৰ। তেওঁৰেই প্ৰথম অসমীয়া গীত গ্ৰামফোন ৰেকৰ্ডযোগে শ্ৰোতালৈ আগবঢ়াইছিল। ইয়াৰ পিছত ক্ৰমে প্ৰয়াত গোপাল ব্যানাৰ্জী (শাস্ত্ৰীয় সঙ্গীত) শৰৎ বৰুৱা (গায়ক, সুৰাকাৰ) সুনীল মুখাৰ্জী (গায়ক, সুৰকাৰ) কিৰণ বৰুৱা (গায়ক) ড° দ্বীজেন বৰুৱা (গীতিকাৰ, সুৰকাৰ) উদয় মুখাৰ্জী, পৰিতোষ মুখাৰ্জী আদিয়ে বিভিন্ন অনুষ্ঠানত গীত পৰিবেশন কৰি শ্ৰোতাক মুগ্ধ কৰিব পাৰিছিল। এই সকলৰ বাদেও দুগৰাকী গায়িকাক্ৰমে কমলা বাগ্চী আৰু সুজাতা দাস ভৌমিকেও নানা অনুষ্ঠানত গীত পৰিবেশন কৰিছিল। অৱশ্যে এই দুগৰাকী শিল্পী কেৱল ৰবীন্দ্ৰ সঙ্গীততেই সীমাবদ্ধ আছিল।

পঞ্চাশ দশকৰ প্ৰায় আৰম্ভণীৰে পৰাই আগপিছকৈ তিনিগৰাকী সঙ্গীতজ্ঞৰ ডিব্ৰুগড়লৈ আগমন ঘটিছিল। তিনিও জনেই আছিল অসমীয়া বোলছবিৰো সঙ্গীত পৰিচালক। তেওঁলোক হ'ল ক্ৰমে নিজামুদ্দিন আহমেদ হাজৰিকা, ব্ৰজেন বৰুৱা আৰু আমাৰ সকলোৰে প্ৰিয় শিক্ষাগুৰু, সঙ্গীতজ্ঞ তফজ্জুল আলি। তেওঁ বিশেষকৈ 'আলি' চাৰ হিচাপেহে জনপ্ৰিয়। নিজামুদ্দিন আহমেদ আৰু আলিচাৰ চাকৰিসূত্ৰে দীৰ্ঘকাল ধৰি ডিব্ৰুগড়তে আছিল। ব্ৰজেন বৰুৱা যদিও গুৱাহাটীৰ বাসিন্দা তথাপিও তেওঁ সঘনায় ডিব্ৰুগড়লৈ আহিছিল। তেওঁ আহিলে আমাৰ ঘৰৰ সম্মুখৰ ধৰেশ্বৰ ভট্টাচাৰ্যৰ ঘৰলৈ আহিছিল। গতিকে আমাক আৰু কোনে পায় — ব্ৰজেনদাৰ সৈতে আমাৰ একেবাৰে ঘৰুৱা সম্পৰ্ক গঢ়লৈ উঠিছিল। মোৰ ভন্টি শান্ত্বনা বৰুৱাই গুৱাহাটী ৰেডিঅ' ষ্টেচনত কণ্ঠসঙ্গীতৰ অডিচন (১৯৬৯) দিওঁতে বিচাৰক সকলৰ মাজৰ এজন আছিল ব্ৰজেনদা। ব্ৰজেনদাৰ বহু গান বোলছবিত অন্তৰ্ভূক্ত হোৱাৰ আগতেই আমি গোৱা মেলা কৰিছিলো। পিছত দেখোঁ তাৰে কিছুগীত বোলছবিতো তেওঁ অন্তৰ্ভূক্ত কৰিছে। তেখেতে সুৰ দিয়া এনে বহুগীত আমি এতিয়াও পাহৰা নাই যিবোৰৰ এতিয়াও গ্ৰামফোন ৰেকৰ্ড ওলোৱা নাই বা কোনো বোলছবিতো অন্তৰ্ভূক্ত হোৱা নাই। ব্ৰজেনদাই গীতৰ উপৰিও খুউব সুন্দৰ Orchestration কৰিছিল। অসম মেডিকেল কলেজৰ বাৰ্ষিক অনুষ্ঠানত তেওঁ দুই তিনিবাৰ মান Orchestration পৰিবেশন কৰিছিল। নানা বাদ্যযন্ত্ৰৰ লগতে তেওঁ খুটি তাল, চাইকেলৰ টিলিঙা, জুই শালাৰ বাকচ আদিৰ শব্দও সেই Orchestrationত সুমুৱাই দিছিল। সেই Orchestrationৰ মূখ্য সুৰটো এতিয়াও মোৰ মনত আছে। কাৰণ ৰিহাৰ্চেল হৈছিল আমাৰ ঘৰৰ সম্মুখৰে ধামেশ্বৰ ভট্টাচাৰ্যৰ ঘৰত।

ব্ৰজেন বৰুৱা, নিজামুদ্দিন আহমেদ হাজৰিকা আৰু তফজ্জুল আলি প্ৰায় সম-সাময়িক আছিল। তেওঁলোকৰ নিত্য নতুন সৃষ্টিয়ে সেই সময়ৰ ডিব্ৰুগড়ৰ সাংস্কৃতিৰ ক্ষেত্ৰখন বহুদূৰ আগুৱাই নিয়ে। প্ৰথমেই আমাৰ পৰিচয় হৈছিল নিজামুদ্দিন আহমেদৰ সৈতে। সেই সময়ত তেওঁ চাকৰিসূত্ৰে শদিয়াৰ পৰা ডিব্ৰুগড়লৈ বদলি হৈ আহিছিল। ডিব্ৰুগড়ৰ দক্ষিণ আমোলাপট্টিৰ

এগৰাকী জ্যেষ্ঠ সাংস্কৃতিক সংগঠক তথা শিল্পী হাচান চৰিফ আহমেদহঁতৰ ঘৰতে নিজামুদ্দিন আহমেদ আছিলহি। তেওঁলোকৰ পৰিয়ালটোৰ চাৰিওগৰাকী ককাই ভাই সাংস্কৃতিক দিশত আগৰনুৱা আছিল। হাচান চৰিফৰ পাছতে ছবিৰ আহমেদ, চেহিৰ আহমেদ আৰু চেগিৰ আহমেদ। এওঁলোক আটাই কেউজনেই ভাল অভিনেতা তথা গায়ক আছিল। চেহিৰ আহমেদ অনাঁতাৰ নাটকৰ অভিনেতাৰ উপৰিও এজন সুগায়ক আছিল। সেই সময়ত শশ ৰায়বৰুৱাহঁতৰ পৰিয়ালটোও শদিয়াৰ পৰা আহি আমাৰ ঘৰৰ ওচৰৰে এটি ভাড়াঘৰত আছিলহি। তেওঁলোকৰ পৰিয়ালৰে আৰতি ৰায়বৰুৱা আছিল আমাৰ বাইদেউ প্ৰয়াত কল্পনা বৰুৱাৰ বান্ধৱী। নিজামুদ্দিন আহমেদৰ সৈতে তেওঁলোকৰ চিনাকী শদিয়াত থাকোতেই। তেওঁ প্ৰায়েই ৰায়বৰুৱাৰ ঘৰলৈ আহিছিল আৰু সেই সূত্ৰে বাইদেউৰ সৈতে চা-চিনাকি হৈ পিছলৈ তেওঁ আমাৰ ঘৰৰে এজনৰ দৰে হৈ পৰিছিল। আমাৰ মা-দেউতাইও তেওঁৰ গান শুনি বৰ ভাল পাইছিল। তেওঁ প্ৰায়েই গধূলি সময়ত আহিছিল আৰু হাৰমনিয়ামটো লৈ ইটোৰ পাছত সিটো গান জুৰিছিল। তেওঁৰ এটা আচৰিত গুণ আছিল — তামোল এমোকোৰা মুখত লৈও সুন্দৰকৈ গান গাই যাব পাৰিছিল। নিজামচাৰ গণনাট্য সংঘৰ সৈতেও সক্ৰিয়ভাবে জড়িত আছিল। সেই সুযোগতে তেওঁ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নগেন কাকতি আদিৰ সংস্পৰ্শলৈ আহে। জ্যোতিপ্ৰসাদৰ 'লুইতৰ আকাশৰ তৰাৰ তৰাৱলী' শীৰ্ষক গীতটিৰ তেওঁ অতি সুন্দৰভাবে খাপখোৱাকৈ এটি সুৰ দিছিল, যিটো সুৰ জ্যোতিপ্ৰসাদেও শলাগিছিল আৰু তেওঁ দিয়া সুৰতকৈও ভাল হোৱা বুলি কৈছিল। নগেন কাকতিৰ এটি বিখ্যাত গান — সুৰ দিছিল নিজামুদ্দিনে —

মচা নাই মচা নাই মচা নাই  
শতিকাৰ বেদনাই  
অসমীক কন্দুৱাই  
দেশৰ মাটিত তপত তেজৰ দাগ মচা নাই ......।

নগেন কাকতিৰ আন এটি গীততো তেওঁ সুৰ দিছিল যিটো গীত ডিব্ৰুগড়ৰে একালৰ সাংস্কৃতিক অনুষ্ঠান 'জ্যোতিৰূপা'ই এখনি ছাঁয়ানাটত পৰিবেশন কৰিছিল। গীতটি গাইছিল চেহিৰ আহমেদ, অসীমানন্দ বৰুৱা আদি শিল্পীলকলে —

কুশলৰ অমৰাত্মাই  
মাতে সৌ ফাঁচিৰ কাঠত  
এয়েনেকি জনতাৰ, কৃষক মজুৰৰ  
শত ছহিদৰ বলীদান  
জাগ হে'ৰ মজুৰ কিষান  
জনতাক কৰোঁ প্ৰণাম ........।

তেখেতৰ উপৰিও আব্দুল মালিকৰ বহুতো বিপ্লৱী গীতত সুৰ দি গণনাট্য সংঘৰ মঞ্চত পৰিবেশন কৰিছিল। তেওঁ এনে বহুতো গীতত সুৰ সংযোজন কৰিছিল , যিবোৰ ভিতৰত দুটি গীত সেই সময়ত ৰাইজৰ সমাদৰ লাভ কৰিছিল। গীত দুটি হ'ল 'উপহাৰ মোৰ এটি ৰঙা জবা' আৰু 'বনফুলহে ফুলি ৰম'। গীতিকাৰ আছিল বাণী বৰদলৈ। গণনাট্য সংঘৰ সৈতে সক্ৰিয় ভূমিকা পালন কৰাত তেওঁ চৰকাৰৰ ৰোষত পৰি শাস্তিমূলক ভাবে শদিয়ালৈ বদলি হ'ব লগা হৈছিল। তেওঁ অসমীয়া বোলছবি 'ৰঙা পুলিচ'ৰ সঙ্গীত পৰিচালক আছিল। সেই বোলছবিত ডিব্ৰুগড়ৰ একালৰ জনপ্ৰিয় শিল্পী নলিনী দেৱী (ৰাণু) ক দি এটি গীত গোৱাইছিল। তেওঁ আমাক বহুতো গীত শিকাই গ'ল যিবোৰ কাহনিও পাহৰিব নোৱাৰা ধৰণৰ। বহুতো শিল্পীয়ে তেওঁ সুৰ দিয়া গীত গাই ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। শেষলৈ তেওঁ ডিব্ৰুগড় সঙ্গীত বিদ্যালয়ৰ সৈতে জড়িত হৈ পৰিছিল। তাতো তেওঁ নানা গীতিকাৰৰ গীতত সুৰ দি বহুতো জনপ্ৰিয় গীত সৃষ্টি কৰিছিল। বিশেষকৈ আমাৰ স্কুলীয়া শিক্ষাগুৰু প্ৰয়াত নবীন চন্দ্ৰ বৰদলৈৰ দুটি গীত — 'মোৰ সোণ সুৱদী সোণৰ অসম আই' আৰু 'অমানিশা পৰিশেষে অৰুণোদয়' শীৰ্ষক গীত দুটি এতিয়াও কানত বাজি থাকে।

তফজ্জুল আলি চাৰক মই প্ৰথম যেতিয়া লগ পাওঁ তেতিয়া মই স্কুলীয়া ছাত্ৰ। আলিচাৰৰ বন্ধু আছিল আমাৰ ওচৰৰে কেশৱ শৰ্মা (বুলুদা)। তেখেত সকলৰ ঘৰলৈ ওচৰ চুবুৰীয়া হিচাপে আমাৰ আহ যাহ আছিল। বিশেষকৈ কেশৱ শৰ্মাৰ ভগ্নী নীলিমা শৰ্মা (টুটু বাইদেউ) আমাৰ বাইদেউৰ লগৰীয়া আছিল। এই পৰিয়ালটো এটা সংস্কৃতিবান পৰিয়াল আছিল। তেওঁলোকৰ ঘৰখনত সংগীতৰ পৰিবেশ এটা আছিলেই। কিয়নো কেশৱ শৰ্মা নিজেই এজন গীতিকাৰ আৰু সুৰকাৰ। সেয়ে তেওঁৰ কেইবাগৰাকী ভগ্নী গানৰ প্ৰতি আকৃষ্ট আছিল। বিশেষকৈ নীলিমা শৰ্মা এগৰাকী ভাল গায়িকা আছিল। আলি চাৰৰ সৈতে তেওঁলোকৰ ঘৰতে বাইদেউৰ চিনাকী হৈছিল। এদিনাখন আলিচাৰ আমাৰ ঘৰলৈ আহোঁতে বাইদেৱে চাৰক ক'লে যে — কোনটো গান? ক'ত পালা গানটো? মই ক'লো — দোকানৰ পৰা বস্তু বান্ধি অনা কাগজখিলাতেই গানটো আছিল। আলিচাৰে ৰগৰ কৰি ক'লে — 'কাৰ ইমান সাহ, মোৰ গীতেৰে দোকানৰ বস্তু বান্ধে'। আচলতে সেই কাগজখিলা আছিল কানৈ কলেজৰ আলোচনীৰ এটা পৃষ্ঠা। কোনোবাই হয়তো দোকানত অন্য কাগজৰ লগতে আলোচনীখনো দি দিছিল। তাতেই আলিচাৰৰ 'বৰ্ষাক্লান্ত শ্ৰাৱণ সন্ধ্যা নিৰৰ ধৰাৰ কণ্ঠ' শীৰ্ষক গীতটি আছিল। আলিচাৰে গীতটি শুনি খুব প্ৰশংসা কৰিলে — আচলতে মোক উদ্‌গনি দিবলৈকে চাৰে বেছিকৈ প্ৰশংসা কৰিছিল। শেষত তেওঁৰ 'মন্দাক্ৰান্তা' কিতাপখন দি তাত থকা মোৰ পছন্দৰ গীতবোৰ সুৰ কৰিবলৈ অনুমতি দি গ'ল। ইয়াৰ পিছত আলিচাৰক কলেজত শিক্ষাগুৰু হিচাপে পাওঁ। তেতিয়াৰে পৰা তেখেতৰ সৈতে নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল। এতিয়ালৈকে চাৰৰ বহুতো গীতত সুৰ কৰা হ'ল। চাৰে কোনোবাটো সুৰ ভাল পায়, আকৌ আন কোনোবাটোৰ বিষয়ে ক'ব — এইডোখৰ এনেকুৱা হ'লে ভাল হ'ব, সেইডোখৰ তেনেকুৱা হ'লে ভাল হয় ইত্যাদি। মুঠতে গীতত সুৰ দিয়াৰ বিষয়ে মই চাৰৰ পৰাই বহুতো কায়দা শিকিবলৈ পাইছিলো। কোনটো গীত তাৰ ভাৱধাৰণাৰ সৈতে সংগতি ৰাখি কি তালত বান্ধিলে গীতটিৰ ভাৱ প্ৰকাশ সুন্দৰকৈ ফুটি উঠে আদি নানা উপদেশ দি মোক উৎসাহিত কৰিছিল।

১৯৬৮ চনত যেতিয়া সান্ত্বনাই গুৱাহাটী ৰেডিওত কণ্ঠ সঙ্গীতৰ অডিচনৰ বাবে যোজা চলাইছিল তেতিয়া আলিচাৰৰে কেইবাটাও গীত তেওঁৰ ওচৰত শিকি গৈছিল। ফলত প্ৰথম অডিচনতেই তেওঁ কৃতকাৰ্যতা লাভ কৰিবলৈ সক্ষম হৈছিল। আকাশবাণী গুৱাহাটী আৰু ডিব্ৰুগড়ৰ যোগেদি আলিচাৰৰ ভালেমান গীত সান্ত্বনাই পৰিবেশন কৰিছিল। তেখেতৰ মৃত্যুৰ মাত্ৰ কেইদিনমান আগতে মোৰ ভাই অসীমানন্দ বৰুৱাৰ সৈতে মই চাৰক দেখা কৰিছিলো। তেতিয়া তেখেতৰ মুখত কোনো কথা নাই। মাথো মুখলৈ চায়, কিবা এটা যেন ক'ব বিচাৰে কিন্তু ক'ব নোৱাৰে। মনটো বিষাদেৰে বৰি পৰিছিল। তথাপি ভবা নাছিলো সেয়াই মোৰ চাৰৰ সৈতে শেষ দেখা হ'ব বুলি। তেখেতৰ মৃত্যুত অসমৰ সঙ্গীত জগতৰ বহু ক্ষতি হ'ল। তেখেতৰ বহু গীত যুগমীয়া হৈ ৰ'ব। যেনে ঃ 'মন্দাক্ৰান্তা মোৰ কবিতাত', 'বহুদিন বকুলৰ গোন্ধ পোৱা নাই', 'জীৱনৰ সাগৰতে', 'দূৰে দূৰে কোনে', 'চম্পাৱতী তোমাৰ ঘাটত' ইত্যাদি এশএবুৰি গীতৰ জনপ্ৰিয়তা আজিও অটুট। 'বহুদিন বকুলৰ' গীতটি শুনি ড° ভূপেন হাজৰিকাই নিজেই মন্তব্য কৰিছিল — 'এই গীতটি বাৰু কোনোবাই পাহৰিব পাৰেনে?' আজি আলিচাৰ নাই, তথাপিও তেখেতৰ সৃষ্টিৰাজী বহুদিনলৈ মানুহে মনত ৰাখিব বুলি মোৰ বিশ্বাস।

পঞ্চাশ দশকৰ শেষৰ পিনে কেইবাজনো উদীয়মান শিল্পীয়ে মঞ্চত গীত পৰিবেশন কৰি খলকনি তুলিছিল। সেই সকলৰ ভিতৰত পদ্ম দাস অন্যতম আছিল। বিশেষকৈ পদ্ম দাসৰ বনগীত যি এবাৰ শুনিছে তেওঁৰ পক্ষে সেই বনগীত সহজে পাহৰা টান। আন এজন শিল্পী হ'ল হৰিকমল দাস। তেওঁ গণনাট্য সংঘৰ সৈতে জড়িত আছিল। সেই সময়ত তেওঁৰ গীতে শ্ৰোতা সকলক বাৰুকৈয়ে মুগ্ধ কৰিছিল। তেওঁৰ পুৰুষ সুলভ কণ্ঠত 'নতুন নতুন সাহ আহিল নতুন সাহ' শীৰ্ষক ভূপেন

হাজৰিকাৰ গীতটি শ্ৰোতাই নিশ্চয় পাহৰিব পৰা নাই। এই সকলৰ পিছতেই নাম ল'ব পাৰি বৈকুণ্ঠ গগৈৰ। তেওঁ অৱশ্যে মঞ্চতকৈ অনতাঁৰ শিল্পী হিচাপেহে বেছি জনপ্ৰিয় হৈছিল। তেওঁৰে ভগ্নী উষা গগৈ সেই সময়ৰ গায়িকা সকলৰ ভিতৰত আগশাৰীৰ গায়িকা আছিল। পিছলৈ তেওঁ বোধহয় গানৰ চৰ্চা প্ৰায় বাদ দিয়াৰ দৰেই হৈছিল। কাৰণ তেওঁক পিছৰ কালছোৱাত মঞ্চত দেখা পোৱা মনত নপৰে। সেই সময়ৰে আন এগৰাকী শিল্পী নীলিমা শৰ্মাৰ কথাও মনত পৰে। তেওঁ এক সুন্দৰ গলাৰ অধিকাৰী আছিল। আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত অসমৰ বাহিৰত গীত গায়ো তেওঁ সুনাম অৰ্জন কৰিছিল। ইয়াৰ পিছতে নাম ল'ব পাৰি সুকণ্ঠী গায়িকা কল্পনা বৰদলৈৰ। তেওঁ অনাতাঁৰ শিল্পীও আছিল। তেওঁৰে জ্যেষ্ঠা ভগ্নী কৃষ্ণা বৰদলৈ সেই সময়ৰ গায়িকা সকলৰ অন্যতম জনপ্ৰিয় গায়িকা আছিল। এই সকল গায়িকাৰ পিছৰ চামৰ মাজৰ পৰা কেইবাগৰাকী নৃত্য শিল্পী সেই সময়ত জনপ্ৰিয়তাৰ শীৰ্ষত আছিল। তেওঁলোক শাস্ত্ৰীয় নৃত্যকে আদি কৰি সৃষ্টিমূলক আধুনিক নৃত্য, বিহু নৃত্য আদিতো সমানে দক্ষ আছিল। সেইসকল হ'ল মেনকা দেবী, কৰবী বৰদলৈ, ৰঞ্জনা বৰদলৈ, ৰেখা বড়া, মীৰা কলিতা, মন্দিৰা বৰুৱা আৰু দেবীকা মিত্ৰ। এওঁলোক সকলোৰেই ডিব্ৰুগড় সঙ্গীত বিদ্যালয়ৰ ছাত্ৰী আছিল। এওঁলোকৰে প্ৰায় সমসাময়িক সুভদ্ৰা চাংমাই এগৰাকী উচ্চ মানৰ গায়িকা আছিল। ইয়াৰ পিছতে নাম ল'ব পাৰি ক্ৰমে গুলশনাৰা বেগম, নাচৰিন হেলিম আৰু হাচিনা খাতুন। এওঁলোক অনাতাঁৰ শিল্পী হিচাপে বেছ জনপ্ৰিয়। এওঁলোকৰ সমানে সমানে সন্ধ্যা দেবী আৰু নমিতা ঠাকুৰৰো নাম আহি পৰে। তেওঁলোকৰ দ্বৈত কণ্ঠৰ 'বাদল বাদল দিনতে' গীতটিৰ কথা কলাপ্ৰেমী ৰাইজে আজিও সোঁৱৰে। সেই সময়ৰে আৰু এজন গায়কৰ নাম নল'লে এই লেখা আধৰুৱা হৈ ৰ'ব। তেওঁ হ'ল প্ৰয়াত মুনীন দত্ত। তেওঁ মূলতঃ এজন দক্ষ তবলা বাদক আছিল। বহুতো শিল্পীৰ সতে তেওঁ তবলা সঙ্গত কৰিছিল। কোনো কোনো ক্ষেত্ৰত এনেও হৈছিল যে তেওঁৰ তবলা সঙ্গতেই কেতিয়াবা কোনো শিল্পীৰ গীত পৰিবেশন উচ্চ মানৰ হোৱাত যথেষ্ট সহায়ক হৈ উঠিছিল। পিচলৈ তেওঁ যেতিয়া গানৰ চৰ্চা কৰিবলৈ আৰম্ভ কৰিলে তেওঁ আৰু ঘূৰি চাবলগীয়া নহ'ল। প্ৰথমে তেওঁ 'পেৰডি' গীত গাবলৈ আৰম্ভ কৰিছিল। তেওঁৰ প্ৰথম পেৰডি গীত 'মনি তুমি নাকান্দিবা' সেই সময়ত মানুহৰ মুখে মুখে। সুন্দৰ গলাৰ অধিকাৰী এইজন শিল্পীয়ে তেওঁৰ চমু জীৱন কালত বেছ কিছু গীত জনপ্ৰিয় কৰি গ'ল। সেইবোৰ এতিয়াও মাজে মাজে অনাতাঁৰযোগে শুনিবলৈ পোৱা যায়। তেওঁৰ ভগ্নী নীলিমা দত্ত এগৰাকী নৃত্যশিল্পী আছিল।

ষাঠিৰ দশকৰ শেষভাগত ডিব্ৰুগড়ত এনে কেইগৰাকীমান গায়িকাই ভূমুকি মাৰিলে যে কোনো এগৰাকীয়েই আন এগৰাকীতকৈ কোনো গুনে কম নহয়। সঙ্গীত প্ৰতিযোগীতাত বিচাৰক সকল এওঁলোক লৈ বিমোৰত পৰিবলগীয়া হয়। কোনোগৰাকীয়েই কম নহয়। এওঁলোক হ'ল সান্ত্বনা বৰুৱা, ডলি ঘোষ, ৰঞ্জনা চৌধুৰী আৰু মমতা শৰ্মা (বৰঠাকুৰ)। এওঁলোক আটায়েই অতি কম সময়তেই জনপ্ৰিয় হৈ পৰিছিল। এওঁলোকক প্ৰায়েই আমি নানা সাংস্কৃতিক অনুষ্ঠানলৈ গান গোৱাবলৈ লৈ গৈছিলো আমাৰ 'বিজয় সংঘ'ৰ তৰফৰ পৰা। এবাৰৰ কথা — মোৰ মামা প্ৰয়াত শৰৎ বৰুৱাই A.R.T. (বৰ্তমানৰ Coal India) ৰ হৈ এখন সাংস্কৃতিক অনুষ্ঠানলৈ আমাক নিমন্ত্ৰণ কৰিছিল। আমাৰ বিজয় সংঘৰ দলটোত প্ৰসেনজিৎ চৌধুৰী, সুনীল শৰ্মাকে আদি কৰি সকলো সদস্যৰ লগতে মমতা শৰ্মা (বৰ্তমান বৰঠাকুৰ) হাচিনা খাতুন (হাজৰিকা) কো গীত গাবলৈ লৈ গৈছিলো। তেওঁলোক তেতিয়া ফ্ৰকপিন্ধা সৰু ছোৱালী। তেওঁলোকৰ গীত পৰিবেশন ইমান মনোমুগ্ধকৰ আছিল যে দৰ্শকে ইটোৰ পাছত সিটো গীত গাবলৈ অনুৰোধ কৰিছিল। আজি তেওঁলোক গীতৰ জগতত সুপ্ৰতিস্থিত। আৰু এবাৰৰ কথা — দুৰ্গাপূজাৰ সময়ত ডিব্ৰুগড়ৰ ঢাকাই পাৰাত এক সাংস্কৃতিক অনুষ্ঠানত সান্ত্বনা বৰুৱাই লতা মঙ্গেশকাৰে গোৱা 'একবাৰ বিদায় দেখা

ঘূৰে আসি' গীতটি পৰিৱেশন কৰোতে দৰ্শক ইমানেই উৎফুল্লিত হৈছিল যে সেই গীতটি সেই নিশাই দ্বিতীয় বাৰলৈ গোৱাইহে দৰ্শকে হেপাঁহ পলুৱাইছিল। এবাৰ এটা বৰ মাজৰ ঘটনা ঘটিছিল। ডিব্ৰুগড়ৰ ইণ্ডিয়া ক্লাৱত এক সাংস্কৃতিক অনুষ্ঠানত দৰদী শিল্পী প্ৰয়াত জ্যোতিষ ভট্টাচাৰ্যক আমন্ত্ৰণ কৰি অনা হৈছিল। সেইখন অনুষ্ঠানতে ৰঞ্জনা চৌধুৰীয়েও গীত গোৱাৰ কথা। ৰঞ্জনা চৌধুৰীয়ে জ্যোতিষ ভট্টাচাৰ্যক ভৰি চুই প্ৰণাম কৰাত তেওঁ সুধিলে — তুমিও গান গাবা নেকি? কিছুপৰৰ পিছত মোকো সেই প্ৰশ্ন কৰাত ময়ো হয় বুলি কলো। তেতিয়া জ্যোতিষ ভট্টাচাৰ্যই তেওঁৰ Item টো ৰঞ্জনাতকৈ আগতে দিবলৈ অনুৰোধ কৰিলে। মই কলো আজিতো আপুনিয়েই প্ৰধান আকৰ্ষণ। তেওঁ ক'লে — 'নহয় নহয়, এওঁলোকক দৰ্শকে ইমানকৈ গান গোৱাৰ বিচাৰে যে ইয়াৰ পিছত মই গান গোৱাৰ কোনো অৰ্থই নেথাকে।' অৱশেষত তেখেতৰ কথাকে মানি লোৱা হ'ল। এনে বহুকথা আছে — প্ৰবন্ধটো দীঘলীয়া হোৱাৰ আশংকাত উল্লেখ কৰাৰ পৰা বিৰত থাকিলো। ডলি ঘোষ এগৰাকী সুগায়িকা। তেওঁ বহু সৰুৰে পৰা গানৰ চৰ্চা কৰি আহিছে। সৰুতে তেওঁক আমি 'চাইনা' বুলি মাতিছিলো। সেই সৰু কালতে তেওঁ গানৰ বাবে বিখ্যাত হৈ পৰিছিল। তেওঁৰ বেছ কিছু সংখ্যক গীত আকাশবাণীৰ যোগেদি জনপ্ৰিয় হৈ পৰিছিল। ড° ভূপেন হাজৰিকায়ো তেওঁক গান গোৱাইছে। আজি তেওঁ অসমৰে এগৰাকী লেখত লবলগীয়া গায়িকা।

এইখিনিতে ডিব্ৰুগড়ৰ কেইজনমান বিশিষ্ট গীতিকাৰ আৰু সুৰকাৰৰ কথা উল্লেখ নকৰিলে অমাৰ্জনীয় অপৰাধত ভূগিবলগীয়া হ'ব। তেওঁলোক একাদিক্ৰমে হেমন্ত গোস্বামী, প্ৰশান্ত বৰদলৈ আৰু ড° উপেন কাকতি। আমি স্কুলীয়া ছাত্ৰ হৈ থাকোতেই গীতিকাৰ, সুৰকাৰ হেমন্ত গোস্বামীক লগ পাওঁ। তেওঁক আমি 'মোনাদা' বুলি মাতিছিলো। এই কথা মোৰ এতিয়াও মনত পৰে কিদৰে মই সান্ত্বনা আৰু গীতিকাৰ সন্ধ্যা দেৱীক তেওঁৰ ওচৰত গান শিকোৱাবলৈ লৈ গৈছিলো। তেওঁ বহুগান এই দুয়োগৰাকী শিল্পীক দীৰ্ঘদিন ধৰি শিকাইছিল। এবাৰৰ কথা — সেয়া আছিল ১৯৭১ চনৰ কথা। সান্ত্বনা আৰু মই ওলালো গুৱাহাটীলৈ — উদ্দেশ্য H.M.V. ত সান্ত্বনাৰ দুটি গানৰ ৰেকৰ্ডিং। প্ৰথম গীতটি হ'ল 'ৰিম্ ঝিম ঝিম্ বৰষুণ পৰিছিল' — গীতিকাৰ, সুৰকাৰ হেমন্ত গোস্বামী। দ্বিতীয়টি হ'ল নিৰ্মলপ্ৰভা বৰদলৈ ৰচিত 'সোনপোনা বেঁকা চাৱনিৰে'। সুৰেৰে সজাইছিল হেমন্ত গোস্বমীয়ে। সেইদিনা প্ৰবীন গীতিকাৰ, সুৰকাৰ তথা গায়িকা লক্ষহীৰা দাস 'ফুলে ফুলে ৰং ইমান যেৰং' গীতটিও ৰেকৰ্ডিং কৰা হৈছিল। হেমন্ত গোস্বামীৰ তত্বাৱধানত গীত দুটি খুব সাফল্যতাৰে ৰেকৰ্ডিং হৈ গ'ল। পিছত দেখা গ'ল ৰিম্ ঝিম্ ঝিম্ গীতটিয়ে নিশাটোৰ ভিতৰতে দুয়োজনকে বিখ্যাত কৰি তুলিলে। এয়াই আছিল গীতিকাৰ তথা সুৰকাৰ হেমন্ত গোস্বামী। বহু শিল্পীয়ে তেওঁৰ গীত গাইছে কিন্তু সান্ত্বনাই গোৱা গীতৰ সংখ্যাই বোধ হয় সৰহ। আন এজন গুণী শিল্পী হ'ল গীতিকাৰ সুৰকাৰ প্ৰশান্ত বৰদলৈ। তেওঁ আমাৰ ওচৰ-চুবুৰীয়া হোৱাৰ উপৰিও সম্পৰ্কীয়ও। তেওঁ ছাত্ৰ অৱস্থাৰ পৰাই গীত লিখিবলৈ আৰম্ভ কৰে। বৰ্তমান তেওঁ এজন সুপ্ৰতিষ্ঠিত গীতিকাৰ ও সুৰকাৰ। বহুতো জনপ্ৰিয় শিল্পীয়ে তেওঁৰ গীত গাইছে। আনকি ভূপেন হাজৰিকায়ো এখন অসমীয়া বোলছবিত তেওঁৰ পৰিচালনাত গীত গাইছে। ময়ো এবাৰ কানৈ কলেজৰ নবাগত আদৰণিত তেওঁৰ এটি গীত গোৱা মনত পৰে। ডিবুৰুৰ আন এগৰাকী সুগায়ক তথা সঙ্গীত পৰিচালক হ'ল ড° উপেন কাকতি। তেওঁ মেডিকেল কলেজত পঢ়ি থকা অৱস্থাতেই বেছ কিছু জনপ্ৰিয় গীতৰ সৃষ্টি কৰিছিল। তাৰ ভিতৰত এটি খুব জনপ্ৰিয় গীত হ'ল — 'ঘণঘোৰ বাৰিষাৰ ডাৱৰবোৰে'। এই গীতটি গাবলৈ শ্ৰোতাই তেওঁক অনুৰোধ কৰাৰ কথা আজিও মনত পৰে। ড° ভূপেন হাজৰিকাৰ কণ্ঠত কাকতিৰ সঙ্গীত পৰিচালনাৰে এখন অসমীয়া বোলছবিৰ গীতটি আছিল — 'মন ক্ষণে ক্ষণে বিনায়।' গীতটিৰ সুৰ সংযোজনলৈ লক্ষ্য কৰিলে দেখা যায় ড° কাকতিয়ে একেবাৰে ভূপেন হাজৰিকাৰ কণ্ঠত খাপখোৱাকৈ সুৰেৰে সজাইছে। গীতটিৰ জনপ্ৰিয়তা বৰ্তমানেও অটুট আছে।

ঘূৰে আসি' গীতটি পৰিবেশন কৰোতে দৰ্শক ইমানেই উৎফুল্লিত হৈছিল যে সেই গীতটি সেই নিশাই দ্বিতীয় বাৰলৈ গোৱাইহে দৰ্শকে হেপাঁহ পলুৱাইছিল। এবাৰ এটা বৰ মাজৰ ঘটনা ঘটিছিল। ডিব্ৰুগড়ৰ ইণ্ডিয়া ক্লাৱত এক সাংস্কৃতিক অনুষ্ঠানত দৰদী শিল্পী প্ৰয়াত জ্যোতিষ ভট্টাচাৰ্যক আমন্ত্ৰণ কৰি অনা হৈছিল। সেইখন অনুষ্ঠানতে ৰঞ্জনা চৌধুৰীয়েও গীত গোৱাৰ কথা। ৰঞ্জনা চৌধুৰীয়ে জ্যোতিষ ভট্টাচাৰ্যক ভৰি চুই প্ৰণাম কৰাত তেওঁ সুধিলে — তুমিও গান গাবা নেকি? কিছুপৰৰ পিছত মোকো সেই প্ৰশ্ন কৰাত ময়ো হয় বুলি কলো। তেতিয়া জ্যোতিষ ভট্টাচাৰ্যই তেওঁৰ Item টো ৰঞ্জনাতকৈ আগতে দিবলৈ অনুৰোধ কৰিলে। মই কলো আজিতো আপুনিয়েই প্ৰধান আকৰ্ষণ। তেওঁ ক'লে — 'নহয় নহয়, এওঁলোকক দৰ্শকে ইমানকৈ গান গোৱাৰ বিচাৰে যে ইয়াৰ পিছত মই গান গোৱাৰ কোনো অৰ্থই নেথাকে।' অৱশেষত তেখেতৰ কথাকে মানি লোৱা হ'ল। এনে বহুকথা আছে — প্ৰবন্ধটো দীঘলীয়া হোৱাৰ আশংকাত উল্লেখ কৰাৰ পৰা বিৰত থাকিলো। ডলি ঘোষ এগৰাকী সুগায়িকা। তেওঁ বহু সৰুৰে পৰা গানৰ চৰ্চা কৰি আহিছে। সৰুতে তেওঁক আমি 'চাইনা' বুলি মাতিছিলো। সেই সৰু কালতে তেওঁ গানৰ বাবে বিখ্যাত হৈ পৰিছিল। তেওঁৰ বেছ কিছু সংখ্যক গীত আকাশবাণীৰ যোগেদি জনপ্ৰিয় হৈ পৰিছিল। ড° ভূপেন হাজৰিকায়ো তেওঁক গান গোৱাইছে। আজি তেওঁ অসমৰে এগৰাকী লেখত লবলগীয়া গায়িকা।

এইখিনিতে ডিব্ৰুগড়ৰ কেইজনমান বিশিষ্ট গীতিকাৰ আৰু সুৰকাৰৰ কথা উল্লেখ নকৰিলে অমাৰ্জনীয় অপৰাধত ভূগিবলগীয়া হ'ব। তেওঁলোক একাদিক্ৰমে হেমন্ত গোস্বামী, প্ৰশান্ত বৰদলৈ আৰু ড° উপেন কাকতি। আমি স্কুলীয়া ছাত্ৰ হৈ থাকোতেই গীতিকাৰ, সুৰকাৰ হেমন্ত গোস্বামীক লগ পাওঁ। তেওঁক আমি 'মোনাদা' বুলি মাতিছিলো। এই কথা মোৰ এতিয়াও মনত পৰে কিদৰে মই সান্ত্বনা আৰু গীতিকাৰ সন্ধ্যা দেবীক তেওঁৰ ওচৰত গান শিকোৱাবলৈ লৈ গৈছিলো। তেওঁ বহুগান এই দুয়োগৰাকী শিল্পীক দীৰ্ঘদিন ধৰি শিকাইছিল। এবাৰৰ কথা — সেয়া আছিল ১৯৭১ চনৰ কথা। সান্ত্বনা আৰু মই ওলালো গুৱাহাটীলৈ — উদ্দেশ্য H.M.V. ত সান্ত্বনাৰ দুটি গানৰ ৰেকৰ্ডিং। প্ৰথম গীতটি হ'ল 'ৰিম্ ঝিম ঝিম্ বৰষুণ পৰিছিল' — গীতিকাৰ, সুৰকাৰ হেমন্ত গোস্বামী। দ্বিতীয়টি হ'ল নিৰ্মলপ্ৰভা বৰদলৈ ৰচিত 'সোনপোনা বেঁকা চাৱনিৰে'। সুৰেৰে সজাইছিল হেমন্ত গোস্বমীয়ে। সেইদিনা প্ৰবীন গীতিকাৰ, সুৰকাৰ তথা গায়িকা লক্ষহীৰা দাস 'ফুলে ফুলে ৰং ইমান যেৰং' গীতটিও ৰেকৰ্ডিং কৰা হৈছিল। হেমন্ত গোস্বামীৰ তত্বাৱধানত গীত দুটি খুব সাফল্যতাৰে ৰেকৰ্ডিং হৈ গ'ল। পিছত দেখা গ'ল ৰিম্ ঝিম্ ঝিম্ গীতটিয়ে নিশাটোৰ ভিতৰতে দুয়োজনকে বিখ্যাত কৰি তুলিলে। এয়াই আছিল গীতিকাৰ তথা সুৰকাৰ হেমন্ত গোস্বামী। বহু শিল্পীয়ে তেওঁৰ গীত গাইছে কিন্তু সান্ত্বনাই গোৱা গীতৰ সংখ্যাই বোধ হয় সৰহ। আন এজন গুণী শিল্পী হ'ল গীতিকাৰ সুৰকাৰ প্ৰশান্ত বৰদলৈ। তেওঁ আমাৰ ওচৰ-চুবুৰীয়া হোৱাৰ উপৰিও সম্পৰ্কীয়ও। তেওঁ ছাত্ৰ অৱস্থাৰ পৰাই গীত লিখিবলৈ আৰম্ভ কৰে। বৰ্তমান তেওঁ এজন সুপ্ৰতিষ্ঠিত গীতিকাৰ ও সুৰকাৰ। বহুতো জনপ্ৰিয় শিল্পীয়ে তেওঁৰ গীত গাইছে। আনকি ভূপেন হাজৰিকায়ো এখন অসমীয়া বোলছবিত তেওঁৰ পৰিচালনাত গীত গাইছে। ময়ো এবাৰ কানৈ কলেজৰ নবাগত আদৰণিত তেওঁৰ এটি গীত গোৱা মনত পৰে। ডিবুৰুৰ আন এগৰাকী সুগায়ক তথা সঙ্গীত পৰিচালক হ'ল ড° উপেন কাকতি। তেওঁ মেডিকেল কলেজত পঢ়ি থকা অৱস্থাতেই বেছ কিছু জনপ্ৰিয় গীতৰ সৃষ্টি কৰিছিল। তাৰ ভিতৰত এটি খুব জনপ্ৰিয় গীত হ'ল — 'ঘণঘোৰ বাৰিষাৰ ডাৱৰবোৰে'। এই গীতটি গাবলৈ শ্ৰোতাই তেওঁক অনুৰোধ কৰাৰ কথা আজিও মনত পৰে। ড° ভূপেন হাজৰিকাৰ কণ্ঠত কাকতিৰ সঙ্গীত পৰিচালনাৰে এখন অসমীয়া বোলছবিৰ গীতটি আছিল — 'মন ক্ষণে ক্ষণে বিনায়।' গীতটিৰ সুৰ সংযোজনলৈ লক্ষ্য কৰিলে দেখা যায় ড° কাকতিয়ে একেবাৰে ভূপেন হাজৰিকাৰ কণ্ঠত খাপখোৱাকৈ সুৰেৰে সজাইছে। গীতটিৰ জনপ্ৰিয়তা বৰ্তমানেও অটুট আছে।

তেওঁৰ অকাল বিয়োগ অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ বাবে এক অপূৰণীয় ক্ষতি।

ষাঠিৰ দশকৰ শেষৰ পিনে, খুব সম্ভৱ ১৯৬৮/৬৯ চনত আন এজন গীতিকাৰ সুৰকাৰ চাকৰিসূত্ৰে গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ বদলি হৈ আহে। তেওঁ হৈছেগৈ আকাশবাণী ডিব্ৰুগড়ৰ হীৰেন গোঁহাই। তেওঁ এজন অতি দক্ষ সুৰকাৰ। তেওঁ সুৰেৰে সজোৱা অলেখ গীত প্ৰায় প্ৰতিজন প্ৰতিষ্ঠিত শিল্পীৰ কণ্ঠেৰে নিগৰিছে। অনাতাঁৰ কেন্দ্ৰৰ যোগেদি তেওঁ অলেখ জনপ্ৰিয় গীতৰ সৃষ্টি কৰিছে। তেওঁৰ সৃষ্টি কৰ্ম অটুট থাকক — এয়ে আমাৰ কামনা।

এইখিনিতে পুনৰ দোহৰিছোঁ যে এই প্ৰৱন্ধটি ক্ৰম অনুসাৰে লেখা হোৱা নাই আৰু মোৰ পক্ষে ই সম্ভৱো নহয়। হঠাৎ মনত পৰিছে আন কেইগৰাকীমান সঙ্গীত শিল্পীৰ কথা — তেওঁলোকৰ হ'ল — আব্ৱাৰ হুছেইন, আলি চহিদ, চেগিৰ আহমেদ, শিৱচৰণ দাস, ৰাম চাচনী আৰু নলিনীৰঞ্জন বৰঠাকুৰ। এওঁলোকৰ ভিতৰত নলিনী ৰঞ্জন বৰঠাকুৰ মূলতঃ গীতিকাৰ তথা সুৰকাৰ। অনাতাঁৰ যোগে তেওঁৰ গীত বেছ কিছু সংখ্যক শিল্পীয়ে পৰিবেশন কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। বিশেষকৈ শিৱচৰণ দাসৰ কণ্ঠত তেওঁৰ 'অকলশৰীয়া মই এটি ছাঁয়া' শীৰ্ষক গীতটিয়ে ৰাইজৰ প্ৰভূত সমাদৰ লাভ কৰিছিল। আব্ৰাৰ হুছেইনৰ গানৰ জীৱন আৰম্ভ হয় হিন্দী চিনেমাৰ গীতেৰে। তেওঁ মহম্মদ ৰফিৰ গীত হুবহু তুলি লব পাৰিছিল। সেই সময়ত, মানে ষাঠিৰ দশকৰ মাজভাগৰ পৰা মঞ্চত হিন্দী গীত গোৱাৰ প্ৰৱলতা বৃদ্ধি পাইছিল। বহু শিল্পীয়ে মঞ্চত অসমীয়া গীত গালেও এটা বা দুটা হিন্দী গীত গাবই। কিছুমান শিল্পীয়ে কেৱল হিন্দী গীতেই গাইছিল। আব্ৰাৰ হুচেইন এই দ্বিতীয় বিধৰ শিল্পী আছিল। তেওঁৰ জনপ্ৰিয়তাও কম নাছিল আৰু দৰ্শকেও তেওঁৰ পৰা হিন্দী গীতেই শুনিব বিচাৰিছিল। পিছলৈ অৱশ্যে অনাতাঁৰ কেন্দ্ৰৰ যোগেদি তেওঁ অসমীয়া গীত গাবলৈ লয়। আলি চহিদ আৰু চেগিৰ আহমেদেও হিন্দী গীতহে গাইছিল। আলি চহিদে দুই এটা অসমীয়া গীত গালেও চেগিৰ আহমেদক কিন্তু আমি মঞ্চত অসমীয়া গীত গোৱা দেখা নাই। ৰাম চাচনীয়ে মই জনাত নিভাঁজ অসমীয়া গীতহে গায়। গান গোৱাৰ ক্ষেত্ৰত তেওঁ বৰ Seletive — যধে মধে যিকোনো গীত তেওঁ কেতিয়াও নাগায়। তেওঁ এজন ৰুচিবোধ থকা ব্যক্তি। তেওঁ 'ৰতনলাল' নামৰ অসমীয়া বোলছবি এখনতো গীত গাইছিল। ঝুমুৰ আদি চাহ জনজাতিৰ থলুৱা গীত গোৱাত তেওঁ পটু। চাহ জনজাতিৰ জীৱনভিত্তিক এখন টি.ভি. ধাৰাবাহিকতো তেওঁ সঙ্গীত পৰিচালনা কৰিছিল। সুখৰ কথা যে অৱসৰৰ পিচতো তেওঁ গীতৰ চৰ্চা অব্যাহত ৰাখিছে।

প্ৰৱন্ধটি শেষ কৰিব খুজিছো আমাৰ সমসাময়িক কেইজনমান শিল্পীৰ বিষয়ে দু-আষাৰ কৈ। আমি ১৯৬৩ চনত কানৈ কলেজত নাম লগাওঁ। সেইসময়ত আমি কেইজনমান সাংস্কৃতিক মনৰ ছাত্ৰক লগ পাওঁ। তেওঁলোক হ'ল তিনিচুকীয়াৰ পৰা অহা ৰাজেন গোঁহাই, ডিব্ৰুগড়ৰ ভবেশ গোস্বামী, বিজু ফুকন (বোলছবি অভিনেতা) চৈয়দ চাদুল্লা, মুজিবুৰ ৰহমান, হেমন্ত দত্ত (নাট্যকাৰ) প্ৰদীপ চক্ৰৱৰ্তী (তবলা বাদক) সুবীৰ মুখাৰ্জী (কানু) পাৰ্থসাৰথি ব্যানাৰ্জি (ভিক্টৰ) আদি প্ৰতিভাবান শিল্পী। এওঁলোকৰ ভিতৰত সুবীৰ মুখাৰ্জী আমাৰ অগ্ৰজ আছিল। তেওঁৰ গলাৰ সৈতে বিখ্যাত গায়ক শ্যামল মিত্ৰৰ গলাৰ বিশেষ মিল আছিল। তেওঁ শ্যামল মিত্ৰৰ গান হুবহু গাই দিব পাৰিছিল। এজন দক্ষ সুৰকাৰো আছিল তেওঁ। তেওঁ সুৰ দিয়া গীত সদায় জনপ্ৰিয় হৈছিল। আমি কানৈত থকা কালত আমাতকৈ জ্যেষ্ঠ জীতেন চুতীয়াৰ কলমেৰে ওলোৱা 'পদ্ম চকুত নীলা ভৰা' শীৰ্ষক গীতটি সুবীৰ মুখাৰ্জীয়ে এনে এটি সুন্দৰ সুৰেৰে সজাই তুলিছিল যে বহুত দিনলৈকে গীতটি জনপ্ৰিয়তাৰ শীৰ্ষত আছিল। সুবীৰ মুখাৰ্জী মঞ্চত উঠিলে এই গীতটি নোগোৱাকৈ মঞ্চ এৰি যাব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছিল। তেওঁ বহুতো জনপ্ৰিয় গীতৰ শ্ৰষ্টা। তাৰ ভিতৰত বিশেষকৈ তফজ্জুল আলিৰ 'মোৰ গীতৰ বাণীত যি সুৰে নিদিলে ধৰা' শীৰ্ষক গীতটিয়ে মন চুই

যায়। শান্ত-সমহিত সুৰুচিবোধ সম্পন্ন ভদ্ৰলোক যেন লগা ৰাজেন গোঁহাই এজন উচ্চস্তৰৰ সঙ্গীত শিল্পী। তেওঁ বহুতো বাচকবনিয়া গীতৰ স্ৰষ্টা। 'গণেশ গগৈৰ দেখা দিব লাগে যদি শীৰ্ষক গীতটি সুন্দৰ সুৰ দি ডলি ঘোষৰ কণ্ঠেৰে এনে সুন্দৰভাবে উপস্থাপন কৰালে যে গীতটি শুনিলে শুনি থাকিবৰে মন যায়। ১৯৬৩ চনত আন্তঃকলেজ যুব মহোৎসৱত কানৈ কলেজৰ পৰা যোৱা আমাৰ দলটোত ৰাজেন আছিল মুখ্য গায়ক। তেওঁ বহুতো শিল্পীক সুৰীয়া গীতৰ দ্বাৰা জনমানসত নিজৰ পৰিচিতি দাঙি ধৰাত সহায় কৰিছিল। তেওঁৰ সৃষ্টি কৰ্ম সদায় যেন অব্যাহত থাকে। আন্তৰ্জাতিক খ্যাতি সম্পন্ন ভিক্টৰ ব্যানাৰ্জীক আমি পাৰ্থ সাৰথি ব্যানাৰ্জী বুলিয়েই জানিছিলো। পিচলৈ কোলকাতালৈ গৈ তেওঁ ভিক্টৰ ব্যানাৰ্জী ৰূপে জনপ্ৰিয় হ'লগৈ। তেওঁ আছিল কলেজৰ প্ৰাক্তন অধ্যক্ষ শিৱ দত্তৰ নলে গলে লগা বন্ধু। ১৯৬৪ চনৰ নবাগত আদৰণি সভাত তেওঁ এটি গীত গাবলগীয়া হ'ল। কিন্তু তেওঁৰ লগত সঙ্গত কৰোতা কোনো নাছিল। উপায়হীন শিৱদত্তই মোক লগ ধৰি অসুবিধাৰ কথাটো ক'লে। মই মোৰ বন্ধু প্ৰদীপ চক্ৰৱৰ্তী (তবলাবাদক) ক লগত লৈ হাৰমনিয়ামত হাত বোলালো আৰু তেওঁ গাই গ'ল 'আহা ঐ আঁকা বাঁকা যে পথ যায় সুদূৰে' শীৰ্ষক শ্যামৰ মিত্ৰৰ গীতটি। গীতটিৰ পৰিবেশন খুব ভাল হৈছিল। তেওঁক পিছে আমি দুবছৰ মানহে পালো। মানুহজন হঠাৎ ক'ত অন্তৰ্ধান হ'ল গমকে পোৱা নগ'ল। আজি তেওঁ এজন বিখ্যাত অভিনেতা। সৈয়দ চাদুল্লা, ভবেশ গোস্বামী, মুজিবুৰ ৰহমান, বিজু ফুকন, হেমন্ত দত্ত আৰু ৰাজেন গোঁহাইতৰ এটা অৰ্কেস্ট্ৰাৰ দল আছিল — নাম 'কুইভাৰ্স'। এওঁলোকে ডিব্ৰুগড়কে ধৰি অসমৰ ভালেমান ঠাইত যন্ত্ৰ সঙ্গীতৰ সুৰেৰে শ্ৰোতাৰ মন জয় কৰিছিল। এওঁলোকৰ মাজৰে হেমন্ত দত্তই কামৰূপীয়া লোকগীতো গাইছিল। পিছে হেমন্ত আছিল নাট্য মঞ্চৰ মানুহহে। পিছলৈ তেওঁ গীতিকাৰ হিচাপেও জনপ্ৰিয় হৈ পৰিল। তেওঁ লিখা জয়ন্ত হাজৰিকাৰ কণ্ঠৰ 'মই যি বাটে ওলালো আজি' শীৰ্ষক গীতটি বেছ জনপ্ৰিয় হৈছিল। অৱশেষত ৰাজেন, চাদুল্লা, ভৱেশে ডিব্ৰুগড় অনতাঁৰ কেন্দ্ৰত যোগদান কৰে আৰু তাৰে পৰাই তেওঁলোকে সুন্দৰ সুন্দৰ গীতেৰে শ্ৰোতাৰ মাজত জনপ্ৰিয় হৈ পৰে।

বন্ধুবৰ দিলীপ বৰঠাকুৰ আৰু তেওঁৰ পত্নী নীলিমা বৰঠাকুৰৰ বিষয়েনো কি লিখিম। তেওঁলোক নিজ নিজ স্থানত স্ব-মহিমাৰে মহিমামণ্ডিত। তথাপি বন্ধু হিচাপে কলম চলোৱাত বাধা নিশ্চয় নাই। দিলীপ আৰু মোৰ বন্ধুত্ব আজি পঞ্চাশ বছৰৰো অধিক। তেওঁ তবলা শিকিবৰ বাবে কৰা কষ্টৰ কাঁহিনী মই ভালদৰেই জানো। জীৱনত মই এনে মানুহ এতিয়াও লগ পোৱা নাই যি এটা বদ্যযন্ত্ৰ বজাবলৈ বা বাদন শিকিবলৈ ইমান কষ্ট কৰিব পাৰে। মাত্ৰ দিলীপেই একমাত্ৰ উদাহৰণ। গুৰু (খগেন দাস) ৰ সেৱা-শুশ্ৰূসা আনকি অসুস্থ অৱস্থাতো গুৰুক চাইকেলৰ আগত বহুৱাই লৈ ঘৰত থৈ অহা আদি কাম দিলীপৰ বাবেহে সম্ভৱ। ইমান একাগ্ৰতা ইমান কষ্ট সহিষ্ণু — সেয়ে বোধ হয় সঙ্গীতৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ পৰা প্ৰথম ডক্টৰেট ডিগ্ৰী লাভ কৰাটো সম্ভৱ হ'ল। তবলাৰ বিষয়ে তেওঁৰ এখন বৃহৎ কলেবৰৰ কিতাপ বাংলা ভাষাত অনুবাদ কৰা হৈছে। যিখন কিতাপ উন্মোচন কৰে পণ্ডিত বুদ্ধদেৱ দাসগুপ্ত দেৱে। উন্মোচনী ভাষণ তথা কিতাপখনত উল্লিখিত তেওঁৰ মন্তব্য মন কৰিবলগীয়া। তেওঁ কয় — 'তবলাৰ বিষয়ে এনে এখন কিতাপ কোলকাতাত আজিলৈকে কোনো বাঙালীলোকে লিখি উলিয়াব পৰা নাই। তেওঁৰ হেনো সন্দেহ — এই ধৰণৰ কিতাপ বাঙালী লোকৰ দ্বাৰা লিখাতো বোধ হয় সম্ভৱেই নহয়।' এই জ্যেষ্ঠ সৰোদ বাদক জনৰ মন্তব্যৰ ওপৰত আজিলৈকে কোলকাতাত কোনেও মাত মতা কিন্তু দেখা নগ'ল। ই দিলীপৰ বাবে এক ডাঙৰ স্বীকৃতি। দিলীপ আৰু তেওঁৰ পত্নী চেতাৰ বিশেষজ্ঞা নীলিমাৰ বাদ্যযন্ত্ৰ সম্পৰ্কে এক বিৰল আৰু বহুমুখী অভিজ্ঞতা আছে। তেওঁলোকৰ পুত্ৰ-কন্যাই মাক দেউতাকৰ পথকে অনুসৰণ কৰি বৰ্তমানে কোলকাতাত তবলা আৰু চেতাৰ বাদনৰ বিষয়ে পি০ এইছ০ ডি০ কৰি আছে।

দিলীপ বৰঠাকুৰৰ আন এক কৃতিত্ব তেওঁ স্থাপন কৰা 'চাউলখোৱা সঙ্গীত মহাবিদ্যালয়খন —

যিখনৰ তেওঁ প্ৰতিষ্ঠাপক অধ্যক্ষ। এই মহাবিদ্যালয় খনৰ সৈতে ময়ো জড়িত। ভাবিলে আচৰিত লাগে যে বহু দূৰ-দূৰণিৰ পৰা এইখন মহাবিদ্যালয়ত সঙ্গীত চৰ্চা কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকল ধপলিয়াই আহে। চাউলখোৱা ঠাইডোখৰ অনগ্ৰসৰ হোৱা সত্বেও তেনে এখন ঠাইত সঙ্গীতৰ বাতা-বৰণ এটা সৃষ্টি কৰিব পৰাটো মুখৰ কথা নহয়। মই জনাত সেইখন মহাবিদ্যালয়ৰ পৰা পাচ কৰি বহুতো ছাত্ৰ-ছাত্ৰীয়ে এই বিদ্যাৰেই ঘৰ সংসাৰ চলাই আছে। মোৰ পত্নী জয়শ্ৰী বৰুৱাই বিশাৰদ (কণ্ঠ সঙ্গীত) কৰাৰ পাচত এতিয়ালৈকে বহু ছাত্ৰ-ছাত্ৰীক শাস্ত্ৰীয় সঙ্গীতৰ শিক্ষাদান কৰি আছে। প্ৰত্যেক বছৰেই তেওঁৰ ছাত্ৰ-ছাত্ৰী এই মহাবিদ্যালয়খনতেই পৰীক্ষা দিয়াৰো ব্যৱস্থা কৰি দিয়ে। জয়শ্ৰীৰ বাদেও আন বহুতে এনে ধৰণৰ কাম এই মহাবিদ্যালায়খনৰ সহযোগত কৰি আছে। এই ক্ষেত্ৰত দিলীপ নীলিমাই সকলো ধৰণৰ সহায় সহযোগ অকৃপণভাবে কৰি আছে। আমাৰ আশা দিলীপৰ নেতৃত্বত এই মহাবিদ্যালয়খনে দোপত দোপে উন্নতিৰ পিনে গতি কৰক আৰু এক সুন্দৰ সঙ্গীতময় বাতা-বৰণৰ সহায়ক হৈ উঠক।

ডিব্ৰুগড় সঙ্গীত বিদ্যালয় এসময়ত অসমৰে এটি জাকত জিলিকা অনুষ্ঠান আছিল। এই বিদ্যালয়খন প্ৰতিষ্ঠা কৰাত দেহে কেহে খাটি আগভাগ লোৱা ব্যক্তিজন আছিল নবীন চন্দ্ৰ বৰদলৈ। তেখেতৰ দৰে সক্ৰিয় ব্যক্তি থকাৰ বাবে এই অনুষ্ঠানটিত সেই সময়ত বহুতো বৰেণ্য ব্যক্তিৰ আগমন ঘটিছিল। সেই সকলৰ ভিতৰত প্ৰথমেই নাম লব লাগিব কনক চন্দ্ৰ দাস দেৱৰ। তেখেত বিদ্যালয়খনৰ অধ্যক্ষ আছিল। কনক দাসে বজাব নোৱাৰা বাদ্যযন্ত্ৰ বোধহয় নাছিল। চেতাৰ, বেহেলাকে আদি কৰি জলতৰঙ্গ, কাষ্ঠ তৰঙ্গ আদি ভালেমান বাদ্যযন্ত্ৰ বজোৱাত তেওঁ দক্ষ আছিল। তেওঁৰ উপৰিও এই বিদ্যালয়খনত চাৰু বৰদলৈ, মীৰ দাস, নিজামুদ্দিন আহমেদ, মজদুদ্দিন আহমেদ আদিয়ে সক্ৰিয়ভাবে শিক্ষাদান কৰিছিল। তবলা বাদক প্ৰফুল্ল কলিতা, সূৰ্য্য বৰদলৈ, কৃষ্ণ ভট্টাচাৰ্য, প্ৰমোদ দাস (তবলা) উমেশ দাস (তবলা) খগেন দাস (তবলা) পৱন দে, ভোলা বিশ্বাদ আদি ব্যক্তি বিদ্যালয়খনৰ সৈতে ওতঃপ্ৰোতভাবে জড়িত আছিল। মিলন শৰ্মা (তবলা)ই এসময়ৰ সক্ৰিয়ভাবে শিল্পী সকলৰ সৈতে তবলা সঙ্গত কৰা দেখিছোঁ। আজিকালি তেওঁক মঞ্চত দেখা পোৱা নাযায়। তেওঁৰে কন্যা দেববৰ্ণিনী দেৱী এগৰাকী ভাল সৰোদ তথা সন্তুৰ বাদক। তেওঁৰ সৰোদ বাদন আমি কেইবাটিও অনুষ্ঠানত দেখিছো। এইগৰাকী শিল্পীৰ গুৰু হ'ল প্ৰখ্যাত সৰোদ বাদক বুদ্ধদেৱ দাসগুপ্ত।

শেষত আমাৰ অতিকে পৰিচিত এজন গীতাৰ বাদকৰ বিষয়ে কৈ আজিৰ এই লেখা সামৰিব খুজিছো। তেওঁ হ'ল ৰতন চৌধুৰী। ভূপেন হাজৰিকাকে আদি কৰি দ্বীপেন বৰুৱালৈকে — অসমৰ বহুতো নামীদামী শিল্পীৰ সৈতে তেওঁ গীটাৰেৰে সহযোগ কৰাৰ কথা প্ৰায় সকলোৱেই জানে। তেওঁ যে কেৱল এজন ভাল গিটাৰিষ্ট সেইটোৱেই তেওঁৰ একমাত্ৰ পৰিচয় নহয়। সঙ্গীত সম্পৰ্কে তেওঁ যথেষ্ঠ পঢ়শুনা কৰিছে। ৰতন চৌধুৰী এজন Serious আৰু Creative শিল্পী। আমি আৰু দুগৰাকী ভাল গায়িকাক এই কানৈ কলেজত লগ পাইছিলো। তেওঁলোক হ'ল উমা গগৈ আৰু মঞ্জু দাস। দুয়োগৰাকী শিল্পী সেই সময়ত বেছ জনপ্ৰিয় আছিল।

সামৰাৰে আগেয়ে ডিব্ৰুগড়ৰ এটি সাংস্কৃতিক অনুষ্ঠান 'জনসাংস্কৃতিক সমাজ'ৰ বিষয়ে দুআষাৰ কৈ লব খুজিছো। এই অনুষ্ঠানটিৰ উদ্দেশ্য জনসংযোগ বৰ্তাই ৰাখি সুস্থ সংস্কৃতিৰ দ্বাৰা অপসংস্কৃতিৰ বিৰুদ্ধে মানুহক সজাগ কৰা। এই অনুষ্ঠানটিৰ মূল সক্ৰিয় ব্যক্তিসকল হ'ল অঞ্জু বৰকটকী, লীলা চাংমাই, চেহিৰ আহমেদ, লক্ষবৰ কলিতা, ৰাধা মাধৱ মজুমদাৰ আদি। তেওঁলোকক লৈয়ে এই অনুষ্ঠানটি গঢ়ি উঠে ২০০০ চনত। এই অনুষ্ঠানটিৰ এটা বিশেষত্ব হ'ল গাওঁ অঞ্চলত জ্যোতি দিবস, বিষ্ণুৰাভা দিবস আদি অনুষ্ঠিত কৰা। এওঁলোকে প্ৰায় প্ৰতিবছৰেই জ্যোতি সংগীত, পাৰ্বতী প্ৰসাদৰ গীত, গণসঙ্গীত আদিৰ কৰ্মশালা অনুষ্ঠিত কৰে। আজি কিছুদিন পূৰ্বে তেওঁলোকে গণসঙ্গীতৰ এক কৰ্মশালা অনুষ্ঠিত কৰে য'ত সমল ব্যক্তি হিচাপে উপস্থিত

আছিল গুৱাহাটীৰ বিভূৰঞ্জন ভট্টাচাৰ্য। কৰ্মশালাখন খুব সুচাৰুৰূপে পৰিচালনা কৰিছিল অঞ্জু বৰকটকী আদিয়ে। তেওঁলোক আগুৱাই যাওক আৰু এক সুস্থ সাংস্কৃতিক বাতা-বৰণ সৃষ্টি কৰাত সহায়ক হৈ উঠক — ইয়াকে কামনা কৰিলো।

'তালিম' নামৰ এটি যন্ত্ৰ সঙ্গীতৰ দল আজি বেছ কিছু দিন ধৰি চৰ্চাৰ বিষয় হৈ পৰিছে। হেম হাজৰিকাৰ নেতৃত্বত এই দলটিয়ে বেছ সুনাম অৰ্জন কৰিবলৈ ধৰিছে। আমি 'তালিম'ৰ পৰা আশা কৰোঁ ভৱিষ্যতেও যেন তেওঁলোকে সফলতাৰে সঙ্গীত পৰিবেশন কৰি উঠি অহা চামক বাদ্যযন্ত্ৰৰ প্ৰতি আকৰ্ষিত কৰাত সহায়ক হৈ উঠে।

এতিয়া প্ৰশ্ন হৈছে 'সঙ্গীত' কেৱল বাৰু মনোৰঞ্জনৰ বাবেই নে? এই প্ৰশ্নই মোক প্ৰায়েই বিব্ৰত কৰে। প'ল ৰবচনৰ পৰা আদি কৰি জ্যোতি প্ৰসাদ, হেমাঙ্গ বিশ্বাস, বিষ্ণুৰাভা, ভূপেন হাজৰিকা আদি মহান সঙ্গীতজ্ঞ সকলো সঙ্গীতক কেৱল মনোৰঞ্জনৰ বাবেই ব্যৱহাৰ কৰি অহা নাই। আজি এই সমাজখন অধঃপতনৰ পৰা মুক্ত কৰিবলৈ সঙ্গীতেই হৈছে এক মুখ্য আহিলা। এই ক্ষয়িষ্ণু সমাজখনক উদ্ধাৰ কৰিব পাৰি কেৱল এক সুস্থ সংস্কৃতিৰ দ্বাৰাইহে আৰু ইয়াত মুখ্য ভূমিকা ল'ব পাৰে সঙ্গীতে। সঙ্গীত হৈ পৰক সমাজ সচেতনতাৰ আহিলা স্বৰূপ। কু-সংস্কাৰ আৰু অপসংস্কৃতি আঁতৰাবলৈ সঙ্গীত হৈ পৰক এক বলীষ্ঠ অস্ত্ৰ।

□□□□□



# ডিবুৰুৰ কানৈ মহাবিদ্যালয়ে আজিও ৰিঙিয়াই মাতে

*ভাস্কৰ দত্ত*
*প্ৰাক্তন ছাত্ৰ*

১৯৭৪ চনৰ কথা। আমিবোৰে উচ্চ শিক্ষাৰ বাবে উজনি অসমৰ বিখ্যাত ডিবুৰুৰ কানৈ কলেজত নামভৰ্তি কৰিছিলোঁ। ডিব্ৰুগড় উজনি অসমৰ মহানগৰী হোৱা বাবে সকলোৰে সেই সময়ত কানৈ কলেজলৈ ঢাপলি মেলাৰ কথা আমি জানোঁ। আমি শিৱসাগৰৰ পৰা মেট্ৰিকৰ দেওনা পাৰ হৈ কানৈ কলেজৰ ছাত্ৰ হৈছিলো। প্ৰয়াত কথা শিল্পী লক্ষ্যধৰ চৌধুৰীয়ে আমাক তাহানিতেই কৈছিল যে সত্য কথাবোৰ সাহসেৰে সোৱাদ লগাকৈ উপস্থাপন কৰিলেহে পাঠকৰ অন্তৰত সুমুৱাই দিব পাৰি। সেয়েহে আজি তাহানিৰ সত্যকথাবোৰ উজাৰি দিব খুজিছো। কাৰো অন্তৰত এই কথাবোৰে আঘাত দিব নালাগে।

আমি ১৯৭৪ চনত কানৈ কলেজৰ অধ্যক্ষ হিচাপে পাইছিলো প্ৰয়াত সুশীল দত্তদেৰক। উপাধ্যক্ষা হিচাপে আছিল তেখেতৰ সহধৰ্মিনী প্ৰয়াত লক্ষীদা দত্ত। পৰম শ্ৰদ্ধাৰ সেই তাহানিৰ শিক্ষাগুৰুসকল আছিল ক্ৰমে সুনীল বৰঠাকুৰ, পি. এন. সিং, শিৱ দত্ত, কামিনী ৰঞ্জন বৰুৱা, বিজয় বাৰ্মা, ফৰিদা শ্বেৰফুদ্দিন, ড০ পৰীক্ষিত হাজৰিকা, ভীমকান্ত কোঁৱৰ, হাচান ছাৰ, ডিম্বেশ্বৰ চলিহা, কল্যাণ বৰুৱা, ধীৰেণ বৰুৱা, নফিল হুছেইন ছাৰ আদি। চাৰি দশক আগৰ সেইসকল শিক্ষাগুৰুৰ অপত্য স্নেহ আৰু মৰমৰ কথা আজিও মনত পৰে। সঁচা অৰ্থত তেখেতসকল আছিল শিক্ষা জগতৰ একোজন পুৰোধা ব্যক্তি। মোৰ বোধেৰে সেই সময়খিনি আছিল আধুনিক শিক্ষাজগতৰ এক মূল্যবোধৰ সময়। কোনো শিক্ষাগুৰুৱে আমাক কেতিয়াও নিৰাশ কৰা নাছিল। পৰীক্ষাৰ দুই-চাৰিদিন আগতে গৈও তেখেত সকলৰ ঘৰত আমি নজনা কথাবোৰ খৰচি মাৰি শিকিব পাৰিছিলো। শিক্ষাগুৰুসকলে সেই সময়ত আমাৰ টিউচন লোৱাৰ কথা কল্পনাও কৰিব পৰা নাছিল। পিতৃগুৰু, মাতৃগুৰুৰ পিছতেই শিক্ষাগুৰুৰ স্থান বুলি কোৱা শুনো। সেই সময়ৰ কলেজৰ অধ্যাপকসকলে আজিৰ দৰে মোটা অংকৰ দৰমহা পোৱা নাছিল। আজি কিন্তু অপ্ৰিয় হলেও ক'ব লাগিব যে আজিৰ কিছুসংখ্যক শিক্ষাগুৰুৱে লাখ টকা দৰমহা পোৱাৰ পিছতো ছাত্ৰৰ পৰা সোঁৰে-বাঁৱে টিউচনৰ নামত বুজন পৰিমাণৰ ধন লাভ কৰে। ই শিক্ষা জগতৰ বাবে শুভ লক্ষণ নহয়। আজিৰ নতুন প্ৰজন্মৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰী বিপথে যোৱা দেখিও এই সকল শিক্ষকে নৈতিক দায়বদ্ধতা পালন কৰি তেওঁলোকক চৰিত্ৰ গঠনৰ আৰু দেশ প্ৰেমৰ শিক্ষা দিয়া দেখা নাযায়। অৱশ্যে তাৰ মাজতো সীমিত সংখ্যক জ্ঞানে গৰকা শিক্ষাগুৰুৱে সমাজৰ প্ৰতি নিজৰ দায়বদ্ধতা নিষ্ঠাৰে সৈতে পালন কৰি আহিছে। মই চাৰি দশকৰ আগৰ শিক্ষা জগতৰ এখন ছবি দাঙি ধৰিবলৈ গৈ উক্ত কথাবোৰ ক'ব লগা হৈছে। কাৰো প্ৰতি মোৰ ব্যক্তিগত আক্ৰোশ আছে বুলি ধৰি ল'ব নালাগে। এখন সুস্থ সমাজক গতি দিবলৈ হ'লে সদায় মাথোন প্ৰশস্তিৰ কথা কলে সমাজে গতি ল'ব নোৱাৰে বুলি মই অনুভৱ কৰো। এতিয়া আঁহো কলেজীয়া জীৱনৰ অন্য কিছু কথালৈ। ১৯৭৪ চনতো ছাত্ৰ-ছাত্ৰীৰ মাজত ৰেগিংঙৰ প্ৰচলন আছিল। তাহানিৰ বহুকইজন ৰেগিং মাষ্টাৰ আজি সন্মানীয় পদত কৰ্মৰত হৈ আছে। আমাক পঢ়ুওৱা শিক্ষাগুৰুসকলৰ বহুজনৰ মৃত্যু ঘটিছে যদিও জীৱিত কালত ক'ৰবাত দেখা পালে আজিও চৰণ স্পৰ্শ কৰি আমি আৱেগিক হৈ পৰো। ১৯৭৪ চনৰ কথা। আমাৰ কানৈ কলেজৰ "লালচান্দ কানৈ প্ৰেক্ষাগৃহ" টো উদ্বোধন কৰি গীত গাবলৈ আহিছিল সুধাকণ্ঠ ড০ ভূপেন

হাজৰিকা। লগতে আছিল তাহানিৰ বিখ্যাত তবলা বাদক সূৰ্য গোস্বামী আৰু গীতাৰ বাদক প্ৰয়াত ভাস্কৰ দাস। ভূপেনদাৰ দুটা কালজয়ী গীত আমি সেই অনুষ্ঠানতে পৰিবেশন কৰিছিলো। ভূপেনদাই আমাৰ কণ্ঠত তেখেতৰ গীত শুনি আৱেগিক হৈ আমাক মঞ্চতে সাৱটি ধৰিছিল। আমাক অটোগ্ৰাফ্ লিখি দিছিল এনেদৰে "মৰমৰ ভাস্কৰ, সূৰ্যৰ পোহৰৰ দৰে হওক তোমাৰ মন আৰু গান"। আজি চাৰি দশকৰ পিছতো সেই অটোগ্ৰাফ্ আমি সামৰি-সুতৰি থৈছো। কানৈ কলেজৰ ছোৱালী হেষ্টেলৰ অধীক্ষকৰ দায়িত্বত আছিল অধ্যাপিকা শ্ৰীযুত অলকা বৰুৱা বাইদেউ। সেই সময়ত টেলিফোন সেৱাৰ ব্যৱস্থা ভাল নাছিল। আমি কাৰোবালৈ টেলিফোন কৰিবলৈ হ'লে বাইদেউৰ কাষ চাপিছিলোঁ আৰু বাইদেৱেও আমাক আনন্দ মনেৰে ছোৱালী হোষ্টেলৰ টেলিফোনটো ব্যৱহাৰ কৰিবলৈ অনুমতি দিছিল। কিছুমান অধঃপাতে যোৱা ছাত্ৰই আমাক মানসিকভাৱে যথেষ্ট কষ্ট দিয়াৰ কথা আজি মনলৈ আহিছে। পঢ়া-শুনা কৰা সংগীতৰ সাধনাত ব্যস্ত থকা নম্ৰ-ভদ্ৰ সহপাঠীক তেওঁলোকে কেতিয়াও গঠনমূলক চিন্তাৰে প্ৰেৰণা দিয়াৰ কথা মনত নপৰে। কিন্তু ভালদৰে শিক্ষা-দীক্ষা লৈ কানৈ কলেজৰ নাম উজলোৱা বন্ধু সকললৈ আজিও মনত পৰে আৰু লগ পালেই নষ্টালজিক হৈ পৰো। সুচল কানৈ কলেজৰ হোষ্টেলৰ খোৱা-বোৱা বৰ উন্নত মানৰ নাছিল। গা-পা ধোৱা পানীৰ ব্যৱস্থাও ইমান সুচল নাছিল। আমি কিন্তু অতি কম পইচাৰে ডিব্ৰুগড়ত এমাহ চলিব পাৰিছিলো। কলেজৰ মাচুল আছিল মাত্ৰ ১৫ (পোন্ধৰ) টকা। হোষ্টেলত থকাৰ বাবে মাচুল দিব লগীয়া হৈছিল মাত্ৰ ২০ (বিশ) টকা আৰু খোৱা-বোৱাৰ বাবে দিব লগা হৈছিল মাত্ৰ ৯০ টকা। পিছলৈ কিন্তু হোষ্টেলৰ খোৱা-বোৱাৰ মাচুল বৃদ্ধি হৈ মাহে ১২০ (এশ বিশ) টকা হৈছিল। চিটিবাছত কানৈ কলেজৰ পৰা খেমকা মাৰ্কেটলৈ অহা-যোৱাৰ বাবে মাত্ৰ .২০ পইচাহে ভৰিব লাগিছিল। আজিৰ ব্যয় বহুল জীৱনত তেনে কথা কল্পনাই কৰিব নোৱাৰি। হোষ্টেলৰ ভাত ৰান্ধনি মুৰুলী ককাইলৈ আজি বৰকৈ মনত পৰিছে। আমাক গা ধুবলৈ ঠাণ্ডা দিনত তেওঁ মনে মনে গৰম পানীৰ দিহা কৰি দিছিল। কলেজৰ চাহৰ কেন্টিন চলোৱা দাদাজনো আছিল এজন অতি মৰমীয়াল আৰু শিল্পীসুলভ ব্যক্তি। অনাতাৰ শিল্পী নাচৰিণ হেলিমৰ তেখেত আছিল ককায়েক। আমাক তেখেতে সদায় বিনা পইচাৰে আলু চ'প আৰু চাহ আদি খুৱাই ভাল পাইছিল। মূল্য দিলেও লব খোজা নাছিল। আমি গীত-কবিতাৰ ভক্ত আছিলো বাবে সকলো কলেজীয়া বন্ধুৰ মৰম - চেনেহ আদায় কৰিব পাৰিছিলো। আজিও তেওঁলোকলৈ মনত পৰিলে আৱেগিক হৈ পৰো। কানৈ কলেজৰ হোষ্টেলৰ দাঁতিতে থকা প্ৰখ্যাত ডাক্তৰ সুনীত বৰুৱা আৰু সহধৰ্মিনী অধ্যাপিকা প্ৰণতি বৰুৱাই আমাক যথেষ্ট আপোন কৰি লৈছিল। ১৯৭৪ চনত আমি নবাগত আদৰণি সভাত গীত গাঁওতে আমাৰ লগত গীতাৰ বজাইছিল অসম বিখ্যাত ৰতন চৌধুৰীয়ে। তবলা বজাইছিল মহল দাদাই (আজিৰ অনাতাঁৰ শিল্পী বিজন হাজৰিকা)। সেই সময়ত আমাৰ লগৰীয় বাদ্য যন্ত্ৰীসকলৰ কেইগৰাকীমান আছিল ক্ৰমে ডাঃ প্ৰদীপ বৰুৱা, প্ৰদীপ চেতিয়া, মিণ্টু ডেকা, মুক্তি লোহাৰ, যদু শইকীয়া, ৰবীন দাস, প্ৰিতম গোস্বামী, আচাদুল্লা (মাইনু), দিলীপ দাস, উইলিয়াম থাপা। আমাৰ কলেজীয়া জীৱনত এইসকল বাদ্যযন্ত্ৰীয়ে আমাৰ লগত অসমৰ বিভিন্ন ঠাইলৈ অনুষ্ঠান পৰিবেশন কৰিবলৈ গৈছিল। অৱশ্যে অগ্ৰজ সকলৰ কথাও ক'ব লাগিব। পৰম শ্ৰদ্ধাৰ চৈয়দ চাদুল্লা (ৰাজবীদা), ৰাজেন গোঁহাই, ভবেশ গোস্বামী, উপেন ফাংছু, অৰবিন্দ শৰ্মা, ৰতন চৌধুৰী আদিৰ আমি আশীষ ধন্য আছিলো। সহপাঠী প্ৰতীক চৌধুৰী আজি কানৈ কলেজৰে ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে কৰ্মৰত হৈ আছে। তেখেতৰ ১৯৫৮ চনৰ ১১০০ মডেলৰ সেই ফিয়েট গাড়ীখনৰ কথা আজি বৰকৈ মনত পৰিছে। সেই গাড়ীখনত উঠি আমি বন্ধুবৰ্গৰ সৈতে গোটেই ডিব্ৰুগড় চহৰ পৰিভ্ৰমণ কৰিছিলোঁ। আমি ১৯৭৬ চনত কানৈ কলেজৰ হৈ শিৱসাগৰ কলেজত অনুষ্ঠিত হোৱা আন্তঃ জিলা কলেজ সংগীত প্ৰতিযোগিতাত

শ্ৰেষ্ঠ দল হিচাপে পুৰস্কাৰ লাভ কৰিছিলো। প্ৰয়াত অধ্যক্ষ পৰাগধৰ চলিহাই আমাক পুৰস্কাৰ প্ৰদান কৰাৰ কথা মনত পৰে। অসমৰ আজিৰ বহুকেইগৰাকী বিখ্যাত গায়ক-গায়িকা আমাৰ সহপাঠী আছিল। তেওঁলোক ক্ৰমে ডলী ঘোষ সাধ্য, মন্দিৰা শৰ্মা লাহিড়ী, মমতা বৰঠাকুৰ, নাচৰিণ হেলিন, উমেশ গগৈ, ব্ৰজেন পাঠক, মিৰ্জা নিয়ামুদ্দিন, আখতাৰ আলি খান, কমল মজুমদাৰ আদি। নালিয়াপুলৰ বিখ্যাত "মাখি" হোটেল আৰু "মমতা" হোটেলত কটোৱা সময়বোৰ আৰু জীৱনত ঘূৰাই নাপাওঁ। আমাৰ লগৰ প্ৰেমিক-প্ৰেমিকা বন্ধু সকলে ঘাটি পাতিছিল "মমতা" হোটেলত। আলুচপ আৰু চাহ খাই দিনটো তাত মনৰ কথা পাতিছিল। ঘৰৰ পৰা পইচা পঠোৱা দেৰি হলেই ৰেলগেট ৰৰ্কচপৰ সন্মুখৰ প্ৰয়াত হেমেনাই আমাক ভাতৰ যোগান ধৰিছিল। হেমেনদাৰ সৰলতাৰ সুযোগ লোৱৰে বাবে অৱশ্যে বহু ধুৰন্ধৰ হোষ্টেলৰ ছাত্ৰই তেখেতক বহু পইচা দিবলৈ থাকি গ'ল। নালিয়াপুলৰ বুলেট মেচ, মাইনা, ৰুম, কানাইদা, ৰাজ্যিক ফুটবল খেলুৱৈ প্ৰয়াত বগা দাস, ডলি দাস, অভিনেত্ৰী ঝৰ্ণা শইকীয়া আদি আছিল আমাৰ শুভাকাংক্ষী। গীতাৰ বাদক ৰতনদাৰ ঘৰখন আছিল আমাৰ নিজ ঘৰৰ দৰে। ৰতনদাৰ আই মাতৃ আজি পৃথিৱীত নাই। আমি খুৰীদেউ বুলি তেখেতক সম্বোধন কৰিছিলো। বন্ধৰ দিনত মাজে-মধ্যে খুৰীদেউৰ হাতে ৰন্ধা ভাতসাজ খোৱাৰ কথা আজিও মনত পৰে। শেষত এটা কথা কৈ সামৰিব খুজিছোঁ। লালচন্দ কানৈ প্ৰেক্ষাগৃহৰ দাঁতিতে লাগি থকা ছাত্ৰাবাসটোত তেতিয়া নিমাওমাও পৰিবেশ আছিল। কোনো ছাত্ৰই তাত থাকিবলৈ সাহস কৰা নাছিল। কিন্তু হোষ্টেলৰ অধীক্ষক সুনীল বৰঠাকুৰ ছাৰৰ অনুমতি লৈ ময়েই প্ৰথম সেই হোষ্টেলৰ আবাসী হৈছিলো। এজন বিহাৰী মানুহ তদাৰক হিচাপে হোষ্টেলটোত আছিল। আমি দুয়ো দোভাগ নিশালৈকে কথা পাতি সময় পাৰ কৰিছিলো। পিছত বিজুলীবাতিৰ ব্যৱস্থা কৰা দেখি বহু ছাত্ৰই সেই হোষ্টেলত থাকিবলৈ ললে। সেই হোষ্টেলত প্ৰেতাত্মা থকা বুলি সেই সময়ত বহু ছাত্ৰই আমাক ভয় খুৱাইছিল।

□□□□□

*"আনৰ পৰা একো আশা নকৰা মানুহজনেই আটাইতকৈ ভাগ্যবান। কাৰণ তেওঁ কেতিয়াও নিৰাশ হব লগা নহয়।"*

*— কৃষ্ণকান্ত সন্দিকৈ*

# সত্তৰৰ সেই সোণোৱালী দিনবোৰ

*ঝৰ্ণা শইকীয়া*
*প্ৰাক্তন ছাত্ৰী*

যিবোৰ বিষয়ে জীৱনটোক মহীয়ান কৰি তোলাত অৰিহনা যোগাব পাৰে তেনে বিষয়সমূহৰ ভিতৰত শিক্ষানুষ্ঠানসমূহ অন্যতম। যি জ্ঞান আহৰণৰ পৱিত্ৰ ক্ষেত্ৰ আৰু য'ত জীৱনৰ গভীৰ আবেগ জড়িত হৈ থাকে। আবেগ-বিজৰিত হৃদয়ৰ এনাজৰীডাল পাক খাই থাকে শিক্ষানুষ্ঠানখত কৰি যোৱা সেই সময়ৰ কৰ্মসমূহত। টুকুৰা-টুকুৰ সময়বোৰত সন্নিৱিষ্ট হৈ থাকে হাঁহি, আনন্দ, উল্লাস নতুবা কেতিয়াবা বিষাদ।

মনত পৰে ১৯৭৪/৭৫ চনত আন্তঃ মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত আমাৰ কানৈ মহাবিদ্যালয়খনে 'শ্ৰেষ্ঠ দল'ৰ সন্মান পোৱাৰ পিছত ট্ৰাকত উঠি বিজয়ী শ্বিল্ডখন ট্ৰাকৰ আগত লৈ গোটেই চহৰখনত আনন্দ উল্লাসৰ ভাগবোৰ উচ্চস্বৰৰ কোলাহলেৰে চটিয়াই দিয়াৰ। এজাক ডেকা-গাভৰুৰ মনৰ বিজয় উল্লাসৰ সেই চিএৰ বোৰত এতিয়াও অনুভূত হয় হৃদয়ৰ থুনুকা আবেগ, হয়তো বিজেতা সকলৰ ময়ো এটি অংশ হোৱাৰ বাবেই।

বিচিত্ৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰ এই কলেজ-সপ্তাহসমূহ। য'ত সাহিত্য, সংস্কৃতি, খেল সকলো দিশতে পাৰদৰ্শিতা তথা দক্ষতা প্ৰকাশৰ প্ৰতিযোগিতা চলে। নিৰ্ণায়িত হয় বহু-গুণ বিশিষ্ট ব্যক্তিৰ কৰ্মদক্ষতা, যি দক্ষতাই ব্যক্তিৰ জীৱনটোকেই সুন্দৰতম পথলৈ আগবঢ়াই নিয়াত অৰিহনা যোগায়। কতজনৰ শিল্পী সাহিত্যিক, আইনবিদ, চিকিৎসক, প্ৰশাসনিক বিষয়া তথা খেলুৱৈ আদি হোৱাৰ পৰিকল্পনা জাগৃত হয় এই সময়ছোৱাতে।

প্ৰতিভাসমূহ প্ৰতিভাত হৈ উঠে সময়ৰ লগে লগে। কোনোৱে একাদিক্ৰমে তাৰ ধাৰাবাহিকতা ৰক্ষা কৰে আৰু কোনোৱে হয়তো জীৱনৰ গতি পথ সলনি কৰে। লক্ষ্য কিন্তু একেই। জীৱনটোক অৰ্থপূৰ্ণ কৰি মহীয়ান কৰি তোলা।

কানৈ মহাবিদ্যালয়! তিনিকুৰি আঠ বছৰ বয়স গৰকা আমাৰ ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়খনে জ্ঞানৰ পোহৰেৰে একোটা বৃহৎ অঞ্চলৰ জনগণক নিতে নৱ-প্ৰেৰণাৰে উদ্বুদ্ধ কৰি সামাজিক বিকাশৰ কোবাল কৰ্ম ধাৰাত ক্ষিপ্ৰতাৰে গতি কৰি আহিছে। জ্ঞানৰ বট-বৃক্ষৰ ছত্ৰ-ছায়াত জ্ঞান-সাধনাৰে ভিন্ ভিন্ দিশত পাৰদৰ্শী লোকৰ সৃষ্টি কৰাত এই মহাবিদ্যালয়খনে অপৰিসীম ভূমিকা পালন কৰি আহিছে। জ্ঞানৰ সাধনাত সৃষ্টি হৈছে শিল্পী, সাহিত্যিক, আইনবিদ, চিকিৎসক, বিজ্ঞানী, প্ৰশাসনীক বিষয়া আৰু বিভিন্ন বিষয়ত আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয়, ৰাজ্যিক তথা জিলা পৰ্যায়ত পুৰস্কৃত হোৱা বহু পাৰদৰ্শী বিশিষ্ট ব্যক্তিৰ।

অতীত সোঁৱৰণৰ বিস্তৃত তালিকা এখনে মোৰ স্মৃতিৰ দৃশ্যপটত বাৰুকৈয়ে ওখল-মাখল লগাইছে। তাৰে কিছু কথা নকৈ নোৱাৰিম। মোৰ কলেজীয়া জীৱনটো কানৈ কলেজতে সীমাবদ্ধ। কলেজৰ সেই সময়ছোৱাত যিসকল গুৰুৰ সান্নিধ্য মই লাভ কৰিছিলো সেই সান্নিধ্যই মোৰ সাংস্কৃতিক সাধনাত যথেষ্ট অৰিহণা যোগায়। কলেজত থকা কালছোৱাতেই বিশিষ্ট নাট্যকাৰ শ্ৰীযুত মুনীন শৰ্মা চাৰৰ পৰিচালনাত বংগখ্যাত নাট্যকাৰ উৎপল দত্তৰ যুগান্তকাৰী পূৰ্ণাঙ্গ নাট 'টিনৰ তাৰোৱাল'ত অভিনয় কৰাৰ সুযোগ লাভ কৰিছিলো। জয়শ্ৰী সংঘৰ নাট্যকাৰ দেউতি বৰুৱা পৰিচালিত পূৰ্ণাঙ্গ নাট 'লেনিনৰ অহ্বান'তো অভিনয় কৰাৰ সুযোগ লাভ কৰিছিলো। তেতিয়াই সান্নিধ্য লাভ কৰিছিলো মোৰ অতি শ্ৰদ্ধাৰ

সন্ধ্যা দেৱী বাইদেউ আৰু প্ৰসেনজিৎ চৌধুৰীদাক (যিজনক আমি 'ভাইটি দা' বুলি মাতি) আপোন কৰি ল'বলৈ ভাল পাওঁ। তেওঁলোকৰ অজ্ঞাতে তেওঁলোকৰ পৰা বহু কথাই শিকাৰ সুযোগ আমি লাভ কৰিছো। ইয়াৰ উপৰিও প্ৰয়াত প্ৰফুল্ল ভট্টাচাৰ্য সৰ্বশ্ৰী মুকুল শৰ্মা চাৰ, পদ্ম চেতিয়া চাৰ, পংকজ কোঁৱৰ চাৰ, নফিল হুছেইন চাৰৰ লগতে ডেমনচ্‌ষ্ট্ৰেটৰ প্ৰয়াত শ্যামল গুপ্তাৰ কথা পাহৰিব নোৱাৰো।

সত্তৰৰ সেই মধুৰ স্মৃতিবোৰ পাহৰিব নোৱাৰি। দোকমোকালিতে পলভল্টৰ খেলুৱৈ মথুৰা দাই ৰেলৱে ডিপাৰ্টমেন্টৰ 'খেলৰ ফিল্ড'খনত খেলৰ বাবে ব্যায়াম কৰা, লগতে সেই ব্যায়ামসমূহ মই অভ্যাস কৰোঁতে তেওঁলোকে হাঁহিত বাগৰি পৰা দৃশ্যবোৰ কিযে আমেজ ভৰা। এতিয়াৰ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰদ্ধাৰ ৰাজী কোঁৱৰ বাইদেউৰ ব্যক্তিত্বক তেতিয়া যেনেকৈ শ্ৰদ্ধা কৰিছিলো, সেই একেটা ভাবেই এতিয়াও বিৰাজমান মোৰ হৃদয়ত। এতিয়া হয়তো আগতকৈও কিছু বেছিহে। শ্ৰদ্ধাৰ শ্ৰীযুত কল্যাণ বৰুৱা চাৰ, শ্ৰীযুত ডিম্বেশ্বৰ চলিহা চাৰ মোৰ বাবে সদায় নমস্য। কানৈ মহাবিদ্যালয়ৰ 'শ্ৰেষ্ঠ মহিলা' আৰু 'শ্ৰেষ্ঠ খেলুৱৈ' হোৱাৰ সৌভাগ্য লাভ কৰিছিলো এনে বহু গুণবিশিষ্ট ব্যক্তিসকলৰ সান্নিধ্যই যোগোৱা উৎসাহ আৰু প্ৰেৰণাৰ অনুগ্ৰহতেই।

কানৈ মহাবিদ্যালয়ৰ ওপৰলৈ উঠা খট্‌খটী কেইটাত কাহিলি পুৱাতে উঠি ৰতন দা আৰু প্ৰাঞ্জল দাৰ লগত ওপৰৰ পৰা তললৈ আৰু তলৰ পৰা ওপৰলৈ খৰকৈ দৌৰি উঠা-নমা কৰি ভৰি কেইটা দৌৰ প্ৰতিযোগিতাৰ বাবে শক্তিশালী কৰা, ব্ৰহ্মপুত্ৰৰ পাৰৰ বালিডৰাত দৌৰি নিজকে প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত কৰাৰ সেই দৃশ্যবোৰ জীৱনৰ অপৰাহ্নৰ বাবে এক সন্তুষ্টিৰ সোৱাদ।

মনত পৰে বৰ্তমানৰ কৰ আয়ুক্ত মোৰ শ্ৰদ্ধাৰ শ্ৰীযুত কুমুদ ৰঞ্জন দাস দা আৰু দিলীপ চাংমাই দাইঁতে প্ৰস্তুত আৰু পৰিচালনা কৰা নাটকত কৰা অভিনয়ৰ কথা। মনত পৰে সংস্কৃত বিভাগত অধ্যাপক উপাধ্যায় চাৰৰ নেতৃত্বত কৰা সংস্কৃত নাটকৰ কথা। বৰ হাঁহি উঠে এতিয়াও।

মই কলেজত পঢ়োঁতে হয়তো নৃত্য কৰা ছোৱালী তেতিয়া বেছি নাছিল। সেই বাবেই হয়তো মোক সংস্কৃত ভাষাত কৰা নাটক এখনত ভগৱান শ্ৰী কৃষ্ণৰ ভাৱত অভিনয় কৰি নৃত্য কৰিব লগাত পাৰিছিল। নৃত্যৰ গীতটো এতিয়াও মনত আছে — "বদচি যদি কিন্‌চিদপি / দণ্ড ৰূপী কৌমুদী"। পিছে বৰ মুকলি মনেৰে নৃত্যাভিনয় কৰিব পৰা নাছিলো। যিহেতু শ্ৰী কৃষ্ণৰ দৰে মোৰ জোঙা নাক নহয়। আৰ্য্যসকলৰ দৰে জোঙা নাকৰ ঠাইত মোৰ নাকটো ভোটা আৰু ডাঙৰ। কিন্তু উপায় নাই।

যিয়েই নহওক প্ৰতিভা কাৰোবাৰ বাবে জন্ম প্ৰদত্ত হ'লেও বহু ক্ষেত্ৰত সেই প্ৰতিভাক উপযুক্ত স্থানত উপযুক্ত সময়ত বিকাশৰ সুবিধা নিদিলে বা সুবিধা নাপালে প্ৰতিভা সুপ্ত ৰূপত থাকি লুপ্ত হোৱাৰ সম্ভাৱনাই বেছি। এনে ক্ষেত্ৰত এনে মহান শিক্ষানুষ্ঠান সমূহৰ যোগাত্মক সহযোগিতাই ব্যক্তিৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰখন সাৰুৱা কৰি প্ৰতিভাক বিকশিত হোৱাৰ পথ-প্ৰশস্ত কৰি তোলে।

কানৈ মহাবিদ্যালয় সৰ্বকালৰ বাবে জয়যুক্ত হওক
তাৰেই কামনাৰে —

'জয়তু কানৈ মহাবিদ্যালয়
জয়তু কানৈয়ান'।

□□□□□

# ইক’ ফেমিনিজিম

*পলী চমুৱা শইকীয়া*
*প্ৰাক্তন ছাত্ৰী*

আজি কিছুদিনৰ পৰা ‘ইক’ ফেমিনিজিম’ নামৰ নতুন ধাৰণা এটা বহুলভাৱে চৰ্চিত হৈ পৰা দেখিবলৈ পোৱা গৈছে। পৰিবেশৰ সৈতে নাৰীৰ যি সম্পৰ্ক সেই বিষয়কে ‘ইক’ ফেমিনিজিম’ত অধ্যয়ন কৰা হয়।

ইতিহাস অধ্যয়ন কৰিলে বুজা যায়, মানৱ সভ্যতাৰ যিমানেই উন্নতি হৈছে, সিমানেই বেছি দূৰত্ব স্থাপন হৈছে প্ৰকৃতিৰ সৈতে মানুহৰ। বৰ্তমানৰ একৈশ শতিকাত মানুহ আৰু প্ৰকৃতিৰ মাজত কোনো সম্পৰ্ক নাই বুলিয়েই ক’ব পাৰি। যন্ত্ৰ আৰু তথ্য প্ৰযুক্তিয়ে মানুহৰ প্ৰকৃতিৰ প্ৰতি থকা ‘ধৰিত্ৰী আই’ৰ মানসিকতাক পৰ্য্যবসিত কৰিলে প্ৰাকৃতিক সম্পদ হিচাপে।

আমাৰ সকলো সমস্যাৰ মূল কাৰণ পিতৃ প্ৰধান সমাজ ব্যৱস্থাকে বুলিব পাৰি। মানৱতাৰ দিশত বাধা স্বৰূপ কাৰণবোৰ যদি ফঁহিয়াই চোৱা হয়, তেনেহলে এই পিতৃ প্ৰধান মানসিকতাকে জগৰীয়া কৰিব পাৰি। যি নাৰীয়ে পুৰুষৰ কান্ধত কান্ধ মিলাই চিকাৰ কৰি অথবা ফল-মূল সংগ্ৰহ কৰি যাযাবৰী জীৱনত অভ্যস্ত আছিল, সেই নাৰীয়ে সময়ৰ অগ্ৰগতিত পিতৃ প্ৰাধান্যৰ চিকাৰত হৈ পৰিল ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ। নাৰী হৈ পৰিল এক সামগ্ৰী যাক যেতিয়াই যেনেকৈ ইচ্ছা, ঠিক তেনেদৰেই ব্যৱহাৰ কৰিব পাৰি ঠিক যেনেদৰে ‘মাদাৰ আৰ্থ’ হৈ পৰিল এক প্ৰাকৃতিক সম্পদ।

‘ইক’ ফেমিনিজিষ্ট’ সকলে মত প্ৰকাশ কৰে যে প্ৰকৃতিৰ শোষণ আৰু নাৰী দমনৰ মাজত আৰম্ভণিৰ পৰাই যোগসূত্ৰ আছে। আন অৰ্থত, ধৰিত্ৰী আইৰ ওপৰত চলা অত্যাচাৰ আৰু নাৰী নিয়ন্ত্ৰণলৈ অনা বা অৱদমিত কৰাৰ মানসিকতা — একেটা চকৰিতে পাক খাই আছে। এই দুয়োবিধ শোষণকে সৃষ্টি কৰি তাত সাৰ-পানীৰ যোগান ধৰি বৰ্ধনত সহায় কৰিছিল এক সমাজ ব্যৱস্থাই — সেয়া হ’ল পিতৃ প্ৰধান সমাজ ব্যৱস্থা। ‘ইক’ ফেমিনিজিম’ৰ মূল ভাষ্য এয়াই।

সত্তৰৰ দশকত পশ্চিমৰ দেশ সমূহত ‘ইক’ ফেমিনিজিম’ সম্বন্ধে চিন্তা-চৰ্চা কৰা হয় যদিও সেই একে সময়তে বা তাৰো আগৰে পৰা ভাৰতবৰ্ষতো এই পৰিৱেশ সম্পৰ্কীয় নাৰীবাদৰ ধাৰাটোৱে সু-সংগঠিতভাৱে আগবাঢ়ে। নানা জাতি-উপজাতি আৰু জনগোষ্ঠীৰ মিলন ভূমি হ’ল — ভাৰতবৰ্ষ। ভাৰতৰ বিভিন্ন ৰাজ্যত অতীত কালৰে পৰা বসবাস কৰি আহিছে বিভিন্ন জনগোষ্ঠী। এই গোষ্ঠীবোৰৰ লোকসকল প্ৰকৃতিৰ মাজত লালিত-পালিত হৈ প্ৰকৃতিক তেওঁলোকৰ আৰাধ্য দেৱ-দেৱী বুলি পূজা-অৰ্চনা কৰি আহিছে। তেনে এটা বিখ্যাত জনগোষ্ঠী হ’ল ৰাজস্থানৰ ‘বিষ্ণয়’ (Bishnoi) সকল। এই লোক সকলে প্ৰকৃতিৰ বিভিন্ন উপাদান সমূহ ৰক্ষাৰ্থে নিজৰ জীৱন ত্যাগ কৰিবলৈয়ো কুণ্ঠাবোধ নকৰে। এগৰাকী বিষ্ণয় মহিলা অমৃতা দেৱীৰ নেতৃত্বত প্ৰায় ৩৬৩ জন ১৭৩০ চনতে ৰজাৰ আদেশত গছ কাটিবলৈ অহা ঠিকাদাৰৰ কুঠাৰৰ ঘাপক আওকাণ কৰি বিশাল খেজৰালি গছবোৰ সাৱটি ধৰি নিজৰ জীৱন উছৰ্গা কৰে। তেওঁলোকৰ এই ত্যাগত উদ্বুদ্ধ হৈ শ শ পুৰুষ-মহিলা ওলাই আহে আৰু গছবোৰ সাৱটি ধৰি গছ কটা কামত বাধা দিয়ে। বিশ্ববিখ্যাত “চিপকো আন্দোলনৰ” জন্মদাত্ৰী আচলতে এই বিষ্ণয় নাৰী অমৃতা দেৱী। ‘চিপকো’ৰ আদৰ্শত উদ্বুদ্ধ হৈয়েই দক্ষিণ ভাৰতৰ কৰ্ণাটকতো “এপ্লিকো আন্দোলন” গঢ়ি তোলা হৈছিল ১৯৮৩ চনৰ ৮ ছেপ্তেম্বৰত য’ত মহিলা সকল আছিল সক্ৰিয় অংশ গ্ৰহণকাৰী। এওঁলোকৰ

সহযোগত বন্ধ হৈছিল পশ্চিমঘাট আৰু বিন্ধ্য পাৰ্বত্য াঞ্চলত নিৰ্বিবাদে চলি থকা গছ কটা কাৰ্যবোৰ।

বৰ্তমানে মেধা পাধটকাৰৰ নেতৃত্বত আৰু অৰুন্ধতী ৰয়ৰ সহযোগত চলি থকা “নৰ্মদা বচাও” আন্দোলনৰ কথা হয়তো নজনা লোক কোনো নাই। নৰ্মদা নদীৰ ওপৰত জলবিদ্যুৎ প্ৰকল্প এটা নিৰ্মাণ হ'লে হয়তো বিদ্যুৎ নাটনিৰ অভাৱ পূৰণ হ'ব। কিন্তু সেই প্ৰকল্প নিৰ্মাণৰ বাবে যি বৃহৎ 'ৱাটাৰ ৰিজাৰ্ভাৰ' প্ৰয়োজন হ'ব, তাৰ বাবে নৰ্মদাৰ কাষত অৱস্থিত গাওঁবোৰ উছন্ন হ'ব। তদুপৰি গছ কটাৰ ফলত প্ৰাকৃতিক পৰিবেশেও ভাৰসাম্য হেৰুৱাব।

সাম্প্ৰতিক কালৰ এগৰাকী 'ইক'ফেমিনিষ্ট' বন্দনা শিবাৰ মতে অতীত কালৰে পৰা পিতৃতান্ত্ৰিক সমাজত নাৰী আৰু প্ৰকৃতিক দুৰ্ব্যৱহাৰ কৰি অহা হৈছে। ইয়াৰ কাৰণ পুঁজিবাদৰ দৃষ্টিভংগীতে নাৰী (আৰু লগতে প্ৰকৃতিও) ৰ কৰ্ম ক্ষেত্ৰৰ পৰিধি উপাৰ্জনহীন আৰু অৰ্থনীতিৰ সহায়ক নহয় বুলি সমাজত প্ৰচলিত ভাবধাৰাৰ হেতু তেওঁলোকক হেয় প্ৰতিপন্ন কৰি অহা হৈছে। লোক মানসিকতাৰ পৰা এই দৃষ্টিভংগী সলনি কৰি এক নতুন মাত্ৰা প্ৰদান কৰাই 'ইক'ফেমিনিজিম'ৰ এক প্ৰধান উদ্দেশ্য।

যি কি নহওঁক, 'ইক'ফেমিনিজিম' বিষয়টো বহু লোকৰ দ্বাৰা সমালোচিত হলেও ই ক্ষেত্ৰভিত্তিক অধ্যয়নৰ যোগেদি প্ৰতিষ্ঠা লাভ কৰা বাস্তৱভিত্তিক বিষয়বস্তু আৰু সাম্প্ৰতিক কালৰ পৰিস্থিতিত ইয়াৰ অধ্যয়ন আৰু প্ৰসাৰ যথেষ্ট প্ৰয়োজনীয়তা আহি পৰিছে।

□□□□□



# চিনাকী বাটৰ স্মৃতি বিচাৰি

(প্ৰতিজন অগ্ৰজৰ প্ৰতি)

*দীপাৱলী কুৰ্মি*
*কানৈয়ান*

ক'ত আৰম্ভ হৈছিল
স্বপ্ননীল আমাৰ এই জীৱন যাত্ৰা
ইয়াৰ শেষ ক'ত?
আদি আৰু অন্তৰ সীমাহীন জীৱন
এডাল বৃহৎ সৰলৰেখা।
ইয়াৰ মাজতেই অলেখিত স্মৃতিৰ গাঁথা।
জীৱনৰ আৰম্ভণিৰ ষ্টেপবোৰ অতিক্ৰমি
যৌৱনৰ দুৱাৰদলিত খোজ পেলোৱা
হওঁ এটা ষ্টেপ
ইয়াৰ প্ৰতিটো স্মৃতিয়েই সতেজ সেউজীয়াৰ দৰেই জীপাল।
কিন্তু সৌ তাহানি বাটতে
এৰি থৈ অহা
স্মৃতিবোৰে কেতিয়াবা বৰকৈ আমনি কৰে
মনবোৰ উৰা মাৰে অতীতলৈ
ক'ৰ মোহনাত জানো বালিচৰ হ'ল দিনবোৰ!
তথাপিও অনুসন্ধান কৰোঁ
হৃদয়ৰ কুঠৰীত সজীৱ হৈ থকা
চিনাকী বাটৰ স্মৃতিবোৰৰ।

# শিপা

(প্ৰাক্তন কানৈয়ান বন্ধুসকলৰ হাতত)

*অঞ্জুমণি ফুকন*
*প্ৰাক্তন ছাত্ৰী*

মনৰ মাজত কেতিয়াবা
উৎসৱৰ আয়োজন,
ব্যস্ত হওঁ ক্ষণিক সময়।

দেৱ-দাৰুৰ ছাঁ,
কৃষ্ণচূড়াৰ ফুল আৰু বেলৰ উকিটো
এটি সুহুৰি হৈ,
সুহুৰিয়াই সুহুৰিয়াই সোমাই আহে
বুকুৰ মাজলৈ।
ডুবিব পাৰিনে তাতে?
ডুবিব পৰা হ'লে।

আমি নুবুজাকৈয়ে, নেদেখাকৈয়ে
সেউজীয়া, মাথো সেউজীয়াৰে
গজিল শিপা,
নজহা, নপমা, নিছিঙা শিপা।
এনেকৈয়ে থাকক দিয়া
আমাৰ হিয়া।

# অসমৰ জনজাতি : সংজ্ঞা আৰু উন্নয়নৰ সমস্যাৰ চমু আভাস

ড° কল্যাণ বৰুৱা
প্ৰাক্তন ছাত্ৰ

ঔপনিবেশিক ইংৰাজসকলে যি দেশতে পদাৰ্পণ কৰিছিল সেই দেশতে তেওঁলোকৰ চেকা বৈ গৈছিল। তেনে চেকা আমাৰ দেশতো বৈ গ'ল। ভাৰতীয় সংস্কৃতিৰ আন আন উপাদানৰ বাদেও দেশৰ বিভিন্ন ভাষা সাহিত্যৰ ওপৰতো ইংৰাজসকলৰ ভাষাৰ প্ৰভাৱ সুবিদ্যমান। নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে এইয়া অৱশ্যে সংস্কৃতিৰ ধাৰণ প্ৰক্ৰিয়াৰ ফল বুলি সহজেই অনুমান কৰিব পাৰি। কিয়নো সংস্কৃতি এনে এক সম্পদ যাক চাৰি বেৰৰ মাজত আৱদ্ধ কৰি ৰাখিব নোৱাৰি , সংস্কৃতিৰ সংমিশ্ৰণ আৱহমান কালৰ পৰা হৈ আহিছে আৰু হৈ থাকিব। সি যি কি নহওক, ইংৰাজী ভাষাৰ প্ৰভাৱত আমাৰ দেশৰ বিভিন্ন ভাষাসমূহত এনে কিছুমান শব্দ উদ্ভাৱন হ'বলৈ ধৰিলে যিবোৰ শব্দ আগতে আমাৰ দেশীয় ভাষাসমূহত নাছিল। ওপৰ চকুৰা দৃষ্টিৰে চালে এনে নতুন শব্দ সংযোজন নিশ্চয় প্ৰশংসনীয় যেন ভাব হয় কিন্তু কিছুমান শব্দৰ অৰ্থ ভালদৰে বিশ্লেষণ কৰি চালে দেখা যায় যে ইংৰাজসকলে এই শব্দসমূহৰ প্ৰয়োগেৰে দৰাচলতে তেওঁলোকৰ নিজৰ জাত্যাভিমান প্ৰতিপন্ন কৰাৰহে প্ৰচেষ্টা কৰিছিল, এই কথা কিন্তু আমাৰ বোধগম্যৰ কিছু নিলগত সদায়ে বৈ গ'ল। যাৰ ফলত এতিয়াও আমি বিনাদ্বিধাই এনে শব্দসমূহ প্ৰয়োগ কৰো। তেনে এটা বৈ যোৱা ঔপনিবেশিক শব্দ হৈছে 'ট্ৰাইব' যিটোৰ সমাৰ্থত আমাৰ ভাষাত 'জনজাতি' শব্দটো উদ্ভাৱন কৰা হৈছে। এতিয়া প্ৰশ্ন হ'ল ইংৰাজসকলে দৰাচলতে কাকনো ট্ৰাইব বুলি অভিহিত কৰিছিল? তেওঁলোক যে ঔপনিবেশিক ৰাজ্যৰ প্ৰজা সকলতকৈ পৃথক, উন্নত আৰু সংস্কৃতি সম্পন্ন তাকে সূচাবলৈ নেটিভ, ট্ৰাইব বা প্ৰিমিটিভ আদি শব্দৰে নীচাত্মক অৰ্থত স্থানীয় বাসিন্দাসকলক বুজাবলৈ প্ৰয়োগ কৰিছিল। 'ট্ৰাইব' বা 'প্ৰিমিটিভ' এই শব্দ দুটা আমাৰ ভাষাত আদিমৰ সমাৰ্থত প্ৰয়োগ কৰি এনে কিছুমান জনগোষ্ঠীক সূচাইছিল যিসকল দেশৰ আওহতীয়া ঠাইত বসবাস কৰিছিল আৰু তুলনামূলকভাৱে বস্তুগত সংস্কৃতিৰ ফালৰ পৰা ইংৰাজসকল বা আন কিছুমান ওচৰ চুবুৰীয়া জনগোষ্ঠীতকৈ কিছু সৰল আছিল। এই লোকসকলৰ ভাষাৰ কোনো লিপি নাছিল। কিন্তু এই লোকসকলক আদিম আখ্যা দিবলৈ এয়াই যথেষ্ট নহয়। কিয়নো পণ্ডিতসকলে মন পোষণ কৰে যে পৃথিৱীত যেতিয়া প্ৰকৃত মানৱৰ আবিৰ্ভাৱ হৈছিল তেতিয়াহে মানুহ সংস্কৃতিৰ ক্ৰমবিকাশৰ আদিম স্তৰত আছিল। এই স্তৰত মানুহৰ কোনো আইন-কানুন বা ৰীতি-নীতি নাছিল বাবে মানুহ পশুতুল্য আছিল। ক্ৰমবিকাশৰ তেনে স্তৰ এটা সকলো মানৱ গোষ্ঠীয়েই অতিক্ৰম কৰি আহিছে। সেয়ে বৰ্তমানৰ নৃতত্ত্ববিদসকলে এই লোকসকলক আদিম আখ্যা দিয়াৰ পক্ষপাতি নহয়। তেওঁলোকে এনে ধৰণৰ সৰু সৰু জনগোষ্ঠীসমূহক 'স্বয়ংক্ৰিয় আৰ্থ-সামাজিক গোট' বুলিহে আখ্যা দিয়াৰ পক্ষপাতি। কিয়নো ট্ৰাইব, প্ৰিমিটিভ বা আদিম শব্দকেইটাৰে দৰাচলতে এই ক্ষুদ্ৰ ক্ষুদ্ৰ সমাজসমূহৰ বিকৃত ৰূপ এটা দি ঔপনিবেশিক শাসনকৰ্তাসকলে তেওঁলোকৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ এইয়া আছিল অন্যতম চৰম নিদৰ্শন। ইয়াত সমাজ বিজ্ঞানৰ কোনো বৈজ্ঞানিক ভিত্তি বা দৃষ্টিভঙ্গীৰ উমঘাম নাই।

এইখিনিতে নৃতাত্ত্বিকে আগবঢ়োৱা সংজ্ঞাটোৰ বিশ্লেষণৰ প্ৰয়োজন নোহোৱা নহয়। ইংৰাজসকলে যাক ট্ৰাইব বুলি অভিহিত কৰিছে সেই লোকসকলক নৃতাত্ত্বিক সকলে 'স্বয়ংক্ৰিয় আৰ্থ-সামাজিক গোট' বুলি কোৱাৰ

অৰ্থ হৈছে, এনে লোকৰ সমাজত, সমাজৰ সদস্যসকলে সমাজৰ সকলো লাগতিয়াল সামগ্ৰী নিজেই উৎপন্ন কৰি ল'ব পাৰে। অৰ্থাৎ এনে সমাজসমূহ বৰ্হিজগতৰ ওপৰত নিৰ্ভৰ নকৰে। এনে একোখন সমাজৰ নিজস্ব কথিত ভাষা আছে, কলা কৃষ্টি, ধৰ্মীয় ৰীতি-নীতি আছে, খোৱা-লোৱা, পিন্ধা উৰাৰ স্বকীয় বৈশিষ্ট আছে আৰু এই স্বকীয়তাই সমাজৰ সদস্যসকলক গভীৰভাৱে প্ৰভাবাম্বিত কৰি তেওঁলোকৰ ব্যক্তিত্ব গঢ় দিয়াৰ পৰম্পৰাগত এটা নিৰৱছিন্ন ধাৰাই সমাজখনক সতেজ কৰি ৰখাৰ প্ৰথা প্ৰচলিত হৈ আছে। এনে সমাজক 'সমজাতীয় সমাজ' বুলিও কোৱা হয়। কিয়নো এনে সমাজৰ সদস্য এজনে বিভিন্ন সময়ত সমাজৰ সকলো কামেই নিজে কৰিব লগাত পৰে। ফলস্বৰূপে এই সমাজবোৰত শ্ৰেণী বিভাজন নাই। কিন্তু এনে সমাজ একোখন সাধাৰণতে কিছুমান টটেমিক গোত্ৰৰ দ্বাৰা বিভক্ত হোৱা দেখা যায়। কেতিয়াবা এনে কেইটামান গোত্ৰ লগ লাগি আন এটা মিত্ৰগোষ্ঠীৰ সৃষ্টি কৰা দেখা যায়। স্বগোত্ৰৰ লোকসকলৰ মাজত তেজৰ সম্পৰ্ক থকা বুলি বিশ্বাস কৰি তেনে ব্যক্তিৰ মাজত বিয়া-বাৰু নিষিদ্ধ কৰণৰ কটকটিয়া সামাজিক নিয়ম এনে লোকসকলৰ মাজত পৰিলক্ষিত হয়। ইয়াৰ বাহিৰেও আত্মীয়মূলক শব্দাৱলীয়ে সমাজৰ সদস্যসকলক ইজনৰ লগত সিজনক জালৰ বান্ধোনৰ দৰে বান্ধ খুৱাই ৰাখে। এনেবোৰ সমাজ পৰিচালিত হয় সমাজখনৰ স্বকীয় ৰাজনৈতিক সংগঠন একোটাৰ দ্বাৰা। এনেধৰণৰ অলেখ উদাহৰণৰ দ্বাৰা নৃতাত্বিকসকলে প্ৰমাণ কৰি দেখুৱাইছে যে ট্ৰাইব শব্দটোৰে দৰাচলতে যিসকল লোকক বুজোৱা হয় তেওঁলোক প্ৰকৃততে আন উন্নত সমাজতকৈ কোনো গুণে পিচপৰা নহয়। কেৱল দৈনন্দিন ব্যৱহাৰিক সামগ্ৰীৰ চাহিদা তুলনামূলকভাৱে সীমিত বাবে তেওঁলোকৰ বস্তুগত সংস্কৃতিৰ ভড়ালহে আন কিছুমান সমাজতকৈ দৈন্য।

এতিয়া ট্ৰাইব বা জনজাতি শব্দটোৰে স্বাধীনতাৰ পাছত দৰাচলতে কোনখিনি লোকক সূচায়, সেয়া বিশ্লেষণ কৰি চাব পাৰি। ভাৰতৰ সংবিধানত এই শব্দটোৰ কোনো ধৰণৰ পোনপটীয়া সংজ্ঞা দিয়া হোৱা নাই। ইয়াৰ ফলত স্বাধীনতাৰ সাতটা দশক অতিবাহিত হোৱাৰ পাছত কিছু সামাজিক বেমেজালি সৃষ্টি নোহোৱা নহয়। অৱশ্যে সংজ্ঞা নাথাকিলেও সংবিধানখনত এনে কিছুমান অনুচ্ছেদ সংযোজিত কৰা হৈছে যাৰ দ্বাৰা ট্ৰাইব বা জনজাতি গোষ্ঠী এটা চিহ্নত কৰিব পাৰি। সংবিধানৰ অনুচ্ছেদ নং ১৫(৪), ১৬ (৪) আৰু অনুচ্ছেদ নং ৪৬ ত থকা গোষ্ঠীৰ চাৰিত্ৰিক বৰ্ণনাৰ দ্বাৰা এই কাৰ্য কৰা হয়। ইয়াৰ বাহিৰেও অনুচ্ছেদ নং ৩৪০ ৰ জৰিয়তে এনে লোকসকলৰ আৰ্থ-সামাজিক দিশ পৰ্যালোচনা কৰাৰ সুবিধা ৰখা হৈছে। ইয়াৰ পাছত এখন অনুসূচী যোগে অৰ্থনৈতিক দিশত দুৰ্বল আৰু আধুনিক শিক্ষাত পিছপৰা এই লোকসকলক জনজাতি বুলি ঘোষণা কৰে আৰু সেইবাবেই এই লোকসকলক 'অনুসূচিত জনজাতি' বা 'চিডিউলড্ ট্ৰাইব' বুলি গণ্য কৰা হয়। প্ৰতি দহ বছৰৰ অন্তৰে অন্তৰে এই অনুসূচিখন ৰাষ্ট্ৰপতিৰ দ্বাৰা পুনৰ নীৰিক্ষণ কৰা হয়।

যিসকল লোকক অনুসূচিত জনজাতি বুলি গণ্য কৰা হয় তেওঁলোকক সংবিধানৰ অনুচ্ছেদ নং ৩৪২ ৰ জৰিয়তে বিশেষ কিছুমান সা-সুবিধা প্ৰদান কৰি এওঁলোক যাতে উন্নতিৰ পথত আগুৱাই যাব পাৰে তাৰ বাবে কিছুমান ৰক্ষণাবেক্ষণৰ দিহা ৰখা গৈছে। ইয়াৰ উপৰিও সংবিধানৰ ষষ্ঠ অনুসূচীখনৰ জৰিয়তে অসমৰ জনজাতি লোকৰ বাবে আন কিছুমান সা-সুবিধাৰ ব্যৱস্থাও ৰখা হৈছে। এই অনুসূচীখনৰ জৰিয়তে অসমৰ জনজাতীয় বেষ্টনীত 'জিলা পৰিষদ' গঠন কৰি জনজাতীয় লোকসকলক শাসন ব্যৱস্থা তেওঁলোকক নিজা ৰবীয়াকৈ গণতান্ত্ৰিক ভিত্তিত চলাবলৈ দিয়া হয়। এই পৰিষদক পৰিষদৰ এলেকাত থকা অৰণ্য অঞ্চল, মাটি, বুনিয়াদী শিক্ষা, গাঁও আৰু নগৰপালিকা গঠন, গাঁওবুঢ়া নিযুক্তি আদিৰ ক্ষমতা প্ৰদান কৰা হয়, ইয়াৰ বাহিৰেও সামাজিক আইন প্ৰণয়ন বিধি যেনে উত্তৰাধিকাৰি মালিকানা স্বত্ব, বিয়া-বাৰু আৰু তেওঁলোকৰ সমাজৰ আন ৰীতি-নীতি সম্পৰ্কীয় আইন প্ৰণয়নৰ ক্ষমতা প্ৰদান কৰা হয়।

এনে ধৰণৰ সাংবিধানিক ৰক্ষণাবেক্ষণ পোৱাৰ পাছত এই লোকসকলৰ আৰ্থ-সামাজিক দিশত পৰিবৰ্তন পৰিলক্ষিত হৈছে। ইয়াৰ ফলস্বৰূপে নৃত্যত্বিকসকলে আগবঢ়োৱা 'স্বয়ংক্রিয় সমাজ' বা 'সমজাতীয় সমাজ'ৰ সংজ্ঞাৰ দ্বাৰা বহুতো ভাৰতীয় জনজাতীয় গোষ্ঠীক বুজাব নোৱাৰা হ'ল। বৰ্তমানে দেশৰ জনজাতীয় আৰ্থ-সামাজিক পটভূমিত বিচাৰ কৰি চালে দেখা যায় এনে কিছুমানে সোপানৰ নিম্নতম স্থানত অৱস্থান কৰিছে। সেইবাবে ভাৰতীয় নৃতত্ত্ববিদসকলে দেশৰ জনজাতীয় লোকসকলৰ উন্নতিৰ স্তৰৰ ওপৰত ভিত্তি কৰি এই লোকসকলক বিভিন্ন ধৰণেৰে বিভক্ত কৰিছে। ১৯৪৭ চনত প্ৰখ্যাত নৃতাত্বিক মজুমদাৰে এনে লোকসকলৰ ভাৰতীয় মুল সুঁতিৰ লগত সংমিশ্ৰিত হৈ পৰিৱৰ্তন হোৱা বা নোহোৱাৰ ওপৰত ভিত্তি কৰি জনজাতিয়সকলক তিনিটা ভাগত ভগাইছে। ১৯৫২ চনত Indian Conference of Social Work - এ গঠন কৰি দিয়া ট্ৰাইবেল ৱেলফেয়াৰ কমিটি'য়ে এই জনজাতীয় লোকসকলক বহলভাৱে চাৰিভাগত ভগাইছে ঃ

১। স্বয়ংক্রিয় সমাজৰ বৈশিষ্ট বজাইৰখা জনজাতীয় সমাজ।

২। স্বয়ংক্রিয় সমাজৰ বৈশিষ্টৰ কিছু পৰিবৰ্তন হোৱা জনজাতীয় সমাজ।

৩। স্বয়ংক্রিয় সমাজৰ পৰিবৰ্তন হৈছে যদিও ভাৰতীয় ঘাই সুঁতিৰ লগত সম্পূৰ্ণকৈ যাহ যাব নোৱাৰা জনজাতীয় সমাজ।

৪। স্বয়ংক্রিয় সমাজৰ লক্ষণসমূহ সম্পূৰ্ণৰূপে নিৰ্মূল হোৱা জনজাতীয় সমাজ।

অকল অৰ্থনৈতিক সংগঠনৰ ওপৰত ভিত্তি কৰিও জনজাতীয় সমাজসমূহক বিভক্ত কৰা যায়। যেনে (ক) সংগ্ৰহ জীৱি, (খ) পাহাৰীয়া (স্থানান্তৰিত), কৃষি জীৱি, (গ) স্থায়ী কৃষি (Settled Cultivation) জীৱি, (ঘ) পশুপালক, (ঙ) কৃষি আৰু ঔদ্যোগিক বনুৱা আৰু (চ) লোক শিল্পী (খনিকৰ ইত্যাদি) সমাজ।

অসমত সৰ্বমুঠ ২৩টা অনুসূচীত জনজাতীয় সম্প্ৰদায়ৰ লোক বসবাস কৰে, তাৰে ১৪টা সম্প্ৰদায় অসমৰ পাহাৰীয়া জিলা দুখনত আৰু বাকী ৯টা অসমৰ ভৈয়াম অঞ্চলত বসবাস কৰে। পাহাৰীয়া অঞ্চলত বসবাস কৰা সকলক পাহাৰীয়া জনজাতি আৰু ভৈয়াম অঞ্চলত বাস কৰা সকলক ভৈয়ামৰ জনজাতি বুলি গণ্য কৰা হয়। পাহাৰীয়া জনজাতি কেইটা হ'ল (১) লাখে, (২) পয়ি, (৩) চিমটঙ, (৪) চাক্‌মা, (৫) গাৰো, (৬) হাজং, (৭) মাৰ, (৮) মান, (৯) মিকিৰ বা কাৰ্বি, (১০) মিজো, (১১) যি কোনো নগা, (১২) খাচি আৰু জয়ন্তীয়া, (১৩) ডিমাচা আৰু (১৪) যি কোনো কুকি মূলীয় জনজাতি।

ভৈয়ামৰ ৯টা জনজাতি হ'ল — (১) হোজাই, (২) কাছাৰৰ বৰ্ম্মন সকল, (৩) বড়ো, (৪) ৰাভা, (৫) দেউৰী, (৬) কছাৰী আৰু সোণোৱাল, (৭) লালুং, (৮) মেচ আৰু (৯) মিচিং।

অসমৰ সামগ্ৰিক জনজাতীয় আৰ্থ-সামাজিক অৱস্থা আৰু পৰিস্থিতিলৈ লক্ষ্য কৰিলে দেখা পোৱা যায়, যিবোৰ আৰ্থ-সামাজিক বৈশিষ্টৰ বাবে উপৰোক্ত সম্প্ৰদায়সমূহক অনুসূচত জনজাতি বুলি অভিহিত কৰা হৈছে, ঠিক একে বৈশিষ্ট থকা আন কিছুমান সম্প্ৰদায়ক কিন্তু অসমত এতিয়াও অনুসূচিত জনজাতি বুলি গণ্য কৰা হোৱা নাই। কেইটামান সম্প্ৰদায়ে ইতিমধ্যে তেওঁলোকক অনুসূচিত জনজাতি বুলি গণ্য কৰি সাংবিধানিক সুৰক্ষাৰ বাবে আন্দোলন গঢ়ি তোলাও পৰিলক্ষিত হৈছে। ইয়াৰ ভিতৰত কোচ-ৰাজবংসী সকলৰ দাবী মন কৰিবলগীয়া . তেওঁলোকৰ সম্প্ৰদায়টো গঠন হৈছে ওপৰত উল্লেখ কৰা কেইবাটাও জনজাতীয় লোকৰ সমষ্টিৰ সদস্যসকলৰ 'সংস্কৃতিকৰণ' (Sanskritisation) প্ৰক্ৰিয়াৰ দ্বাৰা।

অসমৰ সকলো জনজাতীয় সম্প্ৰদায়েই কৃষি জীৱি। কিন্তু বৰ্তমানে মাটিৰ উৎপাদিকা শক্তি হ্ৰাস, বানপানী আৰু বৰ্দ্ধিত জনসংখ্যাই 'মানুহ-মাটিৰ' অনুপাতৰ ভাৰসাম্যতা হেৰুৱাই পেলোৱাত এই সম্প্ৰদায়সমূহ গভীৰ অৰ্থনৈতিক সংকটৰ সন্মুখীন হৈছে।

এইখিনিতে জনসংখ্যা বৃদ্ধিৰ প্ৰশ্নটো কিন্তু বিশেষভাৱে মন কৰিবলগীয়া। কিয়নো জনজাতীয় অধ্যুষিত অঞ্চলত থলুৱা লোকসকলৰ সংখ্যা বৃদ্ধি পাইছে নে আন সুযোগ সন্ধানী লোক এই অঞ্চলত থিতাপি লৈ জনসংখ্যা বৃদ্ধি কৰিছে সেইকথা জনাৰ আমাৰ উপায় নাই।

এই সম্প্ৰদায়সমূহৰ কৃষি কেন্দ্ৰিক অৰ্থনৈতিক সংগঠন সংকটৰ সন্মুখীন হোৱাৰ আন কিছুমান কাৰণো আছে। ভাৰতীয় কৃষকে প্ৰায় চাৰি হাজাৰ বছৰ পুৰণি পদ্ধতি নাঙল-বলধৰ সহায়ত এতিয়াও খেতি কৰি আহিছে। অসমৰ ভৈয়ামৰ জনজাতিসকলেও এই প্ৰাচীন পদ্ধতি প্ৰয়োগ কৰি খেতি কৰে। এনে অনুন্নত পদ্ধতিৰে কৰা কৃষিৰ বিস্তৃতকৰণ আৰু ক্ৰুটিপূৰ্ণ বিক্ৰী ব্যৱস্থাৰ বাবে বজাৰমুখী কৃষিৰ প্ৰতি এই লোকসকলৰ ধাউতি বৃদ্ধি কৰিব পৰা হোৱা নাই। ইয়াৰ ফলত তেওঁলোকৰ অৰ্থনীতিৰ ঘাই খুটা স্বৰূপ কৃষিকাৰ্য হৈ পৰিছে স্থবিৰ। ইয়াৰ ফলস্বৰূপে এই সমাজসমূহত শ্ৰমিক শ্ৰেণীৰ সংখ্যা বৃদ্ধি হৈছে। এই সম্প্ৰদায়সমূহৰ মাজত আধুনিক শিক্ষাই যদিওবা প্ৰসাৰ লাভ কৰিছে তথাপি শিক্ষাৰ মূল লক্ষ্যত এতিয়াও উপনীত হ'ব পৰা নাই। ইয়াৰ উপৰি আধুনিক শিক্ষাৰ ফলস্বৰূপে এওঁলোকৰ মাজত নতুনকৈ এচাম মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি হৈছে। এই শিক্ষিত সকলে তেওঁলোকৰ পৰম্পৰাগত জীৱিকা আধুনিকৰণ কৰি গ্ৰহণ কৰাতকৈ চাকৰী জীৱিকাকে গ্ৰহণৰ প্ৰতি আগ্ৰহী হোৱা পৰিলক্ষিত হয়।

বৰ্তমানে সকলো জনজাতীয় সম্প্ৰদায়ে তেওঁলোকৰ সংস্কৃতিৰ সুৰক্ষাৰ বাবে বিশেষভাৱে সজাগ হোৱা পৰিলক্ষিত হয়। স্বকীয় সংস্কৃতিৰ প্ৰতি সজাগ এই লোকসকলে সু-সংগঠিতভাৱে তেওঁলোকৰ নিজা সংস্কৃতি সংৰক্ষণ কৰাত তৎপৰ হৈ উঠিছে। ইয়াৰে ফলস্বৰূপে একালৰ কেইবাটাও জনজাতীয় কথিত ভাষাত বৰ্তমানে লিপি ব্যৱহাৰ কৰিবলৈ লৈ তেওঁলোকৰ নিজা নিজা ভাষাত সাহিত্য ৰচনা কৰিবলৈ লৈছে। অসমত কেইবাটাও জনজাতীয় সম্প্ৰদায়ে তেওঁলোকৰ আৰ্থ-সামাজিক দৈন্যতা, ভাষা-সংস্কৃতিৰ সংকট আৰু ৰাজনৈতিক স্পৃহাক মূলধন হিচাপে লৈ গোষ্ঠী সংগ্ৰাম গঢ়ি তুলিছে। অৱশ্যে কিছু পণ্ডিতে মনপোষণ কৰে যে আচিৰেই এই গোষ্ঠী সংগ্ৰাম সমূহ শ্ৰেণী সংগ্ৰামলৈ ৰূপান্তৰিত হ'ব পাৰে। কিয়নো ইতিমধ্যে জনজাতিসকলৰ মাজত এক বুজন পৰিমাণৰ শ্ৰমিক শ্ৰেণীৰ সৃষ্টি হৈছে আৰু আনাহতে এক চাকৰিজীৱি মধ্যবৃত্ত শ্ৰেণীৰ সৃষ্টিয়ে জনজাতীয় সমাজসমূহত তেওঁলোকৰ নিজৰ মাজতে সংঘাত সৃষ্টি হোৱাৰ বাট লগে লগে মুকলি কৰি দিয়া দেখা গৈছে। জনজাতীয় উন্নয়নৰ আসোঁৱাহৰ বাবেই যে এনে হৈছে তাক আৰু নিশ্চয় বহলাই ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই।

□□□□□

# অসমত আলুৰ ইতিহাস

*ইন্দিবৰ দেউৰী*
*প্ৰাক্তন ছাত্ৰ*

অসমত খাদ্য হিচাবে সাধাৰণ আলুৰ অৰ্থাৎ Potato ৰ জনপ্ৰিয়তা অনস্বীকাৰ্য। এই আলু উদ্ভিদ বিজ্ঞানৰ পৰিভাষাত Solanum Tuberosum। আমি প্ৰায় সকলোৱে জানো যে আমি খোৱা আলুৰ আদি স্থান হ'ল দক্ষিণ আমেৰিকা মহাদেশ। অসমবাসীয়ে আলুৰ খেতি কেতিয়াৰ পৰা কৰা আৰম্ভ কৰিলে অথবা কেতিয়াৰ পৰা ইয়াক খাবলৈ ধৰিলে তাৰ কোনো নিৰ্ভৰযোগ্য তথ্য নাই। অৱশ্যে বৃটিছ সকলেই যে ভাৰতবৰ্ষৰ লগতে অসমতো আলুৰ খেতিৰ আৰম্ভ কৰোৱাইছিল সেইটো ধুৰুপ। এম্‌০ এচ্‌০ ৰান্ধৱাই তেওঁৰ কৃষি সম্পৰ্কীয় প্ৰামাণ্য গ্ৰন্থ 'A History of Agriculture in India' ত এই তথ্য দিছে যে ৱাৰেন্ হেষ্টিংছ বৃটিছাধীন ভাৰতবৰ্ষৰ গভৰ্ণৰ জেনেৰেল হৈ থকা কালত (১৭৭৪-৮৫) উত্তৰ প্ৰদেশৰ ছাহাৰানপুৰৰ চৰকাৰী উদ্ভিদ উদ্যান (Botanical Garden) ত প্ৰথমবাৰৰ বাবে আলুৰ লগতে বিলাহী (Tomato), ধপাত (Tobacco) ইত্যাদি দক্ষিণ আমেৰিকাৰ বিভিন্ন প্ৰজাতিৰ উদ্ভিদৰ খেতি কৰা হৈছিল। সেয়েই বোধকৰো ভাৰতবৰ্ষত প্ৰথম আলুৰ খেতি। সেই সময়ত অসমত আহোম স্বৰ্গদেউ সকলৰ ৰাজত্ব আৰু মোৱামৰীয়া গণ-অভ্যুত্থানৰ কাল। পৰৱৰ্তী কালৰ মান আক্ৰমণৰ অন্তত ১৮২৬ চনত অসম বৃটিছৰ অধীন হয় যদিও বহু কাললৈকে বৃটিছে অসমৰ কৃষিৰ উন্নতিৰ বাবে অথবা বিদেশী নতুন প্ৰজাতিৰ উদ্ভিদৰ প্ৰচলনৰ বাবে কোনো ব্যৱস্থা লোৱা নাছিল। মফাট্ মিল্‌চ্'ৰ ('Report on the Province of Assam') গ্ৰন্থত সন্নিবিষ্ট হোৱা ১৮৫৩ চনত দিয়া নিজৰ স্মাৰকপত্ৰখনত আনন্দৰাম ঢেকিয়াল ফুকনে উল্লেখ কৰিছে যে বৃটিছ চৰকাৰে অসমৰ অনুন্নত কৃষিৰ উন্নতিৰ বাবে একোৱেই কৰা নাই আৰু উন্নত প্ৰজাতিৰ উদ্ভিদৰ সঁচ, বলধ আদি বাহিৰৰ পৰা অসমলৈ অনাৰ কোনো ব্যৱস্থা হাতত লোৱা নাই। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে অন্ততঃ ১৮৫৩ চনলৈকে অসমত আলুৰ দৰে বিদেশী প্ৰজাতিৰ উদ্ভিদ প্ৰচলন কৰা হোৱা নাছিল। ১৮৬৭ চনত প্ৰকাশিত মাইল্‌চ্ ব্ৰন্সন্‌ৰ (A Dictionary in Assamese and English) (অচমিয়া আৰু ইংৰাজি অভিধান) তো আলুৰ অৰ্থ Potato বুলি দিয়া হোৱা নাই। উল্লেখযোগ্য যে 'আলু' এটা পুৰণি অসমীয়া শব্দ আৰু উদ্ভিদৰ শিপা 'মূল' আৰু 'দাঁতৰ গুৰি' বুলি অসমীয়াত আৰু 'A tuberous root, the gums of the teeth' বুলি ইংৰাজীত ইয়াৰ অৰ্থ ব্ৰন্সন্‌ৰ অভিধানখনত দিয়া হৈছে। আলুৰ অৰ্থ হিচাবে Potato ৰ অনুপস্থিতিয়ে এইটো বুজাব যে এই অভিধানখন প্ৰকাশৰ চন ১৮৬৭ লৈকে অসমত সেই বিধ উদ্ভিদৰ প্ৰচলন হোৱা নাছিল। আনহাতে, হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' অভিধানত (১৮৮০ ৰ দশকৰ পৰা ১৮৯২ চনত ৰচিত আৰু ১৯০০ চনত প্ৰকাশিত) 'আলু' আৰু 'আলুগুটি'ৰ অৰ্থ ইংৰাজীত Potato বুলি দিয়া হৈছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে 'হেমকোষ'খন ৰচনা হোৱা কাললৈকে এই প্ৰজাতি উদ্ভিদৰ ব্যাপক প্ৰচলন অসমত হ'বলৈ ধৰিছিল আৰু অসমীয়া ৰাইজে 'আলু' শব্দৰে আমি খোৱা সাধাৰণ আলু অৰ্থাৎ Potato কে বুজাইছিল। অৰ্থাৎ অসমত এই দুয়োখন অভিধান ৰচনা কৰা দুটা কালৰ মাজৰ কোনো এটা বছৰত অসমত আলুৰ খেতি আৰম্ভ হৈছিল আৰু আলু খাদ্য হিচাবে প্ৰচলিত হৈছিল বুলি অনুমান কৰিব পাৰি। ডব্লিউ০ ডব্লিউ০ হাণ্টাৰৰ 'Statistical Accounts of Assam' গ্ৰন্থৰ দ্বিতীয়

খণ্ডৰ উল্লেখ কৰি গৱেষক ৰাজেন শইকীয়াই নিজৰ 'Social and Economic History of Assam, 1853-1921' গ্ৰন্থত তথ্য দিছে যে ১৮৬৮ আৰু ১৮৬৯ চনত বৃটিছ চৰকাৰে অসমৰ কৃষকৰ বাবে কপাহ, ঘেঁহু আদিৰ লগতে আলুৰ সঁচৰ যোগান ধৰিছিল। এইটোৱেই অসমত আলুৰ খেতি আৰু প্ৰচলনৰ নিৰ্ভৰযোগ্য তথ্য। দুটা পৃথক কালত ৰচিত উক্ত দুয়োখন অভিধানত আলুৰ অৰ্থৰ তাৰতম্যতা আৰু পূৰ্বোক্ত তথ্যৰ আধাৰত অসমত আলুৰ খেতিৰ প্ৰচলন ১৮৬৮-৬৯ চনৰ পৰাই হৈছিল বুলি অনুমান কৰিব পাৰি।

অৱশ্যে অসমত বৃটিছ শাসনৰ প্ৰথম কেইবছৰত গভৰ্ণৰ জেনেৰেলৰ এজেণ্ট তথা কমিচনাৰ ডেভিদ স্কটৰ চিঠিৰ পৰা জনা যায় যে তেওঁ ১৮২৭ চনৰ পৰা তেওঁৰ ১৮৩১ চনত চেৰাপুঞ্জীত অকাল মৃত্যু হোৱালৈকে খাচী পাহাৰৰ নংক্লাও, নওগান্দী আদি মালভূমি অঞ্চলত আলুৰ খেতি কৰোৱাইছিল। (Major Adam White ৰ 'Memoir of the Late Dvid Scott' গ্ৰন্থ দ্ৰষ্টব্য) এই অঞ্চলৰ স্কটলেণ্ডৰ লগত সাদৃশ্য লক্ষণীয়। কিন্তু উক্ত খেতি সেই সময়ত অসমৰ অসমৰ ভৈয়ামলৈ সম্প্ৰসাৰিত কৰাৰ কোনো সাক্ষ্য প্ৰমাণ নাই। তেতিয়াৰ পৰা নংখ্‌লাও, চেৰাপুঞ্জী, আদি আপাৰ শ্বিলঙৰ দক্ষিণৰ খলা-বমা মালভূমি অঞ্চলত ক্ৰমেৰে ব্যাপকৰূপে আলু খেতি কৰা হ'ব ধৰে যদিও তাৰ আলু প্ৰধানকৈ কলিকতালৈহে ৰপ্তানি কৰা হৈছিল। 'শ্বিলঙীয়া আলু'ৰ সূত্ৰপাত এইদৰেই হৈছিল। উল্লেখযোগ্য যে, ১৮২৯-৩৩ চনৰ 'খাচী বিদ্ৰোহ' আৰু ১৮৬০-৬২ চনৰ 'চিনটেং বিদ্ৰোহ'ৰ দৰে বৃটিছ শাসন বিৰোধী সশস্ত্ৰ বিদ্ৰোহৰ কালত খাচী-চিনটেং সকলে বিদেশী খাদ্য আলু সম্পূৰ্ণৰূপে বৰ্জন কৰিছিল।

অসমত যোৱা শতিকাৰ প্ৰথম ভাগলৈকে আলু ইমানেই আপোন হৈ পৰিছিল যে এইবিধ উদ্ভিদ বিদেশীমূলীয় আছিল বুলি অসমীয়া মানুহে ধাৰণা কৰিব নোৱাৰিছিল। সেয়ে, ১৯৩৯ চনৰ ২৫ ফেব্ৰুৱাৰীৰ 'সাদিনীয়া অসমীয়া' সাপ্তাহিক বাতৰি কাকতৰ 'বিচিত্ৰ বাতৰি' শিতানতহে অসমীয়া পাঠকক জনোৱা হ'ল যে অসমৰ প্ৰিয় খাদ্য আলুৰ প্ৰথম খেতি হৈছিল (দক্ষিণ আমেৰিকা মহাদেশৰ) পেৰু আৰু চিলি নামৰ দেশতহে।

উপাদেয় আৰু পুষ্টিকৰ আলুৰ প্ৰচলনৰ কিছু বছৰৰ ভিতৰতে অসমত ইয়াৰ জনপ্ৰিয়তা বাঢ়ি গ'ল আৰু অসমৰ কৃষকেও এইবিধ উদ্ভিদ উৎপাদনত পাকৈত হৈ পৰিল। উনবিংশ শতিকাৰ অন্ত নৌপৰোতেই অসমবাসীয়ে ঘৰে ঘৰে আলুক আকোঁৱালি ল'লে। 'হেমকোষ'তো 'আলু'ৰ অৰ্থত Potato ৰ সংযোজন হ'ল। বিভিন্ন প্ৰকাৰে আলু ৰান্ধি খোৱাত অসমবাসী পাকৈত হ'ল। আলুৰ জনপ্ৰিয়তাৰ বাবেই 'আলু' শব্দৰে মাথোন সাধাৰণ আলু অথাৎ Potato বুজোৱা হ'ল আৰু আন আন বিধৰ আলুক বুজাবলৈ আগত বিশেষণ ব্যৱহাৰ কৰি 'মিঠা-আলু', 'কাঠ-আলু' আদি যুটীয়া শব্দৰ সৃষ্টি হ'ল (উল্লেখযোগ্য যে ব্ৰন্সন্‌ৰ অভিধানখনত 'কাঠ-আলু' শব্দ নাই, কিন্তু 'হেমকোষ'ত আছে)। অৰ্থাৎ অসমত আলু প্ৰচলনৰ ১৫/২০ বছৰৰ ভিতৰতে ই অসমৰ খেতি আৰু ৰান্ধনিশালৰ অবিচ্ছেদ্য অংগ হৈ পৰিল। অসমৰ গাঁৱত উৎসাহেৰে আলু খেতি কৰা আৰু আলু খান্দি ঘৰ চপোৱা এটা পৰিচিত দৃশ্য। কণ কণ ল'ৰা-ছোৱালীয়ে আলু খন্দাৰ অন্তত আলু-তলীত লেছেৰি বোটলাও গাঁৱৰ এটা সুমধুৰ দৃশ্য। আলুক এইদৰে কম সময়ৰ ভিতৰতে অসমবাসীয়ে আকোঁৱালি লোৱা কথাষাৰ ভাবি আমাৰ প্ৰথমতে ধাৰণা হৈছিল যে ই অসমবাসীৰ নতুন আৰু বাহিৰৰ ভাল বস্তু সাদৰেৰে আকোঁৱালি লৈ আপোন কৰি লোৱা স্বভাৱজাত গুণৰেই ফলশ্ৰুতি। কিন্তু আলুৰ বিচিত্ৰ আৰু ৰোমাঞ্চকৰ ইতিহাস অনুধাৱন কৰি দেখা গ'ল যে আলুৱে অসমৰ দৰেই পৃথিৱীৰ প্ৰায় সকলো দেশতেই নিজৰ গুণৰ বাবেই জনপ্ৰিয় হৈ পৰিছে। ভাৰতবৰ্ষতো এনে এখন প্ৰদেশ নাই য'ত উপাদেয় আলুৰ আদৰ নাই। আলুৰ এই ইতিহাসক অনুধাৱন কৰোঁ আহক।

আমি জানো যে ১৫শ শতিকাৰ শেষ দশকত (১৪৯২ চনত) খৃষ্টফাৰ কলাম্বাছে স্পেইনৰ ৰজা-ৰাণীৰ পৃষ্ঠপোষকতাত ভাৰতবৰ্ষলৈ সমুদ্ৰ-যাত্ৰা কৰিবলৈ

গৈ ভুলতে সদলে আমেৰিকা 'আৱিস্কাৰ' কৰে আৰু তেতিয়াৰ পৰাই ক্ৰমে স্পেইন, পৰ্তুগাল আদি দেশে মধ্য আৰু দক্ষিণ আমেৰিকাৰ বিভিন্ন অঞ্চল অধিকাৰ কৰিবলৈ ধৰে। (অৱশ্যে, কলাম্বাছেই আমেৰিকা প্ৰথম 'আৱিস্কাৰ' কৰিছিল বোলা ধাৰণাটোক আজিকালি সকলোৱে সমৰ্থন নকৰে)। স্পেইনে ক্ৰমেৰে ১৬ শ শতিকাত দক্ষিণ আমেৰিকা মহাদেশৰ প্ৰায় সকলো অংশ অধিকাৰ কৰি লয় আৰু ইয়াৰ এণ্ডিজ পৰ্বতমালাত বসবাস কৰা আদিম জনগোষ্ঠীসমূহৰ (যাক ইউৰোপীয় সকলে ভুলতে ইণ্ডিয়ান অৰ্থাৎ ভাৰতীয় আখ্যা দিছিল) সংস্পৰ্শলৈ আহে। উচ্চ এণ্ডিজ পৰ্বতমালাত বনৰীয়াভৱে প্ৰায় ১০০ বিধৰ সাধাৰণ আলু জন্মিছিল। তাৰে প্ৰায় ১৪ বিধ আলুৰ পৰম্পৰাগত খেতি কৰিছিল কুৱেচুৱা, ক'গি, চিব্‌চা আদি বিভিন্ন 'ইণ্ডিয়ান' জনগোষ্ঠী সমূহে। তেওঁলোকে পৰ্বতমালাৰ ১০/১২ হেজাৰ ফুট উচ্চতাত বসবাস কৰিছিল। উক্ত 'ইণ্ডিয়ান' সকলৰ উপাদেয় আৰু পুষ্টিকৰ আলুকেই স্পেইনীয় সৈনিক-নাবিক সকলে ১৬ শ শতিকাত প্ৰথম ইউৰোপলৈ আনি প্ৰচলন কৰে। তেতিয়াৰ পৰাই দক্ষিণ আমেৰিকাৰ এই প্ৰজাতিৰ জয়যাত্ৰা পৃথিৱীত আৰম্ভ হয়। ক্ৰমেৰে এই আলু আয়াৰলেণ্ড পায়গৈ আৰু তাৰ পৰা স্কটলেণ্ড আৰু ইংলণ্ডলৈ যায়। অৱশ্যে সঠিক কোন বছৰত আৰু কোনে আলু আয়াৰলণ্ড, স্কটলেণ্ড অথবা ইংলণ্ডত প্ৰচলন কৰিলে তাৰ কোনো নিৰ্ভৰযোগ্য তথ্য আজিকোপতি উৎঘাটিত হোৱা নাই। যি কি নহওক, খেতি কৰিবলৈ উজু হোৱাৰ লগতে অতি সুলভ, উপাদেয় আৰু পুষ্টিকৰ হোৱাৰ বাবে আলুৰ জনপ্ৰিয়তা অপ্ৰতিৰোধ্য হৈ পৰে।

আয়াৰলেণ্ডত ১৭ শ শতিকাৰ পৰা বিস্তৃতভাৱে আলুৰ খেতি হ'বলৈ ধৰে আৰু সেই দেশত ই ইমানেই জনপ্ৰিয় হ'ল যে সেই শতিকা নৌ বাগৰোতেই আয়ৰিছ সকলে পাওৰুটি খাবলৈ এৰি নিজৰ প্ৰধান খাদ্য (Staple Food) হিচাবে আলুহে খাবলৈ ধৰিলে। আয়ৰিছ সকলৰ প্ৰধান খাদ্য হৈ পৰিল আলু। প্ৰধান খাদ্য আলুৰ ওপৰত আয়ৰিছ সকল ইমানেই নিৰ্ভৰশীল তথা অভ্যস্ত হ'ল যে ১৮৪৫, ১৮৪৬ আৰু ১৮৪৭ চনত আয়াৰলেণ্ডৰ আলুৰ খেতিত ব্লাইট্ (Blight) মহামাৰী অৰ্থাৎ আলুৰ গছবোৰ জঁই পৰি মৰা বেমাৰ হোৱাত আলুৰ উৎপাদন ব্যাহত হৈ প্ৰচণ্ড দুৰ্ভিক্ষই দেখা দিছিল। সেই দুৰ্ভিক্ষত অনাহাৰে থাকি প্ৰায় ১০ লাখ লোকৰ মৃত্যু হৈছিল আৰু বহুতো আয়ৰিছ লোক আমেৰিকা আৰু বৃটিছ উপনিবেশ সমূহলৈ প্ৰব্ৰজন কৰিছিল। এই দুৰ্ভিক্ষ ইতিহাসত (Potato Femine) অৰ্থাৎ 'আলু দুৰ্ভিক্ষ' বুলি জনাজাত। ১৮৪৫ আৰু ১৮৪৬ চনত কিছু আলু খেতি বেমাৰৰ পৰা ৰক্ষা পাইছিল যদিও ১৮৪৭ চনত প্ৰায় সকলো আলু নষ্ট হৈ সেই বছৰত এই দুৰ্ভিক্ষই প্ৰচণ্ড ৰূপ ধাৰণ কৰিছিল। সেয়ে এই দুৰ্ভিক্ষক 'Black Forty-Seven' অৰ্থাৎ 'কৃষ্ণ সাতচল্লিশ' বুলিও আখ্যা দিয়া হৈছিল। এই 'কৃষ্ণ সাতচল্লিশ' দুৰ্ভিক্ষৰ কথা সুঁৱৰি আয়ৰিছসকল আজিও শিয়ৰি উঠে। উল্লেখযোগ্য যে আয়াৰলেণ্ডৰ 'আলু দুৰ্ভিক্ষ'ৰ অনুৰণন অসমতো সেই সময়ত শুনা গৈছিল। ভাৰতবৰ্ষ তথা অসমত সেই সময়ত বহুতো আয়ৰিছমূলীয় বৃটিচ ৰাজকৰ্মচাৰী, সৈনিক, প্লেণ্টাৰ, ব্যৱসায়ী, ধৰ্ম প্ৰচাৰক আদি আছিল আৰু তেওঁলোকে দান-বৰঙণি সংগ্ৰহ কৰি দুৰ্ভিক্ষ-পীড়িত আয়ৰিছ্‌সকললৈ পঠিয়াইছিল। এই দুৰ্ভিক্ষ আয়াৰলেণ্ডৰ উপৰিও স্কটলেণ্ডলৈও ১৮৪৬ আৰু ১৮৪৭ চনত বিয়পি পৰিছিল। তেতিয়াৰ বৃটেইনৰ আয়াৰলেণ্ড আৰু স্কটলেণ্ডতেই প্ৰধানকৈ আলুৰ খেতি হৈছিল।

উক্ত দুৰ্ভিক্ষৰ কথা ১৮৪৬ চনত স্থাপিত প্ৰথম অসমীয়া সংবাদ পত্ৰ মাহেকীয়া 'অৰুণোদই'ত প্ৰকাশিত বাতৰিৰ যোগেদি অসমবাসীয়ে জানিব পাৰিছিল। ১৮৪৬ চনৰ প্ৰথম অৰ্থাৎ জানুৱাৰী সংখ্যাতেই দুৰ্ভিক্ষৰ বাতৰি দিয়া হৈছিল এইদৰে —

'আয়াৰলেণ্ড নামে ইংলণ্ডৰ পচিম বৰ মাজুলিত এই বচৰ বিলাতি আলুত কিবা ৰোগ হৈ গেলি জোআত সেই দেসৰ মানুহে ভাতৰ দৰে আলুকে খোৱা সহজ দেখি এতিয়া বৰ দুৰ্ভিখ্যা হৈচে।' (অৰ্থাৎ, আয়াৰলেণ্ড নামৰ ইংলণ্ডৰ পশ্চিম দ্বীপত এই বছৰত বিলাতি আলুৰ

কিবা ৰোগ হৈ গেলি যোৱাত, সহজ দেখি ভাতৰ দৰে আলুকে খোৱা সেই দেশৰ মানুহে এতিয়া বৰ দুৰ্ভিক্ষত পৰিছে।)

'অৰুণোদই'ৰ দ্বিতীয় অৰ্থাৎ ফেব্ৰুৱাৰী, ১৮৪৬ সংখ্যাত দুৰ্ভিক্ষৰ বাবে বৰঙণি সংগ্ৰহৰ বাতৰি এইদৰে দিছে —

'আয়াৰলেণ্ড দেশৰ দুৰ্ভিখ্যাৰ কাৰণে সেই দেসি লোকৰ উপকাৰলৈ দান দিব নিমিতে কলিকতাত থকা সাহাব লোক আদি কৰি অনেক মানুহে চান্দা কৰি ৩০,০০০ (ত্ৰিচ হেজাৰ) ৰূপ পঠাই দিবলৈ পালে।'

ইয়াৰ পিছত এইদৰেই 'অৰুণোদই'য়ে ১৮৪৬ আৰু ১৮৪৭ চনৰ বিভিন্ন সংখ্যাত আয়াৰলেণ্ড (আৰু পিচলৈ লগতে স্কটলেণ্ডৰ) 'আলু দুৰ্ভিক্ষ'ৰ বিষয়ে ডাঁৰৰ বাতৰি ডাঁৰে অসমীয়া পাঠকক দিছিল। ১৮৪৭ চনৰ বাতৰিবোৰ বেছ বিশদ আছিল। ভাৰতবৰ্ষ, আমেৰিকা, ফ্ৰান্স আদি বিভিন্ন দেশৰ পৰা কিদৰে সাহাৰ্য, দান-বৰঙণি, খাদ-সামগ্ৰী আয়াৰলেণ্ডলৈ পঠিওৱা হৈছিল, কিদৰে নিঃকৰুণ ভাবে হাজাৰ হাজাৰ লোকৰ খাদ্যাভাৱত মৃত্যু হৈছিল আৰু দুৰ্ভিক্ষৰ হাত সাৰিবলৈ বহু আয়ৰিছ লোক জাহাজেৰে আমেৰিকালৈ প্ৰব্ৰজন কৰিছিল তাৰ বৰ্ণনা এই সংখ্যাবোৰত আছে।

উল্লেখনীয় যে 'অৰুণোদই'ৰ ১৮৬৭ চনৰ জানুৱাৰী সংখ্যাত B.R. Phookan নামৰ পত্ৰ-লেখক এজনে 'তেজপুৰৰ ক্ৰিসি প্ৰদৰ্শন' শিতানেৰে সম্পাদকলৈ দিয়া পত্ৰখনত উল্লেখ কৰিছে যে ১৮৬৬ চনৰ ডিচেম্বৰত অনুষ্ঠিত ৫ দিনীয়া কৃষি প্ৰদৰ্শণীত অসমৰ আন কৃষিজাত বস্তুৰ লগতে 'ধান, চাউল, মাহ, সৰিয়হ, কচু, আলু, কুঁহিয়াৰ, কল, শাক আদি প্ৰদৰ্শিত হৈছিল। আমি ওপৰৰ উদ্ধৃতিত দেখি আহিছোঁ যে Potato ৰ ক্ষেত্ৰত 'বিলাতি আলু' বুলি 'অৰুণোদেই'ত উল্লেখ কৰা হৈছে। সেয়ে এইটো স্পষ্ট যে উক্ত প্ৰদৰ্শণীত প্ৰদৰ্শিত 'আলু' প্ৰকৃততে Potato নাছিল — অসমৰ পৰম্পৰাগত আলুহে (যেনে — কাঠ-আলু, মিঠা-আলু আদিহে) আছিল।

আয়ৰিছ সকলৰ দৰে আন কিছু দেশৰ মানুহৰো আলু প্ৰধান খাদ্য। আনকি আমাৰ প্ৰতিবেশী নেপালৰ উচ্চ পৰ্বতবাসী শ্বেৰ্পা জনগোষ্ঠীৰ প্ৰধান খাদ্য হ'ল আলু। ১৯শ শতিকাত প্ৰধানতঃ ইংৰাজসকলৰ প্ৰয়াসত শ্বেৰ্পাসকলৰ মাজত আলুৰ খেতিৰ প্ৰচলন হয়। দক্ষিণ আমেৰিকাৰ পেৰুৰ কুৱেচুবা'ৰ দৰে আৰু 'ইণ্ডিয়ান' সকলৰ দৰেই শ্বেৰ্পা সকলো হিমালয় পৰ্বতমালাৰ ১০/১২,০০০ ফুট উচ্চতাত বসবাস কৰে আৰু তেওঁলোকৰ মাটিও আলু খেতিৰ উপযুক্ত। সেয়ে আলু খেতি প্ৰচলনৰ ১৫/২০ বছৰৰ ভিতৰতেই আলু শ্বেৰ্পা সকলৰ প্ৰধান খাদ্য হৈ পৰে।

সাধাৰণ আলুৰ বিচিত্ৰ ইতিহাসত আভিজাত্য আৰু ৰাজনীতিৰ ৰহনো নথকা নহয়। ১৬ শ শতিকা, আৰু ১৭ শ শতিকাৰো প্ৰথম পিনে আলুৰ খেতি মাথোন ৰজা-ৰাজকুমাৰ, লৰ্ড-বেৰন, জমিদাৰ আদি সম্পদশালী লোকৰ বাগিছাতহে কৰা হৈছিল বাবে আলু দুষ্প্ৰাপ্য আছিল। সেয়ে, ইউৰোপত সেই সময়ত মাথোন অভিজাত শ্ৰেণীৰ লোকৰ খোৱা টেবুলহে আলুৱে শুৱনি কৰিছিল। আলু তেতিয়া এটা আভিজাত্যৰ প্ৰধান নিদৰ্শন আছিল। সাধাৰণ মানুহৰ বাবে ই তেনেই দুৰ্লভ আছিল। কালক্ৰমত আয়াৰলেণ্ড, স্কটলেণ্ড, বেলজিয়াম, হলাণ্ড আদিত ব্যাপক খেতি হোৱাৰ বাবে আলু সহজলভ্য হৈ পৰে আৰু ক্ৰমেৰে ই নিজৰ 'আভিজাত্য' হেৰুৱাই পেলায়।

আলুৰ বিস্তৃত ব্যৱহাৰ আৰু জনপ্ৰিয়তাৰ আন এটা প্ৰধান কাৰণ হ'ল ইংলেণ্ডত ১৮ শ শতিকাৰ পৰা হ'বলৈ ধৰা 'ঔদ্যোগিক বিপ্লৱ' (Industrial Revolution)। ঔদ্যোগিক বিপ্লৱৰ কালত (অৰ্থাৎ ১৮ শ আৰু ১৯ শ শতিকাত) গ্ৰামাঞ্চলৰ হাজাৰ হাজৰ লোক কল-কাৰখানা, খনি আদিত কাম কৰিবলৈ ধৰে আৰু চহৰসমূহ এনে শ্ৰমিকেৰে ভৰি পৰে। তেওঁলোকৰ বাবে সহজলভ্য আৰু কমদামী অথচ পুষ্টিকৰ আলু এটা প্ৰধান খাদ্য হৈ পৰে। সেয়ে আলুৰ উৎপাদন বৃদ্ধি কৰি ঔদ্যোগিক কেন্দ্ৰ সমূহলৈ যোগান আৰম্ভ হ'ল। আলু শ্ৰমিকৰ খাদ্য হৈ পৰিল। এইদৰেই ইউৰোপত আলুৰ

'অভিজাত খাদ্য'ৰ পৰা 'সাধাৰণৰ খাদ্য'লৈ ৰূপান্তৰ সম্পূৰ্ণ হয়।

বৃটেইনত এতিয়াও আলুৰ জনপ্ৰিয়তা অটুট আছে। 'ফিচ্ এণ্ড চিপচ্' (Fish and Chips), অৰ্থাৎ ক'ড মাছৰ ডাঙৰ ভজা টুকুৰা আৰু আলুৰ আঙুলিমান ভজা টুকুৰা, সাধাৰণ ইংৰাজসকলৰ অতি প্ৰিয় খাদ্য। ইয়াৰ ক'ড মাছ আহে উত্তৰ আটলাণ্টিক মহাসাগৰৰ দ্বীপ-দেশ আইচ্‌লেণ্ডৰ পৰা আৰু আলু আহে প্ৰধানকৈ বেলজিয়াম, ফ্ৰান্স, হলাণ্ড আদি দেশৰ পৰা। দ্বিতীয় মহাযুদ্ধৰ (১৯৩৯-৪৫) অন্তত বেলজিয়াম, হলাণ্ড আদি যুদ্ধ জৰ্জৰিত ইউৰোপীয় দেশ সমূহত আলুৰ উৎপাদন অভাৱনীয়ৰূপে কমি গৈছিল আৰু ফলত সেইবোৰ দেশৰ পৰা বৃটেইনলৈ আলুৰ আমদানি প্ৰায় শূন্য হৈ পৰিছিল। সেয়ে, যুদ্ধোত্তৰ বৃটেইনত আলুৰ যোগান পৰ্যাপ্ত নোহোৱাত ইয়াৰ মূল্য কেইবা গুণ বৃদ্ধি হ'ল আৰু ফলত ইংৰাজ জনসাধাৰণৰ প্ৰিয় খাদ্য 'ফিচ্ এণ্ড চিপচ্'ৰো মূল্য অনুৰূপভাৱে বৃদ্ধি পালে। প্ৰিয় খাদ্যৰ এনে অভাৱনীয় মূল্য বৃদ্ধিয়ে ইংৰাজ সকলক ক্ষুব্ধ কৰি তুলিলে। ইয়াৰ ফলশ্ৰুতি স্বৰূপে পৰৱৰ্তী সাধাৰণ নিৰ্বাচনত শাসকীয় দল লেবাৰ পাৰ্টি (Labour Party) ৰ পৰাজয় হ'ল। অৰ্থাৎ প্ৰধানকৈ আলুৰ বাবেই বৃটেইনত এই ৰাজনৈতিক পট পৰিৱৰ্তন হ'ল! তেতিয়াৰ পৰাই বৃটেইনত কোনো চৰকাৰেই আলুৰ মূল্যৰ লক্ষণীয় বৃদ্ধি কৰিবলৈ সাহস কৰা নাই। সেয়ে সাধাৰণ ইংৰাজৰ প্ৰিয় খাদ্য 'ফিচ্ এণ্ড চিপচ্'ৰ মূল্য এতিয়াও তুলনামূলকভাৱে কম।

ভাৰতবৰ্ষত আলুৰ মূল্য বৃদ্ধিয়ে বৃটেইনৰ দৰে ৰাজনৈতিক ভূমিকম্পৰ সৃষ্টি কৰিব পৰা নাই যদিও বছৰি বছৰি ঋতুভেদে হোৱা পিয়াঁজৰ অভাৱনীয় মূল্য-বৃদ্ধিয়ে জনগণক ক্ষুব্ধ কৰি তুলিছে। অৱশ্যে আলুৰ সাৰ্বজনীন খেতিৰ বাবেই হয়তো ভাৰতবৰ্ষত পিয়াঁজৰ দৰে ঋতুভেদে আলুৰ অভাৱনীয় মূল্য বৃদ্ধি নহৈছিল যদিও এই বছৰৰ পৰা কলা-বজাৰৰ প্ৰতাপত আলুৰ মূল্য অভাৱনীয়ভাৱে বৃদ্ধি হ'ব ধৰিছে।

ভাৰতবৰ্ষত এচাম লোকৰ সংস্কাৰজনিত কাৰণত ধাৰণা আছে যে মাটিৰ তলত উৎপন্ন যি কোনো উদ্ভিদেই স্বাস্থ্যহানিকৰ, আৰু সেয়ে ভক্ষণযোগ্য নহয়। পৰম্পৰাগতভাৱেই তেওঁলোকৰ আলুৰ আলুৰ প্ৰতিও তেনে বিৰূপ মনোভাব আছে। তদুপৰি তেওঁলোকৰ মানত আলু এতিয়াও বিদেশীমূলীয় খাদ্য! বিদেশীমূলীয় অৰ্থাৎ 'বিজাতীয়' খাদ্য হোৱাৰ বাবেই ভাৰতবৰ্ষৰ কোনো কোনো অঞ্চলৰ কিছু ৰক্ষণশীল ব্ৰাহ্মণ তথা বিধৱা নাৰীয়ে একালত আলু ভক্ষণ কৰাত ধৰ্মীয় বাধা আৰোপ কৰা হৈছিল। বহুতেই বহুমূত্ৰ, ৰক্তচাপ বৃদ্ধি, মেদবহুৰতা আদি বেমাৰৰ বাবে আলুকো জগৰীয়া কৰি আলু ভোজন বৰ্জন কৰাৰ পৰামৰ্শ দিয়ে। আলুৰ প্ৰতি এনে বিৰূপ ধাৰণা অমূলক। আলুৱে এইবোৰ বেমাৰৰ কাৰণ হোৱা অথবা এনে বেমাৰ বৃদ্ধি কৰাৰ কোনো গৱেষণালব্ধ নিৰ্ভৰযোগ্য তথ্য নাই। আলু ভক্ষক আয়ৰিছ্‌সকল অথবা শ্বেৰ্পা সকলৰ মাজত বহুমূত্ৰ, ৰক্ত চাপ বৃদ্ধি, মেদবহুলতা আদিৰ প্ৰাবল্য থকাৰ কোনো তথ্য নাই। শ্বেৰ্পা টেন্‌জিং নৰ্গেকে আদি কৰি আলুভক্ষক শ্বেৰ্পা জনগোষ্ঠীৰ স্বাস্থ্যৱান ব্যক্তি সকলে এভাৰেষ্ট শৃংগকে ধৰি হিমালয় পৰ্বতমালাৰ ওখ শৃংগবোৰত কেনেকৈ পিয়াপি দি ফুৰিছে সেই কথা সকলোৱে জানে। আলুত প্ৰধানকৈ শ্বেতসাৰ, কেলচিয়াম আৰু খাদ্যপ্ৰাণ 'গ' থাকে যিবোৰ আমাৰ সু-স্বাস্থ্যৰ বাবে অতি প্ৰয়োজনীয়। গতিকে, মাভৈঃ, আলু খাবলৈ ভয় নকৰিব! পৰিমিত পৰিমাণত আলু ভোজন স্বাস্থ্য হানিকৰ নহয়।

□□□□□

# আত্মবিশ্বাস ঈশ্বৰবিশ্বাসে নবঢ়ায়

দেৱকান্ত সন্দিকৈ
প্ৰাক্তন ছাত্ৰ

বাহুবল বঢ়াবলৈ বাহুৰ ব্যায়াম কৰিব লাগে। ভৰিৰ পেশী আৰু শক্তি বঢ়াবলৈ ভৰিৰ ব্যায়াম কৰিব লাগে। কোনেও বহুবল বঢ়াবলৈ ভৰিৰ ব্যায়াম বা ভৰিৰ শক্তি বঢ়াবলৈ বহুৰ ব্যায়াম নকৰে! তেনেকৈ আত্মবিশ্বাস বা নিজৰ ওপৰত বিশ্বাস বঢ়াবলৈ মানুহে নিজৰ ওপৰতহে বিশ্বাস কৰিবলৈ শিকিব লাগিব, নিজৰ শক্তি আৰু সামৰ্থ্য ত আস্থা ৰখাৰ অভ্যাস কৰিব লাগিব। তাকে নকৰি যদি কোনোবাই আত্মবিশ্বাস বঢ়াবলৈ ঈশ্বৰক বিশ্বাস কৰা অভ্যাস কৰে সেয়া হ'ব বাহুবল বঢ়াবলৈ ভৰিৰ ব্যায়াম কৰাৰ নিচিনা কথা। বা চকুৰ অসুখ ভাল কৰিবলৈ নাকত দৰব লগোৱাৰ নিচিনা কথা। আত্মবিশ্বাসৰ অভ্যাস বা সাধনাইহে আত্মবিশ্বাস বঢ়ায়। ঈশ্বৰ বিশ্বাসৰ লগত আত্মবিশ্বাস বৃদ্ধিৰ কোনো সম্পৰ্ক নাই। বৰং ঈশ্বৰবিশ্বাসে মানুহৰ আত্মবিশ্বাস ধ্বংস কৰে। মানুহক নিজৰ মাজত থকা শক্তিক নেওচা দি এক অস্তিত্বহীন কাল্পনিক শক্তিৰ ওপৰতহে আস্থা ৰাখিবলৈ শিকায়। বহুতৰ মুখত শুনো - 'মইনো কি কৰিব পাৰো, ঈশ্বৰে যি কৰে কৰিব ..।' 'মইনো কি কৰিব পাৰো' বুলি কওঁতেই নিজৰ মাজত থকা অসীম শক্তিৰ ওপৰত আস্থাহীনতা প্ৰকাশ পায়। আনহাতে আত্মবিশ্বাস নথকা মানুহেই বেছিকৈ ঈশ্বৰবিশ্বাসী হয়।

অলিম্পিকত আজিৰ চীন, আমেৰিকা আদি দেশেই নিজৰ ক্ৰীড়া-নৈপুণ্যৰে দপ্‌দপাই আছে। আত্মবিশ্বাস তুংগত থকা এইবোৰ দেশৰ খেলুৱৈয়েই এতিয়ালৈকে সৰ্বাধিক বিজয় পদক সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে আৰু ঈশ্বৰবিশ্বাসে আত্মবিশ্বাস বঢ়ায় বুলি মনে-প্ৰাণে ঈশ্বৰবিশ্বাস কৰা মানুহেৰে ভৰি থকা ভাৰতৰ নিচিনা এখন বিশাল দেশে দুটিমান মাথো পদক লাভ কৰিয়েই সন্তুষ্ট থাকিবলগা হৈছে। চীন দেশখন আমাৰ দেশ ভাৰতৰ পৰা সাত সাগৰ তেৰ নদী পাৰ হ'বলগা দূৰত্বত নহয়। চীন আৰু ভাৰত ওচৰা-উচৰি দুখন দেশ। মাজত মাথোন সুউচ্চ হিমালয়। ওচৰা-উচৰিকৈ থকা দুখন দেশৰ মাজত স্বভাৱ-চৰিত্ৰ তথা দৈহিক মানসিক বৈশিষ্ট্যৰ ইমান আকাশলংঘী পাৰ্থক্য কিয়? তেওঁলোকৰ সামাজিক-ৰাজনৈতিক ব্যৱস্থাই তেওঁলোকক পৃথিৱীৰ শ্ৰেষ্ঠ জাতিবিলাকৰ অন্যতমৰূপে প্ৰতিষ্ঠা কৰিছে। অথচ আমাৰ বাবে তেওঁলোকৰ ধৰণৰ সমাজ-ৰাজনৈতিক ব্য ৱস্থা অস্পৃশ্য! আমাৰ সমাজ ব্যৱস্থা যে তেওঁলোকতকৈ ভাল সেই কথা আমি কথাই কামে প্ৰমাণ কৰিব পাৰিছোনে? আজি অলিম্পক ক্ৰীড়া মহাসমাৰোহত আটাইতকৈ বেছি বিজয় পদক অৰ্জন কৰিব পৰা দেশখন আমি নহৈ কমিউনিষ্ট চীনহে কেনেকৈ হ'ব পাৰিছে? ঈশ্বৰবিশ্বাস বা ধৰ্মত গুৰুত্ব নিদিয়া সাম্যবাদী (কমিউনিষ্ট) সমাজ ব্যৱস্থাই নিজৰ দেশৰ যুৱক-যুৱতীসকলৰ বাবে খেলা-ধূলাৰ যি অত্যাধুনিক সা-সুবিধাযুক্ত আন্তঃ গাঁথনি তৈয়াৰ কৰি দিব পাৰিছে, আমাৰ দৰে ধৰ্মশাসিত সমাজ ব্যৱস্থাই তেনেদৰে পৰা নাই কিয়? বিপৰীত আমি তথাকথিত ধাৰ্মিক আৰু ঈশ্বৰবিশ্বাসীসকলে আমাৰ উঠি অহা যুৱক-যুৱতীসকলৰ বাবে অনুকৰণীয় আদৰ্শ হ'ব পৰাকৈ কি মহৎ কাম কৰিছো? - আমি দুৰ্নীতিত পোত খাইছো, আনাচাৰ-ব্যাভিচাৰত লিপ্ত হৈছো, আইন নমনা হৈছো অৰু আনক দেখুৱাই ধাৰ্মিক আৰু ঈশ্বৰবিশ্বাসী হৈ পাপ পখালিছো! (এজন ঈশ্বৰভক্তই কোনোবা বাবাৰ মন্দিৰত কোটি টকাৰো অধিক দামৰ হীৰা গোপনে দান দিয়া বুলি বাতৰি পঢ়িছো। ধৰ্মৰ লগত দুৰ্নীতিৰ কি ওতঃ প্ৰোত সম্পৰ্ক!)

আমাৰ আত্মবিশ্বাস নাই, কিন্তু ঈশ্বৰবিশ্বাস আছে। খেলপথাৰত প্ৰদৰ্শন কৰি পৰা উৎকৃষ্ট ক্ৰীড়া-কৌশল, একান্ত মনোযোগ তথা সন্মুখত আহি পৰা সামান্যতম সুযোগো গ্ৰহণ কৰিব পৰা সুক্ষ্ম উপস্থিত বুদ্ধি আমাৰ নাই। কিন্তু খেলৰ আগত জিকিবৰ মানসেৰে কোনোবা ধৰ্মস্থানত পূজা এভাগ দি অহাৰ অভ্যাস এটা আছে! - নিজৰ শক্তি-সামৰ্থ্যতকৈ আমি বেছি গুৰুত্ব দিওঁ নেদেখা কাল্পনিক শক্তিৰ প্ৰভাৱক। ফলস্বৰূপে অলিম্পিকৰ দৰে খেল সমাৰোহত আমাৰ দেশৰ খেলুৱৈৰ সফলতাও হৈ পৰিছে এক ধৰণৰ 'আকাশ কুসুম'।

আমাৰখন এখন সঁচায়ে বৰ অদ্ভুত দেশ। ধৰ্ম আৰু ঈশ্বৰবিশ্বাসে মানুহৰ মাজত থাকিবলগা আত্মবিশ্বাস, নৈতিকতা তথা মানৱীয়তা ধ্বংস কৰা দেশ। আমি 'পাপ' বা অপৰাধ কৰিবলৈ ভয় নকৰো। কিয়নো আমাৰ ধৰ্ম আৰু ঈশ্বৰবিশ্বাসে নিমিষতে 'পাপ' ধুই পূণ্যৰ পোচাক পিন্ধাই দিয়ে।

আমেৰিকা বহুতৰ মানত অপসংস্কৃতিৰ দেশ। তাত যেন নগ্নতাৰ বাহিৰে আন একো নাই। অথচ সেই অপসংস্কৃতিৰ দেশখনে অলিম্পিকৰ পদক অৰ্জনত এতিয়ালৈকে দ্বিতীয় স্থান অধিকাৰ কৰি আছে। এয়া কেনেকৈ সম্ভৱ হৈছে সেয়া গভীৰভাৱে ভাবি নোচোৱাকৈ আমি আমাৰ খেলুৱৈসকলৰ আত্মবিশ্বাস জগাবলৈ নাম-কীৰ্তন কৰিবলৈ লাগি গৈছো। ঘৰে ঘৰে চাকি-বন্তি জ্বলাইছো। কিন্তু এটা প্ৰশ্ন আমাৰ কাৰোৰে মনলৈ নাহে, সেয়া হ'ল, এইবোৰ আচৰণৰ দ্বাৰা আমি কেতিয়াবা সফল হৈছোনে? আমাৰ খেলুৱৈসকলৰ আত্মবিশ্বাস বাঢ়িছেনে? - এইবোৰ আচৰৰ অসাৰতাৰ হেজাৰ প্ৰমাণ পাই থকাৰ পাছতো ধৰ্ম আৰু ঈশ্বৰবিশ্বাসৰ প্ৰবক্তাসকলে অপপ্ৰচাৰ কৰিবলৈ নেৰে যে ঈশ্বৰবিশ্বাসে আত্মবিশ্বাস বঢ়ায়! - কিন্তু প্ৰকৃততে ঈশ্বৰ বিশ্বাসে আত্মবিশ্বাস বঢ়াবতো নোৱাৰেই, বৰং ই থকাখিনিও কমায় - তাৰ প্ৰমাণ আমি ভাৰতীয়সকলেই!

□□□□□

*"যিসকল শিল্পীয়ে পাৰে, অঙ্কনৰ যোগেদি আৰু যিসকলে আঁকিব নাজানে তেওঁলোকে তাৰ সমালোচনা দি আমাৰ নতুন অসমীয়া স্থাপত্যৰ ৰূপ উলিয়াবলৈ চেষ্টা কৰক। অসমীয়া বিজ্ঞানী, ইঞ্জিনিয়াৰ আদিয়ে তাৰ বাস্তৱ ৰূপ দিয়ক। আজি অসমীয়াৰ জীৱনত এক অগ্নী মুহূৰ্ত উপস্থিত। এই মুহূৰ্ততেই আমি ভৱিষ্যতৰ ভাৰতবৰ্ষত অসমীয়া জাতিৰ বাবে এখন সু-উচ্চ আসন উলিয়াই লব পাৰিব লাগিব। অসমৰ স্থাপত্যৰ যোগেদি যদি আমি এক নৱ-ভাৰতীয় স্থাপত্যৰ আৰ্হি দাঙি ধৰিব পাৰো, তেন্তে আমি সদৌ ভাৰতকে এই বিষয়ত বাট দেখুৱাব পাৰিম।"*

*— জ্যোতিপ্ৰসাদ আগৰৱালা*

# ম'মেণ্টচ্

*কুমুদ ৰঞ্জন দাস*
*প্ৰাক্তন ছাত্ৰ*

অৱশেষত মোৰ কল্পনাৰ কল্পনাই মঞ্চত দেখা দিলে। সুবিশাল মঞ্চৰ পিচফালৰ পৰা ধীৰে ধীৰে মঞ্চলৈ আগবাঢ়ি অহা কল্পনাক অপলক নেত্ৰেৰে মন্ত্ৰমুগ্ধৰ দৰে চাই ৰ'ল ইটালীৰ বিখ্যাত আৰ্ট গেলেৰীত সমবেত হোৱা পাঁচ হেজাৰ দৰ্শক-চিত্ৰকাৰ, কলা-কুশলীয়ে আলোকেৰে উদ্ভাসিত হৈ উঠিছে সুবিশাল মঞ্চ। ৰঙা পাৰী দিয়া বগা শাৰীখনৰ আচলেৰে সোঁ হাতেৰে ওৰণি লৈ ধীৰ গতিৰে আহি মঞ্চৰ সোঁ মাজত দায়েছৰ সন্মুখত থিয় হোৱা কল্পনাক হাজাৰ দৰ্শকে থিয় হৈ হাত চাপৰি বজাই অভিনন্দন জনালে। সঁহাৰি জনাবলৈ গৈ কল্পনাই দুয়ো হাতেৰে দৰ্শকক নমস্কাৰ কৰিলে। মূৰৰ ওৰণিখন খহি পৰিল। লগে লগেই অঘটনটো ঘটি গ'ল। হঠাৎ হাত চাপৰি বন্ধ হ'ল। চাৰিওফালে কেৱল নিস্তব্ধতা। নীৰৱতাক ভেদি কেওফালৰ বিশাল টিভিৰ পৰ্দাত জিলিকি উঠিল এখন অইল পেইণ্টিং-কল্পনাৰ। দৰ্শকে নিশ্চুপ হৈ চাই আছে কল্পনাক আৰু কল্পনাৰ অইল পেইণ্টিং ??? পোট্ৰেইট খনক। কোনো সুৰুঙা নাই — নাই একো অমিল। অপূৰ্ব সৃষ্টি। কিন্তু ইমান নিষ্ঠুৰ...।

... একে সময়তে সহধৰ্মিনী পৰী আৰু ল'ৰা-ছোৱালীৰ সৈতে গুৱাহাটীৰ ঘৰত ভাস্কৰ বহি পৰিল টিভিৰ সন্মুখত। টিভি চেনেলত ইটালীৰ আৰ্ট গেলেৰী। কল্পনাই দৰ্শকৰ আগত কৈ যোৱা কথাবোৰ সেমেকা চকুৰে ভাস্কৰে শুনি আছিল। আচলতে দৰ্শকৰ বহু কৌতুহলপূৰ্ণ প্ৰশ্ন কল্পনাক আগতীয়াকৈ জনোৱা হৈছিল। সেয়ে বোধহয় কল্পনাই এটা নিৰ্দিষ্ট শৈলীত তাইৰ জীৱনৰ কথাবোৰ কৈ গৈছিল। বহুতো কথা — কানৈ কলেজৰ ৰসায়ন বিভাগৰ লেবৰেটৰীত হোৱা কেমিকেল বিস্ফোৰণ এটাত তাইৰ মুখ আৰু ডিঙিৰ সোঁ অংশ জ্বলি গৈছিল। সম্পূৰ্ণ এবছৰৰ শুশ্ৰূষাৰ পিচত তাই আৰোগ্য হ'ল যদিও জ্বলা মুখ আৰু ডিঙিয়ে তাইৰ মৰমলগা মুখখন বিকৃত কৰি তুলিছিল। এইখিনি সময়ত ভাস্কৰে তাইক সংগ দিছিল - কাৰণ সিহঁত দুয়ো সহপাঠী আছিল। আৰু এসময়ত সিহঁতৰ বন্ধুত্বৰ আঁৰত গঢ়ি উঠিছিল অলপ মৰম, অলপ ভালপোৱা। কল্পনাক মনোবল দিয়া, অনুপ্ৰেৰণা দিয়া ভাস্কৰেই তাইৰ হাতত ৰং তুলি তুলি দিছিল - জীৱনক এক অন্য ৰূপত চাবৰ বাবে, সজাবৰ বাবে। সেয়া বহু বছৰৰ আগৰ কথা। এটা দুৰ্বল মুহূৰ্তত ভাস্কৰে কল্পনাক বিয়াৰ প্ৰস্তাবো দিছিল। কিন্তু কল্পনাই ভাস্কৰক বহুত উচ্চ স্থান দি সেই প্ৰস্তাব প্ৰত্যাখ্যান কৰিছিল। এটা সময়ত কল্পনাৰ জীৱনৰ পৰা ভাস্কৰ আঁতৰি গৈছিল। যোগাযোগবোৰ ক্ষীণ হ'বলৈ ধৰি এটা সময়ত নোহোৱাই হৈ গ'ল। আৰু আজি সুদীৰ্ঘ....

হঠাৎ X periaৰ সুৰে কোঠাটো ৰজনজনাই গ'ল। ম'বাইলৰ স্ক্ৰীণত চীফৰ নাম। ততাতৈয়াকৈ ৰিচিভ কৰিলো। Boardৰ পৰা জৰুৰী বাৰ্তা আহিছে। মোৰ চাৰ্জৰ পৰা CAR2ৰ ৰিপোৰ্ট যোৱা নাই। কৈফিয়ৎ দিলো। সমস্যাটো চিষ্টেম ৰিলেটেড। এই বিষয়ে Boardৰ অধীনস্থ চিষ্টেম উইংচক কেইবাবাৰো জনোৱা হৈছে। আধা ঘণ্টাৰ ভিতৰতে এটা ৰিপোৰ্ট বনাই তথ্য সহকাৰে শ্বিলঙৰ অফিচলৈ ফেক্স কৰিলো। এটা ক্ষেত্ৰত মই সদায় সুখী। মোৰ তলতীয়া বিষয়া-কৰ্মচাৰী প্ৰায় সকলো কামতেই বৰ নিপুণ। কেতিয়াবা বহুত জটিল পৰিস্থিতিতো তেওঁলোকৰ সহযোগিতা আৰু বিশেষণে জটিল মেৰপাকবোৰ নোহোৱা কৰি দিয়ে।

আজৰি হোৱাৰ আগে আগেই আৰু এটা জৰুৰী

বাৰ্তা আহিল। কাইলৈ এটা ভিডিঅ' কনফাৰেঞ্চ আছে। তাৰ বাবে এটা প্ৰফৰ্মা ৰিপোৰ্ট লাগে। হাতত সময় কম। Outstationৰ বিষয়াসকলক ফোন যোগে ৰিপোৰ্টবোৰ দুঘণ্টাৰ ভিতৰতে দিবলৈ কোৱা হ'ল। তেনেতে মোৰ পিয়ন ৰমেন সোমাই আহিল একাপ চাহ লৈ। সঁচাকৈয়ে একাপ চাহৰ বৰ প্ৰয়োজন আছিল।

মনত বহুত কথাই ভিৰ কৰিছে। বহুতো কথা। কামবোৰ বিভিন্ন দিশত আৰম্ভ হৈয়েই গৈছে। কিন্তু কিয় জানো এটা নিৰ্দিষ্ট গতত আনিব পৰা নাই। যেন বহুতো খেলিমেলিত সোমাই পৰিছো।

দুৱাৰত মৃদু টোকৰ দুটা দি ৰমেন সোমাই আহিল। এডভোকেট বৰুৱা আহিছে। আহিবলৈ ক'লো। দুখনকৈ ৰিভিজনৰ দৰ্খাস্ত দিছে। তাৰে ইছ্যুবোৰ মৌখিকভাৱে অৱগত কৰিলে। মোৰ অৱসৰ লোৱাৰ সময় চাপি আহিছে। সেয়ে অৱসৰৰ পিচত মোৰ বা কি আঁচনি। মই হাঁহি হাঁহিয়েই ক'লো — অৱসৰ যেতিয়া অৱসৰেই বা অৱসৰ বিনোদন...

এক সুদীৰ্ঘ ত্ৰিশ বছৰ ধৰি এই বিভাগত আৰু তাৰ আগতেও কলেজত অধ্যাপনা আৰু পৰৱৰ্তী কালত অসম প্ৰশাসনিক সেৱাত মুঠতে সাত বছৰতকৈ অধিক কাল কটাই কৰ্মৰ পৰা অব্যাহতি লোৱাৰ সময় আহি পৰিছে। ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ কৰি থকা পৰিভ্ৰমণৰ এতিয়া যৱনিকা পৰিছে। সেইখিনি সময়...

... শ্বাতীৰ ফোন।

'তুমি কলেজলৈ আহিবা নহয়! আমাৰ মিটিং খন আৰম্ভ হ'লেই।'

মই আহি আছো বুলি জনাই বাবুল, অনিমাহঁতক মাতি পঠালো। কামৰ দিহা দি কানৈ কলেজলৈ বুলি গাড়ীত বহিলো।

... জুই ফুল জোপা
চুই দিওঁতেই খিলখিলাই উঠিল
তোমাৰো যে কথা—
ৰুমালেৰে বান্ধি নিবা আবেলিৰ কবিতা!

— গাড়ীৰ পৰা নামি বাৰান্দাই দি হাঁহি খলকনি তুলি যোৱা এজাক কলেজীয়া ল'ৰা-ছোৱালীৰ মাজত যেন অতীতটো ঘূৰাই পালো। আচলতে এই অতীতটো বিচাৰি আৰু সেই অতীতৰ ভিত্তিত বৰ্তমানৰ ভেঁটি সুদৃঢ় কৰি ভৱিষ্যতৰ পৰিকল্পনাৰে সময়-সম্পৰ্ক-মূল্য বোধ জীৱনদৰ্শন গঢ়ি তোলাৰ উদ্দেশ্যৰে আমি কানৈ কলেজৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ পোন প্ৰথমবাৰৰ বাবে কৰিবলৈ উদ্যত হৈছো। তাৰে প্ৰস্তুতিত এলানি প্ৰস্তুতি সভা। উপস্থিতিৰ সংখ্যা একেবাৰেই তাকৰ। কিন্তু আমি হতাশ হোৱা নাই। সময় আৰু স্থানৰ সীমাবদ্ধতা সত্বেও কেইবাগৰাকী লোকক আমাৰ মাজত পাইছো যিসকলে যোৱা শতিকাৰ পঞ্চাশ-ষাঠি দশকতেই কানৈ কলেজৰ পৰা স্নাতক ডিগ্ৰী লোৱাই নহয় সৰ্বভাৰতীয় আনকি আন্তৰ্জাতিক ক্ষেত্ৰতো নিজৰ পৰিচয় দিবলৈ সক্ষম হৈছে। তেখেতসকল আমাৰ গৌৰৱ — কানৈ কলেজৰ গৌৰৱ।

... শ্বাতী, বিবেকহঁতৰ সৈতে আগন্তুক সমাৰোহৰ প্ৰস্তুতিৰ অগ্ৰগতি, সমস্যাবোৰ আলোচনা কৰিলো। শৰ্মা ছাৰে বেচ কিছুদিন ধৰি মোক এটা দায়িত্ব দিছিল যিটো মই আজিলৈকে কৰিব পৰা নাই। খাওঁতে শোওঁতে প্ৰতি মুহূৰ্ততে সেই কথাটোৱে মোক আমনি দিয়ে। বিচলিত কৰে। কিন্তু কিয় যে সেই খেলিমেলি! মোৰ চিন্তাধাৰাত মামৰে ধৰিছে — তেনে যেনেই লাগে...

... অফিচৰ পৰা ফোন আহিল। ভিডিঅ' কনফাৰেঞ্চৰ ৰিপোৰ্ট সম্পূৰ্ণ হৈছে। শ্বাতীহঁতৰ পৰা বিদায় লৈ অফিচ পালোহি। শ্বিলঙত ডিচেম্বৰ মাহৰ ঠাণ্ডাতো নিশা সাত বজালৈকে সকলো কৰ্মচাৰী ব্যস্ত। ৰিপোৰ্টবোৰত অনুমোদন জনাই কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিলো। ঘৰ পাওঁতে প্ৰায় আঠ বাজিল। গা-পা ধুই গোসাই ঘৰত চাকি জ্বলালো। তাৰ পিচত আখত ঘৰত নিশাৰ আহাৰ - লগতে পিচদিনাৰ পুৱা-দুপৰীয়াৰ সাজো তৈয়াৰ কৰি ল'লো। হাতত এটা পেগ লৈ টিভিৰ নিউজ চেনেলটো অন কৰিলো।

এই প্ৰকাণ্ড ঘৰটোত সদ্যহতে মই অকলেই থাকো। পৰিয়াল মুম্বাইত। নিৰ্জনতাৰ সৈতে মোৰ বন্ধুত্ব

পুৰণিদিনীয়া। বিশ বছৰৰ আগতে গুজৰাটৰ ৰাজকোটত থাকোতেই নিৰ্জনতাৰ সৈতে মই বন্ধুত্ব পাতিছিলো। অৱশ্যে মই থ্ৰ' কৰা ডিনাৰবোৰত আটাইতকৈ বেচি সমাগম হৈছিল আৰু তাতকৈ বেছি হৈ পৰিছিল মুখৰ। তেতিয়া এটা সায়েৰী মই প্ৰায়েই আওঁৰাইছিলো—

অকেলা হু পৰ আবাদ কৰ দেতা হু বিৰানা

বহুত ৰুয়েগী মগৰ মেৰী বাদ য়ে শামে অহায়ী... (অকলে থাকোঁ, কিন্তু নিৰ্জনতাক মুখৰতাৰে পূৰ্ণ কৰি তোলা, মোৰ অবিহনে কিন্তু এই নিসংগ সন্ধ্যাই টুকিব অজস্ৰ চকুলো।।)

... শেতেলীত শুই পৰোতে নিশা এপৰ হ'ল।

... সমুখত এখন বিশাল পথাৰ। আগলৈ এটা মন্দিৰ। পথাৰ পাৰ হৈ মন্দিৰলৈ যোৱাৰ চিৰিবোৰত উঠিছো। হঠাৎ এটা চিৰিৰ পৰা তাৰ ওপৰৰ চিৰিটোৰ মাজত যেন বহু ব্যৱধান। উঠিব বিচাৰিছো। উঠিব পৰা নাই। বগাব বিচাৰিছো নাই পৰা। ওপৰত মন্দিৰৰ চোতালৰ পৰা এজনে মোক ঘোপাকৈ চাই আছে। কোন তেওঁ! চিনাকি চিনাকি লাগিছে। কিন্তু কোন তেওঁ! তেওঁ মোক কিবা সুধিছে। মই কিবা কৈছো। মই জনাখিনি কৈছো। কিন্তু তেওঁ বাৰে বাৰে কিবা কৈছে। মোৰ কথাত তেওঁ সন্তুষ্ট হোৱা নাই। তেওঁ মোক তাছিল্য কৰিছে - শলঠেকত পেলাবলৈ যত্ন কৰিছে। মই ঘামি গৈছো। তেওঁলৈ চাই আছো। হয়-হয় মনত পৰিছে। মোৰ দেউতাৰ বন্ধু। তেওঁক মই চিনি পাইছো। তেওঁ মামুদ আলি। চিভিল চাৰ্ভিছ ইণ্টাৰভিউ বোৰ্ডৰ এজন সদস্য। অৱসৰপ্ৰাপ্ত ভাৰতীয় আৰক্ষী বিভাগৰ বিষয়া। ইউ পি এচ চিত মোৰ প্ৰথম ইণ্টাৰভিউ। আধা ঘণ্টাজোৰা এই ইণ্টাৰভিউত তেখেতে এটা মাত্ৰ প্ৰশ্ন কৰিবলৈ গৈ প্ৰায় আধাখিনি সময় ল'লে। প্ৰশ্নটো আছিল সাধাৰণ —

'তোমাৰ ঘৰ ডিব্ৰুগড়?'

'হয়।'

'কোৱাচোন - CTC আৰু Orthodox-tea ৰ মাজত পাৰ্থক্য কি?'

মই অলপ সময় ল'লো। ক'লো যে মূলত পাৰ্থক্য টো manufacturingত। CTC হৈছে গুৰি চাহপাত আৰু Orthodox হৈছে Leatz tea ।

লগে লগে গুজৰি উঠিল আহিল চাহেব। ক'লে — 'তুমি ডিব্ৰুগড়ৰ বাসিন্দা, য'ত টাউনতেই চাহ বাগিছা আছে। ডিব্ৰুগড়খন চাহ বাগানেৰে ভৰা। অথচ চাহৰ সন্দৰ্ভত তোমাৰ সম্যক জ্ঞান একো নাই।

মোৰ এনেকুৱা লাগিছিল যে মোৰ সাংঘাটিক জ্বৰ হৈছে। সমগ্ৰ শৰীৰ যেন উত্তাপত জ্বলি গৈছে। কাণ-মূৰ ৰঙা পৰিছে নেকি! দুই-তিনি মুহূৰ্তৰ এই অনুভৱ মই আঁতৰাই হাঁহো হাঁহো কৰি ৰ'লো আৰু ক'লো — মোৰ জ্ঞান সেইখিনিলৈকে সীমিত। তাৰ উত্তৰত তেওঁ অতি উত্মাৰে মোক তাছিল্য কৰিবলৈ আৰম্ভ কৰিলে যদিও মই বিচলিত নহ'লো। মোৰ বাহ্যিক প্ৰকাশভংগী একেই ৰাখিলো। বৰঞ্চ মোৰ অজ্ঞতাক মই চাপোৰ্ট কৰিলো। বহুবাৰ কৰা তাছিল্যৰ অন্তত তেখেতে পৰৱৰ্তী প্ৰশ্নৰ বাবে আন এগৰাকী সদস্যক সুবিধা দিলে।

হঠাৎ সাৰ পাই উঠিলো। বিচনাখন ঘামত তিতি গৈছে। অভাৱনীয় সপোনটোৰ কথা ভাবিলো। মোৰ অবচেতন মনত চাগৈ এই কথাবোৰে কেতিয়াবা টৌ খেলি যায়। চিভিল চাৰ্ভিছৰ ইণ্টাৰভিউ এটা বিৰল অভিজ্ঞতা। জ্ঞানৰ জোখ-মাখ ৰিটেন টেষ্টতেই হৈ যায়। সেয়ে ইণ্টাৰভিউ বোৰ্ডে আন কিবা বিচাৰে — আত্মবিশ্বাসী, প্ৰকাশভংগী আৰু সৰ্বোপৰি সিদ্ধান্ত ল'ব পৰা ক্ষমতা আৰু অবিচলিত মন। সেইবাবেই মই চিভিল চাৰ্ভিছত উত্তীৰ্ণ হৈছিলো। পৰৱৰ্তী ইণ্টাৰভিউ এটাত মই যথেষ্ট ভাল কৰিছিলো কাৰণ আগৰ ইণ্টাৰভিউটোৱে মোক এটা দিশ দিছিল। ইণ্টাৰভিউটোৰ চাবিকাঠি প্ৰকৃতাৰ্থত প্ৰাৰ্থীৰ হাততেই থাকে। ইণ্টাৰভিউত পৰোক্ষভাৱে বোৰ্ডে আলোচনাৰ বিষয়বস্তু প্ৰাৰ্থীকেই দিয়ে। কাৰণ প্ৰথমেই প্ৰাৰ্থীৰ বায়দাতা প্ৰকাশ কৰা হয় ইণ্টাৰভিউ টেবুলত। তাৰ ওপৰত সাধাৰণ দুই এটা প্ৰশ্ন কৰোতেই ইচ্ছা কৰিলে প্ৰাৰ্থীয়ে এটা নিৰ্দিষ্ট বিষয় আলোচনাৰ মাজলৈ টানি আনিব পাৰে। যদি সেই বিষয়ত আলোচনা হয় তেন্তে সেই আলোচনাই নিৰ্ধাৰিত সময়খিনি সম্পূৰ্ণ কৰিব পাৰে।

... অফিচলৈ যোৱাৰ প্ৰাক্‌মুহূৰ্তত ফোনটো বাজি

উঠিল। জবাই কৰিছে। সাংস্কৃতিক সন্ধিয়াৰ বাবে প্ৰোগ্ৰেমখন চূড়ান্ত কৰিছে। আমাৰ এটা বিশেষ আইটেম — কোৰাচ। যোৱা শতিকাৰ পঞ্চাশ আৰু ষাঠি দশকৰ প্ৰায় হেৰাই যোৱা কেইটামান সমবেত সংগীতৰ এখনি শৰাই।

... ভিডিঅ' কনফাৰেঞ্চৰ বাবে আজি বাহিৰৰ বা উৰ্দ্ধতম কৰ্তৃপক্ষৰ পৰা কোনো ফোন অহা নাই। আজৰি সময় কিছু পালো। শৰ্মা ছাৰৰ পৰা আকৌ ফোন পালো। সমাৰোহৰ স্মৰণিকাৰ বাবে মোৰ লেখাটো লাগে। এদিনৰ সময় ল'লো।

কিছু সময় অলসভাৱে আৰু কিছু সময় চিন্তামগ্ন হৈ কটালো। আমাৰ কলেজীয়া দিনবোৰৰ কথা মনত পৰিল। দিনবোৰ মোৰ সোণৰ সজাত নৰ'লে, সেই তাহানিৰ নানা ৰঙৰ দিনবোৰো।

হয় জানো! এতিয়াওচোন চৌকাষে স্মৃতিবোৰ সজীৱ হৈ আছে। জবা, ৰেবা, সুস্মিতা, ৰাজীৱ, জীৱন, সুনীল, মীৰা, দিগন্ত, ৰমেন, উপেন, কীৰ্তি, বদন, ৰমলা, হাচনাহানা, তছলীমা — সকলোবোৰ চোন স্মৃতিৰ মণিকোঠাত সজীৱ হৈ আছে।

We had joy we had fun
We had seasons in the sun
But the hills that we climbed
W're whether seasons out of time

We had joy we had fun
We had seasons in the sun
But the wine & the songs
????? whether seasons out of time!!

ঘড়ীটোলৈ চালো।

কল্পনাক লৈ আৰম্ভ কৰা ??? পোট্ৰেইট গল্পটি লিখিবলৈ কাগজ-কলম গোটাই ল'লো।

□□□□□

*"এদিনৰ কথা — দিনৰ এটা ভাগত বজাৰত চান্দা তুলি, আমি কলেজলৈ ঘূৰি আহিছোঁ। এনেতে দেখোঁ এজন ৰিক্সাৱালা (Rickshaw-wala) আমাৰ ফালে আগবাঢ়ি আহিছে। আহি আহি সি আমাৰ ওচৰ পালে আৰু আমাৰ সম্মুখৰ মেজখনতে টকা এটা থৈ ক'লে, "চাৰ, আপোনালোকে চান্দা তোলোঁতে মই বজাৰত নাছিলোঁ। সেইবাবে মোৰ চান্দাকণ দিবলৈহে ইয়ালৈ আহিছোঁ।" এই মহান ৰিক্সাৱালাৰ মহত্ত্বই মোক ভাৱপ্ৰণোদিত কৰি তুলিলে। মেজৰ পৰা টকাটো তুলি ললোঁ আৰু এটা বাকচত ভৰাই বাকচটোৰ গাত লিখি থ'লো ঃ "Princely donation of a noble soul" (এখনি মহৎ অন্তৰৰ এক ৰাজ-অৱদান) । মহত্ত্বপূৰ্ণ এই সৰু ঘটনাটি মোৰ মানসপটত চিৰ উজ্জ্বল, চিৰ সেউজীয়া।"*

— ড° যোগীৰাজ বসু



# বিজ্ঞানমনস্কতা আৰু সংবাদপত্ৰ

*প্ৰসেনজিৎ চৌধুৰী*
*প্ৰাক্তন ছাত্ৰ*

সৰস ভংগীৰে সাৰগৰ্ভ মন্তব্য দিয়াত বাৰ্ট্ৰাণ্ড ৰাছেল অদ্বিতীয়। এবাৰ গণ-হিষ্টিৰিয়াৰ আলোচনা প্ৰসংগত তেওঁ এখন ফটোৰ কথা উল্লেখ কৰিছিল। ফটোখনৰ বিষয়বস্তু বেছ চিত্তাকৰ্ষক ঃ মধ্য আফ্ৰিকাৰ এজাক হাতী পোন প্ৰথমবাৰৰ বাবে এখন উৰাজাহাজ দেখি আতংকগ্ৰস্ত হৈ পৰিছে। বিৰাট শব্দ কৰি আকাশেৰে উৰি যোৱা অচিনাকী 'জন্তু'ৰ দৃশ্যই সন্ত্ৰস্ত কৰা হাতীজাকৰ আচৰণ আচলতে গণ হিষ্টিৰিয়াৰ এক সুন্দৰ দৃষ্টান্ত। এই দৃষ্টান্তটোৰ পিচতেই ৰাছেলে এযাৰ মন্তব্য দিছে ঃ As, however, there were no journalist among them, the terror died down when the areoplane was out of sight. (Bertrand Russell's Best, P. 31-32) অৰ্থাৎ হাতীৰ মাজত সাংবাদিক নথকা হেতুকে সিহঁতৰ আতংক দীৰ্ঘস্থায়ী নহ'ল। ৰাছেলৰ এই তিৰ্যক মন্তব্যৰ তাৎপৰ্য স্পষ্ট ঃ জনসাধাৰণৰ মাজত বিয়পি পৰা অহেতুক বা অতিৰঞ্জিত উত্তেজনা-উদ্বেগ-উৎকণ্ঠা-যুক্তি বুদ্ধিৰে প্ৰশমিত কৰাতকৈ তাক দীৰ্ঘস্থায়ী কৰাৰ প্ৰতিহে সাংবাদিকৰ আগ্ৰহ বেছি।

ৰাছেলৰ যি আওপকীয়া অভিযোগ, সি সকলোৰে বাবে গ্ৰহণযোগ্য নহ'ব পাৰে। চিন্তাবিদগৰাকীয়ে নিজেও নিশ্চয় সকলো সংবাদ পত্ৰক একেশাৰীতে থোৱা নাই। পিচে বহুল প্ৰচাৰিত বহুতো সংবাদপত্ৰৰ ভূমিকা দেখি এটা কথা ডাঠি ক'ব পাৰি ঃ ৰাছেলৰ যি মন্তব্য তাত সত্যতা থকাটো খাটাং। অসমৰ ক্ষেত্ৰত বোধহয় তেওঁৰ মন্তব্যযাৰ অধিক প্ৰযোজ্য। উত্তেজক বা-বাতৰিৰে মানুহক নিচাগ্ৰস্ত কৰি ৰখাটো সম্প্ৰতি একাংশ সংবাদপত্ৰৰ অন্যতম বৈশিষ্ট্য হৈ পৰিছে। এই উত্তেজনা অৱশ্যে ভিন্ ভিন্ ধৰণৰ ঃ লোমহৰ্ষক হত্যাকাণ্ডৰ পৰা জাতীয় অস্তিত্ব ভূ-লুণ্ঠিত হোৱাৰ আশংকা জাতীয় সকলোধৰণৰ উত্তেজক খবৰেই সংবাদ পত্ৰত ঠাই পায়। আচলতে উত্তেজনাৰ ৰং সানিব পাৰিলে বাতৰিৰ পণ্যায়ন (commodification) অধিক ফলপ্ৰসূ হয়। মানুহৰ জীৱন যিমানেই একঘেয়া, অৱসাদপূৰ্ণ আৰু নিৰালম্ব হৈছে সিমানেই উত্তেজনা সঞ্চাৰকাৰী খবৰৰ চাহিদা বৃদ্ধি পাইছে। আনহাতে, মানুহক এবাৰ উত্তেজিত কৰিব পাৰিলে বেছ কিছুদিনলৈ তেওঁলোক অন্ধ ক্ৰেতা হৈ পৰে। তেতিয়া তেওঁলোকৰ খবৰ-ক্ষুধা ইমানেই বাঢ়ি যায় যে বাতৰিকাকতে পৰিৱেশন কৰ যিকোনা উত্তেজক খবৰকেই তেওঁলোকে চকু-কাণ বন্ধ কৰি গো-গ্ৰাসে গিলি যায়।

পৰাধীন ভাৰতত কিন্তু সংবাদ পত্ৰৰ চৰিত্ৰ বেলেগ আছিল। স্বদেশ-প্ৰেম আৰু সামাজিক দায়বদ্ধতাৰ আদৰ্শৰে উদ্বুদ্ধ হৈ তেতিয়া সৰহভাগ সংবাদ পত্ৰই নিষ্ঠা সহকাৰে নিজৰ ভূমিকা পালন কৰিছিল। অৱশ্যে সাম্প্ৰদায়িক সংঘাতৰ সময়ত একাংশ কাকতে প্ৰকাশ্য পক্ষপাতিত্বৰ পৰিচয় নিদিয়াকৈ থকা নাছিল। যেনে, ১৯২৬ আৰু ১৯৪৬ চনৰ সাম্প্ৰদায়িক দাংগাৰ সময়ত অধিকাংশ বাংলাভাষী কাকত ধৰ্মৰ ভিত্তিত দুটা শিবিৰত ভাগ হৈ গৈছিল। (K.N. Panikkar, ed., The Concerned Indian's Guide to Communalism, P. 195) পিচে এইধৰণৰ দুটা-এটা দুৰ্বলতা থাকিলেও আজিৰ দৰে সেইকালৰ সংবাদ মাধ্যম Trivialisation কবলত পৰা নাছিল। মন কৰিবলগীয়া যে, সেই কালতকৈ আজিৰ সংবাদ পত্ৰৰ সামাজিক দায়িত্ব বহু পৰিমাণে বাঢ়িছে। কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ প্ৰথম পিনে ভাৰতত দৈনিক কাকতৰ সংখ্যা আছিল

৩৩০ খন। ১৯৯৮ চনত এই সংখ্যা হ'লগৈ ৪,৮৯০ খন। (N.N. Vohra / S. Bhattacharya ed., Looking Back : India in the Twentieth Century, P.235) বাতৰিকাকতৰ এই অভাৱনীয় বংশবৃদ্ধিৰ স'তে ৰাখি মাধ্যমটোৰ দায়িত্ববোধ জানো বাঢ়িছে? সাম্প্ৰতি সৰহক্ষেত্ৰতে Trivialisation ৰ কুপ্ৰভাৱ সুস্পষ্ট ঃ গুৰুত্বপূৰ্ণ কথাবোৰক গৌণ বিবেচনা কৰা হয় আৰু গুৰুত্বহীন বা কম গুৰুত্বপূৰ্ণ কথাবোৰক দিয়া হয় মাত্ৰাধিক অগ্ৰাধিকাৰ। আচৰিত নহয় যে এই Trivialisation ৰ ফলতেই দেৱজিৎ সাহাৰ এছ. এম. এছ - নিৰ্ণীত সফলতাৰ বা সৌৰভ গাংগুলীৰ ক্ৰিকেটীয় বিফলতাৰ বাতৰিয়ে কাকতৰ বুকুত বিশেষ গুৰুত্ব পায়।

পোন আৰু সহজ কথাত- বাতৰিকাকতৰ চৰিত্ৰ মৌলিকভাৱে সলনি হৈছে। দল, গোষ্ঠী বা বিশেষ একোটা ভাবাদৰ্শৰ মুখপত্ৰ বাহিৰে আজি অধিকাংশ সংবাদ পত্ৰৰ উদ্দেশ্য ব্যৱসায়। এই মুনাফামুখী মানসিকতাৰ কাৰণেই খবৰৰ গুৰুত্ববোৰৰ সত্যতাক তাৰ বিক্ৰয়যোগ্যতাৰ ওপৰত বেছিকৈ চকু দিয়া হয়। কাকতৰ পাতত নানা তৰহৰ উত্তেজক বা-বাতৰিয়ে আগৰ পৃষ্ঠাবোৰত ঠাই পোৱাৰ ৰহস্যও ইয়াতেই নিহিত আছে। আনকি বিভিন্ন কেলেংকাৰী ফাদিল কৰাৰ যি চমক সৃষ্টিকাৰী ভংগী তাৰ নেপথ্যতো কাকতখনক ক্ৰেতাৰ চকুত লোভনীয় কৰি তোলাৰ প্ৰয়াস থাকে। (একে কাৰণতে সংবাদ পত্ৰত ৰাশিফলো প্ৰকাশ কৰা হয় বুলি মনে ধৰে)। অৱশ্যে এইখিনিতে কৈ থোৱা সমীচীন হ'ব যে সংবাদপত্ৰৰ চৰিত্ৰ ভ্ৰষ্ট হোৱাৰ আঁৰত সস্তীয়া জনপ্ৰিয়তাৰ প্ৰতি মোহ, ৰাজনৈতিক স্বাৰ্থ, সাম্প্ৰদায়িক মনোভাৱ আদিৰ বৰঙণিও কম নহয়। যি বস্তুনিষ্ঠতাক সুস্থ সাংবাদিকতাৰ অন্যতম কাম্য বৈশিষ্ট্য বুলি কোৱা হয়, তাক বিকৃত কৰা ব্যৱসায়িক বাস্তৱ বুদ্ধিৰ উপৰি অন্যান্য কাৰকবোৰে কৰো উল্লেখযোগ্য ভূমিকা থাকে।

বস্তুনিষ্ঠতা বিজ্ঞানমনস্কতাৰ প্ৰাণবস্তু। ব্যক্তিনিৰপেক্ষতা আৰু বিশ্লেষণ প্ৰৱণতাৰ আধাৰত বিজ্ঞানমনস্ক মানুহে সত্যৰ কাষ চাপিবলৈ চেষ্টা কৰে পৰম নিষ্ঠাৰে। এই বিজ্ঞানমনস্কতাৰ সৈতে সমাজৰ অগ্ৰগতি আৰু মানুহৰ চেতনাৰ উত্তৰণৰ প্ৰশ্নটো বিশেষভাৱে যুক্ত। অলপ ফঁহিয়াই চালে বুজিব পাৰি যে আজি ভাৰতবৰ্ষক যি এশ এবুৰি সমস্যা সংকটে আগুৰি ধৰিছে তাৰ পৰা উদ্ধাৰ পোৱাৰ এটি অন্যতম উপায় হ'ল বিজ্ঞানমনস্কতাৰ ঐকান্তিক চৰ্চা। এই প্ৰসংগত আমি বিজ্ঞানী আব্দুল ৰহমানৰ এষাৰ সাৰগৰ্ভ মন্তব্য উদ্ধৃত কৰিব পাৰো ঃ In India of today, torn as it is by narrow and sectarian loyalities, the only cohesive force could be a movement aiming at scientific outlook and attitude becoming the basis of social attitude and outlook.' (A. Rahman, Trimurti : Science, Technology and Society, P. 170) ৰহমানে এই কথাখিনি লিখিছিল বহু বছৰ পূৰ্বে।

আজি 'narrow and sectarian loyalities' ৰ কচৰৎ আৰু কু-প্ৰভাৱ আগতকৈ বহুত বাঢ়িছে। সম্প্ৰতি সাম্প্ৰদায়িক তথা অন্যান্য সংকীৰ্ণ স্বাৰ্থ-চিন্তাই সমাজখনক প্ৰদূষিত কৰিছে, মান্ধাতা আমোলৰ প্ৰথা-প্ৰমূল্যই মানুহক পুনৰবাৰ বেছিকৈ হেঁচা মাৰি ধৰিছে। এই পৰিপ্ৰেক্ষিতত বিচাৰ কৰি অনায়াসে ক'ব পাৰি যে ৰহমান-কথিত 'scientific outlook and attitude' ৰ প্ৰতিষ্ঠা আৰু প্ৰসাৰ আজি অত্যন্ত জৰুৰী হৈ পৰিছে।

এতিয়া প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল ঃ সাংবাদিকতাক বিজ্ঞানমনস্কতাই কি ধৰণে প্ৰভাৱিত তথা উদ্বুদ্ধ কৰিব পাৰে? আমাৰ ধাৰণা, বিজ্ঞানমনস্ক সাংবাদিকে আৱেগৰ বশৱৰ্তী নহৈ, মনত কোনো পূৰ্বধাৰণা পুহি নাৰাখি আৰু যথাসম্ভৱ নিৰপেক্ষভাৱে বিভিন্ন মত, ঘটনা, আন্দোলন আদিৰ তথ্য আৰু প্ৰয়োজন সাপেক্ষে বিশ্লেষণো কাকতৰ পাতত পৰিৱেশন কৰা উচিত। আমি যথাসম্ভৱ নিৰপেক্ষভাৱে বুলি লিখিছোঁ এইবাবে যে কোনো কোনো ক্ষেত্ৰত একেবাৰে নিৰপেক্ষ হৈ থকাটো সম্ভৱ নহয়। প্ৰকৃতিৰ ৰহস্যোদ্ধাৰত ব্ৰতী বিজ্ঞানী

আৰু সামাজিক-ৰাজনৈতিক ঘটনাৱলীৰ পৰ্যবেক্ষক সাংবাদিকৰ মাজত কিছু পাৰ্থক্য নথকা নহয়। 'বিগ বেঙ'ৰ তত্ত্ব শুদ্ধ নে অশুদ্ধ সেই প্ৰশ্নটো নিৰপেক্ষভাৱে বিচাৰ কৰাটো বিজ্ঞানীৰ বাবে সম্ভৱ। কিন্তু বিশেষ এটা আন্দোলন মংগলজনক হয় নে নহয়, এই প্ৰশ্নটোত সমাজনিষ্ঠ সাংবাদিক নিৰপেক্ষ হৈ থকাটো সম্ভৱ নহয়। পিচে এনে ক্ষেত্ৰতো তথ্য-সংগ্ৰহ আৰু পৰিৱেশনৰ বেলিকা নিৰপেক্ষতা কাম্য।

অপ্ৰিয় হ'লেও এই কথা সঁচা যে বস্তুনিষ্ঠ সাংবাদিকতাক সচৰাচৰ জাতীয়তাবাদৰ সাম্প্ৰদায়িকতাৰ বেদীত বলি দিয়া হয় সগৰ্বে, সুপৰিকল্পিতভাৱে। জাতীয়তবাদী উচ্ছ্বাস আৰু সাম্প্ৰদায়িক উত্তেজনাৰ কবলত পৰা সাংবাদিকে নিৰ্মোহ দৃষ্টিভংগীৰে ঘটনাৱলী, আন্দোলন বা মতবাদৰ বিচাৰ কৰাৰ পৰা বিৰত থাকে। সৰহক্ষেত্ৰত এনে পৰিস্থিতিত ভুৱা ঘটনা (pseudo-event)ৰ বাতৰি প্ৰচাৰ কৰি মানুহক বিভ্ৰান্ত আৰু বিক্ষুব্ধ কৰা হয়। ভুৱা ঘটনাৰ নিৰ্মাণ প্ৰক্ৰিয়াৰ এটা উদাহৰণ আমি এইখিনিতে উল্লেখ কৰিব পাৰোঁ। ১৯৯২ চনৰ কথা। ধৰ্মান্ধ গেৰুৱা বাহিনীৰ হাতত বিধবস্ত হ'ল বাবৰি মছজিদ। সেই সময়ত ভাৰতীয় জনতা পাৰ্টিয়ে প্ৰচাৰ চলালে যে কাশ্মীৰত অজস্ৰ হিন্দু মন্দিৰ ধ্বংস কৰা হৈছে। সযত্নে নিৰ্মিত এই ভুৱা ঘটনাটোক বিশ্বাসযোগ্য ৰূপ দিবলৈ তেওঁলোকে আক্ৰান্ত মন্দিৰবোৰৰ এখন তালিকাও প্ৰস্তুত কৰি উলিয়ালে, কিন্তু শীঘ্ৰেই জোলোঙাৰ পৰা মেকুৰী বাহিৰ ওলাল। এচাম সৎ সাহসী সাংবাদিকে এই সম্পৰ্কে তদন্ত চলালে। তদন্তৰ শেষত দেখা গ'ল যে গোটেই ঘটনাটো সুচতুৰ গেৰুৱা বাহিনীৰ সুপৰিকল্পিত অপপ্ৰচাৰহে। (K.N. Panikkar, ed., The Concerned Indian's Guide to Communalism, P. 183)

সাম্প্ৰদায়িকতাৰ লগত পক্ষপাতদুষ্ট সাংবাদিকতাৰ প্ৰকাশ্য সম্পৰ্কৰ স্বৰূপ বুজিবলৈ এই প্ৰসংগত আমি এটা ঘটনা উল্লেখ কৰিব পাৰো। ১৯৯০ চনত হিন্দুত্বপন্থী গেৰুৱা বাহিনীয়ে বাবৰি মছজিদৰ ওপৰত আক্ৰমণ চলাবলৈ চেষ্টা চলাইছিল। উত্তৰ প্ৰদেশৰ চৰকাৰী ভাষ্যমতে এই ঘটনাত পুলিচৰ গুলীচালনাত ১৬ জন লোকৰ মৃত্যু হয়। গেৰুৱা বাহিনীয়ে মৃতকৰ সংখ্যা কেইবা শ বুলি প্ৰচাৰ চলালে। এই ক্ষেত্ৰত হিন্দীভাষী চাৰিখন কাকতে লোৱা আপত্তিজনক ভূমিকাক প্ৰেছ কাউন্সিলেও গৰিহণা দিছিল বুলি জনা যায়। মজাৰ কথা এই যে আগ্ৰাৰ পৰা প্ৰকাশিত 'আজ' নামৰ কাকতখনৰ বেলেগ বেলেগ সংস্কৰণত মৃতকৰ সংখ্যা একে নাছিল। 'আজ' ৰ আগ্ৰা সংস্কৰণত তথা কথিত ছহিদৰ সংখ্যা আছিল ১০০, কাণপুৰ সংস্কৰণত ২০০ আৰু বেৰেলী সংস্কৰণত ৫০০ (Ibid. P. 184)

অতিৰঞ্জিত সংবাদ আৰু তথ্যৰ পক্ষপাতদুষ্ট নিৰ্বাচনৰ দ্বাৰাও সংবাদ পত্ৰই কেতিয়াবা উত্তেজনাক সংঘাতমুখী ৰূপ দিবলৈ অপচেষ্টা কৰে। বিজ্ঞানমনস্ক মানুহে পৰ্য্যাপ্ত আৰু নিৰ্ভৰযোগ্য তথ্য সংগ্ৰহ কৰি তাৰ গূঢ়াৰ্থ ফঁহিয়াই নোচোৱাকৈ কোনো সিদ্ধান্তত উপনীত নহয়। সাম্প্ৰদায়িক উত্তেজনাৰ সময়ত কিন্তু তথ্য আৰু যুক্তিক বুঢ়া আঙুলি দেখুৱাই একাংশ সংবাদপত্ৰ অপপ্ৰচাৰৰ নিৰ্বিবেক সহযোগী হৈ পৰে। এই অপপ্ৰচাৰৰ অন্যতম বৈশিষ্ট্য হ'ল অন্ধ সাধাৰণীকৰণ, য'ত দুই-এজন দুষ্কৃতিকাৰীৰ অপকৰ্মৰ বাবে বা কোনো ভুৱা ঘটনাৰ অজুহাতত গোটেই সাম্প্ৰদায়টোকেই জগৰীয়া কৰা হয়। আনহাতে সাম্প্ৰদায়িক সংঘাত-সংঘৰ্ষই জন্ম দিয়া উদ্বেগ আৰু উত্তেজনাই উৰাবাতৰিৰ কাৰণে এখন উৰ্বৰ ক্ষেত্ৰ তৈয়াৰ কৰি দিয়ে-কিয়নো At high levels of anxiety, disbelief in rumours is suspended, that is, rumours will be believed regardless how far fetched.' (S Kakar, The Colours of Violence, P. 44) এনে পৰিস্থিতিত বিজ্ঞানমনস্কতাৰ প্ৰয়োগ আৰু প্ৰসাৰৰ ওপৰত নিষ্ঠাসহকাৰে গুৰুত্ব দিয়াটো সুস্থ সাংবাদিকতাৰ এটা প্ৰধান কৰ্তব্য। কোৱা বাহুল্য যে অন্ধ সাধাৰণীকৰণ আৰু উৰাবাতৰিৰ বিশ্বাসযোগ্যতাক যুক্তি - বুদ্ধিৰে নিৰপেক্ষভাৱে চালিজাৰি চোৱাটো যে অত্যন্ত জৰুৰী সেই শিক্ষা আমি বিজ্ঞানমনস্কতাৰ পৰাই পাওঁ।

সংবাদ পত্ৰৰ ভূমিকাৰ সৈতে, বিজ্ঞানমনস্কতা অন্যভাবেও জড়িত। আমি আজি চকুৰ আগতে দেখিছো কেনেকৈ সমাজৰ সকলো স্তৰতে জ্যোতিষ, বাস্তুশাস্ত্ৰ, ফেংচুই, বাবাজী, মাতাজী আদিৰ প্ৰভাৱ ক্ৰমে বাঢ়িব ধৰিছে। বাতৰিকাকততো কেতিয়াবা অলৌকিক চিকিৎসা বা ভূতৰ উপদ্ৰৱৰ কথা পঢ়িবলৈ পোৱা যায়। যুক্তিনিষ্ঠ অনুসন্ধানমূলক সাংবাদিকতাই এইধৰণৰ বহুল প্ৰচাৰিত ঘটনাবোৰৰ আচল স্বৰূপ উদঙাই দিব পাৰে। এনে তাৎক্ষণিক তদন্তৰ পৰা পঢ়ুৱৈ সমাজে কেৱল অলৌকিক ঘটনাৰ প্ৰকৃত ৰহস্য জনাই নহয়, বৈজ্ঞানিক অনুসন্ধানৰ পদ্ধতি সম্পৰ্কেও কিছু ধাৰণা লাভ কৰিব বুলি আশা কৰা যায়। আনহাতে কেইবছৰমান আগতে যিজন বাবা ফকিৰে বহু ৰোগীক ৰোগমুক্ত কৰিছিল তেওঁ এতিয়া কি কৰিছে, তেওঁৰ নিজৰ স্বাস্থ্যৰ অৱস্থাই বা এতিয়া কেনে, আগৰ দৰে তেওঁৰ চোতালত মানুহৰ সমাগম হয়নে, যদি নহয় তেন্তে তাৰ কাৰণ কি- এইধৰণৰ প্ৰশ্নৰ উত্তৰ বিচাৰিও সাংবাদিকসকলে অধুনা-বিস্মৃত অলৌকিক চিকিৎসকৰ কাষ চাপিব পাৰে। কোৱা বাহুল্য, এটা ঘটনাক অনুসৰণ কৰি পৰৱৰ্তীকালতো অনুসন্ধান চলোৱাৰ যি পদ্ধতি - যাক Follow-up investigation বোলা হয় - তাৰ সহায়ত সংবাদ পত্ৰই অলৌকিক দাবীৰ ফোঁপোলা স্বৰূপ বুজাই দি বিজ্ঞানমনস্কতাৰ প্ৰসাৰৰ বাট মোকলাই দিয়াত বৰঙণি যোগোৱাটো সম্ভৱ।

সংবাদ পত্ৰৰ পাতত বা-বাতৰিৰ উপৰি চিন্তামূলক আলোচনাও ছপা হয়। এই ধৰণৰ ছিৰিয়াছ লেখাৰ জৰিয়তেও সংবাদ-পত্ৰই বিজ্ঞানমনস্কতাক জনপ্ৰিয় কৰি তোলাত আগভাগ ল'ব পাৰে। যুক্তিমনস্ক লেখকৰ পুথি এখন এমুঠি আগ্ৰহী পাঠক-পাঠিকাইহে পঢ়ে, কিন্তু বহুল প্ৰচাৰিত কাকতত ছপা হোৱা নিবন্ধ এটা অজস্ৰ মানুহে পঢ়ে। এই দিশটোৰ প্ৰতি চকু দি সংবাদ পত্ৰৰ সমাজনিষ্ঠ গুৰি ধৰোঁতাসকলে যুক্তি-আশ্ৰয়ী লেখা আৰু বাতৰিক বিশেষভাৱে গুৰুত্ব দিয়া উচিত বুলি মনে ধৰে। অৱশ্যে এই দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ হ'লে এচাম বিজ্ঞানমনস্ক লেখকৰো প্ৰয়োজন। আমি আন্তৰিক আগ্ৰহেৰে তেনে এচাম লেখকৰ কাৰণে বাট চাই আছোঁ। এই ক্ষেত্ৰত আমি যে হতাশ হোৱাৰ সম্ভাৱনা কম তাৰ উজ্জ্বল ইংগিত আমি ইতিমধ্যেই দেখা পাইছোঁ।

□□□□□



# তুমি অপৰাজেয়

ফণীন্দ্ৰ সেনাপতি
প্ৰাক্তন ছাত্ৰ



সঁচাকৈয়ে তুমি অপৰাজেয়
তুমি বৰষুণত তিতিছা
ৰ'দত দহিছা,
ধূলিৰ স'তে খেলিছা আৰু
তপত বালিত খোজ দিছা।
কিন্তু তথাপিও নাই তোমাৰ কোনো আক্ষেপ
নাই কোনো অভিযোগ
নোপোৱাৰ কোনো বেদনাক লৈ
নোহোৱা তুমি অনুতপ্ত।
মুখত তোমাৰ সেই চিৰপৰিচিত হাঁহিটি লৈ,
প্ৰতিদিন আহিছা যুদ্ধক্ষেত্ৰলৈ,
যুদ্ধক্ষেত্ৰৰ ৰণুৱা ঘোঁৰাৰ দৰেই,
তুমি থকা সদা সন্ত্বম।

হাঁহি-হাঁহি যুদ্ধক্ষেত্ৰত নামিব পাৰা তুমি,
হাঁহিৰেই বশ কৰিব পাৰা তোমাৰ শত্ৰুক,
সঁচাকৈয়ে তুমি অপৰাজেয়।
তোমাৰ শক্তি দেখি আজি মই লজ্জিত -
আজি মই ভাগৰুৱা,
কিন্তু বিচাৰো তোমাক এনেদৰেই সদায়,
যেন ভাগি নপৰা কোনোদিন।
কিয়নো তোমাৰ সেই হাঁহিৰেই
জিনিছা জগত আজি,
সকলো অতিক্ৰমি।
সঁচাই তুমি অপৰাজেয়।

১৯৪৮ চনত বিনন্দ চন্দ্ৰ বৰুৱাদেৱৰ দ্বাৰা সম্পাদিত "ডিব্ৰুগড় কলেজ (বৰ্তমান কানৈ কলেজ) আলোচনীত" প্ৰকাশিত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ এই অভিভাষণটি মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ পৰা সংগ্ৰহ কৰি পুনৰ প্ৰকাশ কৰা হ'ল।

সংগ্ৰাহক
**তৰুণ কুমাৰ গগৈ**
সদস্য — স্মৰণিকা সম্পাদনা সমিতি,
প্ৰাক্তন ছাত্ৰৰ পুনৰ মিলন সমাৰোহ, ২০১৩ চন।

# ডিব্ৰুগড় কলেজৰ বছৰেকীয়া সঙ্গীত সন্মিলনৰ সভাপতিৰ অভিভাষণ

*জ্যোতি প্ৰসাদ আগৰৱালা*

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল আৰু সুধী সমাজ — আজিৰ সন্মিলনলৈ দিয়া নিমন্ত্ৰণৰ বাবে আপোনাসকলৰ শলাগ লৈছোঁ। মানৱ সংস্কৃতিৰ শ্ৰেষ্ঠ সম্পদ সুকুমাৰ কলাৰ বিষয়ে বহলকৈ আপেনালোকক নকলেও হব। আমাৰ জীৱনত সংস্কৃতিৰ কি মূল্য, সুকুমাৰ কলাৰ কি স্থান — আদি যুগৰে পৰা সুকুমাৰ কলাই মানুহৰ সাংস্কৃতিক প্ৰগতিত কি সহায় কৰিছে আৰু মানুহৰ দিনটিয়া জীৱন সুন্দৰ কৰিবলৈ মধুৰ কৰিবলৈ — সুকুমাৰ কলাৰ কি দান, তাক আপোনাসকলে জানেই। তথাপিও সংস্কৃতি আৰু সুকুমাৰ কলাৰ বিষয়ে মোৰ মনত খেলোৱা দুই এটা কথা বোধ কৰো কলে আপোনাসকলে আমনি নাপাই।

সাধাৰণতে আজি কালি সংস্কৃতি বুলিলে সুকুমাৰ কলাকেই বুজে। কিন্তু অকল সুকুমাৰ কলাই মানুহৰ সংস্কৃতি নহয় আৰু অকল সুকুমাৰ কলা সাহিত্য ইত্যাদিয়েই সংস্কৃতি নহয়। এইবোৰ মানৱ সংস্কৃতিৰ এভাগহে মাথোন। মানৱ সংস্কৃতিৰ আনটো ভাগ হৈছে মানুহৰ স্বভাৱত সৌন্দৰ্যৰ প্ৰয়োগ। আৰু এই স্বভাৱৰ সৌন্দৰ্য প্ৰকাশ পাই মানুহৰ সৈতে সমন্ধত, মানুহৰ প্ৰাণী জগতৰ প্ৰতি হোৱা দৃষ্টিত। এটা ব্যক্তিৰ বা এটা জাতিৰ যদি এটা ভাগৰ উৎকৰ্ষ থাকি আন ভাগটোৰ নাথাকে তেন্তে সি পূৰ্ণসংস্কৃতি নহয়। পূৰ্ণসংস্কৃতি নহলেই মানুহৰ জীৱনত তাৰ সাম্য নাথাকে। Cultural Balance নথকা ব্যক্তিয়েই হওক বা জাতিয়েই হওক মানৱ জীৱনৰ পূৰ্ণ আনন্দ লাভ কৰিবলৈ অক্ষম হয় — আৰু প্ৰায়েই অধঃপাতলৈ যায়। পৃথিৱীৰ বুৰঞ্জীত এই Balanced Cultural অৰ দৃষ্টান্ত আজিলৈকে বৰ কমেইহে পোৱা গৈছে। আমাৰ ভাৰতত এদিন এনে এটা Cultural Balance অৰ অৱস্থা যদিও এবাৰ পাইছিল — তথাপিও কেৱল মানুহৰ স্বভাৱকে সুন্দৰ কৰি আৰু তাতেই জীৱনৰ সকলো মূল্য দি বাস্তৱ সংস্কৃতি সভ্যতাক মায়া বুলি উপেক্ষা কৰিবলৈ যাওতে আমাৰ অধঃপতন হল। আজি আকৌ পাশ্চাত্য দেশত সংস্কৃতিৰ এভাগ — মানুহৰ স্বভাৱৰ সৌন্দৰ্য প্ৰচেষ্টাক উপেক্ষা কৰি তাৰ, আচল মূল্য নিদি কেৱল বস্তুসংস্কৃতিকেই সাৰ কৰিবলৈ যোৱাৰ ফলত — মানুহৰ জীৱনৰ পৰা আনন্দ নোহোৱা হৈ — ধ্বংস আৰু সৰ্ব্বনাশ আহি মানৱ জাতিৰ দুৱাৰ দলিত ঠিয় হৈ বিকট হাঁহি মাৰিব লাগিছে। এই সংস্কৃতিৰ দুয়োভাগৰ মূল্য যেতিয়া মানৱ জাতিয়ে ভালকৈ উপলব্ধি কৰি সেইদৰে সংস্কৃতি ৰচনা কৰি মানুহক সেই পূৰ্ণ সংস্কৃতি Balanced Cultural অলৈ নিব পাৰিব তেতিয়াহে মানুহৰ পৃথিবলৈ শান্তি আহিব — আৰু মানুহ মহামহত্বৰ বাটেদি গৈ পৃথিৱীত

আনন্দৰ স্বৰ্গৰাজ্য স্থাপন কৰিব পাৰিব। সেই কাৰণেই কব খোজো বস্তুৰ মাজেদি প্ৰকাশিত হোৱা সংস্কৃতিৰ সমানে সমানে মানুহৰ স্বভাৱৰ মাজেদি প্ৰকাশ হোৱা মানুহৰ সংস্কৃতিও যদি প্ৰকাশ নহয় তেন্তে মানুহৰ সংস্কৃতি সম্পূৰ্ণ নহয়। সুকুমাৰ কলাৰ যদি এখন দেশত অতি উচ্চ বিকাশ হয় কিন্তু তাৰ মানুহৰ স্বভাৱ বনৰীয়া জন্তুৰ দৰেই হৈ থাকে — নিজৰ ভিতৰত খোৱা কামোৰা, হিংসাহিংসি — তেন্তে সেই সুকুমাৰ কলাৰ সেই বস্তু সংস্কৃতিৰ কি অৰ্থ হল? তাৰ মানুহৰ জীৱনত আনন্দ দিয়াৰ ফালৰ পৰা একো সাৰ্থকতাতো নহল। সেইদৰেই যদি যোগ সাধনা কৰি, জিতেন্দ্ৰিয় হৈ মনটো পৰম শান্তিত ৰাখি বাস্তৱ জগতক এই সুন্দৰৰ প্ৰকাশক মায়া বুলি উৰাই দি হিমালয়ৰ গুহাত সোমাই থাকিল তেন্তে এই বিশ্বসংসাৰৰ মহাপ্ৰকাশত যোগ দি জীৱন ৰচনাৰ আনন্দৰ পৰা আতৰি থকাত তেজ-মঙ্গহৰে মানুহ হৈ পৃথিৱীলৈ অহাৰ অৰ্থ কি?

মানুহৰ ভিতৰ আৰু বাহিৰ মিলাইহে পূৰ্ণসংস্কৃতি হব। আজি আমাৰ সাংস্কৃতিক আদৰ্শ হব লাগিব এইটোৱেই। আজি নতুন ভাৰতে হেজাৰ বছৰৰ পিছত আকৌ নকৈ জন্ম পাই এই পূৰ্ণসংস্কৃতি ৰচনা কৰিব পাৰিলেই আমি নিখিল পৃথিৱীকে বাট দেখুৱাই নিব পাৰিম।

আজিৰ ভাৰতৰ তৰুণ তৰুণী আপোনালোক — আপোনালোকে আজি ভাৰতত এক নতুন সভ্যতা সংস্কৃতি গঢ়িবলৈ ঠিয় হৈছে — তাৰ সূত্ৰ বিচাৰিছে, — তাৰ সপোন দেখিছে — সেই সংস্কৃতিৰ ৰূপ উপলব্ধি কৰিবলৈ সাধনা কৰিছে সেইহে মই, মোৰ চিন্তাৰ দাৰিদ্ৰ্য ৰেও মোক আপোনালোকে মাতি আনিছে দেখি — মোৰ মনৰ কথাষাৰি আপোনালোকক কবলৈ আগবাঢ়িছো।

মানুহৰ স্বভাৱৰ সৌন্দৰ্য সাধনত যেনেকৈ সুকুমাৰ কলাক নিয়োজিত কৰিব পাৰি — সেইদৰেই স্বভাৱৰ সৌন্দৰ্যই সুকুমাৰ কলাকো মহত্ব দিয়ে। এই দৰে এই দুই ভাগে পাৰস্পৰিক সহায়েৰে দুইৰো উৎকৰ্ষ বিধান কৰি মানুহক প্ৰগতিৰ বাতেদি আগবঢ়াই নি মানুহৰ ভিতৰত অনন্ত সৌন্দৰ্য প্ৰয়াসীটোক প্ৰকাশৰ পৰা প্ৰকাশলৈ নি থাকে। এক প্ৰকাশৰ ভৱিষ্যতৰ প্ৰকাশ সুকুমাৰ কলাৰ মাজেদি বিৰিঙি আহিব লাগিব। তাৰ মানে আচল সুকুমাৰ কলা Art হব লাগিব Futuristic — ভাবিষ্যতিক। আৰু যি আৰ্টত এই ভৱিষ্যতে থানিকা লয়হি — অৰ্থাৎ মানৱ জাতি যি মহান বাস্তৱৰ সৃষ্টি কৰিবলৈ আদৰ্শ ধৰিছে সেই তালৈ বাট দেখুৱা দিগ নিৰ্ণয় কৰা পোহৰৰ চাকি হব, সিয়েহে আচল সুকুমাৰ কলা। আজিৰ জীৱনকো সি কৰি যাব লাগিব সুন্দৰ মধুৰ আৰু আনন্দৰে পূৰ। সেই কাৰণেই সুকুমাৰ কলা উপায় Means ও আৰু end ও। সুকুমাৰ কলা প্ৰগতিৰ শ্ৰেষ্ঠ আহিলা কাৰণ মানুহৰ মনক ইয়েই প্ৰভাৱ কৰিব পাৰে সকলোতকৈয়ে বেচিকৈয়ে। নতুন ভাৰতৰ নতুন সমাজ গঢ়িবলৈ সেই কাৰণেই সুকুমাৰ কলাৰ ফালে আমি বিশেষভাবে মন দিব লাগিব।

মানুহৰ স্বভাৱক সুন্দৰ কৰা সংস্কৃতিৰ যি প্ৰয়াস — সেইটো অহিংসাৰ প্ৰয়াস । আৰু অহিংসা মানুহে জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰিলেই — মানুহৰ সমাজৰ সকলো বৈষম্য নাইকিয়া হৈ মানুহৰ পাৰস্পৰিক ব্যৱহাৰলৈ সৌন্দৰ্য নামিব। কেৱল Non Killing অকে মই অহিংসা বোলা নাই। শোষণ, পীড়ন, দলন — স্বাৰ্থবাদ, প্ৰভুত্ব, ক্ষমতা লিপ্সুতা এইবোৰ সকলোৱেই হিংসা। সেই কাৰণেই মানুহৰ স্বভাৱৰ এই সকলোতে অহিংসা স্থিতি হলেই মানুহৰ স্বভাৱ সংস্কৃতিৰ তলতীয়া হব। মহাত্মাৰ এই সংস্কৃতিৰ বাণী অৱশ্যে বাস্তৱিক ক্ষেত্ৰত যিমান দূৰ প্ৰয়োগ কৰিব পাৰি তাক কৰিবলৈ আমি আগবাঢ়িছো। আৰু সময়ৰ লগে লগে বৈজ্ঞানিক ভাবে ইয়াক হিংসাৰ বিৰুদ্ধে কেনেকৈ প্ৰয়োগ কৰিব পাৰি তাৰ তত্ত্ব তথ্য আৱিস্কাৰ হোৱাৰ সৈতে এই বিষয়ে আমি আগবঢ়াৰ সমন্ধ যথেষ্ট।

সংস্কৃতি ইভাগত সুকুমাৰ কলা বিষয়ে আমি আজি কি কৰিম তাকেই অলপ আলোচনা কৰোঁ। সুকুমাৰ কলা বুলিলে আমি, প্ৰধানতে কবিতা, সঙ্গীত আলেখ্য, স্থাপত্য আৰু ভাস্কৰ্যকে ধৰোহঁক। আজি

কালিৰ প্ৰগতিশীল কবিতা কোন বাটেদি গৈছে তাক আপোনালোকে জানেই , তাৰো মূৰ্ত্ত হৈ অহা ৰূপৰ সৈতে আপোনালোকৰ চিনাকী আছেই। নৱভাৰতীয় আলেখ্যইও এটা প্ৰকাশ বিচাৰি ওলোৱাৰ ইঙ্গিত আপোনালোকে পাইছেই। আমাৰ আজিৰ ভাৰতীয় সঙ্গীতে আগৰ ৰাগ-ৰাগিনী ৰূপৰ পৰা ওলাই পৃথিবীৰ নানা জলবায়ুৰ পৰা অহা ন ন সুৰ আৰু ঠাঁটৰ সৈতে চিনাকী হৈ, আমাৰ ৰাজআলিয়ে আলিয়ে সাৰটা সাৰটি ফুৰাও আপোনালোকে দেখিছে। বিশেষকৈ আমাৰ আধুনিক সঙ্গীতত সঙ্গীত বিজ্ঞানৰ ফালৰ পৰা এটা ডাঙৰ কথা হব ধৰিছে সেইটো গৈছে ভাৰতীয় সঙ্গীতত হাৰমণিৰ আবিৰ্ভাৱ। ই আমাৰ সঙ্গীতৰ প্ৰভাৱ প্ৰচণ্ডভাৱে কৰিলে কথাচিত্ৰ অহাৰ পৰা। কৰ্ম্ম কোলাহল মুখৰ বাস্তৱক সঙ্গীতৰ মাজেদি প্ৰকাশ দিবলৈ আমাৰ Melody সঙ্গীত ভালকৈ নোৱাৰে। সেই কাৰণেই কথাচিত্ৰৰ অন্তৰাল সঙ্গীত — যি চিত্ৰত প্ৰতিফলিত হোৱা বাস্তৱ জীৱনকো তাৰ বাস্তৱতাৰে ফুটাই তুলিব লগা হল। তেতিয়া কেৱল Melody ৰে তাক নোৱাৰাৰ বাবেই Harmonyৰ শৰণ লব লগীয়া হ ল। আমাৰ জনসাধাৰণো কথাচিত্ৰৰ যোগেদি Harmonysed সঙ্গীতত অভ্যস্ত হৈ পৰাত কেৱল Melodic সঙ্গীত আমাৰ পুৰণি সঙ্গীতৰেই অদূৰ ভৱিষ্যতত বস্তু হৈ থাকিবগৈ বুলি ধাৰণা হৈছে। এই এটা বৰ ডাঙৰ পৰিৱৰ্ত্তন আমাৰ সঙ্গীতত হৈছে। তাৰ উপৰিও আমাৰ সঙ্গীতত Vertical Rythm নাছিল বুলিলেইও হয়। বৰ্ত্তমান Vertical Rythm আমাৰ সঙ্গীতত বিশেষকৈ সামৰিক বা বিপ্লৱী গীতবোৰত ব্য ৱহাৰ কৰিছো। এই ঘাই কথা কেইটাৰ বাহিৰেও আৰু সৰু সৰু নানা সঙ্গীতিক পৰিৱৰ্ত্তনো আমাৰ সঙ্গীতলৈ আহি আমাৰ আগৰ ৰাগৰাগিণীমূলক সঙ্গীতৰ সৈতে আধুনিক সঙ্গীতক বহু বেলেগাই পেলাইছে। আমাৰ জীৱনৰ ৰূপ, সমাজৰ ৰূপ সলনি হোৱাৰ সৈতে সঙ্গীতৰো ৰূপ সলনি হবই — আৰু নোহোৱাটোহে আচৰিত কথা। এই ভাৰতীয় আধুনিক সঙ্গীতৰ এটা লক্ষ্য কৰিবলগীয়া কথা হৈছে যে ই নিখিল ভাৰততে একে ৰূপেৰেই প্ৰকাশিত হৈছে। আগেয়ে যেনেকৈ মূলতঃ একে হোৱা সত্বেও ভাৰতীয় সঙ্গীতৰ প্ৰাদেশিক প্ৰকাশ, যথেষ্ট বিভিন্ন আছিল — এতিয়া সেইটো হোৱা নাই। আধুনিক এটা বঙালী অসমীয়া বা মাৰাঠী গানৰ পাৰ্থক্য — আগৰ হিচাবত নাই বুলিলেই হব। সেই কাৰণেই সঙ্গীতৰ ক্ষেত্ৰত আজি আমি সকলো ভাৰতীয়ই একেবাৰে একে হৈ আহিছে যদিও আমাৰ প্ৰত্যেক প্ৰদেশৰ পূৰণি সাঙ্গীতিক বৈচিত্ৰতা আমি ৰাখিবলৈ চাব লাগে — তথাপিও এই নতুন আপোনা আপুনি অহা ঐক্যকো সাদৰি লব লাগিব আমি — কাৰণ ভাৰত ৰাষ্ট্ৰৰ ৰাজনৈতিক ঐক্য ৰক্ষাত এই সাংস্কৃতিক ঐক্যই আমাক সহায় কৰিব। পৃথিবীৰ আমি এটা জাতি হৈ নানা যুজ বাগৰ স্বাৰ্থৰ প্ৰচণ্ড সংঘৰ্ষৰ মাজত তিষ্ঠি থাকিবলৈ — সৰ্ব্বভাৰতীয় ৰাজনৈতিক ঐক্য আমাৰ নহলে আমাৰ যে কাৰো পৰিত্ৰাণ নাই সেই কথাটো সদায় মনত ৰাখিয়েই সাংস্কৃতিক ঐক্যৰ বাটলৈ প্ৰদেশবোৰে নিজৰ বৈশিষ্ট্যতা একেবাৰে নেৰাকৈ যিমান দূৰ আহিব পাৰে তাৰ প্ৰয়াস অৱশ্যে কৰিবই লাগিব। ভাস্কৰ্যৰ ক্ষেত্ৰতহে আমি ভাৰতত একোনব প্ৰকাশৰ ৰেঙনি দেখা নাই। আমাৰ পূৰণি হিন্দু আৰু বৌদ্ধ ভাস্কৰ্যৰ সৈতে আপোনালোকৰ চিনাকি আছেই। আজি কেৱল আমাৰ এই ভাস্কৰ্যৰ ক্ষেত্ৰত হে আমাৰ মনটোৱে একো কৰিব নোৱাৰি বৈ থকা যেন লাগে। আজিৰ ভাৰতীয় ভাস্কৰ্যৰ যি দুই এটা নিদৰ্শক দেখা গৈছে — সেইবোৰ গ্ৰীচিয় ৰোমীয় নিদৰ্শণ আৰু আমাৰ পূৰণি ভাৰতীয় ভাস্কৰ্যৰ ছন্দৰ পৰা কোনো বৈপ্লৱিক ভঙ্গীৰে আতৰি আহিব পৰা নাই। সেই কাৰণে সেই বিষয়ে আজি আৰু আলোচনা নকৰি স্থাপত্যৰ বিষয়ে কিছু কবলৈ চেষ্টা কৰিম।

একৰকমে চাবলৈ গলে ভাৰতত থলুৱা স্থাপত্যৰ বৌদ্ধ যুগৰ পাছৰ পৰা তেনে অভিনৱ ৰূপ নাই। মোগল স্থাপত্য আৰবীয় স্থাপত্যৰ নিদৰ্শণৰ। যদিও মোগল যুগৰ আৰু তাৰ পাছত হিন্দু বৌদ্ধ, গ্ৰীচিয়, মোগল স্থাপত্যৰ সংমিশ্ৰণেৰে স্থাপত্য গঢ়া হৈছে — তথাপিও সেইবোৰৰ মাজেদি ভাৰতীয় স্থাপত্যৰ তেনেকুৱা পৃথিৱীক প্ৰভাৱ কৰিব পৰা নতুন ৰূপ ওলাই অহা নাছিল। বৃটিশৰ দিনতো

আমাৰ স্থাপত্যৰ অৱস্থা সেয়েই। এলিজাবিথিয়, যুগৰ বিলাতী স্থাপত্যই আমাৰ নাগৰিক ঘৰবাৰীৰ ওপৰত প্ৰভাৱ কৰিলে। গ্ৰীচিয় ৰোমীয় গথিক স্থাপত্যই আমাৰ ৰাজহুৱা ঘৰবাৰীত প্ৰতিফলিত হ'ল। পুৰণি ভাৰতীয় স্থাপত্য আৰু ইউৰূপীয় স্থাপত্যৰ মিহলি নিদৰ্শণৰ যদিও আমাৰ দেশত ইংৰাজ জাৰ্ম্মাণ স্থাপত্য শিল্পীৰ পৰিকল্পনা মতে ঘৰবাৰী বহুত হ'ল — কিন্তু ভাৰতীয় স্থাপত্যৰ মৌলিক বিকাশৰ ফালৰ পৰা একো নহ'ল। আজি নতুন বিশ্বস্থাপত্য — "Modern, Conart Futurish" আটাইবোৰেই — Symmetryৰে ৰৌপিক সৌন্দৰ্য্য উলিয়াই স্থাপত্য সৃষ্টি কৰিবলৈ বিচাৰিছে। আমাৰ ভাৰতীয় স্থাপত্য শিল্পীয়েও ভাৰতীয় বিশেষত্ব ৰাখি এনে ৰৌপিক সৌন্দৰ্য্যৰে নৱ ভাৰতীয় স্থাপত্য ৰচনা কৰিব লাগিব। আজি ভাৰতৰ তথা অসম দেশৰ নতুনকৈ হোৱা ঘৰবাৰীবোৰ নতুন ভাৰতীয় শিল্পী মনৰ এই ৰৌপিক সৌন্দৰ্যৰ স্থাপত্যৰ পৰিকল্পনাৰে হ'ব লাগিব। তেতিয়াহে সি আমাৰ আজিৰ স্থাপত্য হ'ব। যদি আজিৰ আমাৰ ঘৰবাৰী — বৃটিশৰ দিনীয়া স্থাপত্যৰ পৰিকল্পনাই হয় — তেন্তে ক'ব লাগিব যে — ভাৰতীয় মৌলিক প্ৰতিভা স্থাপত্যৰ ক্ষেত্ৰত মুকলি হোৱা নাই। আজি আমি ভাৰতৰ যি এটা নতুন সংস্কৃতিৰ সপোন দেখিছো — সেই নতুনৰ ইঙ্গিত দিব পৰা হ'ব লাগিব আমাৰ আজিৰ স্থাপত্য — তাৰ মানে আমাৰ স্থাপত্য Futuritic হ'ব লাগিব। আমাৰ অতীত আছিল — বৰ্ত্তমান আমাৰ নাই বুলিলেই হয় — আমি ভৱিষ্যত গঢ়িব খুজিছো। আমাৰ ভৱিষ্যতৰ জীৱনৰ ছন্দ আমাৰ আজি গঢ়া স্থাপত্যৰ ছন্দত ফুটি উঠিব লাগিব — তেহে সি আমাৰ স্থাপত্য হ'ব। আমাৰ স্থাপত্যৰ ৰূপত প্ৰতিফলিত হ'ব লাগিব ভাৰতীয় — অসমীয়া নতুন জীৱনৰ সপোন দেখা শিল্পীটোৰ মনটো। আজি যদি আমাৰ স্থাপত্যৰ কলাৰূপটো দিয়েহি আনে — তেন্তে সি আমাৰ ঘৰ হিচাবে সম্পত্তি হ'লেও — সেই ঘৰ আমাৰ ডাঙৰ কামত আহিলেও — আমাৰ আজিৰ স্থাপত্যৰ নিদৰ্শণ সি কেতিয়াও নহ'ব। সেই কাৰণেই আজি অসমৰ নতুন ৰাজহুৱা ঘৰবোৰৰ স্থাপত্যৰ ৰূপটো কোনে দিব সেই বিষয়ে সকলোৱে দকৈ ভাবিব লাগে। আজিলৈ এই খিনিতেই মোৰ কবলগীয়া কথা সামৰিবলৈ ওলালোঁ।

আজি আমাৰ নতুনৰ মনৰ — নতুন সৃষ্টি ঠন ধৰি উঠক। এক অভিনৱ সংস্কৃতি আহি এই বহুদিন জগতসভাৰ পৰা আতৰত পৰি থকা ভাৰতীয় জাতিটোক পৃথিৱীত জিলিকাই তোলক। নতুন সংস্কৃতিৰ বাটেদি ভাৰত আগবাঢ়ি যাওক।

□□□□□

# সম্পাদকৰ একাষাৰ

উজনি অসমৰ এটা বৃহত্তৰ ভৌগোলিক অঞ্চলৰ ৰাইজৰ সপোন ডিব্ৰুগড় (পাছলৈ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ) কলেজ ১৯৪৫ চনত প্ৰতিষ্ঠিত হয়। খ্যাত-অখ্যাত বহু জনৰ শাৰীৰিক-মানসিক ত্যাগৰ ফলস্বৰূপে জন্মগ্ৰহণ কৰা এই শিক্ষানুষ্ঠান সম্প্ৰতি পত্ৰে-পুষ্পে বিকশিত হৈ এক বিশেষ আয়তন লাভ কৰিছে। ইতিমধ্যে এই অনুষ্ঠানে ১৯৭১ চনত ৰজত জয়ন্তী, ১৯৯৫ চনত স্বৰ্ণ জয়ন্তী আৰু ২০০৬ চনত হীৰক জয়ন্তী উদ্‌যাপন কৰিলে। আগন্তুক ২০২০ চনত এই শিক্ষানুষ্ঠানে উদ্‌যাপন কৰিব ইয়াৰ গৌৰৱময় মহাৰজত জয়ন্তী। বিদ্যায়তনিক আৰু আন্তৰ্গাঁথনিগত দিশত কলেজখনে বিভিন্ন প্ৰকাৰে প্ৰসাৰতা লাভ কৰিছে। ইয়াৰ বিভিন্ন বিভাগে উদ্যোগ লৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ আৰু কৰ্মশালা অনুষ্ঠিত কৰিছে, কেইবাটাও বিজ্ঞানৰ বিভাগে নিজা নিজা বিষয়ৰ উন্নত গৱেষণাগাৰ প্ৰতিষ্ঠা কৰিছে, সাহিত্য-সংস্কৃতিৰ দিশতো ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যে নানা কাৰ্যসূচী আৰম্ভ কৰা হৈছে। প্ৰশাসনিক দিশতো কলেজখনৰ ভালেখিনি পৰিৱৰ্তন ঘটিছে। শিক্ষকসকলৰ সংগঠনেও বাৰ্ষিক ড° যোগীৰাজ বসু স্মাৰক বক্তৃতাকে ধৰি নানা বিদ্যায়তনিক আৰু সাংস্কৃতিক কাৰ্যসূচী ৰূপায়িত কৰি আহিছে। ইতিমধ্যে হাজাৰ হাজাৰ শিক্ষাৰ্থীয়ে এই শিক্ষানুষ্ঠানৰ চৌহদৰপৰাই বিশ্বৰ বিভিন্ন স্থানলৈ বিভিন্ন সেৱাত নিয়োজিত হ'বলৈ আগ বাঢ়ি গৈছে।

এখন শিক্ষানুষ্ঠানৰপৰা এজন শিক্ষাৰ্থীয়ে এটা ডিগ্ৰী অৰ্জন কৰাৰ পাছত সেই শিক্ষানুষ্ঠানলৈ উভতি অহাৰ পথ প্ৰায় বন্ধ হৈয়ে পৰে। পিছে যি শিক্ষানুষ্ঠানৰ চোতালত জীৱনৰ পথ-সন্ধান কৰাৰ প্ৰেৰণা অৰ্জন কৰা হয় সেই শিক্ষানুষ্ঠানৰ প্ৰতি শিক্ষাৰ্থীসকলৰ বুকুত অৱদমিত ৰূপত বৈ যায় গভীৰ হেপাহ আৰু অনুৰাগ। সেই হেপাহ আৰু অনুৰাগক সদায়ে জানো অঙ্কুৰিত নোহোৱাকৈয়ে থাকি যাবলৈ দিব পাৰে? নিজৰ কলেজখনৰ স্মৃতি জাগ্ৰত কৰি, কলেজখনলৈ উভতি আহি, কলেজখনৰ বিকাশৰ বিভিন্ন কাৰ্যসূচীত অংশ গ্ৰহণ কৰিবলৈ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ বাবেও পথ এটা লাগে।

উপৰিউক্ত লক্ষ্য আৰু উদ্দেশ্য সন্মুখত ৰাখিয়েই বিগত ২০০৩ চনত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ প্ৰাক্তন শিক্ষাৰ্থী সংস্থা গঠন হয়। অৱশ্যে সংগঠিত ৰূপত সংস্থাৰ জন্মলাভৰ পূৰ্বেই কলেজখনৰ সোণালী জয়ন্তী উৎসৱৰ অংশ হিচাপে ১৯৯৪-৯৫ চনত প্ৰাক্তন শিক্ষাৰ্থীসকল আনুষ্ঠানিকভাৱে মিলিত হৈছিল। তাৰ পৰৱৰ্তী সময়ত ২০০২ চনত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ (চমুকৈ NAAC) পৰিদৰ্শনৰ বাবে প্ৰস্তুতি চলি থকা অৱস্থাত শিক্ষানুষ্ঠানখনৰ কিছু সংখ্যক প্ৰাক্তন শিক্ষাৰ্থী পুনৰ মিলিত হৈছিল। তাৰ পৰৱৰ্তী সময়ত ২০০৭ চনত এখন সভা অনুষ্ঠিত হোৱাৰ পাছত সংস্থাৰ তৎকালীন সম্পাদক ড° শান্তনু সেনগুপ্তাৰ অকাল বিয়োগৰ ফলত সংস্থাই যথেষ্ট সাংগঠনিক সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। কাৰ্যতঃ সংস্থা সেই সময়ৰপৰাই প্ৰায় অস্তিত্বহীন হৈ পৰে। সম্প্ৰতি বহু সংখ্যক প্ৰাক্তন শিক্ষাৰ্থী মিলিত হৈ পূৰ্বৰ সমিতিক নীতিগতভাৱে ভংগ কৰি সংস্থাক পুনৰ সংগঠিত কৰাৰ বাবে যত্ন কৰিছে।

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ বহুতেই শৈক্ষিক উন্নয়ন কাৰ্যসূচীৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীলৈ শিক্ষাৰ লগতে অন্যান্য কৃতিত্বমূলক কাৰ্যৰ বাবে অনুদান, জলপানি, বঁটা, পুৰস্কাৰ আদি আগ বঢ়াই আহিছে। বহু সংখ্যক প্ৰাক্তন শিক্ষাৰ্থীয়ে ইতিমধ্যে আলোচনা চক্ৰ, কৰ্মশালা, শৈক্ষিক সন্মিলন আদিৰো আয়োজনত অংশ গ্ৰহণ কৰি সুস্থ-সবল শৈক্ষিক অনুশীলন কৰি আহিছে।

এই আগ শাৰীৰ পুৰণি শিক্ষানুষ্ঠানখনৰ বহু দিশত উন্নতি হৈছে যদিও সম্প্ৰতি জৰুৰীভাৱে পুৰণি ভৱনৰ মেৰামতিৰ লগতে নতুন আৰু উন্নত মানৰ শ্ৰেণীকক্ষ, সভাকক্ষ আৰু ক্ৰীড়া-সংস্কৃতি সম্পৰ্কীয় আন্তঃগাঁঠনিৰ প্ৰয়োজন হৈছে। সেয়েহে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ প্ৰাক্তন শিক্ষাৰ্থী সংস্থাই কলেজখনলৈ সাহায্যৰ হাত আগ বঢ়াব বুলি আশা কৰা হৈছে, যাতে আগন্তুক দিনত বিভিন্ন অনুষ্ঠানৰ লগতে ২০২০ চনত কলেজখনে পালন কৰিব লগীয়া মহাৰজত জয়ন্তীৰ বাবেও কিছু প্ৰস্তুতি সম্পন্ন হৈ উঠে।

আশা কৰা হৈছে, নতুন ৰূপত সংগঠিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ প্ৰাক্তন শিক্ষাৰ্থী সংস্থাই এনে কিছু দূৰদৰ্শী তথা কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব, যি কলেজখনৰ ভৱিষ্যতৰ পথত গুৰুত্বপূৰ্ণ হৈ ৰ'ব। সংস্থাৰ এই সন্মিলনখনে নিশ্চয় কলেজখনৰ সৈতে প্ৰাক্তন শিক্ষাৰ্থীসকলৰ বান্ধোন যুগমীয়া কৰি তুলিব।

***(ড° মিনু বুঢ়াগোঁহাই)***

*সম্পাদক*

*উদ্‌যাপন সমিতি, প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ*

*ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ, ডিব্ৰুগড়*

*"সকলো বস্তু কিনিছা কিনা, পৰাপক্ষত এখন ভাল কিতাপ কিনিবা।*

*— যতীন্দ্ৰনাথ দুৱৰা*

# "ALUMNI MEET"
## Organising committee
## The D.H.S.K.College Alumni Association

**Core Committee:**

President :

Dr. Rajee Konwarh, Principal, DHSK College, Dibrugarh. (9434030388)

Vice President :

Dr. Atikuddin Ahmed, Vice-Principal, DHSK College, Dibrugarh. (9435847211)

Working President :

Mr. Kumud Ranjan Das, Income Tax Commissioner, Dibrugarh. (9435145250)

Secretary :

Dr. (Mrs.) Minu Buragohain, Retired Professor, DHSK College, (9435030389)

Assistant Secretaries :

Mr. Anup Jyoti Bharali (9435391003)
Mr. Bhupen Kr. Gogoi (9435008088)

Treasurer :

Ms. Kalyani Barua (9435331257)

**Advisory Board :**

Mr. Prithivi Majhi,
Mr. Biju Phukan,
Mr. Mehdi Alam Bora
Mr. Jamshed Khan
Mr. Ajay Kumar Barua
Dr. Prasanta Bordoloi
Dr. Brojen Gohain
Mr. Maniram Agarwalla
Mr. Munindra Nath Sarma
Mr. Taranath Buragohain
Mr. Rajen Lohia
Dr. Poresh Barua
Mr. M. Ahmed Jilanee
Mr. Sarbananda Sonowal,
Mr. Bishnu Kharghoria,
Mr. Chandrakanta Barua,
Mr. Manindra Nath Saikia
Mr. Ashim Kr. Dutta
Mr. Rajen Gohain
Mr. Syed Saadulla
Dr. Sristi Dhar Dutta
Mr. Subudh Kr. Sonowal
Mr. Kamakhya Borthakur
Dr. Kalyan Barua
Dr. Mitali Konwar
Dr. Punyadhar Gogoi

**SUB COMMITTEES:**

**Finance:**

**Convenor :**

Dr. Partha Ganguli
Dr. Sonali C. Goswami
Mr. Suresh Hatimoria
Mr. Balbir Singh
Mr. Rituporna Barua
Mr. Jehiruddin Ahmed
Dr. Jayashree Konwarh
Mr. Surjit Singh Arora
Mr. Rajib Sahu

**Publicity :**

**Convenor :**

Mr. Titus Bhengra
Dr. Deba Prasad Phukan
Mr. Bidyut Bikash Gogoi
Mr. Tikendrajit Gogoi
Mr. Chandra Pd. Sarma
Mr. Khursid Ahmed
Mr. Ballabh Borgohain
Nawab Mintoo M. Hussain
Mr. Narendra Mahela
Dr. Rituparna Sarma
Mr. Jadav Gogoi
Mr. Dudul Gogoi
Mr. Bijanta Gogoi
Mr. Nilav Nayan Bordoloi

**Food :**

**Convenor :**

Mr. Dipankoj Gogoi
Dr. Biraj Dutta
Mr. Uttom Mohan
Mr. Abhijit Barua
Mr. Aditya Dahal
Dr. Jyoti Prasad Phukan
Mr. Krishna Kanta Bordoloi
Mr. Rajesh Sahu
Mr. Debojit Gharphalia
Mr. Babul Dihingia
Mr. Gautam Dutta
Mr. Phuleshwar Neog
Mr. Gupesh Deka
Mr. Harun Pal
Mr. Chintu Sonowal
Mr. Prasanna Deka
Mr. Ranjit Boiragi
Mr. Debaru Bhuyan
Mr. Jugananda Sensua
Mr. Rajib Lochan Bora
Mr. Himanta Timsina
Mr. D. Doungel
Mr. Ananta Dutta
Mr. Debanjan Hazarika
Mr. Boikuntha Das
Mr. Protap Senapoti
Mr. Rajesh Das
Mr. Bhairab Dutta
Mr. Banjit Deka
Mrs. Nikumoni Saikia
Mr. Dulal Gogoi
Mrs. Lakhi Das
Mr. Robin Gogoi
Mr. Nibaran Handiq
Mr. Rajani Das
Mr. Rohini Bora

**Registration:**

**Convenor :**

Dr. Chandana Goswami
Dr. Sanchita Boruah
Dr. Bharoti Dutta
Mrs. Moromi Talukdar
Mrs. Sudaksina Das Bordoloi
Mrs. Kalyani Das
Mrs. Sikhamoni Konch Deori
Mrs. Reeta Poddar
Mrs. Ramakanti Das
Mrs. Urmila Ramchiari
Mrs. Aradhana P. Bhuyan
Mr. Arjun Sah
Mr. Nitul Dutta
Dr. Meetali Chaliha
Mrs. Rita C. Thakuria
Mrs. Kalpana Barua
Mrs. Sunanada Sahu
Mrs. Sultana Hazarika
Mrs. Kumkum Chakraborty
Mrs. Anjumoni Phukan
Mrs. Bhaswati Kakoty
Mrs. Hiramoni Lalung
Mrs. Nitumoni Saikia
Mrs. Lulu M. Borgohain
Mrs. Niroda Dutta
Mr. Jotish Dutta

**Souvenir :**

**Convenor :**

Mr. Pratik Choudhury
Mr. Mohan Sonowal
Mr. Mridul Sarma
Mr. Nabajyoti Borkakoty
Mr. Raju Kumar Chetry
Mr. Prasenjit Choudhury
Mr. Muktamoni Hazarika
Mr. Tarun Kr. Gogoi
Mrs. Madhumita Purkayastha
Mr. Ananta Teron
Mr. Padma Dulakakhoria
Mr. Vedanta Vikash Barua
Dr. Sandhya Devi
Dr. Priya Dev Goswami

**Reception :**

**Convenor :**

Dr. Sikhamoni Sarma
Mrs. Rupalim Thakur
Mrs. Dinalisha Bora
Mrs. Trishna Duarah
Mrs. Henrieta Huda
Mr. Ranandra Khound
Mr. Jintu Gogoi
Mrs. Smriti Bhattacharjee
Dr. Alokananda Barua
Mr. Sailen Dutta
Mrs. Aditi Konwar
Mr. Arunjyoti Sarma
Mrs. Sobha Deka
Mr. Kusha Gogoi

**Stage :**

**Convenor :**

Mrs. Tribeni Saikia
Mr. Dilip Kumar Borbora
Dr. Ranjan Changmai
Mrs. Nomita Saikia
Ms. Mouchumi Hazarika
Mr. Pallav Dutta
Mr. Jayanta Das
Mr. Dibyajyoti Goswami
Mr. Diganta Barua
Dr. Lamkholal Doungel
Dr. Nazimuddin Ahmed
Mr. Saumen Acharjee
Mr. Abhijit Saikia
Mr. Udayshankar Mohan
Mr. Bijit Das
Mr. Subhash Dutta
Mr. Prasanta Saikia
Mr. Bhuban Jyoti Barua

**Cultural :**

**Convenor :**

Ms. R.F.Nomani
Mrs. Jharna Saikia
Dr. Bhaskar Das
Mrs. Nina Kakoty
Mr. Deepak Bora
Dr. Anjali Phukan
Mr. Ratan Choudhury
Dr. Uttara Dowerah
Mrs. Utpola Sarma
Mrs. Kalpana Barua Sengupta

**Members :**

Mr. Tarun Ch. Bora
Mrs Gaurika Ahmed
Mr. Kamal Kishore Borah
Mr. Rajib Dutta
Mr. Gopal Mili
Dr. Seema Malakar
Mr. Labanu Saikia
Mr. Kausik Dutta
Mr. Rupam Kr. Dihingia
Mr. Imran Hussain Bora
Mr. Tilok Gogoi
Mr. Subhashis Gogoi
Mr. Nabajyoti Mohan
Dr. Chinmoyee Deori
Dr. Siddartha Sarma
Mr. Santanu Bora
Mr. Mukul Ch. Das
Mr. Polashjyoti Sarmah

## List of Life Members

*Mr. Kumud Ranjan Das*
*Mr. Prithivi Majhi*
*Dr. Rajee Konwarh*
*Dr. Atikuddin Ahmed*
*Dr. Minu Buragohain*
*Mr. Anup Jyoti Bharali*
*Mr. Pratik Chowdhury*
*Dr. Sonali Chakraborty Goswami*
*Dr. Partha Ganguli*
*Ms. Rubab Fatema Nomani*
*Mr. Titus Bhengra*
*Dr. Biraj Dutta*
*Dr. Anjali Phukan*
*Dr. Sikhamoni Sarma*
*Mr. Dipankoj Gogoi*
*Ms. Smriti Bhatacharjee*
*Dr. Meetali Chaliha*
*Ms. Nitumoni Saikia*
*Dr. Bhaskar Das*
*Ms. Tribeni Saikia*
*Dr. Sanchita Boruah*
*Ms. Aradhana Priyambada Bhuyan*
*Dr. Chandana Goswami*
*Ms. Reeta Choudhury Thakuria*
*Dr. Alokananda Boruah*
*Ms. Dinalisha Bora*
*Mr. Vedanta Vikash Baruah*
*Ms. Lulu M. Borgohain*
*Ms. Anjumoni Phukan*
*Ms. Kalyani Barua*
*Mr. Manash Protim Konwar*
*Mr. ArupjyotiHazarika*
*Ms. Monjula Das Phookan*
*Dr. Ashok Todi*
*Mr. Munindra Nath Sarmah*
*Mr. Subudh Sonowal*
*Mr. Rajen Lohia*
*Mr. Kamakhya Borthakur*
*Mr. Pradeep Bora*
*Mr. Bibhas Kanti Das*
*Mr. Rajib Sahu*
*Dr. Rama Prasad Medhi*
*Dr. Poresh Barua*
*Dr. Raju Damani*
*Dr. Tazid Ali*
*Dr. Ashok Kumar Agarwal*
*Dr. Pawan Bajaj*
*Dr. Bimal Kumar Jalan*
*Dr. Vijay Kumar Bajaj*
*Dr. Basant Keshan*
*Dr. Deepak Kumar Verma*
*Dr. Nazim Ahmed Saikia*
*Dr. Prasant Agarwal*
*Dr. M. Khan*
*Dr. P.D.Hansaria*
*Dr. Dungarmal Maheswari*
*Dr. Juli Konwar*
*Ms. Rakhee Konwarh Saikia*
*Ms. Rumi Baruah*
*Mr. Jehir Uddin Ahmed*
*Ms Gairika Baruah Ahmed*
*Mr. Raju Kumar Chetry*
*Mr. Nabajyoti Borkakoty*
*Mr. Amitabha Das*
*Mr. Rituporna Barua*
*Ms. Manashee Gogoi*
*Dr. Bijoy Gogoi*
*Mr. Nazimuddin Ahmed*

**Event sponsorship :**
Late Khironath Gogoi Memorial Marathon - Dr. Minu Buragohain

**Cultural Night :**
Mr. Kumud Ranjan Das & Sanjeevani Hospital

**Regards**
**The D.H.S.K.College Alumni Association**

MEMORABILIA

*We cordially invite you*
*to walk*
*down memory lane*
*relive and rejoice*
*the past*
*and celebrate the*
*tomorrow*
*let's map the future*
*together*

on

18th, 21st and 22nd December 2013.

at

Dibrugarh Hanumanbux Surajmall Kanoi College, Dibrugarh.

*Dr. Rajee Konwarh*
*President*

*Shri Kumud Ranjan Das*
*Working President*

*Dr. Minu Buragohain*
*Secretary*

The D.H.S.K. College Alumni Association, Dibrugarh
Contact No. : 9435030388, 9435030389



**The D.H.S.K.College Alumni Association,**
**D.H.S.K.College, Dibrugarh.**

Presents this certificate

of

# Honorary Life Membership

to

Mr./Mrs./Dr. ____________________________________

for his/her support and contribution to the welfare of The D.H.S.K.College, Dibrugarh.
This certificate is given in the spirit of
gratitude, friendship & harmony.
Given this________day of _______________ at
The D.H.S.K.College, Dibrugarh.

President

Secretary

The D.H.S.K.College Alumni Association

The D.H.S.K. College Alumni Association 2013

# ALL ASSAM PRIZE MONEY MARATHON 2013
# IN MEMORY OF
# LATE KHIRA NATH GOGOI

*Congratulations*



______________________________________

on completing
the Khira Nath Gogoi memorial Marathon 2013 (42.195 km)
conducted by
D.H.S.K. College Alumni Association,
Dibrugarh.

Position : __________ Completion Time : ________ : ________ hr

| (Dr. Rajee Konwarh) | (Shri Kumud Ranjan Das) | (Dr. Minu Buragohain) | (Shri Thaneswar Saikia) |
|---|---|---|---|
| **President** | **Working President** | **Secretary** | **Technical Director** |

Sponsored by Dr. Minu Buragohain, Alumnus, D.H.S.K. College.

*With Best Compliments*

**The Governing Body**

**The Teachers, Staff & Students**

**of**

**DHSK College**

**&**

**The Organising Committee**

**of**

**The DHSK College Alumni Meet**

**2013**



# A SECTION OF OLD STUDENTS WITH THE TEACHING STAFF



**Sitting L - R:** Shri Hassam Sharif Ahmed (Genera Secretary), Smti. Bijoylakshmi Gogoi (Girls' Common Room Secretary), Smti. Manju Borkakoty (Representative), Sjt. Lakshmi Prasad Dutta (Vice Principal & Vice President), Sjt. Jogiraj Basu (Principal, President), Sjt. Nirmal Kumar Basu (Lecturer), Smti. Purnima Phukan (Class Representative), Smti. Anjali Kakoty (Class Representative),

**Standing L - R :** (First Row): First, Shri Sushil Duarah (Megazine Secretary), Sixth, Shri Resham Singh (Class Representative), Nineth, Shri Golap Mohan Chutia (Social Services Secretary), eleventh Shri Ram Thakur Borthakur (Music Secretary)

**Standing L - R :** (Second Row): First, Shri Mudi (Class Representative), Second, Shri Jiauddin Ahmed Hazarika (Class Representative), third Shri Bipul Kalita (Games Secretary), sixth, Shri Anil Borthakur (Class Representative)

# EDITORIAL BOARD




Sitting L - R: Shri Tarun Gogoi, Shri Pratik Chowdhury, Shri Munin Sarmah Shri Raju Kumar Chetry, Shri Mridul Sarmah,

Standing L - R: Hassan Iqbal, Shri Ananta Teron, Shri Vedanta Vikash Baruah Shri Nabajyoti Borkakoty

# EDITORIAL BOARD WITH OFFICE BEARERS OF THE ASSOCIATION




Sitting L - R: Shri Tarun Gogoi, Shri Munin Sarmah, Shri Kumud Ranjan Das (Working President), Dr. Rajee Konwarh (Principal & President) Dr. Minu Burragohain (Secretary), Dr Atique Ahmed (Vice Principal)

Standing L - R: Shri Ananta Teron, Shri Mridul Sarmah, Md. Hassan Iqbal, Shri Pratik Chowdhury, Shri Vedanta Vikash Baruah, Shri Anup Jyoti Bharali, Shri Raju Kumar Chetry, Shri Nabajyoti Borkakoty

# A SECTION OF THE ALUMNI



# LIST OF VICE-PRINCIPALS OF D.H.S.K. COLLGE

| SL. NO. | NAME | TENURE OF OFFICE |
|---|---|---|
| 1. | Dr. Lakhi Prasad Dutta, M.A., B.L. | -JULY 1965 |
| 2. | Sri Sushil Ch. Dutta, M.A. | AUGUST 1965 – NOVEMBER 1968 |
| 3. | Shri T.K. Aiyar, M.A. | DECEMBER 1968 – MAY 1969 |
| 4. | Mrs. Lakshmida Dutta, M.A. | JUNE 1969 – FEBRUARY 1978 |
| 5. | Shri Kalyan Kumar Baruah,M.A. | FEBRUARY 1978 – DECEMBER 1980 |
| 6. | Shri Nabin Chandra Dutta, M.A. | MARCH 1981 – NOVEMBER 1987 |
| 7 | Shri Narendra Kr. Verma, M.A. | DECEMBER 1987 – NOVEMBER 1992 |
| 8. | Shri P.V.K. Shastry, M.Sc | DECEMBER 1992 – JUNE 1994 |
| 9. | Dr. Pradyut Kr. Dutta, M.Sc. | JULY 1994 – MAY 1995 |
| 10. | Shri Deba.Kr. Das, M.Sc. | JUNE 1995 – SEPTEMBER 1996 |
| 11. | Shri Ganga Prasad Koiri, M.A. | NOVEMBER 1996 – SEPTEMBER 1997 |
| 12. | Shri Arun Kr. Dutta (Sr.), M.Sc. | OCTOBER 1997 – MARCH 1998 |
| 13. | Dr. A.N.Z.A Hazarika, M.Sc. | APRIL 1998 – DECEMBER 1998 |
| 14. | Shri Nofil Hussain, M.Sc. | JANUARY 1999 – FEBRUARY 1999 |
| 15. | Shri Bhim Kanta Konwarh, M.A. | MARCH 1999 – FEBRUARY 2000 |
| 16. | Dr.Gopi Ballav Lal Das, M.Sc. | MARCH 2000 – MAY 2000 |
| 17. | Shri Arun Kr. Dutta (Jr.), M.Sc. | JUNE 2000 – JULY 2001 |
| 18. | Mrs. Aloka Baruah, M.A. | FEBRUARY 2001 – NOVEMBER 2004 |
| 19. | Shri Bhaben Baruah, M.A. | MARCH 2005 – JANUARY 2006 |
| 20. | Dr. Joy Krishna Mahanta, M.A. | JUNE 2006 – DECEMBER2006 |
| 21. | Dr. Maheswar Hazarika, M.A. | AUGUST 2011 – FEBRUARY 2013 |
| 22. | Dr. Atikuddin Ahmed, M.A. | AUGUST 2011 - |



# Conquering Newer Horizons

With a legacy traversing three centuries from the successful commercial discovery of crude oil at Digboi in 1889 and Independent India's first oil field in Naharkatiya - all in the north eastern state of Assam - Oil India Limited was born on 18th February, 1959 to increase the pace of exploration in Northeast India.

Dogged determination of some of the finest oil & gas explorers and a committed workforce has enabled OIL to expand its pan India presence and spread its wings overseas with footprints in countries such as Libya, Egypt, Gabon, Iran, Nigeria, Sudan, Yemen, East Timor, Venezuela and USA.

Today, as a Navratna PSU, Oil India Limited is fully committed to achieve the co-created vision of becoming "the fastest growing energy company with Global Presence" with special emphasis on carrying out its duties as a responsible corporate citizen.

*Setting the right pace globally*

ऑयल इंडिया लिमिटेड
( भारत सरकार का उद्यम )
**Oil India Limited**
(A Government of India Enterprise)